

# প্ৰৱাহিনী

২০০৮-০৯ বৰ্ষ

শিৱসাগৰ ছোৱালী কলেজ আলোচনী



সম্পাদক ঃ বন্তি ফুকন

বেটুপাত অলংকৰণ ঃ প্ৰণৱ কুমাৰ চুতীয়া


'Sanskriti' - Play School. Dept. of Home Science.



World Environment Day Celebration.


Internet Section, College Library



Book Holdings, Library



Competition, Arya Bhatta Sc. Centre. S.G.C.

# প্ৰৱাহিনী

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

## ২০০৮-০৯ বৰ্ষ



আন্তৰিকতাৰে এই সংখ্যাৰ প্ৰৱাহিনী

............................................................................ হাতত

তুলি দিলোঁ।

ধন্যবাদেৰে —

সম্পাদক, প্ৰৱাহিনী

উপদেষ্টা মণ্ডলী —

মুকুতা বৰকাকতী

ড° ৰশ্মিৰেখা গগৈ

ঈপ্সিতা ভট্টাচাৰ্য

# প্ৰৱাহিনীৰ ছোঁঘৰত —

## সম্পাদনা সমিতি




সভাপতি ঃ

ড° হেমন্ত কুমাৰ ফুকন

উপদেষ্টা মণ্ডলী ঃ

মুকুতা বৰকাকতী

ড° ৰশ্মিৰেখা গগৈ

ঈপ্সিতা ভট্টাচাৰ্য

সম্পাদক ঃ

বন্তি ফুকন

বেটুপাত ঃ

সম্পাদনা সমিতি

অলংকৰণ ঃ

প্ৰণৱ কুমাৰ চুতীয়া

বৰ্ণ সংস্থাপন ঃ

চাহিদা বেগম (মইনা)


প্ৰকাশক ঃ

ছাত্ৰী একতা সভা - ২০০৮-০৯ চন

শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ

মুদ্ৰণ ঃ

বিনায়ক অফছেট

শংকৰ মন্দিৰ পথ, শিৱসাগৰ

# উৎসৰ্গা

যিসকল মহান ব্যক্তিয়ে
'শিৱসাগৰ ছোৱালী কলেজ' নামৰ
এই বটবৃক্ষ ৰোপন কৰি
আমাৰ বাবে প্ৰজ্ঞাৰ
দুৱাৰ মুকলি কৰিলে,
সেই সকলো জ্ঞাত-অজ্ঞাত
ব্যক্তিলৈ সহস্ৰ শ্ৰদ্ধাৰে
এই সংখ্যাৰ 'প্ৰৱাহিনী'
উৰ্ছগা কৰিলো।

— সম্পাদনা সমিতি
প্ৰৱাহিনী



# শ্ৰদ্ধাঞ্জলি

বিগত সময়ছোৱাত আমি
যিসকলক হেৰুৱালো ...
বিদগ্ধ সংস্কৃত পণ্ডিত ডঃ মুকুন্দ মাধৱ শৰ্মা

বিশিষ্ট সাংবাদিক নৰেশ ৰাজখোৱা

স্বাধীনতা সংগ্ৰামী শুচিব্ৰতা ৰায়চৌধুৰী

বিশিষ্ট নিবন্ধকাৰ তোযেশ্বৰ চেতিয়া

লগতে

প্ৰাকৃতিক দুৰ্যোগ অথবা যিকোনো ধৰণৰ
সন্ত্ৰাস-সংঘৰ্ষৰ বলি হৈ প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া
খ্যাত-অখ্যাত ব্যক্তিসকলৰ স্মৃতিত আমি
শ্ৰদ্ধা তৰ্পণ কৰিছোঁ।

— সম্পাদনা সমিতি





প্ৰৱাহিণী
শিৱসাগৰ ছোৱালী কলেজ
আলোচনী ২০০৮-২০০৯

# অণুক্ৰমণিকা


- শুভেচ্ছাবাণী
- সম্পাদকীয়


## চিন্তাশিল্প


| | | |
|---|---|---|
| - মানৱ উন্নয়ন ঃ ধাৰণা আৰু বাস্তৱতা | ৰঞ্জিত ৰঞ্জন তামুলী | ১৪ |
| - নৱপ্ৰজন্ম আৰু অনাগত ভৱিষ্যত | মিতালী শইকীয়া | ১৮ |
| - সাম্প্ৰতিক সময় আৰু যুৱ মানসিকতা | নলিনীবালা গগৈ | ২০ |
| - সাম্প্ৰতিক যুৱ-মানসিকতা | ৰিমঝিম দাস | ২২ |
| - সাজ-পোছাক সামাজিক উশৃংখলতাৰ অন্যতম কাৰণ | কৃপাশ্ৰী দত্ত | ২৪ |
| - শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ম'বাইল ফোনৰ ব্যৱহাৰ কিমানদূৰ গ্ৰহণযোগ্য | - বন্দিতা বৰগোহাঞি | ২৫ |
| - নাৰী, সমাজ আৰু সাহিত্য | চিমী আহমেদ | ২৬ |
| - বৰ্তমান সমাজত নাৰীবাদ | চিত্ৰাজ্যোতি মালাকৰ | ২৮ |
| - নাট্যশিল্পী ৰূপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা | নিতুস্মিতা ফুকন | ৩০ |
| - অসমীয়া ৰোমাণ্টিক কবিতাৰ এক পৰ্য্যালোচনা | নীলাক্ষী বড়া | ৩৪ |
| - আধুনিক অসমীয়া চুটিগল্প আৰু ... | ত্ৰিবেণী ৰাজকুমাৰী | ৩৬ |
| - অসমীয়া সাহিত্য | হিমাদ্ৰী কটকী | ৪০ |
| - অসমীয়া কাব্য সাহিত্যৰ ক্ৰমবিৱৰ্তনৰ ধাৰা বৈচিত্ৰ্য | চিমী আহমেদ | ৪২ |
| - বিজ্ঞানৰ লগত সাহিত্যৰ সম্পৰ্ক | পল্লৱী কোঁৱৰ | ৪৭ |
| - Spoken English - Some Issues | Sawpon Dowerah | ৪৮ |
| - Agricultural Crops in India to know | Rinki Lahori | ৫০ |
| - Amazing But True | Sylvia Sultana | ৫১ |
| - Weaving During the Ahom Period | Utpala Gohain Chamuah | ৫২ |
| - সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় পৰম্পৰা | উষাৰাণী সোণোৱাল | ৫৫ |
| - মোমাই তামুলী বৰবৰুৱা | দীপাঞ্জলী গগৈ | ৫৭ |
| - আহোম যুগত বয়ন শিল্প | প্ৰবীন শৰ্মা | ৫৯ |
| - পুৰণি অসমৰ খেল-ধেমালি | চয়নিকা বৰগোহাঁই | ৬১ |
| - আচৰিত বৃক্ষ বাখৰ বেঙেনা | চিম্পী হাতীমূৰীয়া | ৬৩ |

| | | |
|---|---|---|
| INDIAN CULTURE and Its Basis | Rinki Lahori | ৬৪ |
| Ability, Boldness & Courage | Nayana Boruah | ৬৫ |
| N.C.C. | Mamu Gogoi | ৬৭ |
| Behaviour of Tech-Users | Riya Dey | ৬৯ |

## শব্দ শিল্প

| | | |
|---|---|---|
| আশ্ৰয় | বিজু বৰগোহাঁই | ৭২ |
| তুমি মোৰ প্ৰেৰণা | পম্পী গগৈ | ৭৬ |
| সামাজিক অৱক্ষয় | সুপ্ৰিয়া গগৈ | ৭৮ |
| অনুভৱ | ৰিতুমণি দুৱৰী | ৭৯ |
| আপোন কোন এই পৃথিৱীৰ | কৃপাক্ষী চাৰুকীয়া | ৮২ |
| এটি মাথো ভুলৰ বাবে | ৰিমঝিম দাস | ৮৫ |
| অপেক্ষা | অদ্বিতীয়া সন্দিকৈ | ৮৮ |
| জীৱনৰ প্ৰাপ্তি-অপ্ৰাপ্তি | যুতিকা বড়া | ৯০ |
| মানৱীয়তাৰ স্খলন | সীমাশ্ৰী শইকীয়া | ৯৩ |
| সাৰঙ্গ পক্ষীৰ কাহিনী | চিত্ৰলেখা গগৈ | ৯৫ |

## কাব্যশিল্প ...

১০০-১২৫

## সোঁৱৰণীৰ ছোঁ খেদি..

| | | |
|---|---|---|
| - অনুভৱৰ চোতালত "ৰংপুৰ ছাত্ৰী নিবাস" | প্ৰিয়ংকা ৰাজকুমাৰী | ১২৮ |
| - হোষ্টেলৰ জীৱনৰ অভিজ্ঞতাৰে....... | চিত্ৰাময়ী হাজৰীকা | ১৩১ |
| - কথোপকথন ঃ এক অনুভৱৰ...... | বৰ্ণালী দাস | ১৩২ |
| - মা'লৈ চিঠি | ইন্দ্ৰানী শৰ্মা | ১৩৪ |
| - কুইজ | ৰশ্মিৰেখা মিলি | ১৩৫ |

## প্ৰতিবেদন

১৩৬-১৫৭

- মহাবিদ্যালয়ৰ স্নেপশ্বট
- মহাবিদ্যালয়ৰ গৌৰৱ

**Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)**
***Vice-Chancellor***

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**

No.DU/VC/073/09/399 Date: 04.11.2009

**Message**

To

Ms. Bonti Phukan
Magazine Secretary
Sibsagar Girls' College Students' Union
Sivasagar

Dear Ms. Phukan,

I am glad to know that the Annual College Magazine of the Sibsagar Girls' College Students' Union for the session 2008-09 is going to be published very soon.

The annual magazines of the colleges are providing ample opportunities to the students to publish their creative writings and thus encouraging the talented students to attain maturity in their literary and artistic endeavour.

I hope that the Annual College Magazine of the Sibsagar Girls' College Students' Union for the Session 2008-09 shall be an excellent one in all aspects.

I offer my best wishes to you and all the members of the Editorial Board.

4.11.09
(K. K. Deka)
Vice-Chancellor
Dibrugarh University

# সম্পাদকীয় একলম....



সম্পাদকীয়লৈ একলম লিখাৰ প্ৰাক্ মুহূৰ্তত ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ দ'লৰ কাষত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ নামৰ এই পবিত্ৰ শিক্ষানুষ্ঠানটিৰ প্ৰতিজন শিক্ষাগুৰু, কৰ্মচাৰী আৰু শিক্ষাৰ্থী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভকামনা জ্ঞাপন কৰিলো, লগতে যিসকল মহানুভৱী, বৰেণ্য ব্যক্তিৰ ত্যাগ আৰু সহানুভূতিৰ বিনিময়ত এই শিক্ষা অনুষ্ঠানটিয়ে ৪৬ বছৰ অতিক্ৰম কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

সাহিত্য সমাজৰ দাপোন। সাহিত্য অবিহনে কোনো ভাষা-সংস্কৃতি জীয়াই থাকিব নোৱাৰে। সাহিত্যৰ জৰিয়তেই বহুতো মহৎ গ্ৰন্থৰ সৃষ্টি হয় যিবোৰ গ্ৰন্থ পাঠকৰ মনোগ্ৰাহী আৰু সমসাময়িক। ইয়াৰ উদ্দেশ্য হৈছে ভাষা-সংস্কৃতিক জীয়াই ৰাখি বিষয় বস্তুসমূহক মনোগ্ৰাহীৰূপে প্ৰকাশ কৰি পাঠকক আনন্দ দিয়া। সাহিত্যই হৈছে মনৰ অনুভূতিক প্ৰকাশ কৰাৰ একমাত্ৰ অৱলম্বন। সেয়েহে এখন আলোচনীৰ প্ৰকাশৰ দ্বাৰা ছাত্ৰীসকলৰ মনৰ ভাৱ, সৃষ্টি সমূহ উপস্থাপন কৰিবলৈ যত্ন কৰা হ'ল।

আজিৰ যুগ হৈছে বিজ্ঞানৰ যুগ। কিন্তু বিজ্ঞানৰ কৃপাত যিমানেই আগবাঢ়ি নাযাৱক লাগে; ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, দুৰ্নীতি, সন্ত্ৰাসবাদ আদি সকলোতে বিয়পি পৰিছে যাৰ ফলত ভাৰত স্বাধীন হোৱা ৫০ বছৰ পিছতো জনসাধাৰণে স্বাধীনতাৰ সোৱাদ মুক্তভাৱে গ্ৰহণ কৰিব পৰা নাই। সততা ভাৰতবৰ্ষৰ পৰা নাইকীয়া হৈ গৈছে আৰু প্ৰতিহিংসা আৰু সন্ত্ৰাসে মানুহৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। আমি যুৱচামে এই দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিব লাগিব আৰু দেশৰ জনসাধাৰণৰ মাজলৈ শান্তি আৰু সততা ঘূৰাই আনিবলৈ যত্ন কৰিব লাগিব।

So lets come together and make our world a better place to live in, free from terrorism, jealousy, politics and corruption for the proverb goes.

"United will stand divided we fall"

**বন্তি ফুকন**

সম্পাদক, আলোচনী ও সাহিত্য বিভাগ






মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ

# ডঃ হেমন্ত কুমাৰ ফুকন

এম. এছ. চি., পি. এইচ. ডি.

## Editorial Board



From left (Sitting) - Mrs. Ipsita Bhattacharya, Principal Dr. Hemanta Kumar Phukan, Mrs. Mukuta Borkakoty & Dr. Rashmi Rekha Gogoi. (Standing) Miss Bonti Phukon.

## Union Body Members

Session 2008-09.



Upper Row (from left) – Binita Gogoi (Secy.; Common Room), Sumi Dutta (Secy.; Cultural Affairs), Parthana Bhuyan (General Secretary), Usharani Sonowal (Secy.; Sports), Lakhimi Das (Assistant Gen. Sceretary) Lower row (From left) – Bonti Phukan (Secy.; magazine & Literary affairs), Bipasha Hazarika (Assistant Sports Scey.), Sabina Nanid (Secy.; Social Service), Mamu Gogoi (Secy.; Debate & Symposium)

Not in the photo :- Prabjeet Kaur (Secy.; Music) & Sujata Dutta (Assistant Music Secy.)

# চিন্তাশিল্প



"বিভিন্ন সাহিত্যিকে বিভিন্ন দৃষ্টিভংগীৰে হ'লেও সমাজৰ মানুহবোৰৰ স্বভাৱ-চৰিত্ৰ, কাৰ্য-কলাপ, আশা-আকাংক্ষা, সফলতা-বিফলতা, চিন্তা-ভাৱনা ইত্যাদিৰ বিভিন্ন দিশ আৰু সাৰ্বজনীন গুণবোৰ প্ৰকাশ কৰি অংকিত কৰা চিত্ৰবোৰে সামগ্ৰিকভাৱে এটা বিশেষ যুগৰ প্ৰায় আটাইবোৰ মানুহকে অংকিত কৰি সাহিত্য সৃষ্টি কৰে। ............ সাহিত্যই কাৰ্যতঃ সমাজৰ ইতিহাসকেই ৰচনা কৰে।"

# মানৱ উন্নয়ন – ধাৰণা আৰু বাস্তৱতা

— ৰঞ্জিত তামুলী
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**আলোচনা– (১)**

– জীৱশ্ৰেষ্ঠ মানুহৰ উন্নয়ন আৰম্ভ হৈছে বহু হাজাৰ বছৰ পূৰ্বৰে পৰাই। এসময়ত মানুহে পশুৰ দৰে একে ৰূপত হাবিয়ে জংঘলে, পৰ্বতে কন্দৰে যাযাবৰী জীৱন কটাই চিকাৰ কৰি বা ফল মূল সংগ্ৰহ কৰি পেট প্ৰৱৰ্ত্তাই আহিছিল যদিও মানুহমোৰ এই ৰূপৰ পৰিবৰ্ত্তন হবলৈ বেছি দেৰি নালাগিল। শিলা খণ্ডক অস্ত্ৰৰূপত ব্যৱহাৰ, জুইৰ আৱিষ্কাৰ, গাওঁ পাতি স্থায়ী বসবাসৰ ব্যৱস্থা, কৃষি আৱিস্কাৰ, পশু আৰু কাঠৰ সঁজুলি কৃষি সঁজুলিৰ ৰূপত ব্যৱহাৰ আদিয়ে প্ৰথম স্তৰতে মানুহক পশুত্বৰ পৰা জীৱশ্ৰেষ্ঠৰ শাৰীলৈ উন্নয়ন ঘটালে। সেই য়সমত ইঙ্গিতৰ দ্বাৰা মনৰ ভাৱ বিনিময় হৈ আহিছিল যদিও পিছলৈ বুদ্ধি আৰু মগজুৰ কৰ্ষণ কৰি ভাষাৰ আৱিষ্কাৰ হ'ল। ভাষাৰ আৱিষ্কাৰে উন্নয়নৰ গতি অধিক দ্ৰুত কৰিলে। ভাষাৰ পৰবৰ্তী পৰ্য্যায়ত প্ৰবল শক্তিমান ঐশ্বৰিক শক্তিৰ ওপৰত বিশ্বাস, ক্ৰমান্বয়ে দেব দেৱতাৰ আৱিষ্কাৰ, নগৰ সভ্যতাৰ পাতনি আদিয়ে মানুহক আৰু এঢাপ ওপৰলৈ লৈ গ'ল। লাহে লাহে ৰাজ্য প্ৰতিষ্ঠা, শাসন ব্যৱস্থা, মৌখিক সাহিত্য আৰু লিখিত সাহিত্যৰ বিস্তাৰ শাসন সম্বন্ধীয় ৰীতি নীতিৰ বাবে সংবিধান প্ৰণয়ণ, বিশ্ব ব্ৰহ্মাণ্ডৰ গ্ৰহ সম্পৰ্কীয় চিন্তা চৰ্চা, জ্যোতিষ, অংক শাস্ত্ৰ সৃষ্টিশীল কলা আৰু সাহিত্যৰ বিকাশ আদিয়ে পৃথিৱীৰ নানান প্ৰান্তত নানান প্ৰাচীন সভ্যতাৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰিলে। তাৰ ভিতৰত, প্ৰাচীন ভাৰতীয় সভ্যতা, গ্ৰীক সভ্যতা, ৰোমান সভ্যতা আৰু মিছৰীয় সভ্যতা আদি অন্যতম। উল্লেখযোগ্য যে প্ৰাচীন ভাৰতীয় আৰ্য্য সভ্যতাৰো পূৰ্বে মহেঞ্জোদাৰু আৰু হৰপ্পাৰ ভংগ্নাৱশেষে দ্ৰাবিড়ীয় সভ্যতাৰ গৌৰৱ প্ৰতিষ্ঠা কৰে।

যি কি নহওক, প্ৰাচীন সভ্যতাই পৃথিৱীৰ বিভিন্ন প্ৰান্তৰত বিভিন্ন সমৃদ্ধিশালী জাতি গোষ্ঠীৰ উন্নয়ন সৰ্ম্পকীয় ছবি একোখন দাঙি ধৰে যদিও

পৃথিৱীৰ আনবোৰ প্ৰান্তৰত তেনে উন্নয়ন আৰু বিকাশ সম্ভৱপৰ হৈ উঠা নাছিল। প্ৰকৃতাৰ্থত মধ্যযুগৰ পুনৰ জাগৰণ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আদিয়ে পৃথিৱীখন পূৰ্ণ ৰূপত আবিস্কাৰ কৰাটো সম্ভৱপৰ কৰি তুলিছিল। মূলতঃ নবম দশম শতাব্দীৰ পৰা সপ্তদশ শতাব্দী মানলৈ প্ৰাচীন সভ্যতাৰ ভেটিত গঢ়ি উঠিছে নতুনকৈ আদৰি অনাৰ প্ৰৱণতা। এইখিনি সময়তে বিজ্ঞানৰ নানান আৱিস্কাৰ, যেনে ছপাযন্ত্ৰ, ভাপ ইঞ্জিন, বেৰোমিটাৰ, শৰীৰ তত্ত্ব, গতি বিদ্যা আদিৰ আবিস্কাৰে মানুহক কিছুমান নতুন আৰু চিৰন্তন সত্যৰ মুখামুখি কৰাইছিল। গ্ৰহ গতি সম্পৰ্কীয় চিন্তা ধাৰা, গ্ৰহ সমূহৰ আবিস্কাৰ আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতি, উদ্যোগ, কল কাৰখানাৰ প্ৰতিষ্ঠা আদিৰ ফলত বিকাশ দ্ৰুত গতিত বৃদ্ধি প্ৰাপ্ত হৈছিল আৰু ইয়ে পৃথিৱীৰ বিভিন্ন দেশ আৰু জাতিৰ মাজত যোগাযোগ প্ৰতিষ্ঠা কৰালে। কলম্বাছে আমেৰিকা আৰু ভাস্কো-দ্য-গামাই ভাৰতবৰ্ষলৈ কৰা যাত্ৰা দুটা পৃথিৱীৰ মানৱ সভ্যতাৰ দুটা উল্লেখযোগ্য দিক্ নিৰ্ণায়ক যাত্ৰা। কব পাৰি যে, আদিম অবস্থাৰ পৰা প্ৰাচীন সভ্যতালৈ হাজাৰ হাজাৰ বছৰ জোৰা মানৱ উন্নয়ণ মধ্যযুগত প্ৰায় ৫০০ বছৰ মানৰ ভিতৰত সম্পন্ন হৈছিল। কিন্তু তাৰো উৰ্ধত উনবিংশ শতাব্দীৰ পৰা বিংশ শতাব্দীৰ প্ৰথম অৰ্ধেক মানৱ উন্নয়নণৰ দ্ৰুত বিকাশৰ যুগ বুলি কব পাৰি। এই সময়ছোৱাত যোগাযোগ ব্যৱস্থাৰ দ্ৰুত উন্নয়ন হৈছে। টেলিফোন, অনাতাঁৰ ব্যৱস্থা, ৰেডিঅ', উৰাজাহাজ, বিজুলী চাকি আদিৰ আবিস্কাৰে এফালেদি মানুহক বিকাশৰ পূৰ্ণতা দিলে আৰু আনহাতেদি বিশ্বখনক ওচৰ চপাই অনাৰ প্ৰথম পদক্ষেপ প্ৰদান কৰিলে বুলিও কোৱা হয়। দুটা দশক পূৰ্বে লিওনাৰ্ডো-দ্যা-ভিন্সিয়ে আকাশীযানৰ ছবিহে আঁকিছিল যদিও ৰাইট ভাতৃদ্বয়ে মানুহক আকাশত উৰাৰ সুবিধা প্ৰদান কৰিলে। টেলিভিচনৰ আবিস্কাৰ এই সময়ৰ আন এটা উল্লেখ ঘটনা।

বিংশ শতাব্দীৰ দ্বিতীয় আৰ্ধেকৰ পৰা বৰ্তমান সময়লৈ বিকাশৰ সমগ্ৰ ধাৰণাই সলনি হৈ গৈছে। পাচ হাজাৰ বছৰত নোহোৱা বিকাশ পঞ্চাছ বছৰতে সম্ভৱৰ হৈ উঠিছে এই সাম্প্ৰতিক সময়ছোৱাত। প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ ফলস্বৰূপে সকলো ধৰণৰ উপভোগ্য বিলাসী সামগ্ৰীৰ ব্যৱহাৰ কৰি পৰাটো এই সময়ৰ আটাইতকৈ উল্লেখযোগ্য ঘটনা। কম্পিউটাৰ, মহাকাশ অভিযান, মবাইল ফোন, শব্দতকৈও দ্ৰুত গতিৰ বিমান, যোগাযোগৰ অন্যান্য সহজ মাধ্যম আদিয়ে সমগ্ৰ বিশ্বখনকে বৰ্তমানৰ এখন গাৱলৈ ৰূপান্তৰিত কৰিছে।

এতিয়া প্ৰযুক্তি বিদ্যাৰ চৰম বিকাশৰ যুগত মানুহৰ চৰম উন্নয়ণ আৰু বিকাশ ঘটা বুলিলেই বিজ্ঞানী সকলে দাবী কৰিব খোজে। পাৰ্থিৱ উন্নয়নণৰ চিন্তা ধাৰাক একাষে থৈ বৰ্তমানে বিজ্ঞানী সকলে গ্ৰহ গ্ৰহান্তৰৰ ৰহস্য উদঘাটনত ব্ৰতী হৈছে। গতিকে বৰ্তমানে মানব বিকাশ বা উন্নয়ণ শীৰ্ষতম স্থানত উপনীত হোৱা বুলি কোৱা হয়। এশ বছৰ পূৰ্বে হয়তো যিটো অসম্ভৱ বুলি ধাৰণা আছিল আজি তাকেই সম্ভৱ হৈ উঠিছে। শতিকা পূৰ্বে আমাৰ পূৰ্ব-পুৰুষ সকলে হয়তো দঃ আফ্ৰিকা নামৰ দেশ এখনৰ কথা শুনা নাছিল, কিন্তু আজি তাত হৈ থকা এখন ক্ৰিকেট খেল একে সময়তে উপভোগ কৰাৰ সৌভাগ্য ঘটিছে বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত- এইয়াই মানৱ উন্নয়ণ নে?

## আলোচনা - (২)

উন্নয়ন শব্দটো ব্যাপক অৰ্থত যদি ব্যৱহাৰ কৰা হয় তেনে হলে মানুহে বৰ্তমানে বিলাসী সামগ্ৰী ব্যৱহাৰ কৰি আৰামপ্ৰদ জীৱন কটাব পৰাৰ যোগ্যতাকে উন্নয়ন বুলি কবা নোৱাৰি। সভ্যতাৰ প্ৰথম পৰ্য্যায়ত মানুহে যিবোৰ দিশক মানৱ প্ৰজাতিৰ উন্নয়ন বুলি গণ্য কৰিছিল তাৰ ভিতৰত আছে- মানৱ জীৱনৰ মূল্যবোধ (Value of Life) । মূল্যবোধক প্ৰকৃতাৰ্থত ভিন ভিন দৃষ্টিকোণেৰে পৃথক পৃথককৈ চাব পাৰি। কোনো-কোনোৱে মূল্যবোধক চাৰিটা ভাগত ভাগ কৰিছে-

১। নৈতিক মূল্যবোধ
২। আধ্যাত্মিক মূল্যবোধ
৩। সামাজিক মূল্যবোধ
৪। ধৰ্মীয় মূল্যবোধ

অৱশ্যে ইয়াৰে আধ্যাত্মিক আৰু ধৰ্মীয় মূল্যবোধৰ মাজত পাৰ্থক্যৰ সীমাৰেখা বৰ স্পষ্ট নহয়। আধ্যাত্মিক চিন্তা চৰ্চাৰেই ধৰ্মীয়-মূল্যবোধ গঢ়ি উঠাটো বা তেনে ধৰণৰ মতাদৰ্শ স্থাপন হোৱাটো অস্বীকাৰ কৰা নাযায়। প্ৰকৃতাৰ্থত উপৰোক্ত মূল্যবোধ কেইটা ভাৰতীয় দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত যিয়ে মানৱ জীৱনত পূৰ্ণতা প্ৰাপ্তিৰ বাবে নানান অনুশাসন আৰু পালন কৰিবলগীয়া দিশ নিৰ্দেশ কৰিছে। ভাৰতীয় সমাজত বৰ্ণ বিভাজন থাকিলেও প্ৰতিটো বৰ্ণৰ লোককে নিজস্ব দায়িত্ব পালন কৰাৰ নিৰ্দেশ দিয়া হৈছে। ইয়াৰোপৰি জীৱন কালক চাৰিটা ভাগত ভাগ কৰা চাৰিটা আশ্ৰম ৰূপত ব্ৰহ্মচাৰ্য্য, গাৰ্হস্থ, বানপ্ৰস্থ আৰু সন্ন্যাস আশ্ৰম পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদনুৰূপ প্ৰতিটো বৰ্ণৰ লোককে জীৱনৰ প্ৰকৃত মহত্ব উপলব্ধি কৰিব পৰাকৈ ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুবৰ্গ সাধন কৰিবলৈ দিয়া নিৰ্দেশো তাৎপৰ্য্যপূৰ্ণ।

প্ৰাচীন ভাৰতীয় সাহিত্য সমূহত এই নিৰ্দেশ সমূহ কাৰ্য্যকৰী কৰাৰ বিভিন্ন উদাহৰণ তাৎপৰ্য্য আৰু তাৰ দ্বাৰা প্ৰাপ্ত ফলক প্ৰদৰ্শন কৰা হৈছে। শ্ৰীশ্ৰী মদ্ভাগৱত গীতা, মহাভাৰত, উপনিষদ সমূহ আৰু অন্যান্য গ্ৰন্থত আখ্যান বা অন্য ধৰণে দিয়া নিৰ্দেশ আদিয়ে ভাৰতীয় সমাজ জীৱনৰ মূল্যবোধক স্পষ্ট কৰে। ইয়াৰ পৰা মানৱ উন্নয়ন মানে আমি বহল অৰ্থত সামাজিক, নৈতিক, ধৰ্মীয়, আধ্যাত্মিক, দাৰ্শনিক আৰু ব্যৱহাৰিক আটাইবোৰ দিশ সামৰি এক সামুহিক উন্নয়নকে বুজাব লাগিব আৰু ইয়েই এক স্পষ্ট বুলি কব পাৰি। গৌতম বুদ্ধৰ দ্বাৰা নিৰ্দেশিত বাণী সমূহো ভাৰতীয় নৈতিক প্ৰমূল্যবোধৰ অন্যতম ভেটি বুলি গণ্য কৰা হয়।

কিন্তু বাস্তৱতে তেনে হোৱাটো পৰিলক্ষিত নোহোৱাটোৱেই হৈছে আজিৰ মানৱ জাতিৰ আটাইতকৈ ডাঙৰ প্ৰহসন। এফালে উন্নতিৰ জখলাত বগুৱা বাই মানুহে সভ্যতাৰ উচ্চ শিখৰত উপনীত হ'লেও আনহাতেদি মানুহে অৱনতিৰ চৰম পৰ্য্যায়ত ভৰি দিছে। আজিৰ মানুহৰ আৰামদায়ক আৰু বিলাসিতাপূৰ্ণ জীৱন প্ৰবাহৰ বাবে সকলো সামগ্ৰী হাততে পোৱাতে আছে। কিন্তু তাৰ বিপৰীতে মানুহৰ নৈতিক আৰু সামাজিক মূল্যবোধৰ চৰম স্খলন ঘটিছে। আমি যিদৰে সাম্প্ৰতিক সময়ৰ শেষৰ দুটা শতিকা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম বিকাশৰ সময় বুলি ঠাৰৰ কৰিছো, ঠিক একেদৰে এই শতিকা দুটা মানুহৰ নৈতিক মূল্যবোধৰ চৰম অৱক্ষয়ৰ শতিকা হিচাবেও চিহ্নিত কৰিব পাৰি। উদাহৰণ স্বৰূপে দুয়োখন মহাযুদ্ধৰ কথা কব পাৰি। এসময়ত সম্ৰাট



অশোকে কলিংগ যুদ্ধত হাজাৰ হাজাৰ লোক নিহত হোৱাৰ বেদনাত যুদ্ধ ত্যাগ কৰি বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল, কিন্তু আধুনিক পৃথিৱীত নৰহত্যাৰ তেজেৰে হাত কলুষিত কৰি শাসকে ক্ষমতাৰ বাঘজৰী নিয়ন্ত্ৰণ কৰিছে। হিটলাৰ, ইডি আমিন আৰু মুছোলিনী তাৰ উদাহৰণ। দ্বিতীয় মহাযুদ্ধত ১৯৪৫ চনৰ আগষ্ট মাহত আনবিক বোমা পেলাই আমেৰিকাই মানৱতাৰ বধ্যভূমিত পৰিণত কৰা হিৰোচিমা আৰু নাগাচাকি মানৱ উন্নয়নৰ প্ৰকৃত ধাৰণাৰ প্ৰতিফলন নে? আজিৰ শিক্ষাই সচাই মানুহক মহত্তম কৰে নে? যাজক হবলৈ শিক্ষা লোৱা আইকমেনে হিটলাৰৰ নাৎসী বাহিনীত যোগদান কৰি ৬০ লাখ ইহুদী হত্যাৰে হাত কলুষিত

কৰিছিল। এইয়া হ'ল প্ৰত্যক্ষ হত্যাৰ কাহিনী। কিন্তু সমাজৰ প্ৰতিটো কোণতে আছে একো একোজন হিটলাৰ, আইকমেন। চোৰাং বজাৰ, দুৰ্নীতিৰ বেহা মেলা একো একোজন ব্যৱসায়ীয়ে খাদ্য বস্তুত ভেজাল মিহলাই তিলতিলকৈ মানুহক হত্যা কৰে। কেৱল মুনাফাৰ আশাত খাদ্য বস্তু, ঔষধ, শিশু খাদ্য আদি সকলোতে ভেজাল। প্ৰাকৃতিক দুৰ্যোগ নিয়ন্ত্ৰণ কৰিবলৈ দিয়া ধন সোমাই ৰাজনীতিবিদ আৰু ব্যৱসায়ীৰ ৰৰপেৰাত। সৰ্বহাৰা আৰু দৰিদ্ৰ লোকক প্ৰলোভিত কৰি ৰাজনীতিবিদে নিজৰ সমৃদ্ধি বৃদ্ধি কৰে। মাদ্ৰক দ্ৰব্য আৰু ড্ৰাগছৰ বেহা ৰোধ কৰাত সমাজৰ কাৰো কোনো ভূমিকা নাই। সমগ্ৰ পৃথিৱীতে চলিছে আঞ্চলিকতাবাদ আৰু ধৰ্মৰ উন্মাদনা। সন্ত্ৰাস জৰ্জৰিত পৃথিৱীৰ প্ৰায়বোদ দেশ। আমেৰিকাৰ দৰে অতি সুৰক্ষিত দেশতো সন্ত্ৰাসবাদীয়ে চৰম আঘাট হানিছে আৰু আনবোৰ দেশতো নিৰ্বিবাদে চলি থাকে হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ।

সমগ্ৰ পৃথিৱীৰ মানৱ জাতিয়েই আজি এক চৰম বিপৰ্য্যায়ৰ দুৱাৰ দলিত উপনীত হৈছে। ভাৰতৰ দৰে দেশত মুকেশ আম্বানি, ৰতন টাটা, শ্বাহৰুক খানৰ দৰে কোটি পতিৰ বিলাসৰ বিপৰীতে আছে কোটি কোটি সৰ্বহাৰাৰ অন্ন বস্ত্ৰ আৰু গৃহৰ সমস্যা। গতিকে বিকাশ বাস্তবিক অৰ্থত এক প্ৰহসন। কোনো মূল্যবোধেই সমাজৰ কোনো এটা শ্ৰেণীৰ ক্ষেত্ৰতে প্ৰযোজ্য হব নোৱাৰে। দৰিদ্ৰ, মধ্যবিত্ত আৰু সৰ্বহাৰাৰ বাবে জীৱনৰ মূল্যবোধৰ কোনো মূল্য নাই। সমাজ, দেশ তথা মানৱ জাতিক নিয়ন্ত্ৰণৰ বাঘজৰী লৈ আছে এই সকল পুঁজিপতিয়ে। সেইবাবে দুবেলা দুমুঠি পেট পুৰাই খাবলৈ নাপালেও দক্ষিণ আফ্ৰিকাই আই.পি.এল.চাই সন্তুষ্টি লভে মধ্যবিত্ত শ্ৰেণীয়ে।

সমস্যা জৰ্জৰিত দেশৰ সমস্যা নিৰাময়ৰ বাবে ক্ষমতালিপ্সু ৰাজনৈতিক নেতাৰ কোনো ভূমিকা নাই। নিবনুৱা সমস্যাই গ্ৰাস কৰা দেশখনত সংৰক্ষণৰ নামত, জনজাতিকৰণৰ নামত ৰাজনীতি চলে, ছাত্ৰই আত্মজাহ দিয়ে, সুৰক্ষা বাহিনীৰ ধৰ্ষণৰ প্ৰতিবাদত দেশৰ মাতৃস্বৰূপা নাৰীয়ে সমূহীয়া ভাৱে নগ্ন হৈ প্ৰতিবাদ কৰে, ৰাজনীতিৰ নামত মন্দিৰ মছজিদ ভঙাহয়, তথাপিও ৰাষ্ট্ৰীয় সংহতিৰ বাণী দোহাৰে- এনে এক বৈপৰীত্যৰ মাজত পৰিচালিত হৈছে মানৱ উন্নয়নৰ ধাৰণা আৰু বাস্তৱতা। প্ৰকৃতাৰ্থত বাস্তৱ ছবিখন ইমানেই ধূসৰ যে তাত সকলো ধাৰণা (Concept) সমাধিস্থ হৈছে।

## ঃ সামৰণি ঃ

আদিম অৱস্থাৰ পৰা বৰ্তমানলৈ মানৱ সভ্যতাক কেইবাটাও স্তৰ বা যুগত ভাগ কৰা হৈছে। আদিম অৱস্থাৰ প্ৰত্ন প্ৰস্তৰ আৰু নৱ প্ৰস্তৰ যুগৰ পৰা প্ৰাগঐতিহাসিক, ঐতিহাসিক, প্ৰাচীন, মধ্য আৰু আধুনিক যুগ পাৰ হৈ সাম্প্ৰতিক সময়ক অত্যাধুনিক যুগ বুলি অভিহিত কৰিব পৰা যায়। আদিম আৰু প্ৰাক ঐতিহাসিক যুগক বাদ দি আনবোৰ যুগত একাধিক বিশ্ববিশ্ৰুত মনীষাই মানবীয় সভ্যতাক দাৰ্শনিক আধ্যাত্মিক আৰু তাত্ত্বিক দিশৰ মহত্বম জ্ঞান দিবলৈ যত্নপৰ হৈছিল। যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, গৌতম বুদ্ধ, মহাবীৰ, কনফুচিয়াচ, আইনষ্টাইন, স্বামী বিবেকানন্দ, ঋষি অৰবিন্দ, মহাত্মা গান্ধী, মাৰ্টিন লুথাৰ কিং, বাট্ৰাণ্ড ৰাচেল, কাৰ্লমাক্স, টলষ্টয় আদিৰ মহান উপদেশ, লিখনি, তাত্বিক বাণী সমূহ আজি অচল। মানুহ সভ্যতাৰ চৰম শীৰ্ষত উপনীত হলেও আধুনিক আৰু অত্যাধুনিক যুগত মানুহৰ মানবীয় প্ৰমূল্যবোধ অৱক্ষয়ৰ অটল তলীলৈ গতি কৰিছে। এসময়ত এখন সুস্থিৰ, শান্তিপ্ৰিয় আৰু উন্নয়নমুখী পৃথিৱীৰ কল্পনা কৰা মানুহ এতিয়া চৰম দুৰ্ভোগত ভুগিব লাগিছে। সকলো শ্ৰেণীৰ মানুহেই নানা সমসাৰে ভাৰাক্ৰান্ত, যুৱ প্ৰজন্ম উশৃংখল- তেওঁলোকৰ মনত নাই কোনো নৈতিক বা সামাজিক মূল্যবোধ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ। গতিকে মানৱ জাতিৰ উন্নয়ন শীৰ্ষতম স্থানত উপনীত হোৱা বুলি ভাবিবৰ অৱকাশ আজি নাই। এনে অৱস্থা অপৰিবৰ্তিত থাকিলে মানৱ জাতিৰ ভৱিষ্যত অতি অন্ধকাৰ।

এনে অৱস্থাৰ অৱসানৰ বাবে প্ৰয়োজন এক সুস্থিৰ আৰু মূল্যবোধ সম্পন্ন সমাজ ব্যৱস্থাৰ।

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ

# নৱ প্ৰজন্ম আৰু অনাগত ভৱিষ্যত

— শ্ৰীমতী মিতালী শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

কোৱা হয়, আজিৰ শিশু কাইলৈ ভৱিষ্যতৰ কাণ্ডাৰী। শিশুৱে সামাজিক পৰিৱেষ্টনীৰ মাজেৰে ডাঙৰ দীঘল হৈ অহাৰ লগে লগে তেওঁলোকৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক দিশবোৰ উন্মুচিত হবলৈ ধৰে। সামাজিক পৰিৱেশৰ ক্ৰিয়া-কলাপে শিশুৰ মনত দ কৈ সাঁচ বহুৱায়। এই শিশুসকলেই এদিন সমাজ আৰু দেশৰ ধৰণী হৈ উঠে।

সমাজ যিহেতু বহু ব্যক্তিৰ সমাহাৰ আৰু বিৱৰ্তনমুখী, সেইবাবে প্ৰাথমিক অৱস্থাত নিজ পৰিয়ালৰ পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজৰ প্ৰতিজন ব্যক্তিৱে শিশুৰ মানসিক চৰিত্ৰ গঠনত কৰণীয় কৰ্তব্য আৰু দায়িত্ব অসীম। এটা সৰু বীজত যিদৰে এজোপা বটবৃক্ষ লুকাই থাকে, ঠিক সেইদৰে প্ৰতিজন শিশুৰ অন্তৰত মহৎ গুণৰাজি সুপ্ত অৱস্থাত থাকে। প্ৰাকৃতিক প্ৰৰিবেশৰ মাজত গছ পুলিটোৰ শ্ৰীবৃদ্ধি যিদৰে ঘটে, শিশুৰ সুপ্ত মানসিক, চাৰিত্ৰিক গুণবো ব্যক্তি সমূহৰ গুণেৰে তেওঁলোকক উদ্ভাসিত কৰি তোলে। এই শিশু বা নৱ প্ৰজন্মক সুপথেৰে পৰিচালিত কৰিবলৈ সৎ চৰিত্ৰবান হবলৈ, নৈতিকতাপূৰ্ণ সুশৃংখল মানসিকতাৰে উজ্বল জীৱন গঢ়িবলৈ হ'লে, পিতৃ-মাতৃৰ লগতে জেষ্ঠসকলক আৰু সমাজৰ সকলোৱে গুৰু দায়িত্ব আছে।

শিশু অনুকৰণপ্ৰিয়। ই এক স্বাভাৱিক প্ৰবৃত্তি। পৰিয়ালৰ লোকসকলে যেনে



আচৰণ কৰে, সেই বিলাককে শিশুৰ মনৰ দাপোণত পোনে পোনে প্ৰতিফলন ঘটায়। কোৱা হয় যে, ঘৰখনেই শিশুৰ আচল শিক্ষাৰ থলী। ঘৰখন আদৰ্শবান হ'ল লাগিব নহ'লে আদৰ্শবান শিশুৰ জন্ম হ'ব নোৱাৰে। তাৰ পিছত চৌদিশৰ পৰিবেশে শিশুৰ মানসিকতাত অভূত পূব প্ৰভাৱ পেলায়। জেষ্ঠজনে যি কাম কৰে, যেনে আচাৰ ব্যৱহাৰ কৰে শিশুসকলেও তাকে অনুকৰণ কৰে। গতিকে জেষ্ঠ সকলে এইক্ষেত্ৰত যথেষ্ট সৰ্তক হোৱা উচিত।

সময় আৰু সমাজ বিৱৰ্তনমুখী। সময়ে বাগৰ সলোৱাৰ লগে লগে সমাজৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চাও সলনি হয়। অতীতৰ মানুহৰ যি চিন্তা-চৰ্চা সেয়া আছিৰ সমাজত বিচাৰি পোৱা নাযায়। কৌটিকলীয়া পৃথিৱীখন আজি কুৰি শতিকাত তেনেই আওপুৰণি হৈ পৰিল। শান্ত, সৌম্য, ধীৰ, গম্ভীৰ পুৰণি পৃথিৱীখন হেৰাই গ'ল। তাৰ ঠাইত আন এখন নতুন জগত মূৰ দাঙি উঠিল। কুৰি শতিকাৰ জগতখন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন ন আৱিষ্কাৰেৰে পৰিপূৰ্ণ। আকাশ-পাতাল আৱৰি যাতায়ত ব্যৱস্থাই, বিজুলি, অনাতাঁৰ, দূৰদৰ্শন, চেটেলাইট আদিৰ উদ্ভাৱনে বহল পৃথিৱীখনক হাতৰ মুঠিলৈ আনিলে। পৃথিৱীত আমূল পৰিৱৰ্তনে দেখা দিলে। নানা মাৰণাস্ত্ৰৰ প্ৰতিযোগিতা আৰম্ভ হ'ল। হিংসা-প্ৰতিহিংসাৰ দাবানলে মানৱতাক দহন কৰি পেলালে। অহিংসাৰ ঠাইত হিংসা, পূণ্যৰ ঠাইত পাপে, মানৱতাৰ ঠাইত ঘৃণা, শান্তিৰ পৰিৱৰ্তে অশান্তি আদিয়ে মানুহৰ অন্তৰত খোপনি পুতিলে। বোমা-বাৰুদৰ শব্দত বিশ্বৰ নিদ্ৰাহৰণ ঘটিল। প্ৰেম, প্ৰীতি, দয়া, ক্ষমা, ধৈৰ্য, সহনশীলতা আদি গুণবোৰৰ মৃত্যু ঘটিল। অসূয়া-অশান্তি, অন্যায়-অত্যাচাৰ, উপদ্ৰৱ-উৎপীড়ন আদি বদ্‌গুণেৰে সমাজখন ছানি ধৰিলে। এফালে সভ্যতাৰ দপদপনি আৰু আনহাতে নগ্ন বৰ্বৰতাৰ শেষ বিন্দুৰ যুঁজ চলিল। গতিকে ক'ব পাৰি যে, কুৰি শতিকাৰ এই নতুন জগতখন এখন তৰাং নদী। তেন্তে ইয়াৰ প্ৰধান কাৰণ কি? একে আধাৰতে ক'ব পাৰি যে, প্ৰধান কাৰণ হ'ল নৈতিকতাবিহীন উশৃংখল মানসিকতা।

এই উশৃংখল মানসিকতাৰ পৰা যুৱ প্ৰজন্মক আঁতৰাই আনি এখন সৰ্বাংগ সুন্দৰ সমাজ গঠন কৰিবলৈ হবলৈ হ'লে সমাজৰ জেষ্ঠসকলেই আগভাগ ল'ব লাগিব। পাঠ্যপুথিৰ শিক্ষাকে শিক্ষা বুলি নলৈ ছাত্ৰৰ বৌদ্ধিক, মানসিক, শাৰীৰিক উন্নতিৰ বাবে প্ৰয়োজনীয় নীতি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে কৰিলে যুৱ প্ৰজন্মই নিশ্চয় নিজকে কুকৰ্মৰ পৰা আঁতৰাই আনি, নিজকে সৎ কৰ্মত লিপ্ত কৰি এখন সুন্দৰ সমাজ গঢ়াত সহায়ক হ'ব। নৱ-প্ৰজন্মৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা আৰু তেওঁলোকৰ দৃষ্টি সুদূৰ প্ৰসাৰী হ'ব লাগিব। সংকীৰ্ণতা, উচ্ছৃঙ্খল মানসিকতা আঁতৰ কৰিব লাগিব, নৈতিক চৰিত্ৰ গঢ় দিব লাগিব, অসূয়া-অপ্ৰীতি, অন্যায়-অত্যাচাৰ ওফৰাই শান্তি, ন্যায় প্ৰতিষ্ঠা কৰিলেই পুৰণি পৃথিৱীখনক ন-ৰূপত দেখা পোৱা যাব বুলি আশা কৰিব পাৰি। কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ ভাষাৰে ক'ব পাৰি—

*"মান অপমান টোৱাই যাক পৃথিৱীৰ পৰা গুচি।*
*নতুন সৃষ্টিৰ অৰুণ কিৰণে কৰোক সকলো শুচি।।'*
*— বীন বৰাগী*

মৃত্যুমুখী পুৰণি পৃথিৱীখনৰ বুকুতেই এখন নতুন জগত সৃষ্টি কৰিব লাগিব নতুন প্ৰজন্মই। অশান্তিৰ পৃথিৱীত শান্তি স্থাপন কৰিব লাগিব।

অশুভ শক্তিক শুভশক্তিৰে পৰাভূত কৰি নতুন অৰুণৰ কিৰণেৰে উদ্ভাসিত কৰাৰ দায়িত্ব নৱ প্ৰজন্মৰ হাততে আছে। নৱ প্ৰজন্মই আনিব লাগিব প্ৰাণৰ স্পন্দন। পতনমুখী সমাজ ব্যৱস্থাক পুণ্যৰ গতি দিব লাগিব। দানৱীয় কাৰ্য্যক মানৱীয় কৰ্মৰ দ্বাৰা প্ৰতিহত কৰিব লাগিব।

এই পৃথিৱীখনৰ বুকুৰ পৰা পাপ-পঙ্কিলতা আঁতৰ কৰিব নোৱাৰিলে এখন নতুন জগতৰ জন্ম হোৱাটো কঠিন। নতুন পুৰুষ বা নৱ প্ৰজন্মই সমাজত খোপনি পুতি লোৱা কলুষ-কালিমা, ভ্ৰষ্টাচাৰ, মিথ্যাচাৰ আদিৰ মূল উভালিবলৈ নিজকে সক্ষম কৰিব লাগিব। প্ৰতিজন শিশু হ'ব লাগিব সজগুণৰ অধিকাৰ, নিকা চৰিত্ৰৰ, নৈতিক চৰিত্ৰত বলীয়ান, কৰ্মঠ স্বাবলম্বী, মানৱ পূজাৰী, মানৱ সেৱাৰ মনোভাৱাপন্ন। এনে সদ গুণবোৰৰ অধিকাৰী হলেহে প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হ'ব আৰু নতুন জগতখনলৈ ন-সূৰুযে কঢ়িয়াই আনিব ন-কিৰণ। নৱ প্ৰজন্ম হ'ব লাগিব প্ৰহলাদৰ দৰে সত্যবাদী, ধ্ৰুৱৰ দৰে স্থিৰ আৰু একলব্যৰ দৰে দৃঢ়মনা। এই জগতখন হওক আনন্দৰ মহামেলা, শান্তিৰ ৰহঘৰা আৰু সুখৰ প্ৰখস্ত আলয়। নৱ প্ৰজন্মৰ দৰ্শন হওক "মোৰ লগতে সকলো জীয়াই থাকক"। এনে দৃষ্টি সৃষ্টি হ'লে সমাজ আৰু দেশৰ মঙ্গল নহৈ নোৱাৰে।

❖❖❖

# সাম্প্ৰতিক সময় আৰু যুৱ মানসিকতা

— মিছ নলিনীবালা গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

সাম্প্ৰতিক সময় বুলি ক'লে আমাৰ দৃষ্টিপটত উদ্ভাসিত হৈ উঠে। আধুনিকতাৰ পৰশত গঢ় লৈ উঠা এখন উশৃংখল সমাজৰ বিকৃত ছবি। য'ত হিংসা, হত্যা, ধৰ্ষণ, লুণ্ঠন, সাম্প্ৰদায়িক সংঘৰ্ষ আদি দুষ্কাৰ্য্য সমূহে সততে আহি পৰিছে। চৌদিশে আজি অস্তিত্বৰ সংকট। ফলত অসমীয়া সমাজখন হৈ পৰিছে পংঙ্গু স্বৰূপ। এইখনেই আমাৰ তাহানিৰ শংকৰ-মাধৱৰ দেশ। যি সময়ত তেৰাসৰৰ ৰচনাৰে বিজড়িত এইখন দেশত আকাশে বতাহে সমস্ততে আধ্যাত্মিকতাৰ ছাপ। চৰহিৰ মাতত শান্তিৰ ধ্বনি, বিৰিষৰ পাতৰ ক'ত শান্তিৰ মন্ত, দুবৰিৰ দলিচাত প্ৰেমৰ ছাঁ, শৈশৱৰ শেতেলীত দুওঁঠ ভৰা হাঁহিৰ মোকোৰা, যৌৱনৰ বোকোচাত প্ৰাণোচ্ছল, প্ৰীতিৰ পৰশ, বাৰ্দ্ধক্যৰ প্ৰস্থানত জ্যোতিষ্মান জ্যোতিৰ আহবান। অথচ আজি যেন আমাৰ দেশত স্বপ্নভঙ্গৰ হাঁহাকাৰ আৰ্তনাদ। পাই হেৰুৱাৰ বেদনাত আতুৰ। ভোগ লিপ্সা আদি বিলাসী ভাৱনাই আজি মানুহৰ পৃথিৱীলৈ কঢ়িয়াই



আনিছে অনাকাঙ্খিক দুৰ্যোগ।

বৰ্তমান যুগটো হৈছে বিজ্ঞানৰ যুগ। আজি একবিংশ শতিকাত বিজ্ঞানৰ নিজ নতুন আৱিষ্কাৰ সমূহে মানৱ সমাজৰ উন্নতি সাধন কৰাৰ লগতে মানৱ সমাজৰ বাবে ধ্বংসৰ পথো সুগম কৰি ৰাখিছে। ইয়াৰ আঁৰতে আছে আমাৰ বোধশক্তিৰ অভাৱ। সেইবাবেই পৃথিৱীখন আজি উন্নতিৰ দিশত ধাৱমান হলেও অসমীয়া জাতিয়ে বোধশক্তিৰ অভাৱৰ বাবেই। যঁৰপৰা জীৱন আৰম্ভ কৰিব লগা হৈছিল, তাতেই থমকি ৰব লগা লাগিব আৰু অস্তিত্ব হেৰুৱাই জীৱন যান্ত্ৰণাত অস্থিৰ হৈ পৰিব লগা হব।

বৰ্তমান এই নিৰ্মম সময়ৰ পৰিণাম ভোগ কৰিব লগা হৈছে যুৱ প্ৰজন্মই। আজিৰ যুৱ সমাজত নৈতিকতা, মানৱীয়, প্ৰমূল্যবোধ আদিৰ অভাৱ ঘটিছে। সহজে ধনী হোৱাৰ স্বপ্নত আজিৰ যুৱচাম মোহাছন্ন। সাম্প্ৰতিক সময়ে যুৱক-যুৱতীসকলৰ সন্মুখত দাঙি ধৰিছে এখন ৰঙীন পৃথিৱীৰ স্বপ্ন। ফলস্বৰূপে যুৱ প্ৰজন্মই স্বপ্নবিভোৰ হৈ জীৱন আৰু জগতৰ অন্ধকাৰ দিশটোৰ পিনে পিঠি দি আকোঁৱালি লৈছে সহজ আৰু সুগম জীৱন প্ৰক্ৰিয়া। ঐশ্বৰ্য্য আৰু বিলাসৰ ঢৌত উঠি ভাঁহি আজিৰ যুৱ সমাজ এক প্ৰকাৰ অন্ধ। সময়ৰ সৈতে এওঁলোকে খোজ পেলাব পাৰিছে ঠিকেই কিন্তু সময়ৰ বালিত সাঁচ বহুৱাই যাবলৈ সক্ষম হোৱা নাই। মাথো নিজক লৈয়ে ব্যস্ত থকা আজিৰ যুৱকৰ চুবুৰীয়া ব্যক্তি এজনৰ মৃত্যুত সমবেদনা জনাবলৈকো আহৰি নাই। অথচ এখন বাইক আৰু এটা ম'বাইল ফোনৰ মাজতেই পাৰ কৰি কটাই তেওঁ বহু মূল্যবান সময়। বহিঃ বিশ্বৰ লগত সম্পৰ্ক নথকা আজিৰ যুৱ প্ৰজন্ম এক নিৰ্জন দ্বীপৰ বাসিন্দা। যুৱ সমাজৰ এই পৰিবৰ্তনৰ গুৰিতে হ'ল মানৱীয় মূল্যবোধৰ অৱক্ষয়। যাৰ ফলত আজি অসমীয়া অসমতে মগনীয়া হব লগাত পৰিছে। অনা অসমীয়াই অসমী আজি সৰ্বস্ব লুটি নি চহকী হৈছে। অসমৰ ঘৰে ঘৰত আজি ৰণৰ হুংকাৰ। ৰংঘৰৰ বাকৰিত চলিছে যুদ্ধৰ আখৰা। বাৰুদৰ ভয়ংকৰ শব্দত অসমৰ ৰাতিপুৱাবোৰে আজি সাৰ পাই উঠে।

সাতভনীয়ে সমন্বয়ৰ সেতুৰে বন্ধা অসমত আজি নিতৌ সংঘঠিত হয় নানা সাম্প্ৰদায়িক সংঘৰ্ষ। এনে এক সংকটময় অৱস্থাৰ পৰা এইটো বুজিব পৰা গৈছে যে আজিৰ এই যুৱচামে অদূৰ ভৱিষ্যতে হয়তো পাহৰি যাব যে এইখন অসমতে মহান পুৰুষ সকলৰ প্ৰচেষ্টাত এদিন গঢ়ি উঠিছিল এখন চিৰ সুন্দৰ অসমীয়া সমাজ য'ত শংকৰ- জ্যোতি- বিষ্ণুৰ অমৃতময় আদৰ্শেৰে মহীয়ান হৈছিল অসমীয়া জাতি। সেয়েহে আজি প্ৰয়োজন হৈ পৰিছে যুৱ সমাজৰ এক সুস্থ পৰিবৰ্তন। আমাক পৰিবৰ্তন লাগে সঁচা, কিন্তু সেই পৰিবৰ্তন হব লাগিব সত্য, নিষ্ঠা আৰু সততাৰ পৰিৱৰ্তন আৰু এইয়া সম্ভৱ হৈ উঠিব কেৱল যুৱ প্ৰজন্মৰ দ্বাৰাহে।

যুৱ শক্তি হৈছে এক মহান শক্তি। এই যুৱ শক্তিৰ হাতত আছে অফুৰন্ত কৰ্মশক্তি আৰু মনত আছে অদম্য হেঁপাহ। গতিকে নিষ্ঠা আৰু সৎ মনোবল অটুত ৰাখি ইতিবাচক চিন্তাধাৰাৰে সমাজৰ উশৃংখলতা সমূহ দূৰ কৰিব লাগিব যুৱ প্ৰজন্মই। সময় পৰিবৰ্তনশীল। অশান্তিৰ কলীয়া বতাহে কোবাই যোৱা বাতাবৰণক শান্ত কৰিবলৈকে আজি প্ৰয়োজন যুৱ শক্তিৰ।

কবিয়ে কৈছে— "জীয়াই থাকি এখন সমাজ গঢ়িবৰ মোৰো মন আছে, য'ত মানুহৰ দাম অলপ হলেও বেছি।" তেনে এখন সমাজ গঢ়িবৰ বাবে যুৱ শক্তিৰ সু-প্ৰয়োগ একান্তই আৱশ্যক। কিয়নো আমাক লাগে এখন মানুহৰ পৃথিৱী, এখন নিকা আদৰ্শ সমাজ আৰু এই আদৰ্শ সমাজ গঢ়িবলৈ প্ৰয়োজন হোৱা একমাত্ৰ শক্তিটোৱেই হৈছে যুৱ শক্তি। গতিকে এই যুৱ শক্তিৰ জৰিয়তে সৃষ্টি হওক এখন মানুহৰ পৃথিৱী গঢ়ি উঠা এখন আদৰ্শ সমাজ। তাৰেই প্ৰতীক্ষাত।।

❖❖❖

# সাম্প্ৰতিক যুৱ-মানসিকতা

— শ্ৰী ৰিমঝিম দাস
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

এখন দেশৰ ভৱিষ্যত যুৱ শক্তিৰ ওপৰতেই নিৰ্ভৰশীল। যুৱ সমাজেই দেশ আৰু প্ৰগতিৰ পথলৈ আগুৱাই নিয়াৰ অগ্ৰণী সেনানী। গতিকে যুৱ সমাজ দৃঢ়, কৰ্মঠ আৰু সবল মানসিকতাৰ গৰাকী হোৱাটো দেশৰ স্বাৰ্থতেই প্ৰয়োজনীয়। কিন্তু দুৰ্ভাগ্য দেশৰ লাইখুঁটা স্বৰূপ যুৱ সমাজৰ সাম্প্ৰতিক মানসিকতা এক চিন্তাৰ বিষয় হৈ পৰিছে। যুৱ উশৃংখলতা বৰ্তমান এক আলোচ্য বিষয় হৈ পৰিছে। দেশৰ প্ৰগতিত প্ৰতিবন্ধকতাস্বৰূপ হৈ উঠা যুৱ উশৃঙ্খলতা ক্ষেত্ৰত নিবনুৱা সমস্যা, দূষিত পৰিৱেশ আৰু তথাকথিত আভিজাত্যই প্ৰধান কাৰণ হিচাপে দেখা দিয়ে।

বৰ্তমান দেশত মহামাৰীৰূপে দেখা দিয়া ভয়ংকৰ নিবনুৱা সমস্যা যুৱ উশৃংখলতাৰ প্ৰধান কাৰণ। দুচকুত অযুত স্বপ্নলৈ শিক্ষা সমাপ্ত কৰাৰ পাছত ধন-বল, বাহুবাল বা ৰাজনৈতিক ক্ষমতাৰ অভাৱত উপাৰ্জনৰ কোনো পথ উলিয়াব নোৱাৰি বিফলতাৰ সন্মুখীন হোৱা এচাম যুৱকৰ মানসিকতা বিদ্ৰোহ আৰু ব্যৰ্থতাই আৱৰি ৰাখিছে। ফলশ্ৰুতিত একাংশ যুৱক বিদ্ৰোহী হৈ উঠিছে আৰু এচাম যুৱকে হতাশা, ব্যৰ্থতাক পাহৰাৰ ব্যৰ্থ প্ৰয়াস হিচাপে ৰাগিয়াল দ্ৰব্যৰ আশ্ৰয় লৈছে। পৰিৱেশ আৰু পৰিস্থিতিৰ হেঁচাত যুৱ সমাজৰ সৰহ সংখ্যকেই ভাবিবলৈ বাধ্য হৈছে যে- ধনবল, বাহুবল বা ৰাজনৈতিক ক্ষমতাৰ অবিহনে সাধনা, যোগ্যতা, সততা, আদৰ্শ ইত্যাদি ডাষ্টবিনত পৰি থকা আৱৰ্জনাৰ দৰে। যুৱ সমাজৰ এনে হতাশা আৰু ব্যৰ্থতাই যুৱ শক্তিৰ লগতে বৌদ্ধিক, সাংস্কৃতিক দিশ দুৰ্বল কৰিছে।

সমাজৰ দূষিত পৰিৱেশত অন্ধ অনুকৰণ, বিজতৰীয়া ভাৱধাৰা আৰু সহজ লভ্য ধন ঘটাৰ মানসিকতাত আমাৰ যুৱ সমাজ ব্ৰতী হোৱাত যুৱ শক্তিৰ অৱক্ষয়ৰ লগতে দেশৰ ইতিহাস, ভাষা সংস্কৃতিৰ ঐতিহ্য পৰম্পৰা আদিও ক্ৰমাৎ পাহৰণিৰ গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। অধ্যয়ন বিমুখীতাত শিষ্টাচাৰহীনতা, কৰ্তব্যবোধৰ অভাৱ আৰু দায়িত্বহীনতা সাম্প্ৰতিক যুৱ মানসিকতাৰ বৈশিষ্ট্যস্বৰূপ হৈ পৰিছে। যুৱ মানসিকতাৰ এই নৈতিক স্খলন পৰিতাপৰ কথাই নহয়, আমাৰ বাবে অত্যন্ত লজ্জাজনক আৰু ক্ষতিকাৰকো।

আধুনিকতাৰ মুখা পিন্ধি তথাকথিত প্ৰগতিবাদীৰ নামত আভিজাত্যৰ পৰিচয় দিবলৈ বিচৰাটো যুৱ উশৃংখলতাৰ লগতে সামাজিক অৱক্ষয়ৰো অন্যতম কাৰণ। শিক্ষা-দীক্ষাৰে এক বিলাসবহুল উপাৰ্জনৰ পথ উলিয়াই নাইবা ক্ষমতাশালী ব্যক্তিৰ অনুগ্ৰহত অসৎ পথেৰে বৃহৎ ধন উপাৰ্জন কৰি অৱসৰ বিনোদনৰ নামত বিজতৰীয়া ৰুচিবোধেৰে সময় অতিবাহিত কৰাটো সাম্প্ৰতিক এচাম যুৱকৰ আভিজাত্য হৈ পৰিছে। কোনো ধৰণ গঠনমূলক চিন্তা-চৰ্চা বা সামাজিক দায়িত্ব পালনত এইচাম যুৱসমাজ মুঠেই আগ্ৰহী নহয়। ৰঙীন চশমাৰে সমগ্ৰ পৃথিৱীখনকে ৰঙীন যেন দেখা এইচাম যুৱকৰ দৃষ্টিত নিজস্ব ভাষা সংস্কৃতিৰ ঐতিহ্য পৰম্পৰাৰ বৰ্তমান বৈজ্ঞানিক যুগত কোনো মূল্য নাই। আনহাতেদি, এই শ্ৰেণী যুৱকৰ জীৱন ধাৰণ পদ্ধতিয়ে সহজ সৰল এচাম যুৱককো প্ৰভাৱান্বিত কৰাত যুৱ সমাজৰ মাজত কৰ্তব্যনিষ্ঠা আৰু স্বাৱলম্বিতাৰ অভাৱ হৈছে। কম সময়ত বৃহৎ উপাৰ্জনৰ মানসিকতাৰ গঢ় লোৱাত আমাৰ যুৱ সমাজ শ্ৰমবিমুখ হৈ পৰিছে। যুৱ সমাজৰ মাজত সততা, কৰ্তব্যনিষ্ঠা, আদৰ্শ, সামাজিক সাংস্কৃতিক দায়িত্ব আদিৰ বৰ দুখ লগাকৈ অভাৱ হৈছে। যুৱ শক্তি পংগু হৈ পৰিছে। নিচাযুক্ত দ্ৰব্য সেৱনৰ দৰে কাৰ্যত লিপ্ত হৈ নিজৰ জীৱনলৈ ধ্বংস নমাই আনিছে। পশ্চিমীয়া সংস্কৃতিৰ বেয়া দিশবোৰৰ প্ৰতি এনেদৰে যুৱশক্তি আগ্ৰহী হৈ পৰিছে যে যাৰ ফলত বহু অপ্ৰীতিকৰ ঘটনা সঘনাই ঘটিবলৈ ধৰা পৰিলক্ষিত হৈছে। যুৱ সমাজে কেৱল বিলাসিতাপূৰ্ণ জীৱন যাপন কৰাৰ ওপৰত আগ্ৰহী হৈ উঠা দেখা গৈছে যাৰ ফলত বহুতো বেয়া কু-কৰ্মত তেওঁলোকে লিপ্ত হবলৈও কুণ্ঠাবোধ নকৰে। বৰ্তমান দেশৰ শত্ৰু বহুতো নিষিদ্ধ সংগঠনে এনে বহুতো দুৰ্বলতাৰ সুযোগ লৈ যুৱ শক্তিক নিজৰ হাতৰ মুঠিলৈ নিছে। যুৱ শক্তিক বহু প্ৰলোভন দেখুৱাই আৰু তেওঁলোকৰ মগজুত দেশ তথা চৰকাৰৰ প্ৰতি বিৰুদ্ধাচৰণ কৰাৰ মানসিকতা সুমুৱাই দি নিজ কাৰ্য্যত খটুৱাইছে। যাৰ ফলত সংঘটিত হৈছে বহু হত্যা, লুণ্ঠন, ধৰ্ষণ, বোমা বিস্ফোৰণৰ দৰে কুটাঘাতমূলক কাৰ্য। বিশেষকৈ সৰ্বসাধাৰণ নিৰীহ মানুহ নৃশংসতাৰ বলি হ'ব লগা হৈছে। উদাহৰণস্বৰূপে- ৩০ অক্টোবৰ ২০০৯ চনত সংঘটিত বোমা বিস্ফোৰণত যিসকল বিদ্ৰোহী জড়িত আছিল তাৰ বেছিভাগেই আছিল কম বয়সৰ যুৱক। গতিকে, যুৱ শক্তি পথভ্ৰষ্ট হৈ পৰা পৰিলক্ষিত হৈছে। যিটো দেশ, সমাজ তথা জাতিৰ কল্যাণৰ ক্ষেত্ৰত এক ডাঙৰ ক্ষতি।

এনেদৰে বিভিন্ন কাৰণৰ সমষ্টিগত ফলশ্ৰুতিত সাম্প্ৰতিক যুৱ মানসিকতাত উচ্ছৃংখলতাই ক্ৰিয়া কৰিছে আৰু যুৱশক্তি ধ্বংসৰ পথলৈ গতি কৰিছে। যুৱশক্তিৰ এই অধঃপতনৰ লগে লগে আমাৰ দেশ আৰু জাতিৰ ভৱিষ্যতো অন্ধকাৰ ডাৱৰে আগুৰি ধৰিছে। যুৱ শক্তিক সঠিক দিশত আগবঢ়াই নিয়াৰ চূড়ান্ত সময় আহি পৰিছে। এই ক্ষেত্ৰত সময়োচিত আৰু বাস্তৱ সন্মত পদক্ষেপ গ্ৰহণ কৰাৰ লগতে যুৱ নেতৃত্বই নিজকে কথা আৰু কামৰ বিপৰীতমুখী গতিধাৰাৰ পৰা মুক্ত কৰি সমাজত আস্থাভাজন কৰি তুলিব লাগিব। অন্যথাই দেশ আৰু জাতিৰ ভৱিষ্যতে অন্ধকাৰ আৰু অনিশ্চয়তাই আৱৰি ধৰিব। আমাৰ আশা, যুৱ ছাত্ৰসকলৰ লগতে প্ৰতিজন নাগৰিকেই এই ক্ষেত্ৰত সচেতন হৈ দেশ আৰু জাতিৰ স্বাৰ্থতেই সাম্প্ৰতিক যুৱ মানসিকতাক শুদ্ধ পথলৈ অগ্ৰসৰ হোৱাত সঠিক কৰ্মসূচী নিৰূপণত অৰিহণা যোগাব আন্তৰিকতা আৰু ধৈৰ্য সহকাৰে কৰ্তব্যবোধ আৰু দেশপ্ৰেমেৰে উদ্বুদ্ধ হৈ আমাৰ যুৱ শক্তিয়ে এখন নিকা সমাজ, এখন সুস্থ সবল দেশৰ গঠন প্ৰক্ৰিয়াত নিজকে জড়িত কৰিব। সকলো কু-কৰ্মৰ আৱৰণ আঁতৰাই, কু-প্ৰবৃত্তি ধ্বংস কৰি যুৱ সমাজে নিজকে দেশৰ কল্যাণ সাধনত ব্ৰতী কৰালে সকলোৰে মংগল সাধন হ'ব। দুনীৰ্তি, অন্যায় অবিচাৰ আদিৰ দৰে কু-কৰ্মৰ পৰা নিজক বিৰত ৰখাই দেশৰ কাণ্ডাৰীস্বৰূপ যুৱ শক্তিয়ে নিজক সু-নাগৰিক হিচাপে গঢ়ি তুলিলে দেশৰ সৰ্বাংগীন উন্নতি সাধন হ'ব। দেশৰ উন্নতিত নিজৰ উল্লেখযোগ্য অৱদান মহান পুৰুষসকলে আগবঢ়োৱাৰ দৰে আগবঢ়ালে দেশৰ প্ৰগতিৰ পথ প্ৰশস্ত হ'ব আৰু ভাৰতবৰ্ষ এদিন বিশ্বৰ অন্যতম উন্নত ৰাষ্ট্ৰৰ শাৰীত নিজক অধিষ্ঠিত কৰিব পাৰিব। এইয়া সম্ভৱ হ'ব তেতিয়া যেতিয়া দেশৰ বৃহৎ যুৱ শক্তিয়ে নিজকে দেশৰ উন্নতিত জড়িত কৰিব।

❖❖❖

# সাজ-পোছাক সামাজিক উশৃংখলতাৰ অন্যতম কাৰণ

শ্ৰী কৃপাশ্ৰী দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বৰ্তমান বিশ্বৰ প্ৰতিখন বাতৰি কাকততেই নিতৌ প্ৰকাশ পায় নানান অপৰাধ। ভাৰতৰ দৰে শান্তি প্ৰিয়, সুজলা-সুফলা দেশতো নিতৌ প্ৰকাশ পাব লাগিছে হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ দৰে অপৰাধ। এইবিলাক কিয় হৈছে? আমি সকলোৱে জানো যে সাজ-পোছাক সভ্যতাৰ চিনাকি এক অত্যাৱশ্যকীয় মৌলিক উপাদান। সাজ-পোছাক বা সাজ-সজ্জাই এটা জাতিৰ সভ্যতা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰাৰ লগতে মানুহৰ শ্ৰেণী বিভাজন, শ্লীলতা, আৰ্থিক অৱস্থা, সৌন্দৰ্য্য প্ৰিয়তা, শিল্পী মন আৰু সুকুমাৰ কলাৰ পৰিচয় দিয়ে। সময়ৰ লগে লগে ইয়াৰ কিছু সাল-সলনি ঘটাটো স্বাভাৱিক। কিন্তু বিচাৰ বিবেচনাহীনভাৱে আধুনিক পশ্চিমীয়া সংস্কৃতিক আদৰি লৈ আমাৰ তাৎপৰ্য্যপূৰ্ণ সমাজ ব্যৱস্থাত উশৃংখলতাৰ সৃষ্টি কৰাত অৰিহণা যোগোৱাত আমাৰ সমাজৰ পুৰুষ-মহিলা উভয়েই দায়ী। এসময়ত আমাৰ কোনো কোনো ৰক্ষণশীল সমাজত প্ৰচলন আছিল পৰ্দা প্ৰথা বা বোৰ্খাৰ দৰে আৱৰণ, সেইসময়ত সমাজ ব্যৱস্থা আজিৰ দৰে উশৃংখল নাছিল। তাৰ বিপৰীতে আজিৰ অধিক সংখ্যক নাৰীয়েই অনাবৃত বক্ষ, উৰুলৈকে উঠা সাজ, দীঘল চুলিটাৰী কাটি বয়কাট কৰি আ-অলংকাৰ ফেচনৰ নামত বিসৰ্জন দি নিজকে আধুনিকা সজাইছে। অন্যহাতে, যুৱ সমাজেও দীঘল চুলি ৰাখি, কাণত ফুলি, আনকি কোনো কোনোৱে চেলাউৰিটো ফুলি পিন্ধি ভুচুং পহু সাজিছে। ফলত উভয়েই নানান অশালীন ব্যৱহাৰৰ সন্মুখীন হব লগাত পৰিছে; য'ত সচেতন মহল চিন্তিত হৈ পৰিছে। কাৰণ আদিবাসীয়ে জ্ঞান পাই বস্ত্ৰ পৰিধান কৰাৰ বিপৰীতে আজিৰ যুৱ সমাজে লজ্জাক উদঙাই দিবলৈও অকনো কুণ্ঠাবোধ কৰা নাই।

সামাজিক উশৃংখলতা বুলিলে যুৱ উশৃংখলতাকে বুজা যায়। যুৱক-যুৱতী সমাজৰ মেৰুদণ্ডস্বৰূপ। বৰ্তমান যুৱ সমাজে পাশ্চাত্যক অনুকৰণ কৰিবলৈ যাওঁতে আধ্যাত্মিক চিন্তা-চৰ্চা কমি আহিছে। ফলত তেওঁলোক হৈ পৰিছে উদণ্ড, উতনুৱা, অকৰ্মণ্য আৰু বিলাসপ্ৰিয়। বাইক, মোবাইল, ৰঙীন সাজপাৰেৰে আধুনিকি সজাবলৈ যাওঁতে তেওঁলোকে ডাঙৰক সা-সন্মন জনোৱাতো দূৰৰে কথা ডাঙৰৰ প্ৰতি দেখুৱাবলগীয়া সৌজন্যতাকনো পাহৰি পেলাইছে। ফলত য'তে ত'তে উকি মাৰি পৰিবেশ উশৃংখল কৰি পেলাইছে। পৰিৱৰ্তনশীল সমাজত বসবাস কৰা প্ৰতিজন ব্যক্তিয়ে সময়ৰ গতিত খোজ মিলাই সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাটো প্ৰয়োজন যদিও অপসংস্কৃতি টৌত নিজকে উটুৱাই দিয়াটো সভ্য সমাজৰ কাৰোৱে কাম্য নহয়। যেনেদৰে আমাৰ সংস্কৃতিত সোমাই পৰা সৌন্দৰ্য্য প্ৰতিযোগিতা, ফেশ্বন শ্ব' বা বিভিন্ন বিজ্ঞাপন সমূহত বয়স অনুপাতে নিজৰ পোছাক-পৰিচ্ছদ অধিক সাৱধানেৰে পৰিধান নকৰাটো বা আধুনিকতাৰ ভ্ৰান্ত ধাৰণাৰে বলি হৈ আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ স্বপ্ন বস্ত্ৰ পৰিধান কৰাটোও সামাজিক উশৃংখলতাৰ অন্যতম কাৰণ।

অতীজৰে পৰা আমাৰ সমাজত নাৰী-পুৰুষৰ সাজ-পোছাকৰ ভিন্নতা আছে। পুৰুষে পেণ্ট, চাৰ্ট, কুৰ্ত্তা, ধুতী, চোলা আদি পৰিধান কৰাৰ বিপৰীতে নাৰীয়ে মেখেলা-চাদৰ, শাড়ী, মেক্সী আদি পৰিধান কৰে। আমাৰ সমাজৰ সাজ-পোছাক মাৰ্জিত আৰু বৈচিত্ৰপূৰ্ণ। বৰ্তমান অধিক সংখ্যক ভাৰতীয় নাৰীয়েই সাজ-পোছাকৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধন কৰিবলৈ লৈছে। কিমান কম আৱৰণেৰে নিজকে সজাব পাৰি তাৰ প্ৰতিযোগিতাত এচাম লোক দিনটোৰ একুৰি চাৰিঘণ্টাই ব্যস্ত আছে। তাৰ ফলত বহু যুৱক-যুৱতী যৌন নিৰ্যাতন আৰু অপৰাধ প্ৰৱণতাৰ বলি হৈছে।

গতিকে আমি উঠি-অহা ছাত্ৰ সমাজেই ঐক্যবদ্ধ হৈ এই কাৰ্য্যৰ প্ৰতিবাদ কৰা উচিত। তেতিয়াহে আমাৰ দেশে বিশ্বৰ দৰবাৰত নিজকে শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিবলৈ সক্ষম হ'ব।

ঃঃঃঃঃ

# শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ম'বাইল ফোনৰ ব্যৱহাৰ কিমান দূৰ গ্ৰহণযোগ্য

শ্ৰী বন্দিতা বৰগোহাঁঞি
ৰাজনীতি বিভাগ
স্নাতক দ্বিতীয় বষ

বিশ্বৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিস্ময়কৰ উন্নতিয়ে মানুহৰ জীৱনধাৰাত এক যুগান্তৰকাৰী পৰিৱৰ্তন আনি দিছে। বিশেষকৈ যোগাযোগ ব্যৱস্থাৰ লক্ষ্যনীয় উন্নতিয়ে সমগ্ৰ পৃথিৱীক এখন গোলকীয় গাঁৱলৈ পৰিণত কৰিছে। চহৰ অঞ্চলত থকাসকলে আধুনিক তথ্য-প্ৰযুক্তিৰ সকলোবোৰ সুবিধা লাভ কৰাৰ ব্যৱস্থা থকাৰ বিপৰীতে গাওঁ অঞ্চলত বাস কৰা সকলেও এনেবোৰ সুবিধা লাভ কৰাৰ বাবে দুৰন্ত প্ৰচেষ্টা অব্যাহত ৰাখিছে। এতিয়া বেছি সংখ্যকৰ মুখে মুখে বাইক, মবাইল আৰু ইণ্টাৰনেট এই পৰিগণ্ডীৰ ভিতৰতে তেওঁলোকৰ চিন্তা জগতখন ঘূৰি আছে বুলি ক'লেও বঢ়াই কোৱা নহয়। বৰ্তমান দ্ৰুত গতিৰ পৰিৱৰ্তনশীল সমাজত এনে সামগ্ৰীসমূহৰ প্ৰয়োজন নাই বুলি ক'ব বিচৰা নাই। কলেজীয়া ছাত্ৰ-ছাত্ৰীসকল সময়ৰ গতিত আগবাঢ়ি যাবলৈ হ'লে ইয়াৰ সুপ্ৰয়োগ কৰি আগবাঢ়ি যাব লাগিব। পিছে সকলো বস্তুৰে প্ৰয়োগৰ এক সীমা আছে। যেতিয়াই ইয়াৰ অত্যাধিক প্ৰয়োগ হয় অথবা অপপ্ৰয়োগ হয় তেতিয়াই সমস্যা আহি পৰে।

আজিৰ উচ্চ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ম'বাইলৰ জ্বৰে এনেদৰে কঁপনি তুলিছে যে এতিয়া বহুতৰ বাবে যেই কোনো মূল্যৰ বিনিময়ত এটা ম'বাইলৰ চেট সংগ্ৰহ কৰাটোৱেই প্ৰধান লক্ষ্য হৈ পৰিছে। দেশী-বিদেশী ম'বাইল কোম্পানীসমূহে নিত্য নতুন মডেলৰ ম'বাইল চেট প্ৰস্তুত কৰি তাত বিভিন্ন সা-সুবিধাৰ ব্যৱস্থা কৰি ভোগবাদী সামগ্ৰীৰ এক বৃহৎ বজাৰৰ পোহাৰ মেলি দিছে। যোগাযোগ ব্যৱস্থাৰ ক্ষীপ্ৰ তথ্য সৰবৰাহৰ দিনত এনেকুৱা এটি পৰ্যায় পাইছেগৈ ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুলৰ দেওনা পাৰ হোৱাৰ পিছত কলেজত নাম লগোৱাৰ লগে লগে ক্লাছৰ কিতাপ কিনাৰ আগতেই যিকোনো প্ৰকাৰে এটি ম'বাইল চেটৰ গৰাকী হোৱাৰ দুৰ্বাৰ বাসনা পুহি ৰাখে। কাগজৰ কল বহুৱাৰ আগতে ওচৰত কেঁচা সামগ্ৰী স্বৰূপ বাঁহৰ ক্ষেত্ৰ তৈয়াৰ কৰাৰ কথা নাভাৱি প্ৰকল্প স্থাপন কৰিবলৈ আগভাগ লোৱাৰ দৰে আমি চিন্তা আৰু কৰ্মসমূহ ওলোটা পিৰামিড কৰিবলৈ ধৰিছো।

অৱশ্যে বহুতো মাক-দেউতাকে নিজ সন্তানক দিল্লী, মুম্বাই, বাংগালোৰ, কলিকতাত পঢ়োৱাব লগা হোৱাত তেনে সন্তানৰ লগত সহজতে যোগাযোগ ৰখাৰ বাবে ম'বাইল চেট দিয়াটো প্ৰয়োজন বুলি ভবা হয়। পিছে আজিকালিৰ বহুতো মাক-দেউতাকে সন্তানৰ দাবী মানি লৈ লগতে এক সস্তীয়া ষ্টেটাছ প্ৰদৰ্শনৰ বাবে দুই হেজাৰৰ পৰা পঞ্চাশ হেজাৰ পৰ্যন্ত খৰচ কৰি দামী ম'বাইল কিনি দিয়াৰ উদাহৰণ অলেখ আছে। ইয়াৰ ভিতৰত আকৌ যিবোৰ দামী ম'বাইলত জি.পি.আৰ.এচ ৰ সুবিধা লগতে এক বা দুই মেগাপ্ৰিস্কেলৰ ষ্টীল বা ভিডিঅ' কেমেৰাযুক্ত ম'বাইলৰ সুবিধা আছে তেনে ম'বাইলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ সকলোতকৈ বেছি। এতিয়া চহৰ অঞ্চলত প্ৰায় বিলাক কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কলেজৰ ভিতৰত চুৰকৈ কোনোবাটো ক্লাছ অফ থকাৰ সুবিধাতে ম'বাইলত কথা পতাৰ অন্তহীন কথোপকথন দেখিলে ভাব হয় এই সকলে সমাজলৈ এক বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰিবনে? ম'বাইলৰ সুলভতাই কলেজৰ ভিতৰত ছাত্ৰ-ছাত্ৰী সকলে বিদ্যায়তনিক দিশত আগবঢ়াৰ বাবে কলেজৰ গ্ৰন্থগাৰলৈ যোৱাৰ প্ৰৱণতা কমাই বহুতেই সেই সময়বোৰ পাৰ কৰাইছে ম'বাইলত অৰ্থহীন বাৰ্তালাপ কৰি। ফলত এই সকলৰ নৈতিক আৰু চাৰিত্ৰিক স্খলন ঘটোৱাত এনেবোৰ কাৰকে ছাত্ৰ-ছাত্ৰীৰ মাজত এনে প্ৰবৃত্তিয়ে শিক্ষা গ্ৰহণত ব্যাপক ক্ষতি সাধন কৰাৰ লগতে চৌৰ্য বৃত্তিৰে সহজ উপায়েৰে পৰীক্ষা পাছ কৰাৰ নিকৃষ্ট পন্থা অৱলম্বনতো সহায়ক কৰি তুলিছে। এতিয়া পৰীক্ষা হ'লৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বাহিৰ কৰিবলৈ ওলাই অহাৰ চলেৰে ম'বাইল অন কৰি চুটি প্ৰশ্নৰ উত্তৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে এই কাৰ্যৰ সুফল ছাত্ৰ-ছাত্ৰীয়ে পাওক বা নাপাওক কিন্তু ইয়াৰ যোগেদি ম'বাইল কোম্পানী সমূহে কোটি কোটি টকা প্ৰতিমাহে সংগ্ৰহ কৰি এক ৰমৰমীয়া বজাৰ সৃষ্টি কৰিছে সেইয়া বাস্তৱ সত্য।

ooooooo

# নাৰী, সমাজ আৰু সাহিত্য

— চিমী আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

ঐশ্বৰ্য্যময় নাৰী হৃদয়েৰে বৰ্ণাঢ্য এই জগতত প্ৰকৃততে নাৰীৰ অদিকাৰেই সৰ্বাধিক। কিয়নো নাৰী সৃষ্টিৰ মূল প্ৰকৃতিৰ প্ৰাণময় ৰূপ। মাতৃ, ভগ্নী, দুহিতা, প্ৰেয়সী, জীৱন সঙ্গিনীৰূপে স্বীকৃত নাৰীক বাদ দি মানৱ সমাজৰ কোনো অস্তিত্বই নায়।

বিংশোত্তম সময়ৰ নাৰী সমাজে বিশ্বক এটা সম্পদহে বিনাদ্বিধাই আগবঢ়াই দিব পাৰে আৰু সেয়া হ'ল, নাৰীৰ মানসিক জগতত সৃষ্টি হোৱা চেতনাৰ ইতিহাস। পৰিয়ালৰ বান্ধোন, সমাজৰ ৰীতি-নীতি, ধৰ্ম-সংস্কাৰ, অৰ্থনীতি, ৰাজনীতি আদি বিভিন্ন পথে মানৱজাতিক আগুৰি ৰাখিছে। যুগে যুগে এই সকলোবোৰে সূক্ষ্মভাৱে হ'লেও নাৰীসমাজতহে অধিক প্ৰতিক্ৰিয়া কৰি আহিছে। এই প্ৰসঙ্গতে ক'ব পাৰি যে নাৰী আৰু পুৰুষৰ পাৰস্পৰিক ভিন্নতা কিছু পৰিমাণে প্ৰকৃতিৰ আৰু বহুল পৰিমাণে ইতিহাসৰ সৃষ্টি।

বৰ্তমান যুগৰ আধুনিকতাই সকলোক্ষেত্ৰতে নিজৰ প্ৰভূত্ব খটুৱাৰ দৰে নাৰী-মনস্তত্ত্বতো ইয়াৰ প্ৰভাৱ পেলাইছে। প্ৰাচীনকালৰ সমাজ ব্যৱস্থা আধুনিকতাৰ শক্তিশেলে ধ্বস্ত কৰাৰ পৰিপ্ৰেক্ষিতত নাৰীয়েও সীমাবদ্ধতাক আওকান কৰি, পুৰণিকলীয়া ঠেক গণ্ডীৰ পৰা ওলাই আধুনিক পৃথিৱীক পৰশিবলৈ ইচ্ছা কৰাত জন্ম হ'ল, নাৰী-মুক্তি আন্দোলনৰ। ফলস্বৰূপে, বৰ্তমান পৃথিৱীৰ যুক্তিবাদী শিক্ষাৰে শিক্ষিতা হৈ সমাজৰ কু-সংস্কাৰৰ পৰা মুক্তি লভি সবল ব্যক্তিত্বৰে নিজকে আধুনিকা নাৰী হিচাবে আখ্যা দিয়াত নাৰীসমাজে কৃতকাৰ্যতা লভিছে। কিন্তু। এই আধুনিকা সকলৰ মাজতো এনে মানসিকতা দেখা যায় যে, সামান্য অনুহাততে এনে নাৰীয়েও পুৰুষৰ আশ্ৰয় তথা সহায়ৰ আশা কৰে। তেনেদৰেই বহু পুৰুষেও তেওঁলোকৰ জীৱনৰ নাৰী লেহুকা হোৱাটো বিচাৰে আৰু নাৰীক আৰাম, ৰক্ষণাবেক্ষণ তথা তদাৰক কৰাটো কৰ্তব্য বুলি ভাবে। অৱশ্যে বহুতো পঙ্গু চেতনা নিহিত নাৰীয়েও ইয়াক মানি লোৱা দেখা যায়। নাৰীয়ে ক্ৰমে ক্ৰমে চাৰিবেৰৰ পৰা ওলাই আহি বিভিন্ন ক্ষেত্ৰত নিজৰ স্থিতি সবল কৰি তুলিলে, ভোটাধিকাৰ দাবী কৰিলে, বিধৱাবিবাহ, বিবাহ-বিচ্ছেদ আদিৰ বাবে পথ

উলিয়ালে, আনকি নাৰীৰ একচেতিয়া অধিকাৰ সন্তান জন্মৰ ক্ষেত্ৰতো জন্মনিয়ন্ত্ৰণৰ অধিকাৰ বিচাৰিলে। কিন্তু অতি দুৰ্ভাগ্যজনক কথাটো হ'ল, এই নাৰী মুক্তি আন্দোলন কেৱল পুৰুষৰ বিৰুদ্ধেহে হৈছে; নাৰীৰ ব্যক্তিগত, অজ্ঞতা আৰু মানসিক সীমাবদ্ধতাৰ বিৰুদ্ধে নহয়। 'এপাচি শাকত এটা জালুক'ৰ দৰে মুষ্টিমেয় নাৰীয়েহে ব্যক্তিত্ব বিকাশত গুৰুত্ব আৰোপ কৰে। বহু তথাকথিত 'আধুনিক নাৰী'য়ে ফেশ্বন, বিজ্ঞাপন আদিত পণ্য সামগ্ৰী ৰূপে থিয় দিয়াটোকহে চূড়ান্ত আধুনিকতা বুলি গ্ৰহণ কৰে। এই বিষবাষ্পই



বৰ্তমান অসমকো প্ৰদূষিত কৰাটো অতি মৰ্মান্তিক।

বৰ্তমানৰ নাৰী-মুক্তি আন্দোলনৰ সৰ্বোত্তম সুফলটো হ'ল, সাহিত্যত নাৰীৰ আগমণ। যদিও দুই-এগৰাকী মহিলাই সাহিত্য-সৃষ্টিত আগভাগ লৈ থকা দেখা যায়, তথাপি সেয়াই সমগ্ৰ নাৰীজাতিৰ প্ৰতিনিধিত্ব নকৰে। অৱশ্যে ভাৰতৰ দৰে মাতৃক পূজা কৰা দেশত প্ৰাক্-ঐতিহাসিক যুগৰে পৰা গাৰ্গী, মৈত্ৰেয়ী, লোপামুদ্ৰা আদিৰ দৰে সাহসী তথা বিদূষী মহিলাৰ মৰ্যাদা অক্ষুণ্ণ আছিল। কিন্তু সভ্যতাৰ চূড়ান্ত শিখৰত থিয় হৈও বৰ্তমানৰ নাৰী, সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ পৰা বহু যোজনা নিলগত। কাৰণ সাংসাৰিক জীৱনৰ প্ৰাত্যহিকতাৰ পৰা মহিলাই সহজতে নিস্কৃতি পাব নোৱাৰে; অৱশ্যে আশা আৰু অদ্যম থাকিলে যিকোনো কামেই সহজসাধ্য হৈ পৰে, লাগিলে সেয়া নাৰীৰ সাহিত্য-চৰ্চাই হওঁক বা এভাৰেষ্টত আৰোহণেই হওঁক। তেনে এক উদ্যমৰ ফলতেই উদ্ভৱ হয় প্ৰথম অসমীয়া মহিলা আলোচনী 'ঘৰজেউতি'ৰ যি শিৱসাগৰৰ কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ যুটীয়া প্ৰচেষ্টাত সম্পূৰ্ণ মহিলাৰ দ্বাৰা মহিলাৰ বাবে প্ৰকাশ পাইছিল। ইয়াৰ প্ৰেৰণাতেই পৰৱৰ্তী কালত 'আৱাহন', 'জয়ন্তী', 'পচোৱা', 'ৰামধেনু' আদিত বহুতো মহিলা লেখিকাই আত্মপ্ৰকাশ ঘটাইছিল, যাৰ সৃষ্টিৰ সুধা পান কৰিছিল নিঃসন্দেহে সমগ্ৰ অসমীয়া নাৰীসমাজে।

সাহিত্য এটা ব্যক্তিগত চখ নহয়, ই এক সামাজিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ সকলো স্তৰতে লেখিকা, পাঠিকা, প্ৰকাশিকা, সমালোচক হিচাপে পাৰ্যমানে মহিলাৰ অংশীদাৰী নহ'লে মহিলাৰ সাহিত্যত অংশগ্ৰহণ এক অলীক স্বপ্ন হৈয়েই থাকিব। বৰ্তমান আন্দোলন, সংস্কাৰমুখী আইন, আঁচনি প্ৰৱৰ্তনৰ জৰিয়তে মানুহৰ মনৰ সংশোধন ঘটিছে। কিন্তু দকৈ শিপাই থকা মানুহৰ মনৰ সংশোধন ঘটিছে। কিন্তু দকৈ শিপাই থকা মানুহৰ কিছুমান মানসিক ধাৰণা সহজতে সংস্কাৰ কৰিব নোৱাৰি। বহু সময়ত এনে ধাৰণাবোৰ সাহিত্যৰ মাজেৰে সম্প্ৰসাৰিত হয়। সেয়ে নাৰীৰ প্ৰতি নেতিবাচক এনে ধাৰণাবোৰৰ ভিত্তিহীনতা সাহিত্যৰ যোগেদি প্ৰমাণিত কৰিবলৈ, সাহিত্যৰ ক্ষেত্ৰত নাৰীৰ বিচৰণ সাৱলীল হোৱাটো একান্তই বাঞ্চনীয়।

আধুনিকতাৰ জয়ধ্বজা কোবাই থকা এইখন পৃথিৱীত বৰ্তমান চৌদিশে নাৰীমুক্তিৰ শ্লোগান; বাটে-পথে বিচিত্ৰ পোছাক পৰিহিত-প্ৰসাধনৰত যুৱতীৰ আধুনিক অঙ্গী-ভঙ্গী, স্বামীৰ হাতত হাত ধৰি সান্ধ্য ভ্ৰমণৰত নাৰীৰ তৰল প্ৰসন্নময়তা, কিশোৰীৰ চিন্তাগ্ৰস্ত অভিভাৱক ইত্যাদি ভিন্নচিত্ৰৰে বৈচিত্ৰময় ইয়াৰ বাতাবৰণ।

সমাজৰ এলান্ধুকলীয়া সংস্কাৰৰ বাধা অতিক্ৰমী কান্তিময়, মসৃণ বাটৰ সূচনা কৰা বৰ্তমানৰ নাৰীক প্ৰতিৰোধ কৰাৰ ক্ষমতা কাৰোৰেই নায়। অৱশ্যে আত্মবিশ্বাস আৰু আত্ম-মূল্যায়নৰ উপৰিও আত্ম প্ৰতিষ্ঠাৰ বাবে সদা-সচেতন আৰু উদ্যমী মন এটাৰ অবিহনে নাৰীজাতিৰ সৰ্বতোপ্ৰকাৰ উন্নতি অসম্ভৱ। এইক্ষেত্ৰত বাৰ্ট্ৰাণ্ড ৰাছেলৰ সেই উক্তি সমগ্ৰ মানৱজাতিৰ বাবে চিৰস্মৰণীয় হোৱা উচিত।

"One generation of fearless women could transform the world, by bringing into a generation cf gearless children, not contorted into unnatural shopes, but straight and candid, generous, affectionate and free."

❖❖❖

# বৰ্তমান সমাজত নাৰীবাদ

মিছ চিত্ৰা জ্যোতি মালাকৰ
স্নাতক তৃতীয় বৰ্ষ

বৰ্তমান সময়ত আমাৰ সমাজত চলি অহা বিভিন্ন ধৰণৰ সৰু-ডাঙৰ ঘটনাই আমাৰ সমাজত এক ভাবুকিৰ সৃষ্টি কৰিছে। তাৰ লগতে আমাৰ নাৰীসকলৰ ওপৰত চলোৱা অত্যাচাৰ বিষয়ে বাতৰি কাকত সমূহত ছপা হৈ থকা দেখা যায়। কিন্তু এই ঘটনা সমূহৰ মাজত কিমান গৰাকী ভোক্তভোগীয়ে উচিত বিচাৰ পায়? নাৰীয়ে যদি তেওঁৰ ওপৰত হোৱা অত্যাচাৰৰ অপৰাধীক শাস্তি দিব বিচাৰে এই ক্ষেত্ৰত প্ৰায়ে দেখা যায় যে তেওঁ নানা ধৰণে মানসিক অত্যাচাৰহে সহিব লগা হয়।

উদাহৰণ স্বৰূপে প্ৰতিদিনত প্ৰচাৰ হোৱা দুটি নিৰ্মম ঘটনাৰ ওপৰত চকু দিও আহক।

মূকবধিৰ যুৱতীক ধৰ্ষণ কৰি অভিযুক্ত পলাতক ভাদৈত চাঞ্চল্য।

প্ৰতিদিন সেৱা, বৰডুবিল ১৮ আগষ্ট, ২০০৯ দুলিয়াজান আৰক্ষী থানাৰ অধীনস্থ ভাদৈ আৰক্ষী চকীৰ এলেকাধীন ৩ নং বকুলনি অঞ্চলত এগৰাকী ২০ বছৰীয়া মূকবধিৰ যুৱতীক এজন লোকে ধৰ্ষণ কৰা ঘটনাই বৃহত্তৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি মতে যোৱা ১৫ আগষ্টত দিনদুপৰতে ৩ নং বকুলনি অঞ্চলৰ নিবাসী জনৈক গগৈ আৰু নিয়লা গগৈৰ বাসগৃহত কোনো লোক উপস্থিত নথকাৰ সুযোগ গ্ৰহণ কৰি এজন লোকে যুৱতী গৰাকীক উপৰ্যুপৰি ধৰ্ষণ কৰি গুৰুতৰভাৱে আহত কৰে। পিচত পলমকৈ মূকবধিৰ যুৱতীগৰাকীয়ে নিজৰ মায়েক আৰু ভিনিহিয়েকক ইংগিতেৰে ঘটনা সন্দৰ্ভত অৱগত কৰে। ইয়াৰ পিচত যুৱতী গৰাকীৰ মায়েক নিয়লাই দুলিয়াজান আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তি আৰক্ষীয়ে দুলিয়াজান আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ নম্বৰ ধাৰাত ১৬৪/০৯ নম্বৰৰ গোচৰ ৰুজু কৰিছে।

আনটো ঘটনা হৈছে।

মৌলবী গ্ৰেপ্তাৰ

প্ৰতিদিন সেৱা, নকটাৰী, ১৮ আগষ্ট ঃ দেৰেৰাপাৰা আৰক্ষী চকীৰ অন্তৰ্গত বাগিচা আলিৰ এজন মৌলবীক এগৰাকী চাৰি বছৰীয়া ছোৱালীক কালি যৌন উৎপীড়ন চলোৱাৰ অভিযোগত আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। মৌলবীজন হ'ল নগাওঁ, মোৰাঝাৰ থানাৰ অন্তৰ্গত জালানবাদৰ গাঁওৰ আব্দুল খালেক(৫০)।

ইয়াৰ উপৰি যৌতুক প্ৰথালৈ নাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ কথাও আমাৰ সমাজত প্ৰযোজ্য। তাৰ এটি উদাহৰণ তলত দিয়া হ'ল।

যৌতুকৰ দাবী স্বামী শাহুৱেকক জেললৈ প্ৰেৰণ

প্ৰতিদিন সেৱা, বৰহোলা, ৫ জুন ঃ এটি সন্তানৰ মাতৃক যৌতুক বিচাৰি হাৰাশাস্তি কৰাৰ অভিযোগত স্বামী, শাহু গ্ৰেপ্তাৰ হবলগা ঘটনাই অঞ্চলটোত বিৰূপ প্ৰভাৱ পেলাইছে। জানিব পৰা মতে গোলাঘাট জিলাৰ বাৰীচোৱা গাৱঁৰ ৰূপালী বৰাক ২ নং বছাৰ যুৱক দুলাল বৰাই ৫ বছৰ পূৰ্বে সামাজিক বিধি অনুসৰি বিয়া কৰাই আনে যদিও কিছুদিনৰ পিচৰে পৰা স্বামী দুলালে যৌতুক বিচাৰি পত্নী ৰূপালীক শাৰীৰিক, মানসিক ভাৱে অত্যাচাৰ চলাবলৈ ধৰে। এই কাৰ্যত দুলালৰ মাতৃ পখিলীয়েও সহযোগ কৰাত যোৱা ১ জুনত ৰূপালী বৰাই বৰহোলা থানাত তেওঁৰ স্বামী আৰু শাহুৱেকৰ বিৰুদ্ধে গোচৰ তৰে। কালি স্বামী দুলাল বৰা আৰু মাতৃ পখিলী বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে।

ইয়াৰ উপৰিও আমি আওকান কৰি চলা বৰ্তমানে চলি অহা কিছুমান ঘটনাই নাৰীসকলৰ এটি এটি সুন্দৰ জীৱন দূষিত কৰি তোলে। বৰ্তমান সমাজত ল'ৰা বা ছোৱালীজনীয়ে নিজৰ জীৱনসঙ্গী নিজে নিৰ্বাচিত কৰি লোৱাটো প্ৰয়োজনীয় বুলি প্ৰচলিত হৈ পৰিছে। এই ক্ষেত্ৰত কিছু সংখ্যক পুৰুষে নাৰীক বিবাহৰ প্ৰতিশ্ৰুতি দি নানাধৰণে উপভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি আঁতৰি যোৱা দেখা যায়। এনে পৰিস্থিতিত বদনামৰ ভয়ত মনে নিবিচৰা কিছুমান কথাও মানি লব লগা হয়।

উপৰোক্ত ঘটনা সমূহত সমাজে কিয় নাৰীকহে দোষাৰূপ কৰে। পুৰুষজন সমভাগী হওক বা দায়ী হওক সমাজে সদায় তেওঁক এজন সৎ পুৰুষ বুলি আখ্যা দিয়ে।

এনে এটি হতাশাত ভুগি আত্মহত্যা কৰা ঘটনা তলত উল্লেখ কৰা হ'ল।

দেৰগাঁৱত ছাত্ৰীৰ আত্মহত্যা
পলাতক প্ৰেমিকৰ সন্ধানত আৰক্ষী

প্ৰতিদিন সেৱা, দৰগাওঁ, ১৯ আগষ্ট ঃ দেৰগাঁৱৰ লঠা গাঁও নিবাসী স্বৰ্গীয় ৰবীন দত্তৰ কন্যা, দেৰগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী মৌচুমী দত্তই (১৭) যোৱা ১৩ আগষ্টৰ পুৱা নিজ বাসভৱনত চিপজৰীলৈ আত্মহত্যা কৰে। ছাত্ৰীগৰাকীয়ে প্ৰেমিক তথা একে গাঁৱৰে যুৱক জয়ন্ত বৰালৈ সম্বোধন কৰি এখন চিঠি লিখি যায়। এই চিঠিখনক কেন্দ্ৰ কৰি বৰ্তমান গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। ইতিমধ্যে মৌচুমীৰ ভাতৃ মনোজ দত্তই দেৰগাওঁ থানাত এটি গোচৰ তৰিছে। মৌচুমীৰ আত্মহত্যাৰ খবৰ পোৱাৰ পাচৰ পৰা জয়ন্ত বৰা নিৰুদ্দেশ হৈ আছে। আৰক্ষীয়ে জয়ন্তই আত্মগোপন কৰা বুলি সন্দেহ কৰিছে।

উল্লেখযোগ্য যে আত্মহত্যাৰ পূৰ্বে মৌচুমীয়ে লিখা পত্ৰত জয়ন্তই প্ৰতিশ্ৰুতি ৰক্ষা কৰি তাইক গ্ৰহণ কৰাৰ পৰিবৰ্তে বিপদত পেলোৱা বুলি স্পষ্টকৈ অভিযোগ কৰি গৈছে। জয়ন্ত বৰাই পূৰ্বেও এনেধৰণৰ ঘটনা সংঘটিত কৰাৰ অভিযোগ আছে বুলি অভিযোগ উঠিছে।

এইদৰে আমাৰ সমাজত দেখা যায় যে নাৰীসকলে বহুধৰণে ভোক্তভোগী হৈও সম্পূৰ্ণৰূপে নিজকে সজাগ কৰি তোলা নাই। নাৰীবাদৰ নামটো অসমত কোনো বিশেষ ধৰণৰ আন্দোলন গঢ়ি উঠা নাই। নাৰীৰ অধিকাৰ বা মৰ্য্যদাৰ বাবেও নাৰীসকলে ইয়াত সংগঠিত ভাৱে থিয় হৈছে বুলি কব পৰা হোৱা নাই। অৱশ্যে এই শতাব্দীৰ আৰম্ভণিৰ পৰাই আমাৰ সমাজত নাৰীৰ শোচনীয় অৱস্থা, নিজৰ ঘৰতে তেওঁলোকৰ দুৰ্গতিৰ কথা অসমীয়া চেতনাত ধৰা পৰি আহিছে।

যি কি নহওক কিছুমান মহিলা সংগঠনে নাৰীসকলক ন্যায় প্ৰদান নকৰা নহয়। এই সংগঠন সমূহে নাৰী মংগলৰ কাৰণে বহুতো গঠনমূলক কাম কৰিছে। ১৯১৫ খৃঃত স্থাপিত হোৱা ডিব্ৰুগড় মহিলা সমিতি এনে এক অনুষ্ঠান। অন্য এক এনে সংগঠন আছিল ১৯১৭ খৃঃত স্থাপিত হোৱা নগাওঁ মহিলা সমিতি। বিভিন্ন চহৰত সিঁচৰতি হৈ থকা এনে অনুষ্ঠানবোৰকেই অৱশেষত ১৯২৬ খৃঃত একত্ৰিত কৰি সমগ্ৰ অসমৰ বাবে এখন প্ৰতিষ্ঠান গঢ়ি তোলা হ'ল– অসম মহিলা সমিতি। তেতিয়া ইয়াৰ নেতৃত্ব লৈছিল চন্দ্ৰপ্ৰভা শইকীয়াই।

নাৰী মংগলৰ বাবে অনুষ্ঠান গঢ়ি আনুষ্ঠানিক ভাৱে কামত ব্ৰতী হোৱাত অসম সৰ্বভাৰতীয় ক্ষেত্ৰতকৈ পিছপৰা নহয় কিয়নো সৰ্বভাৰতীয় ক্ষেত্ৰতো এনে বিভিন্ন একক অনুষ্ঠানবোৰ যেনে- ১৯০৪ খৃঃত স্থাপিত হোৱা পশ্চিম ভাৰতৰ ভাৰত মহিলা পৰিষদ আৰু ১৯১০ খৃঃত উত্তৰ ভাৰতৰ ভাৰত স্ত্ৰী মহামণ্ডল একত্ৰিত হৈ সৰ্বভাৰতীয় মহিলা অনুষ্ঠান "উইমেনচ ইণ্ডিয়ান এছোচিয়েশ্যন" গঢ়ি তুলিছিল ১৯১৭ খৃঃত।

নাৰীৰ অৱস্থা আৰু মৰ্য্যদা সম্পৰ্কে অসমত নাৰীসকলেই যদিও প্ৰথমতে সজাগ হৈছিল, তথাপি অসমীয়া উপন্যাসত এনে চেতনা প্ৰথমতে প্ৰকাশিত হয় পুৰুষ সাহিত্যিকৰ হাতত। ইয়াত অৱশ্যে অস্বাভাৱিকতা একো নাই। বিশ্বৰ পটভূমিতো নাৰীবাদী চেতনা ধৰা পৰে প্ৰথমতে এগৰাকী পুৰুষ চিন্তাবিদৰ লেখনিত। এওঁ অষ্টাদশ শতিকাৰ ফৰাচী দাৰ্শনিক কঁডচে (Condorcet) ; আৰু যি লেখাত তেওঁ প্ৰথম এই ধাৰণা প্ৰকাশ কৰিছিল তাৰ নাম ইংৰাজী অনুবাদত, (এড্‌মিছন্ অব্ উইমেন্ টু ফুল্ চিটিজেনশ্বিপ্) (১৭৯০) ইয়াৰ দুবছৰ পিছতে মহিলাৰ মাজতো এনে চিন্তা হয় আৰু বৃটিছ মহিলা মেৰি বুলটোন ক্ৰাফণ্টৰ ৰচনা (ক্ৰ ভিণ্ডিকেশ্যান অব ড্যা ৰাইটচ্ অব্ উইমিন-ৰ) (১৭৭২) যোগেদি। অষ্টাদশ শতিকাৰ বাৰ্ডচে আৰু বুলষ্টোন ক্ৰফটৰ নাৰীবাদী ধাৰণাই উনবিংশ শতাব্দীৰ নাৰীবাদী আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰিব পাৰিলে আকৌ এগৰাকী পুৰুষ চিন্তাৰিদ জন্ ষ্টুৱাৰ্ট মিলন দ্যা চাবজেকশ্যন অব উইমেন' (১৮৬৯) ৰচনাৰ প্ৰভাৱত অসমত নাৰীৰ অৱস্থা প্ৰতিফলন কৰি নাৰীৰ সামাজিক স্থান সম্পৰ্কে চেতনা প্ৰকাশ কৰা প্ৰথম অসমীয়া উপন্যাসখন হ'ল ৰজনীকান্ত বৰদলৈৰ (ৰহদৈ লিগিৰী (১৯৩০)। এই উপন্যাস প্ৰকাশৰ দুবছৰ পূৰ্বে স্ত্ৰী শিক্ষা আৰু মাজত নাৰীৰ ভূমিকা সম্পৰ্কে আৰু এখন উপন্যাস প্ৰকাশিত হৈছিল- - দণ্ডিনাথ কলিতাৰ 'সাধনা' (১৯২৮)।

নাৰীবাদ প্ৰতিফলিত কৰিবলৈ বহুতো চেষ্টাৰ পাছতো নাৰীবাদ অসমীয়াত এতিয়াও এটা আচহুৱা শব্দ আৰু নাৰীবাদৰ আন্দোলনো এতিয়াও সম্পূৰ্ণৰূপে গঢ় লৈ উঠা নাই।

❖❖❖

# নাট্যশিল্পী ৰূপে
# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

— নাং নিতুস্মিতা ফুকন
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ



ৰূপকোঁৱৰ ভাষাৰে–

"কোনে পাতিব খুজিছ সোণৰ দেশ
আই অসমীক, পিন্ধাব খুজিছ
পোহৰৰ ধুনীয়া বেশ,
কোনে পাতিব খুজিছ সোণৰ দেশ?

মানুহে জীৱনৰ অভিজ্ঞতা প্ৰকাশ কৰিবলৈ বিচৰাৰ ফলস্বৰূপেই বিভিন্ন শিল্পৰূপৰ সৃষ্টি হৈছে। একোটি স্বতন্ত্ৰ বৈশিষ্ট্যৰ উপস্থিতিয়ে শিল্পকলাৰ এটা ঠালক আন এটাৰ পৰা পৃথক কৰিছে।

অসমীয়া নাট্য সাহিত্যৰ ইতিহাস মেলি চালে দেখা যায় যে গহীন সামাজিক নাটকৰ বাবে অনুকূল পৰিবেশ সৃষ্টি হৈছিল স্বাধীনতা লাভৰ পাছতহে । স্বাধীনতাৰ আগক্ষণলৈকে তেনে নাটকৰ সংখ্যা তেনেই আছিল। ইয়াৰ ওপৰিও এখন নাটকৰ পৰা অন্য এখন নাটকলৈ সময়ৰ ব্যৱধানো আছিল প্ৰায় ৩০ বছৰৰ অধিক। অথচ এই সময়ছোৱাতেই এনে এগৰাকী নাট্যকাৰৰ আৰ্বিভাৱ হৈছিল যাৰ কাপ কলমেদি নিৰ্গত শব্দ অথবা সংলাপ কাহিনী আৰু চৰিত্ৰৰ সৃষ্টিৰ মাজেদি সহজ বোধ্য নাটকৰ সৃষ্টি কৰি অতীতৰ নাটকৰ বিষয় আৰু আংগিকৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৈশিষ্ট্যপূৰ্ণ ৰচনা আগবঢ়াইছিল।

অসমীয়া নাটকৰ গতিপথ সলনি কৰি নৱতম ৰূপ দিয়া এইগৰাকী সুযোগ্য নাট্যকাৰৰ নাম হৈছে "ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা"। অসমীয়া নাট্য সংস্কৃতিৰ ইতিহাসত এটি স্মৰণীয় নাম। এইজনা ব্যক্তিয়ে ১৯০৩ চনৰ ১৭ জুন তাৰিখে মেদিনীৰ বুকুত প্ৰথম চকু মেলি পুনৰ ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে মেলানি মাগিলে এক অজান দেশলৈ। তেওঁৰ শৰীৰৰ মৃত্যু ঘটিলেও তেখেতৰ প্ৰতিভাৰাজি আজিও বিৰাজমান অসমীয়া জাতিটোৰ হৃদয়ত। অসমীয়া সাহিত্য সংস্কৃতিৰ ভঁৰালত নিজ গুণৰ চেষ্টাত তেখেত শিশু সাহিত্যিক গল্পকাৰ আৰু ঔপন্যাসিক, কবি, গীতিকাৰ, সুৰশিল্পী, নৃত্যশিল্পী, বোলছবি নিৰ্মাতা, স্থাপত্য শিল্পী সংস্কৃতিৰ সাধক, বিপ্লৱী হিচাপে যিমানেই সমাদৃত তেনেকৈয়ে এজন সফল নাট্যশিল্পী ৰূপেও সিমানেই পৰিচিত। তেখেতৰ ৰচিত নাট্যসম্ভাৰ সমূহ হৈছে শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, নিমাতী কইনা বা ৰূপকোঁৱৰ, সোণ পখিলী,

লভিতা, খনিকৰ, কনকলতা, সুন্দৰ কোঁৱৰ আদি।

নাট্যশিল্পী আগৰৱালাৰ প্ৰতিখন নাটকেই পৃথক বৈশিষ্ট আৰু বিশিষ্ট নাট্য গুণেৰে ঐশ্বৰ্যশালী। তেখেতৰ জীৱনৰ আগবয়সৰ ৰচনা 'শোণিত কুঁৱৰী' কেৱল অন্য নাটকসমূহৰ ভিতৰতে নহয়, অসমীয়া নাট্য সাহিত্যৰ ভিতৰতে ই এখন অনন্য সাধাৰণ নাটক। বিষয়বস্তুৰ ফালৰ পৰা শোণিত কুঁৱৰী পৌৰাণিক নাটক, কিন্তু ই তথাকথিত পৌৰাণিক নাটকসমূহৰ সৈতে একে নহয়। 'শোণিত কুঁৱৰী' বিষয়বস্তুৰ ক্ষেত্ৰতহে পৌৰাণিক নাটক; কিন্তু ইয়াৰ ভাৱবস্তু আৰু ৰূপবস্তুৰ দিশত ই ৰোমাণ্টিক ভাবসমৃদ্ধ এখন আধুনিক নাটক।

শোণিত কুঁৱৰী নাটকৰ বিষয়বস্তু এটা চিৰপৰিচিত পুৰাণৰ কাহিনী আধাৰিত। হৰিবংশ আৰু ভাগৱত পুৰাণৰ উষা অনিৰুদ্ধৰ মিলন কাহিনীয়ে যুগ যুগ ধৰি জনসাধাৰণৰ হৃদয় জয় কৰি আহিছে। ভাৰতীয় বৈষ্ণৱ ধৰ্মৰ আদৰ্শ অনুসৰি বিষ্ণুৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰা উষা অনিৰুদ্ধৰ প্ৰণয় কথা এই দুটা কাৰণতেই কাহিনীটোৱে ভাৰতীয় সমাজত জনপ্ৰিয়তা লাভ কৰি আহিছে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱেও তাৰেই সাৰমৰ্ম লৈ 'উষা-পৰিণয়' আৰু 'কুমৰ-হৰণ' কাব্য দুখনৰ পৰা নাটকখনৰ অনুপম সৃষ্টি কৰিছে। মূল কাব্যদুখনত যি অলৌকিকতা আছিল, তাকো যথাসম্ভৱ পৰিহাৰ কৰি কাহিনীটো আৰু চৰিত্ৰবোৰক অলৌকিক জগতৰ পৰা নমাই আনি জ্যোতিপ্ৰসাদে মাটিৰ মানুহৰ লগত প্ৰত্যয়জনক ভাৱে বিচৰণ কৰালেহি। এইখিনিতেই পৌৰাণিক কাহিনী আধাৰিত নাটক হিচাপে জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী' নাটক অভিনৱ সৃষ্টি। নাটকখনৰ কাহিনী গ্ৰন্থন অভিনৱ। নাটকখনৰ গীতসমূহৰ মাজেদি অনুভূত হয় হৃদয়স্পৰ্শী ৰোমাণ্টিক আবেদনৰ ইংগিত। তদুপৰি চৰিত্ৰবোৰ মানৱীয় ৰূপবৈশিষ্ট্যৰ বাবেও নাটকখন বৈচিত্ৰপূৰ্ণ। নাটকখনিৰ এটি অন্যতম বৈশিষ্ট্য হৈছে কাব্যিকতা। কল্পনাৰ সুদূৰ প্ৰসাৰী ৰূপ প্ৰেমানুভূতিৰ কোমলতা, আবেগময় ভাষাৰ সাৱলীলতাৰ 'শোণিত কুঁৱৰী' নাটক কাব্যিক আবেদনেৰে হৃদয় পৰশা।

আগৰৱালাদেৱে আহোম ৰাজপৰিয়ালৰ পটভূমিত ৰচনা কৰা 'কাৰেঙৰ লিগিৰী' তেখেতৰ দ্বিতীয়খন নাটক। ই এখন বুৰঞ্জীমূলক নাটক। শোণিত কুঁৱৰী নাটকখনত যেনেদৰে প্ৰেমৰ মিলনৰ মাধুৰ্য্য আছে তেনেকৈ ইয়াত আছে বিফল প্ৰেমৰ কৰুণ উপলব্ধি। কাৰেঙৰ লিগিৰী নাটকৰ কাহিনী নিৰ্মিত হৈছে অনেক দ্বন্দ্বেৰে। এই দ্বন্দ্ব ব্যক্তিৰ সৈতে ব্যক্তিৰ, ব্যক্তিৰ সৈতে সমাজৰ, আদৰ্শৰ সৈতে আদৰ্শ শূণ্যতাৰ আৰু মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিৰ সৈতে সমাজসৃষ্ট নীতিবোধৰ। নাটকৰ সামৰণি ভাবৰ গভীৰতা আৰু কৰুণ ৰসেৰে গাম্ভীৰ্যপূণ। নাটকখনিৰ সৌন্দৰ্য নিৰ্মাণ হৈছে ইয়াৰ চৰিত্ৰৰ বৈপৰীত্যজনিত দ্বন্দ্বৰ। নাটকখনৰ প্ৰত্যেকটো চৰিত্ৰই স্বকীয় বৈশিষ্ট্যপূৰ্ণ। নাটকৰ সুদৰ্শন আৰু অনঙ্গৰ ভূমিকাও পৃথক দিশত বৈশিষ্ট্যপূৰ্ণ। 'কাৰেঙৰ লিগিৰী' নাটক বিশ্ববৰেণ্য বহু নাট্যকাৰৰ নাট্যাদৰ্শৰ সংমিশ্ৰণৰ ফল।

অৱশ্যে কাৰেঙৰ লিগিৰী নাটকত কোনো নাট্যকাৰৰেই পোনপটীয়া প্ৰভাৱৰ স্বাক্ষৰ নাই। যি কি নহওঁক কিয় নাটকখনি এহাতে পাশ্চাত্য নাট্য সাহিত্যৰ নানান ভাৱৰ গাম্ভীৰ্য আৰু অন্যহাতেদি অসমীয়া সাহিত্যৰ ৰমন্যাসিক যুগৰ অপূৰ্ব মিশ্ৰণ ঘটিছে ৰোমাণ্টিক মাধুৰ্য্যৰ। আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু ইতিহাস আশ্ৰয়ী; কিন্তু ৰূপায়ণৰীতি আধুনিক; ৰসানুভূতিৰ দিশত ৰোমাণ্টিক; কিন্তু ভাবৰ দিশত আধুনিক। থোৰতে ক'বলৈ গ'লে কাৰেঙৰ লিগিৰী এক যুগান্তকাৰী সৃষ্টি হোৱাৰ মূল কাৰণ হৈছে ইয়াৰ কবিত্বময় ভাৱৰ ঐশ্বৰ্য্যৰ বাবে।

কাৰেঙৰ লিগিৰীৰ দৰেই জ্যোতিপ্ৰসাদৰ অন্য এখন নাটক হৈছে 'ৰূপালীম'। পটভূমি অসমৰ পূৰ্ব সীমান্তৰ কোনোবা পৰ্বতীয়া ৰাজ্য ৰূকমী যি ৰাজ্যৰ লোকসকলৰ সভ্যতা মণিপুৰৰ লগত মিজাব পাৰি। ৰূপালীম নাটকখনিৰ কাহিনী যিদৰে আঁটিল, চৰিত্ৰও সেইদৰে বিভিন্ন আৰু বিচিত্ৰ মানৱীয় অনুভূতিৰে বৈচিত্ৰ্যময় আৰু গতিশীল। ৰূপালীম নাটকত প্ৰধানভাৱে তিনিটা শ্ৰেণীৰ চৰিত্ৰই মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ কৰিছে। এটা শ্ৰেণীৰ মাজেদি প্ৰকাশ পাইছে তথাকথিত সহজ সৰল দুৰ্বল শ্ৰেণী মানুহৰ জীৱন কাহিনী। এই শ্ৰেণীত আছে মায়াৰ, জুনাফা আৰু ৰূপালীম। ২য় শ্ৰেণীত আছে ৰূকমী ৰজা, ৰেণথিয়াং আৰু মণিমুগ্ধৰ দৰে ভোগ বিলাসত মতলীয়া শাসকীয় শ্ৰেণীটো। শেষৰ শ্ৰেণীটোত সোমাই আছে ইতিভেদ

আৰু নাটকখনত সামান্য ভূমিকাৰে ৰূকমী ডেকা বিমুৰ চৰিত্ৰ। ৰূপালীম নাট্যকাৰৰ আদৰ্শ চৰিত্ৰ নহয়; অথচ ৰূপালীম শিল্পী জ্যোতিপ্ৰসাৰ শিল্প চেতনাই মানৱী ৰূপ, আগৰৱালাৰ নাটকখনিৰ কাহিনী বিন্যাসৰ নিপুণতা, চৰিত্ৰ সৃষ্টিত কলা সুলভতা আৰু ৰোমাণ্টিক আবিলতাৰ দৰেই কবিত্বময়তাও ইয়াৰ অন্য এক বিশেষত্ব। ৰূপালীম নাটকত নৰ-নাৰীৰ প্ৰেম এক সুগভীৰ আবেদন অনুভূত হয়। নাটকখনিত আদি ৰসৰ সমানেই গুৰুত্ব লাভ কৰিছে বীৰ, ভয়ানক আৰু কৰুণ ৰসেও। অথচ সেয়ে হ'লেও নাট্য কাহিনীৰ যৱনিকা ঘটিছে নিৰপৰাধী চৰিত্ৰ ৰূপালীমৰ কৰুণ মৃত্যুৰ মাজেদি ৰূপালীমৰ জীৱনৰ সংঘাত অনিবাৰ্য আৰু এই সংঘাতৰ পৰিণতিও বৰ কাৰুণ্য। সেইবাবেই ৰূপালীম নাটকত আদি বীৰ, ভয়ানক আদি একাধিক কাব্যৰসৰ সমাবেশ ঘটিলেও ৰূপালীম কৰুণ ৰসাত্মক নাটক হিচাপে পৰিগণিত হয়। ভাৱ-ঘন আৰু অনুভূতি প্ৰৱণ সংলাপেৰে ৰূপালীম নাটক উপচি আছে।

উল্লিখিত নাট্য বৈশিষ্ট্যসমূহৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে, জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' পুৰণিৰ ভেটিত নিৰ্মাণ কৰা এক নব্য নাটক। ছেক্সপীয়েৰ, ইবচেন আৰু মেটাৰলিংকৰ নাটকৰ ভাৱ ধৰ্মী ৰূপালীম নাটকে পাশ্চাত্য বিশিষ্ট নাট্য বৈশিষ্ট্যৰ সৈতে সমধৰ্মিতা ৰক্ষা কৰিলেও ৰূপালীম জ্যোতিপ্ৰসাদৰ মৌলিক সৃষ্টি।

ৰূপকোঁৱৰদেৱৰ অন্য এখন সফল নাটক হৈছে 'নিমাতী কইনা বা ৰূপকোঁৱৰ'। নাটকখনত জ্যোতি প্ৰতিভাৰ অভিনৱ প্ৰকাশ ঘটিছে। নাটকখনৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছে আমাৰ দেশত প্ৰচলিত এটি সাধুকথাৰ আধাৰত। ইয়াৰ পৰাই বুজা যায় যে 'নিমাতী কইনা' নাটৰ ভাৱবস্তু পৰিদৃশ্যমান বাস্তৱ জগতৰ সিপাৰত ৰহস্যাবৃত একঃ অন্তৰলোকৰ। সেইদৰে নাটকখনৰ আৰম্ভণিৰ গীতটো নাটকখনৰ ভাৱবস্তুৰ ইংগিতবাহক। নাটকখনিৰ ভাৱবস্তু যে জ্যোতি দৰ্শনৰেই নাট্যৰূপ, এই কথাষাৰ স্পষ্ট হৈ আছে নাটকখনৰ 'প্ৰণেতাৰ কথা'ত। আগৰৱালাৰ নিমাতী কইনা ভাৱবস্তুৰ পিনৰ পৰা যিমানেই গভীৰ, বিষয়বস্তুৰ দিশতও সেই অনুসৰি যথেষ্ট বিশাল। নিমাতী কইনাৰ ভাৱবস্তু আৰু বিষয়বস্তুৰ গভীৰতা আৰু বিশালতা পাশ্চাত্য নাট্য সাহিত্যৰ সৈতে নিবিড়ভাৱে সাঙোৰ খাই থকা। নিমাতী কইনাৰ ভাৱবস্তুৰ পাশ্চাত্য বহুতো নতুন নাট্য ধাৰাৰ লগত সাদৃশ্য থকা দেখা যায়।

নাটকখনিৰ ভাৱবস্তু আৰু প্ৰতীকি ব্যঞ্জনা বহু পৰিমাণে মিল দেখা যায় বেলজিয়ামৰ নাট্যকাৰ মেটাৰ লিংকৰ 'দি ব্লু বাৰ্ড' নাটকৰ ভাৱবস্তু আৰু প্ৰতীকি ব্যঞ্জনাৰ লগত। মেটাৰলিংকৰ ব্লু বাৰ্ড নাটকখনত যেনেদৰে শিশুৰ কল্পনা বিলাসী মনৰ উপযোগী সাধুকথা ধৰ্মী সুদূৰ কল্পনা আছে জ্যোতিপ্ৰসাদৰ উক্ত নাটকখনতো শিশুমনৰ উপযোগী কল্পনাৰ মায়াজাল ৰচনা কৰা হৈছে।

নাটকখনিত অসমীয়া ঘুণেধৰা সমাজৰ দানৱীয় অৱস্থাৰ পৰা মানৱত্মাৰ মুক্তিৰ পথ কাব্যিক অনুভূতিৰ মাজত দেখুওৱা হৈছে। কাব্যিক অনুভূতিতহে যে কঠিন বাস্তৱৰপৰা মানুহৰ যথাৰ্থ মুক্তি সম্ভৱ, এনে কাব্যিক দৃষ্টিভংগী পাশ্চাত্য বহু নাট্যকাৰৰ নাটকত প্ৰতিফলিত হৈছে। নিমাতী কইনাৰ সামগ্ৰিক পৰিমণ্ডলত জোনালী কল্পনা আৰু স্বপ্নালু আবেদন এটা বিৰাজমান হৈ আছে যদিও নাটকখনিৰ ভাৱবস্তু অস্পষ্ট নহয়। কাব্যিক অভিব্যঞ্জনা আৰু কাব্যময় আনুভূতিক আবেদনৰ মাজেদি উচ্চতৰ জীৱনাদৰ্শ প্ৰদৰ্শনৰ দিশত জ্যোতি প্ৰসাদৰ নিমাতী কইনা অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত একক আৰু অনন্য সৃষ্টি।

আগৰৱালাদেৱৰ অন্য এখন নিমানী কইনাৰ সমধৰ্মী নাটক হৈছে 'সোণ পখিলী'। কিন্তু তেখেতে নাটকখনি সম্পূৰ্ণ ৰূপত প্ৰকাশ কৰিবলৈ সময় নাপালে। হলেও নাটকখনিৰ কিছুঅংশ বিশেষৰ পৰা চাই ক'ব পাৰি যে "সোণ পখিলী"তো নিমাতী কইনাৰ দৰে কাব্যময় অনুভূতিৰ জগত এখনৰ সন্ধেদ দিবলৈ যত্ন কৰা হৈছিল। নাটকখন অসম্পূৰ্ণ হ'লেও সোণ পখিলী ৰূপী চিৰন্তন সুন্দৰ প্ৰাপ্তিৰ বাবে প্ৰয়োজনীয় যথাৰ্থ পথ মাধ্যমটো নাটকখনিত বাৰুকৈয়ে চিহ্নিত হ'ল। প্ৰাপ্তিতকৈ প্ৰাপ্য বস্তুলাভৰ মাধ্যমটোহে আচল কথা। নাটকখনত সোণ পখিলীক পাবৰ বাবে ব্যাকুল হোৱা ব্যক্তি তিনিজনো মন কৰিবলগীয়া। কবিতা কুমাৰ কাব্য সাধক, চিন্তা কুমাৰ চিন্তাৰ সাধক আৰু মনীষ কুমাৰ জ্ঞানৰ সাধক। কাব্য কলাৰ লগত চিন্তা আৰু মনীষাৰ সংযোগ নঘটিল যথাৰ্থ কলা সাধনা হৈ নুঠে। নাটকখনিত এইষাৰ কথাকে সু-স্পষ্টকৈ প্ৰতিফলিত কৰা হৈছে।

ৰূপকোঁৱৰৰ শেষ বয়সৰ অভিজ্ঞতাৰ অন্য এখন নাটক হৈছে 'লভিতা'। অন্য নাটক সমূহৰ দৰে তেখেতে এই নাটক খনিতো পৃথক ৰীতি আৰু দৃষ্টি প্ৰকাশ কৰি তেখেতৰ মৌলিক সৃজনী প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। নাটকখনত জ্যোতি প্ৰসাদৰ বাস্তৱবাদী ধ্যান ধাৰণা আৰু দৃষ্টিভংগীৰ স্পষ্টতা লক্ষ্য কৰা যায়। অৱশ্যে সেয়ে হলেও মূল্য জ্যোতি দৰ্শনৰ বক্তব্যৰ পৰা লভিতা আঁতৰি অহা নাই। নাটকখনিৰ বিষয়বস্তু অসমৰ জাতীয় জীৱনৰ এক ভয়াবহ অৱস্থা আৰু দ্বন্দ্ব মুখৰ সময়ৰ পটভূমিৰ পৰা গ্ৰহণ কৰা। নাটকৰ কাহিনীৰ বৈশিষ্ট্য, চৰিত্ৰ সৃষ্টিৰ নতুনত্ব আৰু নাটকীয় দ্বন্দ্বৰ অগতানুগতিক ৰীতিৰ উপৰিও লভিতা নাটকত আৰু কিছুমান নতুন বৈশিষ্ট্য দেখা যায়। লভিতা নাটকত অসমীয়া নাটকত অপ্ৰচলিত এনে কিছুমান বৈশিষ্ট্য দেখা যায়; যিবোৰে লভিতা নাটকক পশ্চিমৰ গলছৱৰ্থি আৰু অ'কেচিৰ নাটকৰ বহুখিনি ওচৰ চপাই নিয়ে।

ক্ষয়িষ্ণু সমাজৰ পটভূমিত ৰচনা কৰা নাটকত সাধাৰণতে কোনো অসাধাৰণ ব্যক্তিত্ব সম্পন্ন ব্যক্তিৰ দ্বাৰা সমাজৰ পুনৰোত্থান ঘটাবলৈ যত্ন কৰা হয়। কিন্তু লভিতা এই পৰম্পৰাগত ৰীতিৰ পৰা সম্পূৰ্ণ পৃথক। আগৰৱালাই নাটকখনিত কোনো বিশিষ্ট ব্যক্তিক নায়কৰ চৰিত্ৰত বহুৱা নাই। তেওঁৰ নাটকখনত সমাজৰ অতি সাধাৰণ মানুহৰ পতনৰ মাজেদিয়ে করুণ ৰস-অনুভূতিৰ উদ্ৰেক ঘটোৱা হৈছে। থোৰতে ক'বলৈ গ'লে পুৰাতন সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিপৰীতে গণতান্ত্ৰিক মূল্যবোধ প্ৰতিষ্ঠাৰ এক গণমুখী প্ৰচেষ্টা।

শিল্পীজনাৰ বিলাত যাত্ৰাৰ সুফল আৰু বিলাত বাসৰ কালছোৱাত পাশ্চাত্যৰ বিভিন্ন নাট্যকাৰৰ পৰা সম্যক জ্ঞান আহৰণৰ অভিজ্ঞতাৰেই সৃষ্টিত প্ৰতিপন্ন হৈ উঠিছিল অন্য এখন নাটক 'খনিকৰ'ৰ। হলেও ই শিল্পীজনাৰ নিজা সৃষ্টি। নাটকখনত নিহিত হৈ থকা উচ্চতৰ জীৱন প্ৰেৰণা আচলতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিজস্ব দাৰ্শনিক চিন্তাৰ অন্তৰ্ভুক্ত। জীৱনটোক সৃষ্টিশীল চিন্তা আৰু কৰ্মৰে মহৎ ৰূপত গঢ়ি তোলাই তেখেতৰ আদৰ্শ। সেয়ে তাৰেই অন্তৰালত সৃষ্টি হৈছে 'খনিকৰ'ৰ। হয়তো সেইবোৰ চিন্তাৰে সৃষ্টি কৰা খনিকৰ নাটকখন তেখেতৰ অন্যান্য নাটক সমূহতকৈ তুলনাত্মক ভাৱে পৃথক আৰু ভাববস্তুৰ দিশত বিশাল।

জীৱনৰ শেষ সময়ৰ ৰচনা জ্যোতিপ্ৰসাদৰ অন্য এখন নাটক হৈছে 'কনকলতা'। ই নাটক হিচাপে গণ্য কৰিলেও ইয়াক সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰিব পৰা নগ'ল। কনকলতাৰ কাহিনীটোৰ লগত তেখেত নিজেই পোনপটীয়াভাৱে জড়িত। সেয়েহে নাটকখন সম্পূৰ্ণ হৈ উঠা হ'লে আধুনিক অসমীয়া জাতিৰ এটা যুগৰ দলিল নাটকৰূপে পৰিগণিত হ'লহেতেঁন তাক নিঃসন্দেহে ক'ব পাৰি।

সংলাপবিহীন অথচ কাৰ্য প্ৰধান মঞ্চ নিৰ্দেশনাৰে আগৰৱালাই অসমীয়া নাটকত আন এটা বিশেষ শ্ৰেণীৰ নাটকৰ ধাৰা প্ৰবৰ্তন কৰিবলৈ হয়তো প্ৰয়াস কৰিছিল।

"কোন ক'ত আছে
আহ অ' ডেকা ল'ৰা
তই সমুখত হ থিয়"।

এই গীতটোৰ যোগেদিয়েই নাট্যকাৰজনে নাটকখনৰ মূল বিষয়বস্তুৰ অৱতাৰণা কৰিছে।

তেখেতৰ অসম্পূৰ্ণ আন এখন কাল্পনিক নাটক হৈছে "সুন্দৰ কোঁৱৰ"। নাটকখন অসম্পূৰ্ণ হোৱা হেতুকে ইয়াৰ বিস্তৃত বিৱৰণ আগবঢ়োৱা সম্ভৱ হৈ নুঠে।

মুঠৰ ওপৰত অসমৰ এই সুযোগ্য শিল্পীজনৰ প্ৰতিভাৰ অনুপম সৃষ্টি নাটক সমূহৰ পৰা ধাৰণা কৰিব পাৰি যে এইজনা মহান ব্যক্তিৰ কাপ কলমেদি কলহৰ কাণেৰে পানী ঢলাৰ দৰে নিৰ্গত সকলো নাটকেই বৰ ৰসাল আৰু মনোগ্ৰাহী; তেখেতৰ এই অপূৰ্ব দান যুগে যুগে যুগমীয়া হৈ জিলিকি থাকিব প্ৰতিজন অসমীয়াৰ সহৃদয়ত।

**সহায়ক গ্ৰন্থ ঃ**


১। জ্যোতি মনীষা- ড° প্ৰহ্লাদ কুমাৰ বৰুৱা।
২। নাটক আৰু অভিনয় প্ৰসংগ- সত্য প্ৰসাদ বৰুৱা।
৩। নাটক আৰু অসমীয়া নাটক- ড° শৈলেন ভৰালী।

# অসমীয়া ৰোমাণ্টিক কবিতাৰ এক পৰ্যালোচনা

— শ্ৰী নীলাক্ষী বড়া
স্নাতক দ্বিতীয় বৰ্ষ, বুৰঞ্জী বিভাগ

অসমীয়া ৰোমাণ্টিক কবিতা পাশ্চাত্যৰ সাহিত্যৰ সংস্পৰ্শত গঢ় লৈ উঠিছে। ঊনৈশ শতিকাৰ ইংৰাজী সাহিত্যত 'ৰোমাণ্টিচিটিজম'ৰ প্ৰথম অভ্যুদয় হোৱা নাছিল। দ্বাদশ শতিকাৰ ইউৰোপীয় সাহিত্যত নৰন্যাসৰ এটা ৰূপ বিৰিঙি উঠিছিল আৰু সেয়েই ঊনৈশ শতিকাৰ ৰোমাণ্টিক সাহিত্যৰ শক্তিশালী উৎস ৰূপে পৰিগণিত হৈছিল। অৱশ্যে সপ্তদশ শতিকাৰ পাছৰ পৰাহে ৰোমাণ্টিচিজিম শব্দটোৰ বহল প্ৰচলন হয়। শব্দটো ইংৰাজ সাহিত্যত প্ৰথম ব্যৱহাৰ কৰিছিল "জন ইড্‌লীনে"।

গভীৰ জীৱন বোধেৰে, অন্তদৃষ্টিৰে জগতক ৰোমাণ্টিক কবি সকলে সৌন্দৰ্য্য ভাৱনাৰে অপৰূপ কৰিলে, সৌন্দৰ্য্য আৰু বিস্ময়ক স্বৰ্ণ সূত্ৰেৰে গাঁথিলে আৰু সীমাৰ মাজতে অসীমৰ প্ৰত্যক্ষ কৰিলে। কল্পনা, আৱেগ আৰু মানৱীয় অনুভূতিৰে ৰোমাণ্টিক সাহিত্যৰ সমূদ্ৰত যেন জোৱান উঠিল। দ্বাদশ শতিকাত ৰোমান্স ভাষাটোৰে অভূতপূৰ্ব ভাৱে অসমীয়া ৰোমাণ্টিক সাহিত্যৰ সমাজত গা কৰি উঠিল। প্ৰাকৃতিক পটভূমি কৰি লৈ বিহগী কবি ৰঘুনাথ চৌধাৰী দেৱে ৰোমাণ্টিক কবিতাৰ সৃষ্টি কৰিছিল। সমালোচক "ক্ৰচ'ৰ মতে, "ৰোমাণ্টিক আৰ্ট স্বতঃস্ফুত অনুভূতিৰ প্ৰৱাহ"। এই অনুভূতিৰ হয় প্ৰেমৰ নহয় ঘৃণাৰ, নহয় নিৰাশাৰ, আনন্দৰ বা উদ্বেগৰ সামাজিক বিফলতাৰ মাজত, প্ৰতিকূল পৰিৱেশৰ মাজত, বিচৰা বস্তু বিচাৰি নোপোৱা সুখ প্ৰয়াসী কবি সকলে চিন্তাৰ যোগেদি নহয়, সংগ্ৰামৰ যোগেদি নহয়, অনুভূতিৰ যোগেদি, কল্পনাৰ মাজেদি আত্মতৃপ্তি তথা সুখ বিচাৰি ওলোৱাত সাহিত্য উৎকট ধৰণে ব্যক্তিবাদী হ'ল।

ৰোমাণ্টিক কবিতা অকল পাশ্চাত্য সাহিত্যৰ অনুপ্ৰেৰণাতে ঠন ধৰি উঠা নাছিল ই পশ্চিমীয়া সাহিত্যৰ সংস্পৰ্শতো ঠন ধৰি উঠিছিল। এহাতে অসমৰ ভাগ্য বিপৰ্যয় তথা বৃটিছৰ আমোলত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰাধীনতা আনহাতেদি অসমৰ উপকূল পশ্চিমীয়া সাহিত্যৰ জোৱাৰ। ইয়াৰ উপৰিও দেশী-বিদেশী পুঁজিবাদী, সাম্ৰাজ্যবাদ গৰাহত দেশত অশান্তি, অনিশ্চয়তাৰ

হেঁচা। ব্যৰ্থতাৰ হেঁচাত জুৰুলা হৈ থকা অসমীয়া প্ৰাণক পাশ্চাত্য সাহিত্যৰ ঢৌৱে ইন্ধন যোগালে। স্পৰ্শকাতৰ জনৰ মনৰ বেদনা ৰোমাণ্টিক সাহিত্যৰ জন্ম বেদনালৈ ৰূপান্তৰিত হ'ল।

জোনাকী যুগতে অসমত প্ৰথম ৰোমাণ্টিক কবিতাৰ প্ৰতিধ্বনি বাজি উঠে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, ৰজনী কান্ত বৰদলৈ আছিল ইয়াৰ পথপ্ৰদৰ্শক। ইংৰাজী উদাৰ নৈতিক আৰু মানৱতাবাদী ভাৱধাৰাৰ যোগেদি জোনাকী যুগত ন-শিক্ষিত মধ্যবিত্ত যুৱ সকলৰ প্ৰাণত চাঞ্চল্যই দেখা দিয়ে। চন্দ্ৰ কুমাৰ আগৰৱালাদেৱৰ কবিতাত মানৱতাবোধ বা খাৱন প্ৰীতি ঘাইকৈ লক্ষ্য কৰিবলগীয়া। আগৰৱালা দেৱৰ কবিতাত ৰোমাণ্টিক সাহিত্যৰ বিশেষ লক্ষণ মানৱতাবোধ যি বজ্ৰ নিৰ্ঘোৰ্যত ঘোষিত হৈছিল আন কোনো অসমীয়া কবিৰ কাব্যত আজিলৈকে হোৱা নাই। সৌন্দৰ্য্য উপাসনা ৰোমাণ্টিক কবিতাৰ অন্য এক লক্ষণ। আগৰৱালা দেৱৰ কবিতাত আধ্যাত্মিক বেদনাও ঠাই পাইছে।

ৰোমাণ্টিক কবিতাত ভগৱানক নানা জনে নানা ৰূপে কল্পনা কৰিছিল। কবি নলিনীবালা দেৱীৰ কবিতাত ৰহস্যবাদে পূৰ্ণতা লাভ কৰিছে। আধ্যাত্মিকতা আৰু ৰহস্যবাদী নলিনীবালা দেৱীৰ কবিতাৰ ঘাই উপজীব্য। মানুহৰ ইন্দ্ৰিয় কাৰ্য সীমাৰ বাহিৰত অনন্ত তৃষ্ণা লৈ মানুহৰ অবিনাশী আত্মাই পৰমাত্মাক বিচাৰি কৰুণ কম্পন তোলাৰ ধ্বনি নলিনীবালা দেৱীৰ কবিতাত প্ৰতিধ্বনিত হৈছে।

কোনে বাৰু দিলে তেনে মানুহৰ আত্মাত,
বিশ্ববাসী হেঁপাহৰ ক্ষুধা,
যদি তেওঁ থোৱা নাই আত্মাৰ চিৰশান্তি
পৰশমণিৰ প্ৰেম সুধা?
(নলিনী বালা দেৱীৰ- "পৰম তৃষ্ণা")

কবি যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাটো প্ৰণয়ভংগৰ ব্যৰ্থতাই কবিক ৰহস্যময় স্তৰলৈ ঠাইয়ে ঠাইয়ে তুলিছে। সিপাৰৰ সোণোৱালী চিৰ আনন্দময় দেশত বাস কৰিব খোজা বাসনা এনে কবিতাত মূৰ্ত্তমান। অসমীয়া ৰোমাণ্টিক প্ৰকৃতি প্ৰীতিয়ে বহল ঠাই জুৰি আছে। উদাহৰণ স্বৰূপে ৰঘুনাথ চৌধাৰীৰ কথা ক'ব পাৰি।

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহী?
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি?
(ৰঘুনাথ চৌধাৰীৰ -- "গোলাপ")

কবি কীটছৰ দৰে চৌধাৰীৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ প্ৰতি এটা স্বাভাৱিক দুৰ্বাৰ আকৰ্ষণ আছে। ইংৰাজ কবি Words worth ৰ দৰে প্ৰকৃতিৰ মাজত বিচৰণ কৰিলেও চৌধাৰীৰ কবিতাত ভাৰতীয় সাহিত্যৰ প্ৰভাৱহে অধিক। যতীন্দ্ৰ নাথ দুৱৰা আৰু গনেশ গগৈৰ কবিতাত ৰোমাণ্টিক সাহিত্যৰ আন এবিধ বিশিষ্ট ৰূপ পৰিলক্ষিত হৈছে। গনেশ গগৈয়ে বুকুৰ ৰঙা তেজেৰে কালৰ বুকুত প্ৰেমৰ জয়গান লিখি গ'ল।

গনেশ গগৈ কবি কীটছৰ দৰেই বিশ্ব মোহন সৌন্দৰ্য্যৰ পূজাৰী। কবি কীটছৰ দৰে তেওঁ বুকুত অনন্ত তৃষ্ণা লৈ প্ৰিয়তমাৰ ওচৰ চাপিছিল। এই তৃষ্ণা সৌন্দৰ্য্যৰ কাৰণে নে প্ৰেমৰ কাৰণে? দুয়োটাৰ কাৰণে-কাৰণ সৌন্দৰ্য্য আৰু প্ৰেম অভেদ। কবিয়ে প্ৰিয়তমাক নিজাকৈ নেপালে যদিও ব্যৰ্থ জীৱনৰ ৰঙা জবা দিয়া কবিয়ে সমিধান দি গ'ল--

"সমিধান দিওঁ শুনা শোকাতুৰে শান্তি পায়
গায় যদি ব্যথাভৰা বিষাদৰ গান।
যদিও প্ৰাণত আহি প্ৰাণৰ আঘাত লাগে
সেই দান বিধাতাৰ শ্ৰেষ্ঠতম দান।।
(গনেশ গগৈ)

দ্বিতীয় মহাযুদ্ধৰ পাছৰ পৰা অসমীয়া সাহিত্যত যি বাস্তৱবাদী কবিতাৰ সৃষ্টি হ'ল সি এই গতানুগতিকতাৰ যৱনিকা টানিবলৈ আগবাঢ়ি আহিল আৰু ৰোমাণ্টিক যুগৰ প্ৰকাশৰ পথ আৰু শিথিল হ'ল। আধুনিক যুগ সংগ্ৰামৰ যুগ। ভাৱ প্ৰৱণতাৰ নহয়। সেই বুলি অসমীয়া ৰোমাণ্টিক কবিতাত ৰোমান্স, প্ৰেম, আৱেগ আদিবোৰ নাইকিয়া হৈ যোৱা নাই।

(সহায় লৈ)

ঃঃঃঃঃঃঃঃঃঃঃ

# আধুনিক অসমীয়া চুটিগল্প আৰু পাঁচজন গল্পকাৰৰ গল্প নিৰ্মাণ কৌশল

— শ্ৰীমতী ত্ৰিবেণী ৰাজকুমাৰী
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

আধুনিক অসমীয়া চুটিগল্পত নতুন আংগিক আৰু নিৰ্মাণ কৌশলৰ ব্যৱহাৰ হৈ আহিছে। চুটিগল্পই পাঠকৰ মনত ৰেখাপাত কৰিব পৰাকৈ শক্তিশালী কলা ৰূপত অৱতীৰ্ণ হৈছে। ৰামধেনুৰ পৰৱৰ্তী সময়ছোৱাত বহু প্ৰতিভাৱান গল্পকাৰৰ হাতত আধুনিক অসমীয়া চুটিগল্পই বৈচিত্ৰ্যময় ৰূপ লাভ কৰিছে ৰামধেনু বা আৱাহন যুগৰ গল্পৰ তুলনাত বৰ্তমানৰ একবিংশ শতিকাৰ অসমীয়া চুটিগল্পই কেইবাটাও দিশত নতুনত্বৰ চৰিত্ৰ কঢ়িয়াই আনিছে। ৰামধেনু যুগৰ প্ৰায়সংখ্যক গল্পকাৰৰ ভাষা আছিল সৰল, আংগিকো আছিল তেনেই সাধাৰণ। বৰ্তমানে আংগিক আৰু বিষয়বস্তুলৈ আহি পৰিছে পৰিৱৰ্তন। বৰ্তমানৰ সামাজিক জীৱন ক্ৰমশঃ জটিলৰ পৰা জটিলতৰ হৈ পৰিছে। সমাজ জীৱন সংঘাতেৰে ভৰা, অস্থিৰ আৰু সদা, উদ্বিগ্নময়।

বহু সমালোচকে কাহিনী বা বিষয়বস্তুবিহীন গল্পত কথনশৈলীৰ অভিনৱত্ব প্ৰয়োগ কৰাক 'চমক' বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে এনে চমকে গল্পক সুখপাঠ্য কৰিব নোৱাৰে। চুটিগল্পৰ নিৰ্মাণ কৌশলত গল্পকাৰৰ 'সুৰ আৰু গতি'ৰ যোগসূত্ৰ নাথাকিলে পাঠকৰ বাবে সেই গল্প বিৰক্তিকৰ হোৱাটো স্বাভাৱিক। কাহিনী আৰু কথনশৈলীৰ সামঞ্জস্য থাকিলে তেনে গল্পই পাঠকৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হয়। কোনো গল্পকাৰৰ এককশৈলী একে বিষয়, চৰিত্ৰ, বৰ্ণনা আৰু কৌশল গল্পবোৰত পুনৰাবৃত্তি হৈ থকাও পৰিলক্ষিত হয়। আধুনিক অসমীয়া গল্পৰ বিৱৰ্তনৰ প্ৰেক্ষাগটত অৱধাৰিতভাৱে আহি পৰা বিষয়বস্তুবোৰ হ'ল- (১) সৰ্বসাধাৰণৰ অভাৱ-অনাটন (২) ব্যক্তি জীৱনৰ নিঃসংগতা, বিষণ্ণতা (৩) আশাভংগ (৪) গাঁৱৰ সৰল জীৱনৰ অতীত স্মৃতি (নষ্টালজিয়া) (৫) পুৰুষ-নাৰীৰ সম্পৰ্ক (৬) ৰাজনৈতিক, সামাজিক জীৱনৰ ভ্ৰষ্টাচাৰ, মূল্যবোধৰ স্খলন (৭) হিংসা-সন্ত্ৰাস (৮) প্ৰেম-ভালপোৱা (৯) মানৱীয়তা (১০) মৃত্যু (১১) সপোন আৰু বাস্তৱৰ যাত্ৰা। এই বিষয়ৰ লগত

গল্পকাৰৰ গভীৰ উপলব্ধি, নিৰ্মাণ কৌশল সংপৃক্ত। তেনেই সাধাৰণ যেন লগা বিষয়বস্তুকো গল্পকাৰ উপস্থাপনশৈলীৰ অভিনৱত্বই স্বয়ংসম্পূৰ্ণতা প্ৰদান কৰে। একোটা সাধাৰণ ঘটনাও গল্পকাৰৰ হাতত সাৱলীল বক্তব্যৰে মৰ্যদাপূৰ্ণ হৈ পৰে। কাহিনী যিমানে সাধাৰণ নহওঁক কিয়, গল্পকাৰে পাঠকৰ হৃদয় আৰু মগজুক আকৰ্ষণ কৰিব পৰাকৈ তাক অভিনৱ কৌশলেৰে উপস্থাপন কৰে। অতি সাম্প্ৰতিক কালৰ গল্পকাৰসকলে গল্পৰ কাহিনী, চৰিত্ৰ, আৰম্ভণি, মধ্যভাগ পৰিণতিৰ ধাৰাবাহিকতা ভংগ কৰিছে। ঘটনাৰ বৰ্হিভাগতকৈ সেইবোৰৰ প্ৰতি গল্পকাৰৰ অন্তৰ্মুখী ক্ৰিয়া-প্ৰতিক্ৰিয়াহে প্ৰকাশ হয়। গতিকে তেওঁলোকৰ গল্প হ'ল কাহিনীৰ সলনি খণ্ডিত হৈ থকা ইংগিতময়তা, প্ৰতীকী, স্মৃতি সপোন, শব্দ ৰঙক একত্ৰিত কৰিব পৰা বহুমাত্ৰিক শৈলী। কিছুমান গল্পকাৰে নিজস্ব কথনশৈলীৰে যুগৰ অভিজ্ঞতাক দাঙি ধৰাৰ প্ৰয়াস কৰিছে। গল্পত উপস্থাপন কৰা দৃষ্টিভংগীয়ে গল্পকাৰজনৰ ব্যক্তিগত সীমাৰ ভিতৰত আৱদ্ধ নাথাকি এক ধৰণৰ সামাজিক পৰিৱেশৰ সৈতে পাঠকক সংযোগ স্থাপন কৰে। আমাৰ পৰিমণ্ডলৰ সাধাৰণ মানুহৰ আঁৰত লুকাই থকা দুখ-যন্ত্ৰণা, জীৱন-সংঘাতৰ কাৰুণ্যক গল্পৰ কথনশৈলীৰে সংবেদনশীল কৰে। বিশেষকৈ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ বাস্তৱধৰ্মী চৰিত্ৰ সাৱলীল প্ৰকাশভংগীৰে উপস্থাপন কৰিছে আধুনিক গল্পকাৰসকলে।

সাম্প্ৰতিকভাৱে অসমৰ বহু প্ৰতিভাৱান গল্পকাৰে নিজস্বশৈলীৰে গল্পক শিল্পকলালৈ উন্নীত কৰিছে। বহুগৰাকী গল্পকাৰে এতিয়াও অলসভাৱে পৰম্পৰাগত ৰীতিৰে নিটোল গল্প নিৰ্মাণত জড়িত হৈছে। এই প্ৰবন্ধত সেইসকলৰ ভিতৰতে মাথোঁ পাঁচগৰাকী গল্পকাৰৰ গল্পৰ বিষয়ে সামান্য চৰ্চাৰ প্ৰয়াস কৰা হৈছে। এই পাঁচগৰাকী গল্পকাৰক একে প্ৰজন্মৰ ভিতৰুৱা কৰি ল'ব নোৱাৰি। আংগিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰতো পাঁচো গৰাকীয়েই ভিন্ন ধাৰাৰ প্ৰতিনিধি।

<u>হৰেন্দ্ৰ কুমাৰ ভুঞা</u> ঃ- বামধেনু যুগৰ গল্পকাৰসকলৰ অন্যতম হৰেন্দ্ৰ কুমাৰ ভুঞাই এই পৰ্যন্ত অনলসভাৱে গল্প সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াই আহিছে। অৱশ্যে ভূঞাৰ এই গল্পসমূহৰ যথাৰ্থ আলোচনা তেনেই সীমিত। সমালোচক ড° প্ৰহলাদ কুমাৰ বৰুৱাই গল্পকাৰ হৰেন্দ্ৰ কুমাৰ ভূঞাৰ 'সন্ধ্যা নামে' গল্পটোক অসমীয়া ভাল চুটিগল্পবোৰৰ ভিতৰতে এটা উৎকৃষ্ট গল্প হিচাপে স্বীকৃতি দিছে। ভূঞাৰ গল্পৰ বিষয়বস্তুত কোনো চমকপ্ৰদ বক্ৰগতি বা সম্পৰীক্ষাৰ প্ৰয়োগ হোৱা নাই। তেওঁৰ উপস্থাপনশৈলী প্ৰাঞ্জল আৰু ঋজু গতিৰ। মাজে মাজে তীব্ৰ শ্লেষ আৰু ব্যংগৰ প্ৰলেপে গল্পটোক নিটোল ৰূপ দিয়ে। ৰাজনৈতিক নেতা, চোৰ, দালাল আৰু দেহোপজীৱিনীয়ে ভূঞাৰ গল্পবোৰত সততে ভুমুকি মাৰে, নতুবা এইবোৰেই কেন্দ্ৰীয় বিষয়বস্তু হৈ পৰে। সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়াবহ ছবি এখন দাঙি ধৰা 'ৰক্তাক্ত' (১৯৮২) গল্পটো হৰেন্দ্ৰ কুমাৰ ভূঞাৰ সাৰ্থক সৃষ্টি। গল্পটোৰ বৰ্ণনা সৰল আৰু পোনপটীয়া। হিংসা-প্ৰতিহিংসাত দুটা ধৰ্ম-সম্প্ৰদায়ৰ মানুহ উন্মাদ হৈ ঘৰ জ্বলাইছে, পৰস্পৰে পৰস্পৰক হত্যা কৰিছে। মাজে মাজে শ্লেষ আৰু ব্যংগৰ প্ৰলেপ আছে। গল্পটোৰ আৰম্ভণিৰে পৰা শেহলৈকে চুটি চুটি বাক্যৰ প্ৰকাশভংগী। গল্পকাৰে ইয়াত কোনো নিৰ্দিষ্ট কাহিনী বা কেন্দ্ৰীয় চৰিত্ৰক আলম কৰি লোৱা নাই। ভূঞাৰ শেহতীয়া গল্পবোৰৰ ভিতৰত 'গভাইত' (২০০৮) অন্যতম। পৰিৱৰ্তিত ৰাজনীতিৰ ভ্ৰষ্টাচাৰে কেনেকৈ চোৰ আৰু দালাল শ্ৰেণীক ক্ৰমে দোপদদোপে সমৃদ্ধিশালী হোৱাৰ পৰিৱেশ সৃষ্টি কৰিছে তাৰেই পৰিহাসক গল্পটোৰে উপস্থাপন কৰিছে। **গল্পকাৰ ভূঞাৰ বিশেষত্ব হ'ল কাহিনীৰ মাজত সূক্ষ্ম হাস্যৰসবোধৰ প্ৰয়োগ আৰু কথনৰীতিৰ পৰিশীলিত কৌশলৰ দ্বাৰা কাহিনীক এক স্বাভাৱিক গতি প্ৰদান।** এই কাহিনীৰ ভেটি হ'ল বাস্তৱ সমাজ। হৰেন্দ্ৰ কুমাৰ ভূঞাৰ এটি উৎকণ্ঠা উদ্ৰেককাৰী গল্প হ'ল 'দুছেও' (২০০৭)। ইয়াৰো মূল চৰিত্ৰ এটা চোৰেই। ভূঞাৰ অন্য এটা সাৰ্থক চুটিগল্প

'জলবন্দী' (২০০৮) দৰিদ্ৰপীড়িত বানাক্ৰান্ত লোকৰ প্ৰতিচ্ছবি।

ভূপেন শৰ্মা ঃ- ১৯৬৭ চনৰ পৰা গল্প লেখক হিচাপে আত্মপ্ৰকাশ কৰা ভূপেন শৰ্মা নিঃসন্দেহে এগৰাকী প্ৰতিভাসম্পন্ন গল্পকাৰ। শৰ্মাৰ প্ৰকাশিত গল্প সংকলন 'ভোগ আৰু শ', 'প্ৰেয়ঃ প্ৰাতিভাসিক'। ভূপেন শৰ্মাৰ 'তীৰ্থ' (১৯৯৬) গল্পটো তেওঁৰ সচৰাচৰ অন্য গল্পবোৰৰ কথনশৈলীৰ পৰা কিছু পৃথক। ইয়াৰ মূল বিষয়বস্তু হ'ল পিতৃৰ অস্থিভষ্ম গংগাত বিসৰ্জন দিয়া আৰু তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা। কিয়নো বহু কামৰ তুলনাত একোটা পৰম্পৰা ৰক্ষা কৰিবলৈ সামাজিক অন্যায় সৃষ্টি নকৰা অস্থি বিসৰ্জনৰ দৰে সংস্কাৰ এটা দোষণীয় কাম হ'ব নোৱাৰে।

ড° বিৰিঞ্চি কুমাৰ মেধি ঃ- ড° মেধি এগৰাকী সমাজ সচেতক গল্পকাৰ। তেওঁৰ গল্প সহজ সৰল আৱেদন অনস্বীকাৰ্য। তেওঁৰ 'পদাতিক' (১৯৮৭) গল্পটোৰ কাহিনী সাধাৰণ জীৱনক আশ্ৰয় কৰি বিবৃত হৈছে। ড০ বিৰিঞ্চি কুমাৰ মেধিৰ এটি সফল গল্প হৈছে 'দুখৰ ঠিকনা' (১৯৮৯)।

ড০ মেধিয়ে শেহতীয়াকৈ লিখা গল্প এটা হ'ল 'জহৰ-মহৰ' (২০০৭)। সুৰচিত গল্পটোত অৱহেলিত নাৰীৰ চেতনাৰে বিবৃত, সমাজৰ বাস্তৱ সত্য, যৌন ৰুচি আৰু দৰিদ্ৰৰ নিৰ্মোহ অৱস্থাৰ সম্পৰ্কে দৃশ্যপট হয়। ড০ মেধিয়ে এনেকৈয়ে নতুন নতুন পেক্ষাপট আৰু বিগয়বস্তুক লৈ গ্ৰাম্য কথন ৰীতিৰে সুৰুচিপূৰ্ণ গল্পৰ সৃষ্টি কৰিছে। তেখেতে তুচ্ছ বিষয় এটাকো অতি সাৱলীল ভাযাৰে বৰ্ণনা কৰে তেওঁৰ গল্পত। চৰিত্ৰৰ আবেগ অনুভূতিৰ সৈতে গল্পকাৰ একাত্ম হৈ পৰে। শব্দৰ দ্বাৰা ৰিস্থিতিৰ বিসংগতিক দেখুৱাই গল্পকাৰজনে গল্পৰ মাজত হাস্যমধুৰ ৰসৰ উদ্ৰেক কৰে। খণ্ডবাক্য, যোজনা সুপ্ৰয়োগেৰে ড° মেধিয়ে হাস্য উদ্ৰেককাৰী পৰিস্থিতি অংকন কৰে।

শিৱানন্দ কাকতী ঃ- আধুনিক অসমীয়া চুটিগল্পৰ গল্পকাৰৰ সকলৰ ভিতৰত শিৱানন্দ কাকতী এজন অন্যতম বলিষ্ঠ গল্পকাৰ। এই সুযোগ্য সন্তানজনৰ প্ৰকাশিত গল্প সংকলনসমূহ হৈছে 'আমৃত্যু অমৃত', 'প্ৰথম জন দেশপ্ৰেমিক' আৰু 'জলছবিত শেষ সাজ'। কাকতীদেৱৰ জীৱ, ইয়াত আৰু তাত এটা সাৰ্থক চুটিগল্প। গল্পটোত সমকালীন ৰাজনৈতিক অৱস্থাৰ ৰূঢ় বাস্তৱক বিষয়বস্তু হিচাপে নিৰ্বাচন কৰা হৈছে, কিন্তু বয়নশৈলীয়ে গল্পটোক সাৰ্থকতা প্ৰদান কৰিছে। গল্পটোৰ ৰচনা ৰীতি পৰম্পৰাগত তৃতীয় পুৰুষৰ বৰ্ণনাৰে কাহিনীক আগবঢ়াই নিয়া হৈছে। কাহিনীৰ গতিৰ লগত গল্পকাৰৰ নিয়ন্ত্ৰণ লক্ষণীয়। সমাজৰ বাস্তৱ সমাজৰ অধ্যয়ন আৰু সেইবোৰৰ প্ৰতি মানৱীয় দৃষ্টিভংগীৰে গল্পকাৰে লক্ষ্য কৰাত তেওঁৰ 'বাস্তৱবাদ' সুস্পষ্ট ৰূপত উজ্জ্বলি উঠিছে।

তেখেতৰ অন্যতম সৃষ্টি 'আমৃত্যু অমৃত' ১৯৯৫ চনৰ মুনীন বৰকটকী বঁটাপ্ৰাপ্ত গল্পটোত আধুনিক বাস্তৱবাদৰ প্ৰয়োগ দেখা যায়। আৰম্ভণিৰে পৰা বাস্তৱৰ তেনেই সাধাৰণ দৃশ্যবোৰক 'ফট'গ্ৰাফিক বৰ্ণনাৰে বাংময় কৰি তোলা হৈছে। প্ৰতীকী ব্যঞ্জনাৰ সুষম ব্যৱহাৰে চৰিত্ৰৰ 'ওডতনি যাত্ৰা'ক সুন্দৰ বিন্যাসেৰে উপস্থাপন কৰা হৈছে। অপ্ৰাপ্তিৰ যন্ত্ৰণাই যুৱকৰ মনলৈ নৈৰাণ্য আৰু হিংসাৰ ভাৱ উদ্ৰেক কৰাৰ বাস্তৱতাক গল্পকাৰজনে গল্পটোত উপস্থাপন কৰাত সফল হৈছে। ইয়াৰ উপৰিও সমকালীন সন্ত্ৰাস জৰ্জৰ অসমৰ পটভূমিক লৈ ৰচিত তেওঁৰ এটি অন্যতম গল্প হ'ল 'সহাৱস্থান'।

কাকতীদেৱৰ অন্য এটি উল্লেখযোগ্য সফল গল্প হৈছে 'বজাৰ'। গল্পটোত সাৱলীল ৰূপত উপস্থাপন কৰা বিষয়বস্তুসমূহ হৈছে গাঁৱৰ দুখীয়া মানুহৰ অসহায় অৱস্থা আৰু আনফালে প্ৰতিপত্তিশীল লোকৰ স্বাৰ্থপৰতাত পীড়িত পিতাপুত্ৰৰ সহমৰ্মিতা।

আধুনিক জীৱনযাত্ৰাৰ বহুতো দিশেই গল্পকাৰ শিৱানন্দ কাকতীৰ গল্পত পৰিস্ফুট। আধুনিক মানুহবোৰ যে একপ্ৰকাৰ 'ভোগবাদ'ৰ অনুৰাগী হোৱাৰ ক্ষণত

গাঁৱৰ সৰলতা, অতীত মাধুৰ্য্যৰ নষ্টালজিয়াই কোনো চৰিত্ৰক 'ওভতনি যাত্ৰা'ৰ বাবে লৈ যায় তাৰেই এটি উৎকৃষ্ট নিদৰ্শন হ'ল তেওঁৰ ৰচিত 'কেৰল কপাহী' (২০০৭) নামৰ গল্পটি। সমাজ সচেতক, নিবিড় জীৱনবোধ সম্পন্ন গল্পকাৰ শিৱানন্দ কাকতী। ৰোমাণ্টিক ভাৱ-বিলাসিতাৰ পৰা মুক্ত হৈ বাস্তৱ চিন্তা-চৰ্চাৰে প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰাত গল্পকাৰজন সদায়েই সচেষ্ট। গাঁৱলীয়া জীৱন আৰু নগৰীয়া মধ্যবিত্তীয় মানসিকতাৰ দূৰ ব্যৱধানক অতি সংবেদনশীলতাৰে গল্পত পৰিস্ফুট কৰা হৈছে।

মানুহৰ সুক্ষ্মতম ভাৱৰাশিক কাকতীদেৱে সংবেদনশীল দৃষ্টিৰে আৰু সমাজ সচেতনতাৰে দাঙি ধৰিবলৈ অহোপুৰুষাৰ্থ কৰি সক্ষম হবলৈ চেষ্টা কৰিছে তেওঁৰ ৰচিত গল্পসমূহত।

<u>কুল শইকীয়া</u> ঃ- সাম্প্ৰতিক যুগৰ এগৰাকী তীক্ষ্ণ প্ৰতিভাসম্পন্ন গল্পকাৰ হৈছে কুল শইকীয়া। পৰম্পৰাগত কাহিনীৰ সংঘটন আৰু তাৰ অনিবাৰ্য পৰিণতি নথকা শইকীয়াৰ প্ৰকাশশৈলী সম্পূৰ্ণ ব্যতিক্ৰমধৰ্মী। স্বপ্ন আৰু দিঠক, নষ্টালজিয়াৰ টুকুৰা চিত্ৰই পাঠকক দিয়ে এখন বেলেগ পৃথিৱী। শইকীয়াৰ গল্পই গল্পৰ কোনো অৱধাৰিত পৰিণতিক অস্বীকাৰ কৰে, পাঠকক এক সম্ভাৱনাৰ পৰা অন্য দিশলৈ লৈ যায়। নতুন আংগিতৰ সহায়ত এক দৃশ্যপটৰপৰা অন্য দৃশ্যপটলৈ কুল শইকীয়াই গল্পৰ চৰিত্ৰৰ মনস্তাত্বিক জগত উপস্থাপন কৰে। ভাষাশৈলীৰ ক্ষেত্ৰত শইকীয়াৰ কথনভংগী বক্ৰগতিৰ। ই পাঠকৰ বাবে অধিক দুৰ্বোধ্যময় হৈ পৰে।

ব্যক্তি জীৱনৰ একাকীত্ব, নিঃসংগতা কুল শইকীয়াৰ গল্পৰ এক উপাদান। নিঃ সংগতাৰ যন্ত্ৰণাত আচ্ছন্ন এক চৰিত্ৰৰ উদ্ভট পৰিবেশ অংকিত 'আমি দ্বীপত' (২০০৬) গল্পটো উল্লেখনীয়। তদুপৰি 'ৰাতি শব্দ দুখ' (২০০৬) নামৰ গল্পটোত শইকীয়াই স্বকীয় ৰীতিৰে বুদ্ধিদীপ্ত অথচ জটিলতাৰ প্ৰকাশভংগীৰে চেতনাক প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। কোনো অপেক্ষাৰত পিতৃৰ মানসিক উদ্বিগ্নতাৰ বিক্ষিপ্ত ছবি প্ৰকাশ পাইছে গল্পটিৰ মাজেদি। সময়ৰ গতিশীলতাৰ লগত এটা বন্ধ ঘড়ীৰ সম্পৰ্কক লৈ লিখা কুল শইকীয়াৰ অন্য এটা গল্প হ'ল 'বন্ধ ঘড়ীৰ সময়' (২০০৭)। ঘড়ীটোকে আলম কৰি চৰিত্ৰ মনৰ জাগতিক চিত্ৰবোৰ বিক্ষিপ্ত ধৰণে ভাহি আহিছে গল্পটোত, লগতে পুৰণি বস্তুৰ সৈতে আৱেগবিহ্বল কৰুণ স্মৃতিবোৰ গল্পকাৰজনৰ কাব্যিক যেন লগা সুললিত ভাষাৰ ব্যৱহাৰে অতীতৰ খণ্ডিত চিত্ৰবোৰক লৈ আনিছে পুৰণি বস্তু সম্ভাৰৰ পৰা। গল্পটিৰ চৰিত্ৰবোৰত নিজ অতীত যাত্ৰাই এক নাটকীয় গতিৰে আগবাঢ়িছে। গল্পৰ উপস্থাপন ৰীতিৰ অগতানুগতিকতা, অন্তৰ্মুখী বৰ্ণনাই পাঠক সমাজক বিহ্বল কৰি তোলে। ঠিক তেনেদৰেই কুল শইকীয়াৰ 'মোৰ স'তে মই' (২০০৭) গল্পটোত দাঙি ধৰা হৈছে নিঃসংগতাৰ ভয় শংকাত উদ্বিগ্ন এক চৰিত্ৰৰ মন উদ্ৰেক হোৱা বিক্ষিপ্ত চিত্ৰ। তেখেতে গল্পটোত এক চিত্ৰ পটৰ পৰা অন্য এটা চিত্ৰ পটলৈ দৃশ্যান্তৰ কৰোতে কেতিয়াবা Lyrical গতিৰ আশ্ৰয় লৈছে। আত্ম কথনৰ দ্বাৰা গল্পকাৰে বাস্তৱ আৰু কল্পনাত বিভ্ৰান্ত হৈছে। শইকীয়াদেৱে আধুনিক মনৰ সংশয়, দ্বিধা বিচ্ছিন্নতাবোধ আৰু নিঃসংগতাৰ সৈতে পৰিৱৰ্তনশীল জগতৰ সমান্তৰাল শেষ মুহূৰ্তলৈকে নিছে। কুল শইকীয়াৰ নাটকীয় একোক্তি আৰু চেতনাস্ৰোতৰ প্ৰয়োগ বিশিষ্ট গল্পৰ ভাষাত ব্যৱহাৰ হৈছে 'হা' আৰু 'মা'।

বাহ্যিক ঘটনাৱলীৰ প্ৰতি ব্যক্তিমনৰ ক্ৰিয়াকলাপক প্ৰাধান্য দিয়া শইকীয়াৰ গল্পত পৰম্পৰাগত কাহিনীৰ আৰম্ভণি- মধ্যভাগ- পৰিণতি অথবা চৰিত্ৰৰ ভূমিকা পৰিহাৰ কৰা হৈছে। কাহিনীৰ পৃষ্ঠভূমি চৰিত্ৰৰ চেতনাৰ অপূৰ্ব জগতলৈ ক্ৰমে সলনি হৈ পৰে।

❖❖❖

# অসমীয়া সাহিত্য

শ্ৰীমতী হিমাদ্ৰী কটকী
অসমীয়া বিভাগ
স্নাতক তৃতীয় বৰ্ষ

সাহিত্যৰ পৰিসৰ বৰ বহল। সাহিত্যৰ সংজ্ঞা আমি একে আষাৰতে দিবলৈ টান যদিও সাহিত্য বুলিলে আমাৰ মনত ধাৰণা হয় কবিতা, নাটক, গল্প, উপন্যাস আদিৰ কথা। কিন্তু; ইয়াৰ সৃষ্টিৰ আগতেও এক প্ৰকাৰৰ সাহিত্য আছিল। সেয়ে, অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো আমি প্ৰধানকৈ দুটা ভাগত ভগাব পাৰো। তাৰে এটা হ'ল প্ৰাচীন অসমীয়া সাহিত্য আৰু আনটো হ'ল আধুনিক অসমীয়া সাহিত্য।

প্ৰাচীন অসমীয়া সাহিত্যৰ ভিতৰত মৌখিক সাহিত্য, লিখিত সাহিত্য আদি ভাগবোৰ অন্তৰ্ভুক্ত। আকৌ লিখিত সাহিত্য বুলিলে আমি চৰ্যাপদ, প্ৰাক্ বৈষ্ণৱ সাহিত্য, বৈষ্ণৱ সাহিত্য, প্ৰাঁচালি সাহিত্য, চৰিত পুথি আৰু বংশাৱলী, আহোম যুগৰ সাহিত্য আদিকে বুজো। ঠিক সেইদৰে, আধুনিক অসমীয়া সাহিত্য অসম বৃটিছৰ অধীনলৈ যোৱাৰ পাছৰে পৰা এই সাহিত্যৰ আৰম্ভ হৈছিল। গল্প, নাটক, উপন্যাস আদি আধুনিক অসমীয়া সাহিত্যৰ অন্তৰ্গত।

**প্ৰাচীন অসমীয়া সাহিত্য ঃ-** আগতেই উল্লেখ কৰি অহা হৈছে যে মৌখিক, সাহিত্য, লিখিত সাহিত্য প্ৰাচীন অসমীয়া সাহিত্যৰ উদাহৰণ। লোকগীত, প্ৰৱচন, ফকৰা-যোজনা আদি মৌখিক সাহিত্য আৰু চৰ্যাপদ, প্ৰাক বৈষ্ণৱ সাহিত্য, বৈষ্ণৱ সাহিত্য, পাঁচালি সাহিত্য, চৰিত পুথি আৰু বংশাৱলী, আহোম যুগৰ সাহিত্য আদি লিখিত সাহিত্যৰ অন্তৰ্গত। তলত দুয়োবিধ সাহিত্যৰে এক আলোচনা কৰা হ'ল।

**লোকগীত ঃ-** অসমীয়া মৌখিক সাহিত্যৰ আৰম্ভণি হিচাপে প্ৰাচীন লোকগীত সমূহকে ধৰিব পাৰি। লোকগীত সমূহ হ'ল অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। অসমীয়া লোকগীত সমূহৰ ভিতৰত আছে বিয়ানাম, আই নাম, গোঁসাই নাম, ভেকুলীৰ বিয়াব নাম আদি। অন্যান্য লোকগীতৰ ভিতৰত ফুলকোঁৱৰ মণিকোঁৱৰৰ গীত, নাহৰৰ গীত, বদন বৰফুকনৰ গীত, জিকিৰ আৰু জাৰী, দেহবিচাৰ গীত, টোকাৰী গীত, মহহু গীত, জনা গাভৰুৰ গীত, শান্তি বাৰমাহীৰ গীত, মণিৰাম দেৱানৰ গীত, জয়মতী কুঁৱৰীৰ গীত আদি উল্লেখযোগ্য। এই লোকগীত সমূহ স্থান, কাল, পাত্ৰ ভেদে বেলেগ বেলেগ গোৱা হয়।

**বৈষ্ণৱ সাহিত্য ঃ** পঞ্চদশ শতিকাৰ শেষ ভাগৰ পৰা সপ্তদশ শতিকাৰ শেষলৈকে ৰচিত সাহিত্যৰাজিকে বৈষ্ণৱ সাহিত্যৰ ভিতৰত ধৰিব পাৰি। এই যুগৰ কবিসকলৰ গুৰু আছিল শংকৰদেৱ আৰু সেয়েহে এই যুগৰ সাহিত্যক শংকৰী সাহিত্যও বোলে। অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ মহৎ অৱদান হ'ল কীৰ্ত্তন আৰু দশম। শংকৰদেৱৰ অ্যান্য ৰচনা সম্ভাৰৰ ভিতৰত ৰাম বিজয়, পাবিজাত হৰণ, পত্নী প্ৰসাদ, কেলি গোপাল, কালীয়া দমন, ৰুক্মিনী হৰণ, হৰিশ্চন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান, বলিচলন, গুণমালা, ভক্তি ৰত্নাকৰ উল্লেখযোগ্য। তেওঁৰ দ্বাৰা ৰচিত গীতবোৰক বৰগীত বোলা হয়। বিষয়বস্তুৰ মহত্ত্ব, বচনভংগীৰ সৌষ্ঠৱ, শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমেৰে এই গীতবোৰৰ কিছুমান সুকীয়া বৈশিষ্ট আছে। যাৰ বাবে গীতবোৰক শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰি বৰগীত আখ্যা দিব পাৰি। বৈষ্ণৱ যুগৰ আনকেইজন মান কবি সাহিত্যিক অনন্ত কন্দলি, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলি, শ্ৰীধৰ কন্দলি, ভট্টদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

**আধুনিক অসমীয়া সাহিত্য ঃ-** ১৮২৬ চনত ইংৰাজে অসম অধিকাৰ কৰি লোৱাৰ পাছত আৰু অসমৰ শিক্ষা আৰু সাহিত্য জগতত পশ্চিমীয়া প্ৰভাৱ আহি পৰাৰ পৰা অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হয়। আধুনিক অসমীয়া সাহিত্যৰ সৃষ্টিত আমেৰিকান মিছনেৰী সকলৰ অৱদানেই আটাইতকৈ বেছি। মিছনেৰী

সকলৰ উদ্যোগতেই কেইবাখনো অসমীয়া কিতাপ সেই সময়ত ৰচিত আৰু প্ৰকাশিত হয়। তাৰ ভিতৰত 'এ গ্ৰামাৰ অৱ আছামিজ লেংগুৱেজ', আসাম বুৰঞ্জী, অসমীয়া ল'ৰাৰ মিত্ৰ, গ্ৰামাটিকেল নটিচেছ অৱ দি আছামিজ লেংগুৱেজ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

আধুনিক অসমীয়া সাহিত্যৰ উত্তৰণত জোনাকীৰ আৱিৰ্ভাৱ অতি তাৎপৰ্য্যপূৰ্ণ সংঘটন। জোনাকীয়ে অসমীয়া সাহিত্যলৈ ইংৰাজী ৰোমাণ্টিক ভাবাদৰ্শ আৰু ৰূপ কঢ়িয়াই আনে। জোনাকীৰ পাছত প্ৰকাশিত 'বাঁহী' 'ৰামধেনু' আৰু 'আৱাহন' আলোচনীয়েও অসমীয়া সাহিত্যৰ বিকাশৰ ধাৰাটো অধিক সমৃদ্ধ কৰি তোলে। আধুনিক অসমীয়া সাহিত্যই গল্প, কবিতা, নাটক, উপন্যাস, সমালোচনা সাহিত্য সকলোতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

**কবিতা ঃ-** আধুনিক অসমীয়া কবিতাৰ শুভ সূচনা হৈছিল ঊনবিংশ শতিকাৰ শেষভাগত। এই সময়ছোৱাত ৰোমাণ্টিক জাতীয়তাবাদী আদি বিষয়ৰ কবিতা ৰচনা হৈছিল। বিশেষকৈ ৰোমাণ্টিক যুগতহে আধুনিক অসমীয়াই অধিক তীব্ৰ আৰু সমৃদ্ধ ৰূপত আত্ম প্ৰকাশ কৰে। মাহেকীয়া আলোচনী জোনাকীৰ যোগেদিয়েই অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হয়।

**গল্প ঃ-** গল্পৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ চুটি গল্পকে অসমীয়া ভাষা সাহিত্যৰ বাটকটীয়া বুলি ধৰা হয়। আধুনিক অসমীয়া গল্প সাহিত্যক তিনিটা স্তৰত ভাগ কৰা হৈছে– প্ৰথম স্তৰত লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা, দণ্ডিনাথ কলিতা আদিয়ে অসমীয়া গল্প সাহিত্যৰ পাতনি মেলে। এই স্তৰৰ গল্পকাৰ সকলে সমসাময়িক সমাজৰ নানান চিত্ৰ গল্পৰ অংকন কৰি থৈ গৈছে।

দ্বিতীয় স্তৰত অসমীয়া গল্প সাহিত্য অধিক উন্নত আৰু সমৃদ্ধ হৈ উঠে। এই স্তৰৰ গল্প এহাতে উচ্চ শিক্ষিত ডেকা-গাভৰুসকলক নায়ক-নায়িকাৰ ৰূপত পোৱা যায়। আনহাতে দলিত নিপীড়িতৰ প্ৰতি থকা অন্যায়ৰ সুবিচাৰো চকুত পৰে। এই স্তৰৰ গল্পকাৰ সকল হ'ল হলীৰাম ডেকা, বীণা বৰুৱা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আদি।

তৃতীয় স্তৰটো হ'ল দ্বিতীয় মহাসমৰৰ পৰৱৰ্তী যুগ। যুদ্ধই মানুহৰ পৰিৱৰ্তন আনি দিয়ে। প্ৰাচীন ধ্যান ধাৰণা সলাই পেলায়, নতুন চাম লেখক-লেখিকাই বিস্তৃত অধ্যয়নৰ দ্বাৰা নতুন নতুন দৃষ্টিভংগী, নতুন নতুন ভাৱধাৰা অসমীয়া সাহিত্যলৈ বোৱাই আনে। চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, হোমেন বৰগোহাঞি, সৌৰভ কুমাৰ চলিহা, চন্দ্ৰ প্ৰসাদ শইকীয়া আদি এই স্তৰৰ গল্পকাৰ।

**উপন্যাস ঃ-** ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া সাহিত্যত উপন্যাসৰ সংযোজন ঘটে। ১৮৫১ চনত অৰুণোদইত প্ৰকাশিত জন বাণিয়াৰ Pilgrims Progress অৰ অসমীয়া অনুবাদ 'যাত্ৰিকৰ যাত্ৰা' প্ৰথম উপন্যাস বুলি ধৰা হয়। অসমীয়া উপন্যাসৰ ভেটি সুপ্ৰতিষ্ঠিত হয় ৰজনীকান্ত বৰদলৈৰ উপন্যাস সমূহৰ যোগেদি।

যুদ্ধোত্তৰ যুগৰ উপন্যাসসমূহৰ বাটকটীয়া আৰু শ্ৰেষ্ঠ অসমীয়া উপন্যাস হ'ল বীণা বৰুৱাৰ 'জীৱনৰ বাটত'। পঞ্চাশৰ দশকৰ পৰা অসমীয়া উপন্যাসৰ শ্ৰীবৃদ্ধি হয়। ব্যক্তি চৰিত্ৰৰ বিশ্লেষণ আৰু ব্যক্তিগত সমস্যা সেইবোৰ উপন্যাসত আলোচিত হলেও সমাজৰ স্বৰূপ প্ৰকাশৰ মাধ্যম ৰূপেই সেইবোৰ উত্থাপিত হবলৈ ধৰে। নগৰ চহৰৰ দৈনন্দিন জীৱনৰ নানান সমস্যা সেই সমূহৰ পৰাই অসমীয়া উপন্যাস প্ৰতিফলিত হবলৈ লয়।

অসমৰ কেইগৰাকীমান প্ৰখ্যাত ঔপন্যাসিক হ'ল– চৈয়দ আব্দুল মালিক, নৱকান্ত বৰুৱা, যোগেশ দাস, লক্ষ্মীনন্দন বৰা, হোমেন বৰগোহাঁঞি, মামণি ৰয়ছম গোস্বামী, নিৰ্মল প্ৰভা বৰদলৈ, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, অতুলানন্দ গোস্বামী আদি।

আধুনিক অসমীয়া সাহিত্যই গল্প, কবিতা, নাটক, উপন্যাস, সমালোচনা সাহিত্য সকলোতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। আধুনিক অসমীয়া সাহিত্যৰ বিকাশত যিসকল কবি সাহিত্যিকে স্মৰণীয় বৰঙণি আগবঢ়াইছে সেইসকলৰ ভিতৰত ঁলক্ষ্মীনাথ বেজবৰুৱা, ঁহেমচন্দ্ৰ গোস্বামী, ঁচন্দ্ৰ কুমাৰ আগৰৱালা, ঁযতীন্দ্ৰ নাথ দুৱৰা, ঁপাৰ্বতী প্ৰসাদ বৰুৱা, ঁহেম বৰুৱা, ঁসত্যনাথ বৰা, ঁৰজনীকান্ত বৰদলৈ, ঁঅতুল চন্দ্ৰ হাজৰিকা, ঁমহেশ্বৰ নেওগ, ঁবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ঁসূৰ্যকুমাৰ ভূঞা আদি উল্লেখযোগ্য।

ঃঃঃঃঃঃঃঃ

# অসমীয়া কাব্য সাহিত্যৰ ক্ৰমবিৱৰ্তনৰ ধাৰা বৈচিত্ৰ

— চিমী আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

অসমীয়া ভাষা-সাহিত্যৰ অংকুৰণ ঘটিছিল মূলতঃ কাব্য-ৰূপত। প্ৰথম অসমীয়া সাহিত্যিক নিদৰ্শন হ'ল, বৌদ্ধধৰ্মীয় সাধন গীত চৰ্যাসমূহ। চৰ্যাসমূহক অসমীয়াৰ লগতে বাংলা, উড়িয়া, মৈথেলী আদি জাতীয় সাহিত্যইও নিজৰ প্ৰাচীনতম নিদৰ্শনৰূপে দাবী কৰাৰ বাবে প্ৰাক্ বৈষ্ণৱ কবি হেম সৰস্বতীৰ 'প্ৰহলাদ চৰিত' কাব্যকহে অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শনৰ স্বীকৃতি দিয়া হয়। অসমীয়া কাব্য-ইতিহাসৰ ক্ষেত্ৰত মন কৰিবলগা কথা এয়ে যে, অসমীয়া সামগ্ৰিক সাহিত্যৰ যুগ বিভাজনৰ অনুক্ৰমতেই অসমীয়া কাব্য সাহিত্যৰ যুগবিভাজন কৰা হৈছে। অসমীয়া কাব্য সাহিত্যৰ ইতিহাস মূলতঃ আঠটা স্তৰত বিভাজিত

১। আদি যুগ (৯৫০- ১৩০০ খ্ৰীঃ)
২। মধ্য যুগ ঃ ক) প্ৰাক-বৈষ্ণৱ যুগ (১৩০০-১৪৯০ খ্ৰীঃ)
খ) বৈষ্ণৱ যুগ (১৪৯০ -১৭০০ খ্ৰীঃ)
গ) উত্তৰ-বৈষ্ণৱ যুগ (১৭০০-১৮২৬ খ্ৰীঃ)
৩। আধুনিক যুগ ঃ ক) প্ৰাক্ ৰোমাণ্টিক যুগ (১৮২৬-১৮৮৮ খ্ৰীঃ)
খ) ৰোমাণ্টিক যুগ (১৮৮৮-১৯৪০ খ্ৰীঃ)
গ) যুদ্ধোত্তৰ যুগ (১৯৪০- আশীৰ দশক)
ঘ) সাম্প্ৰতিক যুগ (আশীৰ দশক- বৰ্তমানলৈকে)

গতিকে দেখা গ'ল যে, আদি যুগৰ পৰা বৰ্তমানলৈকে অসমীয়া কবিতাই প্ৰায় ১০০০ বছৰ অতিক্ৰম কৰিলে। এই এহেজাৰ বছৰত উল্লিখিত আঠোটা স্তৰৰ মাজেৰে বিভিন্ন দিশত নিবৰ্তিত হৈ আহি অসমীয়া কাব্য সাহিত্যই বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰিছেহি।

## আদি যুগৰ কবিতা ঃ-

অসমীয়া সাহিত্যৰ প্ৰথম কাব্য সাহিত্য হিচাপে আদিযুগত ৰচিত চৰ্যা গীত সমূহৰ গুৰুত্ব অপৰিসীম। চৰ্যাপদ সমূহ যদিও ধৰ্মসাধন গীত তথাপি ইয়াৰ কাব্যিক সৌন্দৰ্য্যই চৰ্যাসমূহক অসমীয়া কাব্য ইতিহাসত এক বিশিষ্ট আসন প্ৰদান কৰিছে। চৰ্যাসমূহত ধৰ্মীয় বিধি-নিষেধৰ লগতে সমসাময়িক সমাজ জীৱনৰো নিখুঁট ছবি প্ৰতিফলিত হোৱা দেখা যায়। যাৰবাবে চৰ্যাপদক দশক-দ্বাদশ শতিকাৰ অসমীয়া সমাজৰ এখন দাপোণস্বৰূপ আখ্যা দিব পাৰি।

## মধ্যযুগৰ কবিতা ঃ-

অসমীয়া সাহিত্যৰ মধ্যযুগটোক শংকৰদেৱৰ প্ৰসিদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাক্‌শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী– এই তিনিভাগত বিভক্ত কৰা হৈছে। ইয়াৰে প্ৰথমটো স্তৰ প্ৰাক্ শংকৰী যুগত হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলি, ৰুদ্ৰ কন্দলি, কবিৰত্ন সৰস্বতী– এই পাঁচজন কবিয়ে কাব্য সাধনা কৰি অসমীয়া কাব্য-সাহিত্যৰ ভেঁটি গঢ়ি তোলাত যথেষ্ট অৱদান আগবঢ়াইছিল। হেম সৰস্বতীয়ে 'প্ৰহলাদ চৰিত' আৰু 'হৰ-গৌৰী সংবাদ', 'হৰিবৰ বিপ্ৰই' 'তাম্ৰধ্বজৰ যুদ্ধ', 'লৱ-কুশৰ যুদ্ধ' আৰু 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ তিনিখনকৈ যুদ্ধকাব্য, কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ' আৰু ৰুদ্ৰ কন্দলিয়ে 'সাত্যকি প্ৰৱেশ' নামৰ কাব্য ৰচনা কৰিছিল ৰামায়ণ, মহাভাৰত, পুৰাণ আদি প্ৰাচীন ধৰ্মগ্ৰন্থসমূহক আধাৰ কৰি। এই কেইজনৰ উপৰিও প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ তথা 'অপ্ৰমাদী কবি' আখ্যায়িত মাধৱ কন্দলীয়ে পোনপ্ৰথমে উত্তৰ-পূৰ প্ৰান্তৰ ভাষালৈ 'ৰামায়ন' (কবি-বাল্মিকী) অনুবাদ কৰি ৰামায়ণী সাহিত্যৰ ক্ষেত্ৰত নিজৰ ঐতিহাসিক মূল্য নিৰূপণ কৰি থৈ গৈছে। এইজনা কবিৰ আন এখন কাব্য হ'ল 'দেৱজিৎ'।

মধ্যযুগৰ দ্বিতীয় তথা সৰ্বোৎকৃষ্ট স্তৰটো হ'ল শংকৰী বা বৈষ্ণৱ যুগ। অসমীয়া জাতীয় জীৱনৰ সুজান কাণ্ডাৰীস্বৰূপ শ্ৰীমন্ত শংকৰদেৱ এই স্তৰৰ মূল হোতা আৰু লগতে তেখেতৰ সমগ্ৰ ৰচনাৱলী কাব্য-ধৰ্মী হোৱা হেতুকে অসমীয়া কাব্যক্ষেত্ৰৰ যথেষ্ট উন্নতিৰ বাট মুকলি হ'ল। যদিওবা মহাপুৰুষজনাৰ ৰচনাত মূলতঃ বিষ্ণুৰ মাহাত্ম্য আৰু ভক্তিৰসৰ প্ৰাধান্য পৰিস্ফুট হয় তথাপি তেখেতৰ সাহিত্য সৃষ্টিৰ মূল উদ্দেশ্য আছিল, অসমীয়া জাতিৰ কু-সংস্কাৰ আঁতৰাই এটা সুস্থ মনোবৃত্তিৰ সু-সংস্কৃতিৱান জাতি হিচাপে গঢ়ি তোলা। শংকৰদেৱে নাট, পদ, কাব্য, গীত আদি সুকুমাৰ কলাৰ জৰিয়তে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি, তাৰ লগতে অসমীয়া কাব্য-সাহিত্যৰ ভেঁটি সুদৃঢ় কৰি থৈ গ'ল।

শংকৰী যুগৰ আন কবিসকল যেনে মাধৱদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলী, শ্ৰীধৰ কন্দলি তথা পাঁচালী কবি পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আদিয়েও পুৰাণ, ভাগৱত, ৰামায়ণ, মহাভাৰত আদি সংস্কৃতমূলীয় গ্ৰন্থৰ বিভিন্ন অংশ ঘৰুৱা অসমীয়ালৈ অনুবাদ কৰি হ'লেও সমসাময়িক কাব্য সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

মধ্যযুগৰ তৃতীয় তথা শেষ স্তৰটো হ'ল, উত্তৰ শংকৰী যুগ। এই যুগৰ কবিসকলে তেওঁলোকৰ কাব্যত নতুনত্বৰ সন্ধান নকৰি শংকৰদেৱৰ সাহিত্যিক আদৰ্শকে আৰ্হি হিচাপে লৈ তাৰে অনুকৰণত কাব্য ৰচনা কৰিবলৈ ধৰিলে। এই যুগৰ কবিসকলে প্ৰচুৰ পৰিমাণে পুৰাণৰ অনুবাদ, ৰাগৰ গীত, নাটকীয় গীত, কাব্য আদি ৰচনা কৰি থৈ যোৱা বাবে শংকৰোত্তৰ যুগটোক পুৰণি অসমীয়া সাহিত্যৰ বিস্তাৰৰ যুগ বুলিও অভিহিত কৰা হয়। এই যুগৰ কবিতাত মৌলিকতা তেনেই কম যদিও যিকেইজন কবিৰ মৌলিকত্ব দেখা যায় সেইবিলাকত আদি ৰস বা শৃংগাৰ ৰসৰ প্ৰাধান্য মন কৰিবলগীয়া। উত্তৰ শংকৰী যুগৰ কাব্যত কমকৈ হ'লেও শাক্ত আৰু শৈৱ-ধাৰাৰ প্ৰাদুৰ্ভাৱ দেখা যায় সি হ'ল সেই যুগৰ আহোম ৰজাসকলৰ উদ্‌গণিৰ ফল।

এই যুগৰ উল্লেখযোগ্য কবি কেইজন হ'ল গোৱাল মিশ্ৰ, ৰঘুনাথ মহন্ত, গোপীনাথ পাঠক, বিদ্যা পঞ্চানন, কবিৰাজ চক্ৰৱৰ্তী, ভুৱনেশ্বৰ বাচস্পতি, দৈত্যাৰি ঠাকুৰ আৰু দ্বিজৰাম আদি।

## আধুনিক যুগৰ কবিতা ঃ-

অসমীয়া কাব্য সাহিত্যই দশম শতিকাৰ দান চৰ্যাগীতসমূহৰ পৰা ক্ৰমে ক্ৰমে অধিক ব্যাপ্তি লাভ কৰি আহি শংকৰ গুৰুৰ হাতত প্ৰাণময়তা পৰিগ্ৰহণ কৰে। কিন্তু ইয়াৰ পৰৱৰ্ত্তী সময়ত অৰ্থাৎ আহোম ৰজাসকলৰ

শাসনকেন্দ্ৰিক অৰিয়াঅৰি, মোৱামৰীয়া বিদ্ৰোহ, ইংৰাজসকলৰ আগমন, অসমীয়াৰ ঠাইত বঙলা ভাষাৰ প্ৰচলন ইত্যাদি এশ এবুৰি সমস্যাত অসমীয়া কাব্যসাহিত্যই ঠাউনি নাপাই টুলুং-ভুটুং কৰিবলৈ ধৰিলে। তাৰ মাজতে আশাৰ সঞ্চাৰ ঘটাই ব্যাপ্তিষ্ট মিছনেৰীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে হ'লেও প্ৰথম অসমীয়া কাকতালোচনী, 'অৰুণোদই' প্ৰকাশ কৰি অসমীয়া কাব্যসাহিত্যক পুনৰ ঠন ধৰি উঠাত বৰঙণি যোগালে। 'অৰুণোদই'ৰ পাতত প্ৰথম কবিতা প্ৰকাশ পাইছিল নিধি লেবি ফাৰবেলৰ। কিন্তু এই কবিতাসমূহ কাব্য গুণ বিবৰ্জিত আৰু প্ৰচাৰমুখী হোৱাৰ বিপৰীতে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাকে আদি কৰি ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, ৰত্নেশ্বৰ মহন্ত আৰু কমলাকান্ত ভট্টাচাৰ্য প্ৰমুখ্যে এই কেইজন কবিয়ে অসমীয়া মানুহৰ জাতীয় চেতনা জাগ্ৰত কৰিবলৈ কবিতাৰ জৰিয়তে চেষ্টা চলাইছিল আৰু অসমীয়া কাব্য-সাহিত্যৰ প্ৰাক্ ৰোমাণ্টিক স্তৰৰ সুন্দৰ আৰেষ্টনী গঢ়ি তুলিছিল।

প্ৰাক্-ৰোমাণ্টিক স্তৰ পাৰ হৈ অসমীয়া কাব্য প্ৰবাহে এনে এটা যুগত ভৰি থয়হি যি সমগ্ৰ কাব্য সাহিত্যৰ ৰূপেই সলনি কৰি পেলালে আৰু সেই যুগটো হ'ল, ৰোমাণ্টিক বা ৰমন্যাসিক যুগ। উনবিংশ শতিকাত ইউৰোপীয় সাহিত্য-সংস্কৃতিৰ লগত নকৈ পৰিচিত অসমীয়া সাহিত্যই বিশেষকৈ কাব্য সাহিত্যই ভিন্ন নব্যধাৰাৰ আমদানি কৰিবলৈ ধৰিলে যিসমূহৰ ভিতৰত ৰমন্যাসবাদেই শ্ৰেষ্ঠ বুলি ক'ব পাৰি। সেই সময়ৰ কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰ কুমাৰ আগৰৱালা ইত্যাদি অসম-হিতৈষী সকলৰ প্ৰচেষ্টাত পাশ্চাত্য সাহিত্যত তোলপাৰ লগোৱা ৰোমাণ্টিক পুনৰ্জাগৰণে অসমীয়া কবিতাকো নব্যপৰশেৰে সঞ্জীৱিত কৰি তুলিলে। ক্ৰমান্বয়ে অসমীয়া ৰোমাণ্টিক প্ৰবাহৰ ধাৰাবাহক 'জোনাকী' (১৮৮৯)ৰ পাতত অসমৰ জাতীয় তথা সাহিত্যৰ উন্নতি বিচৰা বহুকেইজন প্ৰতিভাধৰে কবিতা ৰচিবলৈ ধৰিলে। এই 'জোনাকী'তেই পোনপ্ৰথমে অসমীয়া ৰোমাণ্টিক কবিতাৰ অভিষেক ঘটালে চন্দ্ৰকুমাৰ আগৰৱালাই 'বনকুঁৱৰী' কবিতাৰ জৰিয়তে। ৰোমাণ্টিকতাবাদৰ সকলো লক্ষণেৰে পুষ্ট তেখেতৰ কবিতাসমূহ– 'তেজীমলা', 'সুন্দৰ', 'সন্ধিয়া', 'সপোন', 'মৌ-মাখি', 'বনকুঁৱৰী', 'জোনাকী' আদি অসমীয়া লোক-জীৱনৰ লৌকিক উপাদানেৰে সমৃদ্ধ। সেই একেই পথেৰে বাট বুলি হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, বেণুধৰ ৰাজখোৱা, সত্যনাথ বৰা, ৰঘুনাথ চৌধাৰী আদি কবিসকলে ৰোমাণ্টিকতাক অধিক প্ৰস্ফুটিত কৰি তুলি 'জোনাকী যুগ'টো স্বৰ্ণময় কৰাত যথেষ্ট বৰঙণি আগবঢ়াইছিল।

'জোনাকী'ৰ আদৰ্শৰে নহ'লেও ইয়াৰে ফেৰ মৰাৰ মানসেৰে কৃষ্ণপ্ৰসাদ দুৱৰাৰ সম্পাদনাত প্ৰকাশিত হ'ল 'বিজুলী' (১৮৯০)। ফলত অসমীয়া সাহিত্যৰ প্ৰভূত উন্নতি ঘটিল। 'জোনাকী' সৃষ্ট পৰিৱেশৰ দ্বাৰা অনুপ্ৰাণিত হৈ বিভিন্নজনে বিভিন্ন কাকত যেনে– 'উষা' (১৯০৭), 'বাঁহী' (১৯০৩), 'মিলন' (১৯২৩), 'সাধনা' (১৯২৪), 'আৱাহন' (১৯০৯) আদি প্ৰকাশ কৰি অসমীয়া কবি-সাহিত্যিকক অহৰহ সৃষ্টিৰ প্ৰেৰণা যোগাই, অসমীয়া কাব্যসাহিত্য অধিক শক্তিশালী হোৱাত সহায় কৰিছিল।

> **কালক্ৰমে অসমীয়া কবিতাই যুদ্ধোত্তৰ যুগৰ সেই নব্যআধুনিকতাৰে উদ্বেলিত হৈ আহি আহি নিৰাশা আৰু নিঃসঙ্গতাক সৃষ্টিৰ প্ৰেৰণা কৰি লোৱা কবিসকলৰ এই উত্তৰ-আধুনিকতাৰ যুগত বা সাম্প্ৰতিক যুগৰ বিস্তাৰিত হ'বলৈ ধৰিলে।**

অসমীয়া কবিসকলে পাশ্চাত্য কবিসকলৰ অনুকৰণত ৰোমাণ্টিক কবিতা ৰচিছিল আৰু ইংৰাজী কবিতা অনুবাদ কৰিছিল যদিও তাত মৌলিকত্ব আৰোপ কৰি মূলতকৈও মনোৰম কৰি তুলিছিল। অসমীয়া ৰোমাণ্টিক কবিসকলৰ কবিতাত প্ৰায় প্ৰতিটো

ৰোমাণ্টিক বৈশিষ্ট্যৰ বিস্তৃত পয়োভৰ দেখা যায়। উদাহৰণস্বৰূপে, মানৱপ্ৰেমৰ পূৰ্ণপ্ৰকাশ দেখা যায় লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, গণেশ গগৈ, দেৱকান্ত বৰুৱা আদিৰ কবিতাত। ৰহস্যবাদী বা অতিন্দ্ৰীয়বাদী কবি হ'ল, নীলমণি ফুকন, নলিনীবালা দেৱী, দুৰ্গেশ্বৰ শৰ্ম্মা, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, অম্বিকাগিৰী ৰায়চৌধুৰী ইত্যাদি। আকৌ, প্ৰকৃতি প্ৰেমৰ অনুৰণন শুনা যায় ক্ৰমে ৰঘুনাথ চৌধাৰী, ৰত্নকান্ত বৰকাকতি, পাৰ্বতী প্ৰসাদ বৰুৱা, অতুলচন্দ্ৰ হাজৰীকা আদিৰ কবিতাত। একেদৰেই স্বদেশ প্ৰেম বা জাতীয়তাবোধক কবিতাৰ জৰিয়তে উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰা কবিসকল হ'ল— বিনন্দচন্দ্ৰ বৰুৱা, অতুল চন্দ্ৰ হাজৰীকা, তৰুণৰাম ফুকন, জ্যোতি প্ৰসাদ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী ইত্যাদি। ব্যঙ্গ কবিতাৰে সমাজ সংস্কাৰৰ মানসিকতা পোষণ কৰা কবি হ'ল, দণ্ডিধৰ কলিতা আৰু লক্ষ্মীনাথ বেজবৰুৱা আদি।

এইদৰেই বৈষ্ণৱযুগৰ পৰা ৰোমাণ্টিক যুগলৈকে অসমীয়া কবিতাই বহুকেইটা বসন্ত গৰকি আহি, যৌৱন কালত ভৰি দি আধুনিকতাৰ সোণালী সাজ পৰিধান কৰিলেহি। বিংশ শতিকাৰ আগমণৰ লগে লগে বিশ্বত বিশেষকৈ ইউৰোপ তথা পাশ্চাত্য সমাজত যি তথাকথিত আধুনিকতা অৰ্থাৎ, দ্ৰুত নগৰীকৰণ, নৱ-বৈজ্ঞানিক আৱিষ্কাৰ যুদ্ধৰ কালবিভীষিকা, আন্তৰিকতাৰ অভাৱৰ ফলত মানুহৰ মনত জন্মা নিঃসঙ্গতাবোধ আদি প্ৰসাৰ ঘটিল; তাৰ প্ৰভাৱ পৰিল সমসাময়িক কবিসকলৰ ৰচনাতো। সেই সকল পশ্চিমীয়া কবি টি. এছ. এলিয়ট, এজৰা পাউণ্ড, ইয়েট্‌চ্‌, হুইটমেন, ব'ডলেয়াৰ ইত্যাদিৰ ৰচনাত প্ৰকাশিত আধুনিক সভ্যতাৰ নগ্নৰূপ তথা নব্য জীৱনৰ ক্ষয়ংকৰী মূল্যবোধ— আদি ভিন্নস্বাদ লাভ কৰি অসমীয়া কবিসকলেও ক্ৰমান্বয়ে নিজৰ ৰচনাত সেইসমূহৰ প্ৰয়োগ কৰিবলৈ ল'লে, যাৰফলত অসমীয়া কাব্য সাহিত্যত আধুনিকতাই নিজৰ স্থিতি সবল কৰাৰ সুযোগ পালে।

যুদ্ধোত্তৰ যুগৰ এই উৎকট আধুনিকতাৰ অসমীয়া সাহিত্যলৈ আগমন ঘটে পশ্চিমীয়া সাহিত্য সংস্কৃতিৰ চৰ্চাৰ ফলত। সেয়ে যুদ্ধোত্তৰ কালৰ যি দ্বন্দ্ব-দ্বিধা পাশ্চাত্য কবিতাত প্ৰকাশ পালে সেয়া অসমীয়া কবিতাত প্ৰতিফলিত নহ'ল আৰু হ'লেও সেয়া কৃত্ৰিম আধুনিক উপাদানহে। অৱশ্যে কেইজনমান সফল আধুনিক কবি নৱকান্ত বৰুৱা, হেম বৰুৱা, অমূল্য বৰুৱা আৰু অজিৎ বৰুৱা— এই কেইজনে আধুনিক কবিতাৰ ক্ষেত্ৰত সফল সম্পৰীক্ষা ঘটাবলৈ সক্ষম হ'ল। যিসমূহত অসমীয়া মৌলিক তথা সামাজিক- ৰাজনৈতিক চেতনাৰ ফুটি উঠিছিল, যিটোৰে পাশ্চাত্যৰ পৰা আমদানিকৃত আধুনিক মননশীলতাৰ অসমীয়া কাব্য সাহিত্যত শিপাবলৈ সাৰ-পানী যোগাইছিল।

আধুনিক কাব্যধাৰাৰ এই কেইজন প্ৰধান হোতাৰে নৱকান্ত বৰুৱাক নিঃসন্দেহে শ্ৰেষ্ঠাসন দিব পৰা যায়। হুইটমেন, জীৱনানন্দ আদিৰ দৰে নৱকান্তৰ কবিতাত প্ৰেমে যিদৰে আধুনিকতাৰ পৰিধান কৰিছে একেদৰেই জাতি, সমাজ তথা মানুহ সকলোকে নিজৰ বুলি লৈ দাৰ্শনিক তথা বুৰঞ্জী আৰু শিল্পতত্ত্বৰে তাক অধিক উজ্জ্বলতৰ কৰি কবিতাত সেইভাৱ প্ৰকাশ কৰিছে। কবি হেম বৰুৱাই আকৌ নিজ চিন্তা আৰু বক্তব্যৰ যোগেদি অসমীয়া কবিতাত প্ৰথমবাৰৰ বাবে পশ্চিমীয়া কবিতাৰ চিত্ৰকল্পবাদ, মাৰ্ক্সবাদ আৰু জাতীয় অৱক্ষয় চেতনা বিস্তৃত ৰূপত প্ৰকাশিত কৰিলে। হেম বৰুৱাৰ কবিতাত বিশেষকৈ সামাজিক জীৱনৰ কাৰুণ্যতম বাস্তৱতাই অধিক সাৱলীলভাৱে দৃষ্টি আকৰ্ষণ কৰিছে। যুদ্ধোত্তৰ যুগৰ আনজন আধুনিকতাৰ সমালোচক কবি হ'ল অমূল্য বৰুৱা যি পশ্চিমীয়া আধুনিকতা বৰ্জি সমসাময়িক জাতীয় জীৱনৰ পংকিলতাক শব্দৰে কটাক্ষ কৰিছিল। তেওঁৰ অতি তাকৰীয়া কবিতা কেইটাতেই আধুনিক কাব্যৰ সমস্ত ৰীতি, ৰস, বিষয় পূৰ্ণ উদ্ভাসিত হৈ উঠিল। যুদ্ধোত্তৰ যুগৰ আন এজন বুদ্ধিনিষ্ঠ, মননশীল, আধুনিক কবি অজিৎ বৰুৱাৰ কবিতাত মূলতঃ অসমীয়া জাতীয় জীৱন আৰু পৰম্পৰাৰ পৰা আহৰিত নানা লোকসমল আধুনিকতাৰে ৰঞ্জিত হৈ প্ৰকাশ লভিছে। আধুনিক ঐতিহ্যবোধৰদ্বাৰা আক্ৰান্ত আৰু তেওঁৰ কবিতাতে পোনপ্ৰথমে নাটকীয় ভাষাৰে তাৰ প্ৰয়োগ হোৱা দেখা যায়।

এনেদৰেই আধুনিকতাবাদে এই চাৰিওজন প্ৰধান আধুনিক কবিৰ কবিতাৰে অসমীয়া কাব্যসাহিত্যত খোজ পেলাই ক্ৰমান্বয়ে মহেন্দ্ৰ বৰা, হৰি

বৰকাকতি, ৰাম গগৈ, মহিম বৰা, কেশৱ মহন্ত, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি কবিৰ কবিতাত পূৰ্ণপ্ৰস্ফুটিত হৈ ধৰা দিলে। এওঁলোক প্ৰত্যেকৰে ৰচিত কবিতাসমূহ সামাজিক চেতনাজতিত মানৱতাবোধ, প্ৰগতিবাদ, জীৱনৰ প্ৰতি অন্তৰ্মুখী দৃষ্টিভংগী, বুদ্ধিনিষ্ঠ কাব্যিক কল্পনা, আধুনিক সংশয়বাদ আৰু হেতুহীন দুখবাদ তথা প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগত নতুনত্ব অনাৰ প্ৰয়াস— ইত্যাদি আধুনিকতাৰ মুখ্য উপাদানেৰে ভৰপূৰ।

কালক্ৰমে অসমীয়া কবিতাই যুদ্ধোত্তৰ যুগৰ সেই নব্যআধুনিকতাৰে উদ্বেলিত হৈ আহি আহি নিৰাশা আৰু নিঃসঙ্গতাক সৃষ্টিৰ প্ৰেৰণা কৰি লোৱা কবিসকলৰ এই উত্তৰ-আধুনিকতাৰ যুগত বা সাম্প্ৰতিক যুগৰ বিস্তাৰিত হ'বলৈ ধৰিলে। আশীৰ দশকৰ পিছত অৰ্থাৎ বৰ্তমানৰ এই সময়ছোৱাত প্ৰায় সকলো কবিৰ কবিতাতে সামাজিক অসমতাৰ ফলত সৃষ্ট নৈৰাশ্যবোধ, নিঃসঙ্গতাৰ মাজেৰ জীৱনৰ অৰ্থসন্ধান আৰু ঐতিহ্যচেতনা— এই তিনিটা প্ৰধান বৈশিষ্ট্য প্ৰতিভাত হোৱা পৰিলক্ষিত হয়। পাশ্চাত্যৰ উত্তৰ-আধুনিকতাবাদৰ সকলো মৌলিক লক্ষণ যদিও অসমীয়া কবিতাত সম্ভৱ হোৱা নাই তথাপি সমীৰ তাঁতী, জীৱন নৰহ, ৰফিকুল হুছেইন, অনুভৱ তুলসী, সৌৰভ শইকীয়া, নীলিম কুমাৰ আদি কবিৰ কবিতাত ক্ৰমে শ্ৰমিক শ্ৰেণীৰ যন্ত্ৰণা আৰু শোষক শ্ৰেণীৰ ভণ্ডস্বৰূপ, জনজাতীয় ঐতিহ্যবোধ, লোকজীৱনৰ আলমত জীৱনৰ সৌন্দৰ্য্য বিচাৰ, আধুনিক মানৱতাবাদী দৰ্শন, নগৰীয়া আৰু গাঁৱলীয়া জীৱনৰ কাল-চেতনাপূৰ্ণ দ্বন্দ্ব-দ্বিধা, আধুনিক মনৰ অস্থিৰতা আদিৰ উত্তৰ-আধুনিকতাবাদৰ লক্ষণসমূহে বৰ্তমানৰ অসমীয়া কবিতাক এক নতুন যুগৰ পিনে অগ্ৰসৰ হোৱাত সহায় কৰা পৰিলক্ষিত হয়। সাম্প্ৰতিক যুগৰ কবিসকলে যদিও এটা নতুন কাব্য-যুগ সৃষ্টি কৰিব পৰা নাই, তথাপি ক্ৰমে কবিতাৰ ক্ষেত্ৰত ন-ন পৰীক্ষা-নিৰীক্ষাৰে সেই সম্ভাৱনা অধিক প্ৰকট কৰি তুলিছে বুলি বৰ্তমানৰ তৰুণ প্ৰজন্মৰ কবিসকলৰ কাব্যিক সজীৱতালৈ লক্ষ্য ৰাখি ক'ব পৰা যায়।

অসমীয়া সাহিত্যৰ অতি ঐশ্বৰ্যশালী ভাগ-কাব্য সাহিত্য; ইয়াৰ যি শিল্প-বৈভৱ সি নিশ্চয়কৈ গদ্য, নাট্য আদিতকৈ অধিক প্ৰশংসনীয় তথা শ্ৰেষ্ঠতৰ। অসমীয়া কবিতাই জন্মলগ্নৰেপৰা ক্ৰমে ধাৰ্মিক প্ৰাচীনতাগন্ধী ভাষা আৰু কাব্যিক উপাদানেৰে উজ্জীৱিত হৈ লাহে লাহে অধিক সহজবোধ্য হৈ ৰোমাণ্টিকমুখী হ'বলৈ ধৰিলে। বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো জীৱ-জড়ৰ মাজত সত্য-শিৱ-সুন্দৰৰ সন্ধান কৰা ৰোমাণ্টিকতা পাৰ হৈ অসমীয়া কবিতাই সংশয় আৰু অস্থিৰতাৰে ভৰা আধুনিকতাবাদ আকোঁৱালি ল'লেহি য'ত পীড়িতৰ দুঃখ-যন্ত্ৰণা, শোষকৰ নিৰ্মমতা, যন্ত্ৰ-সভ্যতাৰ অন্তঃসাৰ শূণ্যতা, নৰ-নাৰীৰ প্ৰাকৃতিক সম্পৰ্কক মনোবৈজ্ঞানিক দৃষ্টিৰে বিশ্লেষণ, প্ৰেমৰ নতুন সংজ্ঞা নিৰ্ধাৰণ, প্ৰাচীন ঐতিহ্য তথা মূল্যবোধৰ অপসাৰণ, প্ৰতীক আৰু চিত্ৰকল্পৰ অপূৰ্ব সংযোজন, মানুহৰ আশাহত জীৱনৰ বেদনা— আদি অপূৰ্ব নিৰীক্ষিত ধ্যান-ধাৰণাই গঁজালি মেলিছিল। এইদৰেই ক্ৰমান্বয়ে আধুনিকতাবাদৰ আদৰ্শৰে বাট বুলি উত্তৰাধুনিকতাবাদে অসমীয়া কাব্যত নতুন ৰহণ চৰাবলৈ আৰম্ভ কৰিছে আৰু অসমীয়া জাতীয় তথা সাহিত্যিক ক্ষেত্ৰখন অধিক সাৰুৱা হোৱাত বৰঙণি যোগাইছে, যাতে কালক্ৰমত অসমীয়া কবিতা বিশ্বদৰবাৰত প্ৰশংসনীয় আৰু অনুকৰণীয় হৈ উঠে।

উদ্ধৃতঃ-

১। অসমীয়া কাব্য পৰিক্ৰমা
— অৰবিন্দ হাজৰীকা (পাতনি)

সহায়ক গ্ৰন্থ ঃ

১। অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ
— অৰ্চনা পুজাৰী (সম্পাদনা)

২। অসমীয়া কাব্য পৰিক্ৰমা
— অৰবিন্দ হাজৰীকা

৩। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
— সত্যেন্দ্ৰনাথ শৰ্ম্মা

৪। আধুনিক অসমীয়া কবিতা
— চন্দ্ৰ কটকী

❖❖❖

# বিজ্ঞানৰ লগত সাহিত্যৰ সম্পৰ্ক

শ্ৰীমতী পঞ্চী কোঁৱৰ
স্নাতক তৃতীয় বৰ্ষ,
অসমীয়া বিভাগ

বিজ্ঞানৰ সৈতে সাহিত্যৰ অৰ্তি নিকট সম্পৰ্ক আছে। বিজ্ঞানৰ তাত্বিক কথাবোৰ সাহিত্যৰ মাজেৰে যিদৰে পাঠকৰ আগত সহজবোধ্য হৈ ধৰা দিছে, নিজে গৱেষণা বা অধ্যয়ন নকৰাকৈ কেৱল সাহিত্য পঢ়িয়েই বিজ্ঞানৰ প্ৰাথমিক তথ্যবোৰ লাভ কৰিব পৰা গৈছে। ঠিক সেইদৰে কল্পনাশ্ৰয়ী অথবা সৃজনীশীল সাহিত্যৰ ওপৰত ভিত্তি কৰিয়েই বিজ্ঞানৰ বহুবোৰ মতবাদ গঢ় লৈ উঠিছে। বিজ্ঞানৰো প্ৰথম ভিত্তি হ'ল কল্পনা। সাহিত্যই এই কল্পনা সৃষ্টিত বিজ্ঞানক সহায় কৰে। বিজ্ঞানৰ তত্বসমূহক লৈ ৰচনা হোৱা ব্যৱহাৰিক শ্ৰেণীৰ প্ৰবন্ধ পুথিবোৰক বিজ্ঞান তাত্বিক বিজ্ঞানক সহায় কৰে। বিজ্ঞানৰ তত্বসমূহক লৈ ৰচনা হোৱা ব্যৱহাৰিক শ্ৰেণীৰ প্ৰবন্ধ পুথিবোৰক বিজ্ঞানতাত্বিক ৰচনা হিচাপে আৰু বিজ্ঞানক ভিত্তি হিচাপে লৈ কল্পনা কৰা সৃজনীশীল ৰচনাবোৰক বিজ্ঞান ভিত্তিক সাহিত্য বা কল্পবিজ্ঞান সাহিত্য হিচাপে আলোচনা কৰিব পৰা যায়।

**বিজ্ঞান তাত্বিক সাহিত্য** ঃ- অসমীয়া সাহিত্যত বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ দ্বাৰা অনুপ্ৰেৰিত সাহিত্যিক ৰচনা বিচাৰিবলৈ গ'ল আমি প্ৰথম নিদৰ্শন নাম সম্ভৱতঃ ডাকৰ বচনসমূহৰ মাজতে। পৰৱৰ্তী কালত কোঁচ ৰজা নৰনাৰায়নৰ পৃষ্ঠপোষকতাত তথা আহোম ৰাজ পৃষ্ঠপোষকতাত এক শ্ৰেণীৰ ব্যৱহাৰিক সাহিত্য ৰচনা হৈছিল। এনে ব্যৱহাৰিক সাহিত্য সমূহৰ মাজতো বিজ্ঞান তাত্বিক ৰচনা সৃষ্টি হোৱাৰ দৃষ্টান্ত অনেক পোৱা গৈছে। ১৪৩৪ খ্ৰীঃত কোঁচৰজা নৰনাৰায়নৰ অনুপ্ৰেৰণাত বকুল কায়স্থই ৰচনা কৰে। 'কিতাবত মঞ্জৰী' আৰু 'লীলাৱতী' নামৰ গণিত বিষয়ক দুখন পুথি। প্ৰায় সমসাময়িকভাৱে ৰচিত হৈছিল কবিৰাজ চক্ৰৱতীৰ 'ভাস্বতী শাস্ত্ৰৰ কথা', চূড়ামণিৰ 'জ্যোতি চূড়ামণি', কাশীনাথৰ 'অগ্নি কথা', আদি ৰচনা। আহোম ৰাজত্বকালত সকুমাৰ বৰকাই আৰু দিলবৰ ছাইৰ প্ৰাণীৰ 'হস্তী বিদ্যাৰ্ণৱ', অজ্ঞাত লেখকৰ 'ঘোঁৰা নিদান' আদিও এনে বিষয়ক ৰচনা।

খ্ৰীষ্টান মিছনেৰীসকলৰ ১৮৩৬ চনত অসমলৈ আগমন ঘটাৰ পিছত তেওঁলোকৰ সংস্কাৰমুখী বিজ্ঞানসন্মত চিন্তাচৰ্চাৰ প্ৰভাৱে অসমীয়া সমাজত বিস্তৰ প্ৰভাৱ পেলায় তেওঁলোকৰ এনে বিজ্ঞানসন্মত চিন্তাচৰ্চা প্ৰতিফলন ঘটিছিল সেইসময়ৰ ব্যৱহাৰিক শ্ৰেণীৰ সাহিত্যত। স্বাস্থ্য ৰক্ষা বিষয়ক, শিক্ষা বিষয়ক, পশুপালন বিষয়ক, ব্যৱহাৰিক শ্ৰেণীৰ ৰচনা পুথিবোৰে বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰ সম্বন্ধে জ্ঞান দিয়াই নহয়, স্বাস্থ্য বিজ্ঞান, যৌন বিজ্ঞান আদিৰ ক্ষেত্ৰতো গ্ৰন্থ প্ৰণিত হৈ বিজ্ঞানৰ জটিল বিষয়বস্তু সহজবোধ্য ৰূপত তুলি ধৰিলে।

**বিজ্ঞানভিত্তিক সৃজনীশীল সাহিত্য** ঃ- ১৯১৪ চনত অম্বিকাগিৰি ৰায়চৌধুৰী ৰচিত 'জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ পথ' পুথিখনত মহাকাশৰ যাত্ৰাৰ লগতে বেলেগ গ্ৰহত উপনিবেশ পতা আদিৰ চিন্তাৰ বিষয়ে বৰ্ণনা দিছিল। কল্পবিজ্ঞান জগতৰ বৰ্ণনা এই পুস্তিকাখনৰ পিছত ১৯৩৭ চনত হৰি প্ৰসাদ বৰুৱাৰ 'আবাহনত' কল্পজ্ঞান গল্প 'বিৰতীয়াৰ দেশ' প্ৰকাশ পাইছে। ১৯৩৮ চনত আবাহনতেই নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'ৰামায়ন' শীৰ্ষক আন এটা কল্পবিজ্ঞান গল্পও প্ৰকাশ পাইছিল। কিন্তু অসমীয়া কল্পবিজ্ঞান বা বিজ্ঞানভিত্তিক সাহিত্যৰ পোনপ্ৰথমে সাৰ্থক অৰিহনা যোগোৱাৰ চেষ্টা কৰা দেখা যায় কুমুদেশ্বৰ বৰঠাকুৰ দ্বাৰা ৰচিত গোলাই চিৰিজৰ 'এটম বোমা' নামৰ পুথিৰ জৰিয়তে। সৌৰভ কুমাৰ চলিহাদেৱৰ 'মিনিনয়জ' গল্পটো কল্পবিজ্ঞান সাহিত্যৰ অনুপম সৃষ্টি বিষয়ে ব্যাখ্যা দিব পাৰি। ১৯৫৯ চনত ড° বিজয় কৃষ্ণ শৰ্মাই 'চন্দ্ৰলোকত প্ৰথম মানুহ' শিৰোনামাৰে উপন্যাসিকা লিখি কল্পবিজ্ঞান উপন্যাস সৃষ্টিৰো শুভ আৰম্ভণি কৰে। ইয়াৰ পিছৰ পৰা কল্পবিজ্ঞান সাহিত্যত সৃজনীশীল সাহিত্যৰ অন্যতম দুই শাখা গল্প আৰু উপন্যাসৰ জৰিয়তে ভালেমান সাৰ্থক ৰচনা ৰচিত হৈছে। ঃঃঃঃ

# SPOKEN ENGLISH : *Some Issues*

Sawpon Dowerah

During the past decade there has been a noticeable interest in introducing courses on Spoken English, Oral English or Functional English at the secondary, higher secondary and the undergraduate levels of education. Obviously, the users of English are becoming more and more aware of the fact that communicative competence should be the goal of learning a language like English. It is an awareness that beyond the ability to read and write English, learners ought to pursue an ability to use the language orrally in a variety of situations. There is no denying the fact that there is a tremendous effect of what is known as globalization in all aspects of our society and especially in education. All of us are aware of the tremendous changes taking place in the economic, social, technological, cultural and political scenario of the globe today. There has grown an increasing interdependence, integration and interaction between peoples of different parts of the globe as a result of which we discover a number of issues which are of immediate corcern to us today, some of which are briefly discussed here.

First, we discover a greater international cultural exchange taking place between people from different parts of the world. This exchange is not restricted to students but also it includes professionals, businessmen, industrialists, scientists, social workers and in fact, people from diverse walks of life. Consequently, there has developed a greater degree of international travel and tourism. There has been a constant coming and going of people across continents building up business and economic, cultural and social relationships. As a corollary to this we discover a spread of what is known as multiculturalism among peoples of different races.

Secondly, and more significantly, we discover the abundant use of technologies such as the internet, communication satellites and a host of other new fangled devices that has made the world practically very small. The concept of global village used by Bertrand Russell more than fifty years ago has now become a stark reality. In the global village the lingua franca is undoubtedly English thereby establishing a strong relationship between globalization and English. Indeed globalization had made it imperative to renefine our priorities of English as a global language. In other words, the status of English today is shaped by the forces of globalization.

In view of the varied uses of English across the globe for functional purposes, there has grown the need for making the study of English more relevant to the modern day users. Today it is more important for us to be able to use the language appropriately in speech and writing for intercultural communication rather than being able to talk about the bent of mind of W.B. Yeats or T.S. Eliot. Undergraduate General English courses across the country have been accommodating these changes with the goal of achieving a communicative competence.

In a language learning situation, the learners' ability to produce grammatically correct sentences appears to be a crucial one. But more than that, it is important for the learner to be able to produce sentences that are appropriate enough to perform a variety of language functions. We know whether a sentence is grammatical or not by applying the rules of grammar. A sentence that may be grammatcally correct may not necessarily be appropriate to perform a social function. Appropriateness is a socio-linguistic factor governed by what is known as social register. The term register is used to refer to the use of language that is governed by the speaker-listener relationship in different social contexts so as to bring out three dimensions of language use- the formal, semi-formal and informal dimensions. At these dimensions of use, the learner becomes aware of the fact that the notion of appropriateness of an utterance is not necessarily governed by grammaticality.

At another level of register, we can think of a course of English that incorporates the variations of the language that are determined by the mode of language use at two dimensions-the spoken dimension and the written dimension. There is a great deal of research evidence today that supports the claim that the features of the spoken language differ considerably from that of the written mode. A few notable ones include:

1. The syntax of spoken language is much less structured than that of written language.
2. Spoken language contains many incomplete sentences often simply sequences of phrases.
3. Spoken language contains rather little subordination.
4. In conversational speech active, declarative forms are generally found. (Brown et al. 1980)
5. It is notable that in written language an extensive set of metaligual markers exists to mark relationships between clauses (*that, when, while* etc.) On the other hand, in spoken language the chunks of information are related by *and, but, then* etc.
6. In written language, rather heavily premodified noun phrases are quite common. It is rare in spoken language to find more than two premodifying adjectives.
7. In written language, the sentences are generally structured in subject-predicate form, in spoken language it is quite common to find topic-comment structure : *The book--- did you buy it?*
8. In informal speech, the speaker rarely uses passive construction. The use of the passive in written language which allows agent deletion is typically absent from conversational speech.
9. In chat about the immediae environment, the speaker may use exophoric reference features.
10. In informal speech, the speaker uses a lot of paralinguistic features notably : you know, if you see what I mean, in fact, well, I think, of course etc.

When we look at the written dimensions of Functional English, we discover a new range of possibilities of the language. The written dimension of the language can also have several parameters depending on the function of the written text. A poster, a report, a circular an advertisement in a paper, a personal letter or an official letter- each of these written texts had a distinctive functions and distinctive stylistic devices have to be used. A course on functional English therefore has to address all these multiplicity of issues in order to make the course not only need based but also relevant for the persons for whom it is meant.

❖❖

# AGRICULTURAL CROPS IN INDIA

## *Important to know*

– ***Rinki Lahori***
TDC 2nd Year

1. India today is the largest sugarcane producing country in the world.
2. India holds virtually a monopoly in the world in the manufacture of lac.
3. India leads with china in the production of rice and tea.
4. India is the largest ground nut producing country in the world.
5. India is the 2nd largest cotton producing country in the world. (first being the U.S.A.)
6. India is the 2nd largest Linseed producing country in the world (first being Argentina)
7. India ranks with Africa and China as one of the chief millets producing countries.
8. India is the 2nd largest tobacco producing country in the world.

❖❖❖

# *Amazing* BUT TRUE

1. A snail can crawl over a razor blade without getting cut.
2. Lemon contains more sugar than straw berries.
3. Spain is the only country in the world where you find newspaper on cloth.
4. A cockroach can live several weeks with its head cut off!
5. Like finger prints, everyone's tongue print is different!
6. Lata Mangeshkar attended school for only one day, yet she received honourary doctorates from five universities.
7. You can't kill yourself by holding your breath.
8. If you are right handed, the finger nails on your right hand will grow faster then those on your left hand.
9. "Rhythm" is the longest English word without a vowel.
10. More people are killed each year from bees then from snakes.

Collected by-

***Sylvia Sultana***
T.D.C. 3rd Year
Deptt. of English

# WEAVING
## *During the Ahom Period*

**– Mrs. Utpala Gohain Chamuah**
Lecturer, Deptt. of History

Weaving means the work at a loom lay interplacing long threads in two directions. The process of weaving was known when people settled with the agricultural way of life. Spinning tools and parts of weaving devices were discovered from the lake dweller's site of Switzerland, belonging to Nihilistic period. The oldest cloth material was found from a grave of Catal Hayuk - a 32 acres city in central Turkey. Between 5000 B.C. to 3000 B.C. the people of Middle East began to weave in a simple loom consisting a reel only.

Weaving of silk fabric reached its highest zenith in China by 26 B.C. when during the region of Chinese Emperor, Huang Tse, his queen Sing-Le-Che discovered the silk. According to classics of Chung-Kua (China) a cocoon accidentally dropped in a hot cup of tea. In attempting to remove the dropped cocoon from the cup, the queen saw the delicated cobwebs of silk exposed themselves in gleaming strands.

In India the people were expert in the art of weaving in their own way. Ajanta Frescos (200 B.C. to 600 A.D.) revealed four distinct partners of designs. Megasthenes also related the white cotton garment worn by Indian people.

The practice of weaving and rearing of cocoons for the manufacturer of various silk clothes were known to the people of Assam as early as the Ramayana and Arthasastra. The Ramayana mentions Magadha, Anga Pundra and the "country of the cocoon rearers" which was identified as Kamrupa by many historians. The classical writers make various mentions of the production of silk and the silk trade in and through Assam in the 1st century A.D.

The textile of Assam reached its highest level during the Ahom period. The Ahom kings of Assam took personal care and interest for the growth of sericulture. It was obligatory for every village house to rear and weave silk fabric. Under Paik system, various Khels

During the Ahom rule the gold and silver wire (guna) used for embroidery was made by a class of workmen called Gunakatia. The process of manufacture was a trade secret.

were introduced for the development of silk culture. They were the Tantis, Muhammadan Tolahs, Jugi or Katani and Gunakatia, who were engaged in weaving the finer fabrics required by royal family and others of high caste. These royal weavers received a grant of rentfee land and other favours in return for their services.

Assam had a wide reputation in the manufacture of varieties of silk cloth like Eri or Endi (Attacus ricini), Muga (Antheroen assama) and Pat (Patta). The Muga silk attracted the notice of the world famous traveller Huen-Tsang. By feeding the leaves of Champa tree (Michelia Pulnyensis) and Mezankari tree (Fetranthera polyantha) to the Muga worms, the Assamese weavers made the finest silk called Champa silk and Mezankari Silk.. These were worn by the Ahom kings and their nobles.

The women of Assam were very serious about the art of weaving. They started it with an offering of betal leaves and areca nuts to the Goddess Bihkarami Ai and put forward the first piece of the woven cloth to the family deity.

Handloom weaving unfolded the artistic genius of the Assamese weavers in colour scheme, floral designs, textures and in durability. They usually used various designs like tree, flower, animals, birds, diamond pattern, traditional ornamental designs, rows of colour dots etc. But the tribal women preferred generally geometrical designs with admirable sense of colour combination. The weaving was carried on exclusively by the females. Even the women in the upper stratum of the society also engaged in the work.

There was also a considerable amount of cotton produced within the valley. Besides ordinary cotton the Assamese weavers used another kind of cotton made from the down of the Simul tree (Bomleasc hepta phyllum). Cotton articles were sometimes dyed and it was common with the hill tribes. In Nowgong a kind of thread called 'Nurakata' was made for weaving into clothes used by the royal family.

During the Ahom rule the gold and silver wire (guna) used for embroidery was made by a class of workmen called Gunakatia. The process of manufacture was a trade secret. These type of wire were of pure material never furnished and was very long lasting.

Mr. H. F. Samman in his "Monograph on the Cotton Fabrics of Assam, 1897" says-- "Weaving among the Assamese forms a part of girl's education and part of a wovan's ordinary house hold duties. The women of the family are expected to make their own cloths and those of the men as well "Weaving was a part of women's mythology coming down from mothers to daughters since time immemorial. An Ahom wovan believed that garments women in a single night would lead her soldier husband to victory. The Assamese girl still weaves love into the Gamocha with which she offers love. In religious sphere also, the Assamese weavers contributed by weaving "Anakata' cloth. Such cloths were women one by one. At the instance of the king Naranarayana of Coch-Bihar, Srimanta Sankar Deva, the great religious reformer of Assam got woven a piece of cloth, with the help of the weavers of Tantikuchi near Barpeta. It was a marvalous piece of cloth of 120 cubits by 60 cubits in dimension and embroidered with different legends of Lord Krishna. This cloth is now preserved in the Museum of London.

During the Ahom period the villages were mostly self sufficient in their economy. The looms were in fact the centre of domestic economy. Weaving constituted the most essential part of a girl's education and the lack of it was her discredit for her marriage. The marriage songs of Assam remind us of the indivisible relation of looms with the Assamese society.

But today the native handicraft industries of the erstwhile 'self sufficient' village are being rapidly eliminated in competition with large scale industries out side Assam. End of feudalism has brought about the loss of traditional habits and customs, which resulted in acute crisis faced by the traditional villages both economically and culturally.

**Bibliography** :


1. The land of seven sisters : Compiled & edited by J. P. Saikia
2. History of Civilization of Assam : P.C. Choudhury.
3. Medieval Assamese Society : Dr. Sarbeswar Rajguru.
4. The Art of the North East Frontier of India : Verrier Elwin.
5. Handloom weaving & designing : D. N. Medhi.
6. Folk tales of Assam : J. Borooh
7. Silent Revolution : Edited by Padma Borkakati.
8. Handloom weaving as an art : Jugal Das.


❖❖❖

# সোনোৱাল কছাৰী সকলৰ ধৰ্মীয় পৰম্পৰা

— শ্ৰীমতী উষাৰাণী সোণোৱাল
স্নাতক তৃতীয় বৰ্ষ

প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্য্যৰে মনোমোহা বিভিন্ন জাতি-উপজাতিৰ, বিভিন্ন ভাষা, সংস্কৃতি, বহু ধৰ্মীয় সমাহাৰে বৈচিত্ৰময় এই স্বৰ্ণময়ী অসম। অসমৰ তিৰ্বতবৰ্মী শাখাৰ বড়ো কছাৰীৰ অন্যতম জনগোষ্ঠীয় সোনোৱাল কছাৰীসকলে যুগ যুগ ধৰি নানান উত্থান-পতনৰ বুৰঞ্জী, কালৰ নিৰ্মম আচোঁৰৰ আশাত বুকুত সাৱতি আজিও এক ক্ষুদ্ৰ জাতি হিচাবে জীয়াই থাকিবলৈ সক্ষম হোৱাৰ মূলতে আছে তেওঁলোকৰ ঐতিহাসিকভাৱে সমৃদ্ধিশালী সামাজিক জীৱনাদৰ্শন, স্বকীয় কলা-সংস্কৃতি লোক সাহিত্য, উদাৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু উজ্জল পৰম্পৰা।

প্ৰাচীন কালৰে পৰাই সোনোৱাল কছাৰী লোকসকলে কিৰাট ধৰ্মীয় বিশ্বাস আৰু আনুসঙ্গিক অনুষ্ঠানবোৰ পালন কৰি আহিছে। সোনোৱাল কছাৰীসকলে সোতৰ শতিকাত আউনীআটী সত্ৰাধিকাৰ কেশৱদেউ গোঁসাইৰ ওচৰত মহাপুৰুষীয়া একশৰণ নামধৰ্ম গ্ৰহণ কৰে। কিন্তু দেখাত উক্ত ধৰ্ম গ্ৰহণ কৰিলেও প্ৰাচীন ধৰ্মীয় বিশ্বাস ত্যাগ নকৰি সমান্তৰালভাৱে দুয়োধৰণৰ ধৰ্মীয় বিশ্বাস আজিও মানি আহিছে। সোণোৱাল কছাৰীসকল প্ৰধানতঃ অসমৰ মাজুলীৰ আউনীআটী সত্ৰৰ শিষ্য আৰু ভক্ত। এই ধৰ্মত থাকিও এওঁবিলাকৰ বহুতে পূৰ্বৰ কৌলিক ধৰ্ম, শাক্ত শৈৱ প্ৰথা অনুযায়ী সামাজিক বিধি-বিধান মানি মিৰিং ৰজা কাইথ' বা শিৱ মহাদেৱ শদিয়াৰ চৰিশাল যেনে- বুঢ়া-বুঢ়ী, কেচাইখাতী থান, তাম্ৰেশ্বৰী অনুষ্ঠান সমজুৱাভাৱে আৰু কিছুমান অনুষ্ঠান যেনে-সৰগদেউ পূজা, ক্ষত্ৰিয় পূজা, বুঢ়াপোহা, মিলভঙা, চুকত দিয়া, অপেচৰা সবাহ, মৰাক দিয়া, বছৰেকীয়া চাউল খুওৱা, জলখাই ডাঙৰীয়া, চামন ডাঙৰীয়া, পূজা, আই সকাম, আয়ুস তোলা আদি সকাম ঘৰুৱাভাৱে কৰা হয়। ভৌগলিক আৰু অন্য সামাজিক পৰিবেশৰ বাবেও বাটৰ সবাহ, বাটমৰা সবাহ আদি ভুৰ উটোৱা, লখিমী সবাহ, বাটমৰা সবাহ আদি সমজুৱাভাৱে পালন কৰি আহিছে। প্ৰাচীন পদ্ধতিৰে পালন কৰি অহা

ঘৰুৱা আৰু সমজুৱাভাৱে কৰা দুয়ো প্ৰকাৰৰ পূজা-পাতল, সকাম আদিয়ে সোনোৱাল কছাৰীৰ সামাজিক জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত নামধৰ্মৰ প্ৰভাৱত সোনোৱাল কছাৰী সমাজৰ কোনো কোনো অঞ্চলৰ লোকে প্ৰাচীন পদ্ধতিৰে পূজা-পাতল, সকাম আদি কৰিবলৈ এৰি দিছে। বৰ্তমান অসমত প্ৰচলিত শংকৰী নীতি নিয়মৰ মাজেদি কৰি থকা সকামবোৰত

> তেওঁলোকে কিছুমান পূজা পাতল, ধৰ্মীয় ৰীতি-নীতি ত্যাগ কৰিলেও সামাজিক ঐক্য, সাংস্কৃতিক প্ৰভাৱ থকাৰ বাবে প্ৰাচীন পৰম্পৰাক ক্ষীণভাৱে হ'লেও পালন কৰি আহিছে। সোনোৱাল কছাৰীসকলে কৈৰাতজ ধৰ্ম আৰু নানা ধৰ্ম উভয়ৰ পৰাই বাঞ্চিত ফল লাভ কৰিব পাৰে বুলি বিশ্বাস কৰি এই ধৰ্মীয় পৰম্পৰা একবিংশ শতিকাতো পালন কৰি আছে।

নাম-কীৰ্তনক অধিক গুৰুত্ব দি মূখ্য স্থান প্ৰদান কৰা পৰিলক্ষিত হৈছে। শ্ৰীমন্ত শংকৰ সংঘৰ প্ৰভাৱ থাকিলেও সোনোৱাল কছাৰী গাঁৱৰ লোকে সঙ্গীপদ গ্ৰহণ কৰা নাই। কিছুমান গাঁৱৰ লোকে তিনিবছৰ বা পাঁচ বছৰৰ অন্তৰে অন্তৰে শদিয়াৰ বুঢ়া-বুঢ়ী কেঁচাইখাতী শাললৈ অথবা বাথৌ পূজালৈ যোৱাৰ নিয়ম আছে। তেওঁলোকে কিছুমান পূজা পাতল, ধৰ্মীয় ৰীতি-নীতি ত্যাগ কৰিলেও সামাজিক ঐক্য, সাংস্কৃতিক প্ৰভাৱ থকাৰ বাবে প্ৰাচীন পৰম্পৰাক ক্ষীণভাৱে হলেও পালন কৰি আহিছে। সোনোৱাল কছাৰীসকলে কৈৰাতজ ধৰ্ম আৰু নানা ধৰ্ম উভয়ৰ পৰাই বাঞ্চিত ফল লাভ কৰিব পাৰে বুলি বিশ্বাস কৰি এই ধৰ্মীয় পৰম্পৰা একবিংশে শতিকাতো পালন কৰি আছে। প্ৰাচীন পৰম্পৰা মানি চলি সম্ভাব্য অমংগলৰ পৰা নিজক ৰক্ষা কৰাৰ মনোভাৱৰ ফলত এই দুতৰপীয়া ধৰ্মীয় ব্যৱস্থাৰ মাজত কেতিয়াও সংঘাত হোৱা নাই।

সোনোৱাল কছাৰীসকলে প্ৰাচীন ৰীতি-নীতিৰে ধৰ্মীয় অনুষ্ঠান পালন কৰিলেও নামধৰ্মৰ অনুষ্ঠানবোৰো সমানভাৱে পালন কৰি আহিছে। তেওঁলোকে উভয় ধৰ্মৰ প্ৰতি সমান শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰি আহিছে। তেওঁলোকৰ মাজত বৰঞ্চ অধিক সহনশীলতাৰ ভাবহে সৃষ্টি কৰিছে। আদৰ্শৰ পাৰ্থক্য থাকিও উভয় ধৰ্মক সহজে গ্ৰহণ কৰিব পৰা উদাৰ মানসিকতা, অন্যান্য ধৰ্মৰ প্ৰতি দেখুওৱা সহনশীলতাই ধৰ্মীয় দিশত গোড়ামী, সংকীৰ্ণতা নথকাতো প্ৰতীয়মান হৈছে। স্মৰণাতীত কালৰে পৰাই দুতৰপীয়া ধৰ্মীয় ব্যৱস্থাৰ যি সুন্দৰ পৰম্পৰা, ই সোনোৱাল কছাৰী সমাজ জীৱনৰ এটি অবিচ্ছেদ্য অংগৰ স্বৰূপ হৈ আৰু ধৰ্মীয় সহনশীলতাৰ এক সুন্দৰ চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ এই দুতৰপীয়া ধৰ্মীয় ব্যৱস্থাৰ অৱসান ঘটাৰ সম্ভাৱনীয়তা কম। সোনোৱাল কছাৰীসকলৰ ধৰ্মীয় পৰম্পৰাত বিভিন্ন সময়ত হিন্দু ধৰ্মৰ বিভিন্ন গুৰুত্ব ধৰ্মীয় ভাৱ-চিন্তৰ সাময়িক নপৰা নহয়। কিন্তু সেইবিলাক ধৰ্মীয় গুৰুৰ প্ৰভাৱে তেওঁলোকৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা আৰু অস্তিত্বক বিপদাপন্ন কৰিব নোৱাৰে। কোনো সন্দেহ নাই, সোনোৱাল কছাৰী সমাজত এনে ধৰ্মীয় ব্যৱস্থাৰ উজ্জ্বল পৰম্পৰা দীৰ্ঘকাল চলি থাকিব।

*(বিঃদ্ৰঃ- কিৰণময় শইকীয়াৰ লেখনিৰ সহায়ত।)*

ঃঃঃঃঃঃঃঃ

# অসমৰ ইতিহাসৰ অতুলনীয় চৰিত্ৰ মোমাই তামুলী বৰবৰুৱা

— শ্ৰী দীপাঞ্জলী গগৈ
বুৰঞ্জী বিভাগ

সোণালী যুগৰ উন্মেষ ঘটোৱা ছশ বছৰীয়া আহোম ৰাজত্বৰ শাসনকালত যিসকল আহোম স্বৰ্গদেৱে মহাপৰাক্ৰমেৰে ৰাজত্ব কৰি তেওঁলোকৰ নাম ইতিহাসৰ পাটত চিৰযুগমীয়া কৰি থৈ গৈছে, সেই সকলৰ ভিতৰত স্বৰ্গদেউ প্ৰতাপসিংহ অন্যতম। বুৰঞ্জীত যিজনাক 'বুদ্ধি স্বৰ্গনাৰায়ণ' নামেৰে জনা যায়। এইজনা ৰজাৰ ৰাজত্বকালৰ বিভিন্ন দিশ বিশ্লেষণ কৰি চালে তেওঁৰ বিচক্ষণতা, প্ৰত্যুপন্নমতিতা, দূৰদৰ্শিতা, প্ৰজাবৎসলতা, স্বদেশপ্ৰেমৰ লগতে সামৰিক দক্ষতাও অতুলনীয় ৰূপত আমাৰ চকুত পৰে। অৱশ্যে এইজনা স্বৰ্গদেউৰ সফলতাৰ আঁৰত প্ৰতিটো কামৰ লগত এজন অতি চতুৰ বিষয়া জড়িত হৈ আছিল, যিজনাৰ কৌশলৰ আগত কেতিয়াবা ৰজাইও শিৰনত কৰিব লগা অৱস্থাৰ সৃষ্টি হৈছিল। যিজনক মহামতি আকবৰৰ ৰাজসভাৰ প্ৰধানমন্ত্ৰী বীৰবলৰ লগত তুলনা কৰিব পাৰি। সেইজনেই মোমাই তামুলী বৰবৰুৱা।

মোমাই তামুলীয়ে নিজৰ কৰ্ম-কুশলতা আৰু প্ৰত্যুৎপন্নমতিতা গুণৰ বাবেই অতি চালুকীয়া অৱস্থাৰ পৰা আহোম ৰাজদৰবাৰত বৰবৰুৱাৰ দৰে এখন উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছিল। জীৱনৰ প্ৰথম অৱস্থাত এওঁ আছিল এজন সাধাৰণ পাইক। পূৰ্বতে তেওঁৰ নাম আছিল "শুকুটি"। বুৰঞ্জীত উল্লেখিত যে এবাৰ স্বৰ্গদেউ প্ৰতাপসিংহ ফুৰিবলৈ যাওঁতে এঠাইত আটোমটোকাৰীকৈ পতা বাৰীয়ে ৰজাক বৰকৈ আকৰ্ষণ কৰিছিল। সেইখন বাৰীৰ গৰাকীয়েই আছিল মোমাই। বাৰীখন দেখিয়েই ৰজাই তেওঁৰ দূৰদৰ্শিতা, উচ্চ মানসিকতা আৰু সৌন্দৰ্যবোধৰ উমান পাইছিও আৰু মোমাইক ৰাজকাৰেঙলৈ আনি তামুলী লিগিৰা পদত নিযুক্তি দিছিল। ৰাজকাৰেঙত মোমাইয়ে নিয়াৰিকৈ নিজৰ কৰ্তব্য পালন কৰি অতি কম দিনৰ ভিতৰতে ৰজাৰ অতি প্ৰিয়পাত্ৰ হৈ পৰিছিল। এইদৰে নিজ প্ৰতিভাৰ বলত তামুলীয়ে 'তামুলী লিগিৰা' ৰ পৰা সোনকালে 'বৰবৰা' পদলৈ উন্নীত হয়। নতুন পদবী লৈ মোমাইয়ে ৰাজধানী সুৰক্ষিত কৰাৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

তেওঁৰ এই কামৰ অগ্ৰগতিস্বৰূপে পোনপ্ৰথমতে কিছুমান বনুৱাক একত্ৰিত কৰি ৰাজধানীৰ চৌপাশে এটা গড় বন্ধোৱাইছিল। পূৰ্বৰ গড়বোৰ মেৰামতি কৰি মাটি খহি নাযাবৰ বাবে গড়ত ঘাঁহ-বন ৰোৱালে। গড়ৰ বাহিৰত বাৰমাহে পানী থকাকৈ দ খাবৈ খন্দালে। গড় আৰু খাবৈৰ গাঁত মাজত ঘনকৈ ঠেক কৰি দকৈ এনেদৰে গাঁত খন্দালে যাতে শত্ৰু সৈন্যৰ ঘোঁৰাৰ ঠেং সোমাই পৰে। গড়ৰ ওপৰত ঘনকৈ কোটোহা বাঁহ ৰুইছিল যিবোৰে পিছলৈ জোপোহা হৈ গোটেই গড়টো এনেদৰে বেৰি ধৰিছিল যে শত্ৰু সৈন্যৰ প্ৰৱেশৰ লগতে তেওঁলোকৰ কাড়, হিলৈ আদিৰ বাবেও ই এক অভেদ্য প্ৰাচীৰৰ দৰে হৈ পৰিছিল। পৰবৰ্ত্তী কালত এই গড়েই ইতিহাস প্ৰসিদ্ধ 'বাঁহগড়' নামেৰে জনাজাত হৈছিল। ই ৰাজধানী গড়গাঁৱক বেচ সুৰক্ষিত কৰি তুলিছিল। ৰাজধানীলৈ সোমাবৰ বাবে মোমাইয়ে তিনিখন সিংহদ্বাৰ আৰু মাত্ৰ দহখন সৰু সৰু দ্বাৰা নিৰ্ম্মাণ কৰাই তাত দিনে-ৰাতিয়ে পহৰীৰ ব্যৱস্থা কৰিছিল। মোমাইৰ কামত সন্তুষ্ট হৈ স্বৰ্গদেৱে তেওঁক 'বৰবৰা' পদৰ পৰা পদোন্নতি দি 'বৰবৰুৱা' পদত অধিষ্ঠিত কৰিছিল। বুৰঞ্জীত কথিত থকা মতে ৰজাই এই পদটো মোমাইৰ বাবেই সৃষ্টি কৰিছিল।

বৰবৰুৱা পদত অধিষ্ঠিত হৈয়েই মোমাইয়ে নিজস্ব দৃষ্টিভংগীৰে অসমখনক সজাই-পৰাই তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। প্ৰতিঘৰ মানুহে কিদৰে ঘৰ-বাৰী পাতিব লাগে তাৰ নিৰ্দেশ দিয়াৰ বাবে নমুনা হিচাপে তেওঁ বহু বাৰী পতাইছিল। পাইক প্ৰথা নিবন্ধন কৰি বৰা, শইকীয়া, হাজৰিকা, ৰাজখোৱা আদি পদবীৰ সৃষ্টি কৰি শাসন ব্যৱস্থাটো শৃংখলিত ৰূপত গঢ় দি তুলিছিল। প্ৰতিগৰাকী অসমীয়া তিৰোতাই বোৱা-কটা জনাটো বাধ্যতামূলক কৰিছিল। অসমত লোকপিয়লৰ কামো পোনপ্ৰথমতে এই তামুলীয়েই হাতত লৈছিল।

সামৰিক ক্ষেত্ৰতো মনোনিবেশ কৰি তামুলীয়ে আহোম সৈন্যবাহিনীক এক শৃংখলিত ৰূপ প্ৰদান কৰিছিল। যুদ্ধৰ সা-সঁজুলিসমূহ যাতে নিয়াৰীকৈ ৰজাঘৰত যোগান ধৰিব পাৰে তাৰ বাবে কিছুমান খেল প্ৰথাৰ সৃষ্টি কৰিছিল। পৰবৰ্ত্তীকালত এই খেলবোৰেই একো একোখন গাঁৱলৈ ৰূপান্তৰিত হৈ নাওশলীয়া, নাওবৈচা, খাৰঘৰীয়া, বাৰুৰতী, ধেনুচোঁচা, শিলাকুটীয়া আদি নামেৰে জনাজাত হৈছিল।

মোমাই তামুলী প্ৰকৃতপক্ষত আছিল ৰজাৰ উপদেষ্টা। স্বৰ্গদেউ প্ৰতাপ সিংহই প্ৰতিটো বিষয়তে তেওঁৰ পৰামৰ্শ মানি চলিছিল। কাৰণ তেওঁ বুজি পাইছিল যে প্ৰজাৰ শক্তিয়েই ৰজাৰ শক্তি। প্ৰজাসকলৰ বেপাৰ-বাণিজ্যৰ সুবিধাৰ বাবেও তেওঁ ঠায়ে ঠায়ে বজাৰ প্ৰতিষ্ঠা কৰোৱাইছিল। মোমাই তামুলী বৰবৰুৱাই এটা কথা বুজি পাইছিল যে ৰজাৰ ৰাজভঁৰাল টনকিয়াল হ'বলৈ হ'লে প্ৰজাৰ আৰ্থিক অৱস্থা চকুত লগা হ'ব লাগিব। তেতিয়াহে ৰজা প্ৰজা উভয়ৰে কল্যাণ সাধন হ'ব। এইজনা বিচক্ষণ মন্ত্ৰীৰে পুত্ৰ উল্লেখযোগ্য এজন সেনাপতি আছিল লাচিত বৰফুকন। যিয়ে প্ৰৱল প্ৰতাপী মোগলসকলক নেওচি অসমভূমিক বিদেশীৰ হাতৰ পৰা ৰক্ষা কৰিছিল। কিন্তু সেইজন পিতৃৰে অন্য এজন পুত্ৰ আছিল লালুকসোলা বৰফুকন। যাৰ নাম মোমাই তামুলী আৰু লাচিত বৰফুকনৰ বিপৰীত কাল বুলিহে বুৰঞ্জীত অভিহিত হৈছে।

প্ৰকৃতপক্ষে ক'বলৈ গ'লে সাধাৰণ পাইকৰ পৰা ৰাজবিষয়া হোৱা এই অসাধাৰণ ব্যক্তিত্বৰ লোকজনে নিজৰ প্ৰতিভা আৰু দেশভক্তিৰ গুণেৰে বিভূষিত হৈ ছশ বছৰীয়া আহোম ৰাজত্বৰ কালছোৱাত আটাইতকৈ উজ্জল নক্ষত্ৰ ৰূপে চিৰদিন অম্লান হৈ আছে তথা বুৰঞ্জীত নিজকে প্ৰতিষ্ঠিত কৰি থৈ যাবলৈ সক্ষম হৈছে।

ঃঃঃঃঃঃঃ

# আহোম যুগত "বয়ন শিল্প"

— প্ৰবীন শৰ্মা
শিৱসাগৰ ছোৱালী কলেজ

সা-সজ্জাই এজন ব্যক্তিৰ ৰুচিবোধ বহন কৰে আৰু সামগ্ৰিক ভাৱে এখন সমাজকো প্ৰতিফলিত কৰে। ছশ বছৰীয়া আহোম ৰাজত্ব কালত বয়ন শিল্পই এক বিশেষ বৈশিষ্ট্য লাভ কৰিছিল। অসমৰ প্ৰাকৃতিক পৰিবেশ, জলবায়ু ইত্যাদিবোৰ ওপৰত অসমত বিভিন্ন ধৰণৰ বয়ন শিল্পই গঢ় লৈ উঠিছিল। অৱশ্যে টাইসকল অসমলৈ অহাৰ আগতেই অসমত বয়ন শিল্পই বিশেষ গুৰুত্ব লাভ কৰিছিল। কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাই কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ এটা উলৰ টুপী আৰু এখন কপাহী কাপোৰ উপহাৰ দিয়াৰ পৰা অসমৰ বয়ন শিল্পৰ কথা জানিব পাৰি। অসমৰ বয়ন শিল্পৰ কথা গ্ৰীক লিখক ভিয়িনিছিয়াচে আৰু ট্ৰেয়েনিয়াৱে উল্লেখ কৰিছে।

অসমত আহোম যুগতো বয়ন শিল্পই বিশেষ প্ৰসাৰতা আৰু সমৃদ্ধি লাভ কৰিছিল। আহোম যুগত অসমৰ বয়ন শিল্প সাধাৰণতে দুটা ভাগত ভাগ কৰা হৈছে।

<u>কপাহ শিল্প ঃ-</u> কপাহী বস্ত্ৰ বা কপাহ শিল্প অসমৰ এক উল্লেখনীয় সম্পদ আছিল। কপাহৰ পৰা অনা সূতাই কাপোৰৰ সৃষ্টি কৰা হৈছিল। আহোম যুগত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এক বিস্তৰ্ণ অঞ্চলত কপাহ খেতি কৰা হৈছিল। সেই কাৰণেই হয়তো "অস্কা" নামৰ জনগোষ্ঠীটোৱে ভৈয়ামৰ পৰা কপাহ চোৰ কৰি নিয়া কাৰণেই "কপাহ চোৰ" নাম পাইছিল। অন্যান্য জনজাতি সকলেও ভৈয়ামত কপাহ খেতি কৰিছিল। কপাহৰ বাদেও মৰাপাট, শল, ভেবেলি লতা, সোণ বৰীয়াল ইত্যাদিৰ পৰা আঁহ (Fibre) উলিয়াই বিভিন্ন খহটা কাপোৰ সৃষ্টি হৈছিল। অৰুণাচলৰ 'আদি' আৰু অসমৰ 'গাৰো সকলে' গছৰ বাকলিৰ পৰা কাপোৰ তৈয়াৰ কৰিছিল।

<u>ৰেচম শিল্প ঃ-</u> অসমৰ ৰেচম শিল্পক সেই সময়ৰ তথ্যৰ ওপৰত ভিত্তি কৰি তিনিটা ভাগত ভাগ কৰা হৈছিল।

ক) নুনী বা পাট কাপোৰ ঃ

নুনী বা পাট পলুৰ পৰা সন্থৰ সূতা আৰু সেই সূতাৰ পৰা বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। এই নুনী বা পাট পলুক নুনী গছৰ পাত খুওৱা হৈছিল। নুনী বা পাট পলু কটা সকলক "কাটনী যুগী" বুলি জনা গৈছিল। এই যুগী কাটনী সকলক অসমৰ বিভিন্ন ঠাইত বিশেষকৈ বৰ্তমান শিৱসাগৰ জিলাৰ আশে-পাশে বহুৱা হৈছিল। অৱশ্যে পাট কাপোৰ ৰজাঘৰীয়া আৰু পুৰোহিত শ্ৰেণীয়েহে ব্যৱহাৰ কৰাৰ কথা জনা যায়। কথাতে কয়-

"ফটা হওক ছিটা হওক
পাটৰ টঙালী
কণা হওক কুঁজা হওক
ভূঞাৰ পোৱালী"

পাইক সকলে নিৰ্দিষ্ট পৰিমাণৰ কাপোৰ ৰজাঘৰত জমা দিব লাগিছিল।

খ) মুগা কাপোৰ ঃ-

চোম গছৰ পাত খুৱাই মুগা পোহা হৈছিল। এই চোমনি সমূহ বৰ্তমানৰ শিৱসাগৰ, যোৰহাট আৰু লখিমপুৰ জিলাতেই সৰহ সংখ্যক অৱস্থিত আছিল। চোম গছৰ ওপৰিও দীঘলতি, পাতি হোন্দা আৰু মেজাঙ্গৰী গছৰ পাত খুৱাইও মুগা পোৱা হৈছিল। অৱশ্যে চোম গছৰ পাত খোৱা মুগা উন্নত বুলি ভবা হৈছিল। অসমৰ মুগা বস্ত্ৰই সেই সময়ৰ বৃটিছ সকলকো আকৃষ্ট কৰিছিল। আহোম ৰজা গৌৰীনাথ সিংহই (1780-94 A.D) বৃটিছ সেনাধ্যক্ষ কেপ্তেইন ৱেলছৰ নেতৃত্বৰ লগত কৰা চুক্তিতো অসমৰ মুগা শিল্পৰ কথা উল্লেখ কৰিছে।

গ) এৰী কাপোৰ ঃ-

এৰী পাত খুৱাই এৰী পলু ৰখা হৈছিল। এই এৰী পলুৰ পৰাই এৰী কাপোৰ সৃষ্টি কৰা হৈছিল। সাধাৰণতে "কেচেৰু" নামৰ এবিধ গছৰ পাত খুৱাই এই এৰী পলু পোহা হৈছিল। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে এৰী পলু পোহা হৈছিল আৰু এৰী কাপোৰ তৈয়াৰ কৰা হৈছিল। এৰী কাপোৰ বা এৰীয়া কাপোৰ জাৰৰ দিনত বেছিকৈ ব্যৱহাৰ কৰা হৈছিল।

অসমৰ শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে বুলি মহাত্মা গান্ধীয়ে তাহানিতে উল্লেখ কৰি গৈছে। বোৱা-কটা কাম কৰিবলৈ অসমীয়া যুৱতী সকলক বাধ্য কৰা হৈছিল। আহোম যুগত কোনোবা যুৱতীয়ে বোৱা কটাত অসমৰ্থ হ'লে তেওঁক "থুপুৰী" বুলি হুহাঁ হৈছিল। প্ৰাচীন অসমত প্ৰচলিত "তন্তুবায়" শব্দটি পাছলৈ হয়তো আহোম যুগত "তাঁতী" হৈছিল। অসমৰ তাঁতশালবোৰ সাধাৰণতে দুটা ভাগত বিভক্ত আছিল। এটা হ'ল চাৰি খুটা পোতা তাঁতশাল আনটো হ'ল-কৰ্কালত লোৱা তাঁতশাল। জনজাতি সকলৰ মাজতো তাঁতশালৰ কথা পোৱা যায়।

আহোম স্বৰ্গদেও সকলৰ পৃষ্ঠপোষকতাত অসমৰ শিপিনীসকলে বিশেষ সুবিধা লাভ কৰিছিল। ৰাণী ফুলেশ্বৰী এগৰাকী সুন্দৰ শিপিনী আছিল। অসমৰ শিপিনীয়ে কাপোৰ ওপৰত সুন্দৰকৈ ফুল বঁচা, বুটা কৰা, গুণা কৰা কামবোৰ কৰিব পাৰিছিল। পাছলৈ বঙ্গ দেশৰ মুছলিম শাসক সকলৰ লগত সম্পৰ্ক স্থাপন হোৱাত অসমৰ বাহিৰৰ তাঁতী অসমলৈ আহিছিল। পাছলৈ তেওঁলোকৰ পৰা "গুণা" কাম কৰা "গুণাকটিয়া"ৰ সৃষ্টি হৈছিল। আহোম যুগৰ বৈষ্ণৱী সাহিত্যসমূহো বয়ন শিল্পৰ কথা জানিব পাৰি। মহাপুৰুষ শঙ্কৰদেৱে "চিহ্নযাত্ৰা" ভাওনাত "সাত বৈকুণ্ঠৰ পথ" কাপোৰত আঁকি দেখুৱাইছিল।

আহোম যুগৰ বয়ন শিল্পত- পৰ্বত, ভৈয়ামৰ সকলো জাতি জনজাতিৰ সংমিশ্ৰণৰ প্ৰভাৱ পৰিছিল। আহোম স্বৰ্গদেও সকলৰ উদাৰ দৃষ্টিভংগীত বিভিন্ন জনজাতিৰ বস্ত্ৰসমূহ-অসমীয়া বস্ত্ৰৰ অংগ হৈ পৰিছিল।

আহোম যুগৰ বস্ত্ৰ সমূহৰ ভিতৰত চাদৰ, মেখেলা, ৰিহা, কথাঁ, চুৰিয়া, গামোচা ইত্যাদি বোৰেই প্ৰধান। কিন্তু বিভিন্ন চুৰিয়া যেনে- মেজাঙ্কৰী, চুৰিয়া, কাৰ্চিপৰ চুৰীয়া, চাদৰৰ ভিতৰত চেলেং চাদৰ, চোলা ভিতৰত গোমচেঙৰ চোলা ইত্যাদিবোৰ আছিল। আহোম যুগৰ কাপোৰ বোৰত বিভিন্ন ৰঙক পদাৰ্থ ব্যৱহাৰ কৰি ৰং কৰা হৈছিল। অসমৰ বিভিন্ন গছ-গছনিৰ ছাল, পাত, আঠা ইত্যাদিৰ পৰা ৰং সৃষ্টি কৰা হৈছিল আৰু সেইবোৰ কাপোৰত লগোৱা হৈছিল। সাধাৰণতে লা, নীল, আচুগছ, মজাঠি, কেন্দুগছ, লেটেকু ইত্যাদিৰ পৰা ৰং তৈয়াৰ কৰা হৈছিল। কাপোৰৰ উপৰিও মাছ ধৰা জাল, অন্যান্য সূতা জাতীয় বস্তুত ৰং লগোৱা হৈছিল। বিভিন্ন জনজাতি সকলে কাপোৰত ব্যৱহাৰ কৰা ৰং অসমীয়া সমাজতো বহুলভাৱে প্ৰচলিত হ'বলৈ ধৰে।

মুঠতে দেখা যায় যে আহোম যুগতো অন্যান্য সামাজিক বিকাশৰ লগতে বয়ন শিল্পই বিশেষ প্ৰসাৰ লাভ কৰিছিল, যাৰ দ্বাৰা অসমীয়া সংস্কৃতি আৰু উন্নত হৈছিল।

❖❖❖

# পুৰণি অসমৰ খেল-ধেমালি

— চয়নিকা বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

খেল-ধেমালি জনসাধাৰণৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। পৃথিৱীৰ মানুহ জাতিৰ জন্মৰে পৰা সকলো ঠাইতে সকলো সময়তে মানুহে খেল ধেমালি কৰি আহিছে। এসময়ত আমাৰ দেশত বহুতো খেল ধেমালি আছিল যিবিলাক হয়তো আমাৰ মানুহে খেলিবলৈ বা কৰিবলৈ একেবাৰেই এৰি পেলালে। অৱশ্যে অকল যে খেল ধেমালিহে এৰিলে এনে নহয় আৰু বহুত কথা এৰিলে। এতিয়া পুৰণি খেল ধেমালিৰ নিয়ম পাহৰাই নহয় একেবাৰে খেলৰ নাম পৰ্যন্ত মনৰ পৰা এৰা পৰিল। বিয়া নাম, বিহু নাম, নিচুকণি গীত আদিৰ দৰেই অসমীয়া জাতীয় জীৱন আগুৰি থকা খেল-ধেমালিৰ গীতবোৰো বিশেষ মন কৰিবলগীয়া। আনবোৰ মৌখিক সাহিত্যৰ দৰেই বিভিন্ন খেল-ধেমালিৰ অজস্ৰ গীত মুখে মুখেই যুগে যুগে বাগৰি আহিছে। ক'ত, কেতিয়া, কেনেকৈ এইবোৰ গীতেই প্ৰতিজনৰে জীৱনৰ ৰাতিপুৱাখিনিত ৰহণ বুলাই আহিছে। সৰুতেই ৰাতিপুৱাৰ ৰ'দ কাঁচলিত জুমপাতি বহি আইতাই শিকাই দিয়া মতে –

"তাই বাই, লোণে মাছে সানি পুটকি খায়
এটোপা তুমি খোৱা, এটোপা তেওঁ খক,
এটোপা সৌ তেওঁ খক
এইয়া গৰখীয়ালৈ থক।
তই যা খৰিলৈ, তই যা পানীলৈ,
তই যা মাছলৈ বুঢ়া ঘৰ ৰখীয়া থক।
গৰখীয়া আহিছে দুৱাৰ মেল,
দুৱাৰ মেল নাই!
কি হ'ল? কোনে খালে?
তই খালি নে? নাই। তই খালি নে নাই
তেনে বুঢ়াই খালে।
ধৰ বুঢ়াক মাৰো কিল, কিয় খালে দৈ, সৰ।
বৰ ঘৰৰ মেকুৰী সৰু ঘৰলৈ যায়।
ঢাকোপ পেলাই পঁইতা খায়।
ভাকুট্ কুট্ কুট্ কুট্ কুট্।"

– বোলা এই খেলটো অসমীয়া শতকৰা নবৈজনে জানো খেলা নাছিল। আহোম সকলৰ ৰাজত্বৰ দিনত স্বৰ্গদেও সকলে বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত কৰি সেইবিলাক উপভোগ কৰিছিল। এই খেলবিলাকৰ ভিতৰত ম'হৈকে শেনৰ খেল, হাতীৰ যুঁজ, ম'হৰ

যুঁজ, মানুহৰ যুঁজ আদিয়েই প্ৰধান।

ম'হৰ যুঁজ এটা সৰবৰহী খেল আছিল। উজনি অসমত প্ৰচলিত বিশেষকৈ ব'হাগ বিহুৰ সময়ত খেলা এটা লাভজনক খেল হ'ল কণী যুঁজ। ইয়াৰ পিছতে ঢাল পাতি খেলা এবিধ খেল হ'ল কড়ি খেল। কিছুমান ঠাইত এই খেল কেইবিধৰ জনপ্ৰিয়তা এতিয়াও কমা নাই।

পুৰণি অসমত অকণিহঁতৰ মাজত কিছুমান জনপ্ৰিয় খেল আছিল। তাৰ ভিতৰত দ'ল খেল, হেতালী খেল আদি উল্লেখযোগ্য। দ'ল খেলত এটাই হাতখন মুঠি মাৰি বুঢ়া আঙুলিটো থিয়কৈ লয়। তাতে আন এটাই সেইদৰে ধৰে। এনেকৈ চাৰি-পাঁচটাই ধৰি এটি সৰু দ'লৰ দৰে কৰি গায়—

"এইটো কাৰ দ'ল
ৰজাৰ দ'ল
ভাঙিব পায় নে নেপায়
নেপায়
ক'লীক মাতিমনে? নামাতিবা
বগীক মাতিমনে? নামাতিবা
ক'লী ঔচ, বগী ঔচ, ধেকেচ।"

হেতালি খেলত অকণিহঁতে প্ৰায়ে ঠেঁহ-পেচ, হাই-কাজিয়া লাগে। হাতত সৰু সৰু ৫/৬ টা গুটি লৈ ওপৰলৈ মাৰি এই খেলবিধ খেলে। এই খেলবিলাক ঠায়ে ঠায়ে বেলেগ বেলেগ নামেৰে জনা যায়। ইয়াত কোনো খৰচ নাই। জুমপাতি বহি মাটিত শাৰী শাৰীকৈ হাত পাতি এজনে গাই যোৱা 'উকুলি মুকুলি কুকুলি কাঁহী আদৌ দৌ ফুলৰ পাহি, আমপাতে চাম চেলাই, কঠাল পাতে হুৰহুৰায়, কি কি চৰাই, কি কি নাও, ইখন এৰি সিখন পাওঁ— খেলটোৰ কথাও এইখিনিতে উনুকিয়াব পাৰি।

কিছুমান খেল আছিল যিবোৰ বিশেষভাৱে ছোৱালী বিলাকে খেলে। যেনে- 'হেতালি' খেলাটো। এই খেলটো ছোৱালীবিলাকৰ একচেটিয়া খেল বুলি ক'ব পাৰি। ল'ৰাই গুটি খেল খেলিলেও শিলগুটি লৈ খেলা-হেতালি খেল ছোৱালীবোৰৰ মাজতহে বৰ ব্যাপক। পঢ়াশালিৰ পানী খোৱা চুটি, হেতালি খেলৰ গীতৰ সুৰীয়া সুৰেৰে মুখৰিত হয়। আনবিধ খেল হ'ল- ঢোপ খেল বা ৰুমাল খেল।

সেইদৰে কিছুমান খেল আছিল কেৱল ল'ৰাইহে খেলে। যেনে- টাংগুটি খেলা, চিলা উৰুৱায়, ঘিলা খেলা, ভৰি দাঙি কুকুৰা যুঁজ দিয়া আদি। কিছুমান খেল আছিল আকৌ কথাৰ চতুৰতাৰ পৰিচয়। কোনোবাই 'কি কথা' বুলি কিবা এটা সুধিলেই পোনেই আনটোৱে 'কি কথা' 'বেং কথা' 'কি বেং' 'পাত বেং' 'কি পাত' 'চাহ পাত' 'কি চাহ, 'থু খা" বুলি এফালৰ পৰা গাই গৈ কি কথা বুলি সোধোতাক ঠেঁট মুখ চেলেকায়। সৰু সৰু ল'ৰা-ছোৱালী বিলাকে আগতে কিছুমান ওমলা গীত গাইছিল। যিবোৰ আজিকালি প্ৰায়ে শুনিবলৈ পোৱা নাযায়। যেনে- "বগলী এ সবাহলে নগলি কিয়, গৈছিলো গৈছিলো, বাটতে বৰষুণে পালে, এঘৰৰ ঘৰতে সোমাব খুজিলো, চেং দৈ কুকুৰে খালে, ছেই কুকুৰ ছেই নাহিবি জপনা দেই, বাঁহৰ মূঢ়া, বগৰীৰ গুড়া, ক'ৰ পৰা আহিছ চকু চেলোৱা বুঢ়া।" আগৰ দিনত ককাক আইতাকৰ লগত সাধু শুনি মুকলিত বহি থাকোতে যেতিয়া জোনবাইটো দেখে, তেতিয়াই সিহঁতে গাইছিল, "জোনবাই এ বেজী এটি দিয়া, বেজীনো কেলৈ, মোনা সীবলৈ, মোনানো কেলৈ, ধন ভৰাবলৈ, ধননো কেলৈ, হাতী কিনিবলৈ, হাতীত উঠিলে কি হয়, বৰ মানুহ হয়।"

অকণিহঁতে খেলত হাৰিলে বা কোনোবাই অইনায় (অন্যায়) কৰিলে কয়— "আজিৰ পৰা তোৰ লগত নেখেলোঁ আৰু।"

বহু সমাজত খেল-ধেমালি পূজাৰ অঙ্গবিশেষ। পুৰণি অসমত প্ৰচলিত এই খেল সমূহৰ লগত জাতীয় জীৱনৰ বহুতো দিশ সাঙুৰ খাই আছে। কিন্তু বৰ্তমান সময়ত অনা অসমীয়া আৰু বিদেশী খেলবিলাকে নগৰতে নালাগে গাঁৱে-ভুঞে সকলোতে মন জয় কৰি ল'লে। কিছুমান খেল বৰ্তমান নতুনকৈ সোমাই পুৰণি খেলবোৰৰ চৰ্চা নাইকিয়া কৰি পেলাইছে। ফলস্বৰূপে আমাৰ এই পুৰণি খেলবিলাক আমাৰ সমাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। আজিকালিৰ ল'ৰা-ছোৱালীয়ে লুডু, চাইনীজ চেকাৰ, ক্ৰিকেট, ফুটবল, ভিডিঅ' গেম আদিক লৈয়ে ব্যস্ত হৈ থাকে। পৰ্বতে-ভৈয়ামে এইবোৰ খেলে গা কৰি উঠাত জাতীয় খেল-ধেমালিবোৰৰ চৰ্চা ক্ৰমান্বয়ে নাইকিয়া হৈ আহিছে আৰু এইবোৰ এদিন আমাৰ সমাজৰ পৰা নাইকিয়া হৈ যাব।

❖❖❖

# আচৰিত বৃক্ষ বাখৰ বেঙেনা

শ্ৰী চিম্পী হাতীমূৰীয়া
ৰাজনীতি বিভাগ
স্নাতক তৃতীয় বৰ্ষ

পৃথিৱীত বহুতো আচৰিত বস্তু ঠাই আছে। সেই ঠাই আৰু বস্তুবোৰ চাই মানুহে কেতিয়াও শেষ কৰিব নোৱাৰে। এই ঠাই আৰু বস্তুবোৰ চাবলৈ মানুহবোৰে সাত সাগৰ তেৰ নদী পাৰ হৈ যায়। এইবোৰৰ মাজতে কেতিয়াবা নিজৰ ওচৰতে থকা কিছুমান ঠাই বা বস্তু চাবলৈ থাকি যায়। ঠিক তেনে এটা আচৰিত বস্তু অসমৰ শিৱসাগৰ জিলাৰ বকতা মৌজাত আছে যাৰ নাম 'বাখৰ বেঙেনা'।

বৰাহী সম্ৰাট মহা মাণিক্যৰ দিনতে ৰোপন কৰা এই বৃক্ষজোপা বৰ্তমানো জীয়াই আছে। বৰাহী সম্ৰাট মহা মাণিক্যই ৰোপন কৰা এই বৃক্ষজোপা সকলো কবি, সাহিত্যিক, উদ্ভিদ বিজ্ঞানী লগতে সকলো মানুহৰে আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। এই বাখৰ বেঙেনা গছজোপাৰ নামতেই বাখৰ বেঙেনা স্কুল আৰু নানা ধৰণৰ অনুষ্ঠান আছে। গছজোপাৰ ওচৰতে আছে ধনেধানে এটা জান। গছজোপাৰ চাৰিওফালৰ পৰিৱেশ অতি মনোৰম।

আহোম ৰজা স্বৰ্গদেউ চুহুংমুং বা দিহিঙীয়াৰ ৰাজধানী আছিল বকতা নগৰী। দিচাং নৈৰ পাৰত অৱস্থিত বকতা এটা ডাঙৰ মৌজা। এই বকতা মৌজাৰ মাজ মজিয়াত বাখৰ বেঙেনা বৃক্ষৰ অৱস্থিত। আচৰিত বৃক্ষ বাখৰ বেঙেনাৰ বৰ্ণনা সাধাৰণ বেঙেনাৰ দৰে নহয়। ডাল-পাত, ফল, ফুল শাখা-প্ৰশাখাযুক্ত সকলোবিলাক লক্ষণ এজোপা গছৰ নিচিনা। গছজোপা ৩০ ফুট ওখ। মূল গুৰিৰ পৰা ৯ ডাল হৈ গৈছে। গছজোপাৰ পাতবোৰ মিহি আৰু বহল গছজোপাৰ ছালবোৰ ডাঠ। অন্য গছৰ নিচিনাকৈ শীতকালত ইয়াৰ পাতবোৰ সৰি যায়। বসন্তৰ আগমনৰ লগে লগে পুনৰ নতুন কুঁহিপাত ওলায়। বাখৰ বেঙেনা ফুলবোৰ বগা। বাখৰ বেঙেনাৰ গাত ৰ'দ পৰিলে বাখৰৰ দৰে জিলিকি উঠে।

নিসংগ আৰু নীৰৱতা অৱলম্বন কৰি তপস্যা কৰি থকা ঋষিৰ দৰে এই বৃক্ষই আমাক ইতিহাসৰ বিভিন্ন পাতলৈ ঘূৰাই লৈ যায়। গছজোপাৰ ইতিহাস অনুসৰি দ্বাদশ শতিকাৰ মধ্যভাগত বৰাহী সকলৰ শক্তিশালী ৰজা আছিল মহামানিক্য। তেওঁ পৰাক্ৰম গুণ, যশ সমগ্ৰ অসম তথা চীন, থাইলেণ্ড আদিত বিয়পি পৰিছিল। চীনা সম্ৰাটে ৰজা মহামানিক্যক এই বাখৰবেঙেনা পুলিটো উপহাৰ হিচাপে দিছিল। মহামানিক্যই এই বাখৰবেঙেনা পুলিটো ৰোপন কৰিবলৈ আদেশ দিয়ে আৰু নিজে আহি পুলিটো দীৰ্ঘজীৱি হবলৈ আৰ্শীবাদ দিয়ে। এই আৰ্শীবাদৰ কাৰণেকেই আমি এই গছজোপা বৰ্তমান দেখিবলৈ পাইছো। বৰ্তমান চীনত এই গছজোপা লুপ্ত পাইছে।

দেশ-বিদেশৰ পৰ্য্যটকৰ আকষৰ্ণৰ কেন্দ্ৰ হৈ পৰিছে এই বাখৰ বেঙেনা গছজোপা। ভাৰতৰ বাহিৰৰ বহুতো বিজ্ঞানীয়ে এই গছজোপাৰ ওপৰত গৱেষণা চলাইছে। বৰ্তমান ইয়াৰ কোনো পুলি বা গুটি উলিয়াব পৰা নাই। বাখৰবেঙেনা অন্য গছৰ তুলনাত এক সন্মানীয় স্থান অধিকাৰ কৰিছে। বহুত শ-শ বছৰ পাৰ হৈ গ'ল বাখৰ বেঙেনা কিন্তু ডাল-পাত মেলি একেই আছে। বাখৰ পিন্ধোৱা বেঙেনাৰ দৰে গুটি লাগে, কিন্তু পুলি পোখা নাই। বাখৰ বেঙেনাই বংশবৃদ্ধি নকৰে হেনো পৃথিৱীত ই অকলেই থাকি যাব।

পৃথিৱীৰ পৰা বৰ্তমান বহুতো বস্তু লুপ্ত হবলৈ ধৰিছে। গতিকে বাখৰ বেঙেনা দৰে এজোপা আচৰিত বৃক্ষ সংৰক্ষণ কৰাটো সকলোৰে দায়িত্ব আৰু কৰ্তব্য। বৰ্তমান চৰকাৰে গছজোপা সংৰক্ষণৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

ះះះះះះះះះ

# INDIAN CULTURE *and Its Basis*

- **Rinki Lahori**
B.A. 2nd Year (Arts)

Liturally culture means a nations or individuals ways of looking at things or general approach towards life as a whole. 'Culture' is frequently used expression in our life and world at large. Culture of a nation is something that represent the spirit and ideals.

Indian culture is the spirit that breathes through this most ancient country's numerous works of art and science. It includes truths or principles which have been sought to be enunciated by great literature. Progress of a country is also dependent on the culture and tradition.

The culture of India has always had its basis in a state of godliness or other worldliness in man. It has ever insisted on the cultivation of qualities by individuals conclusive towards the growth of such a state in them. Purity of character and devotion to truth have always been given priority among human virtues which the Indian educational system from very ancient times has taken care to develop in young pupils. Love of mankind is another virtue conducive to godliness whos cultivation has also been encouraged by the sage and hernits.

An outstanding characteristics of Indian culture is its gospel of Tolerance and Liberalism. As a matter of fact, Indian culture of later times enriched itself greatly by assimilating within its own system the finest things out of the foreign cultures.

❖❖❖

# ABILITY, BOLDNESS & COURAGE (ABC) ARE THE *Key to Success*

– Miss Nayana Boruah
H.S. 1st Year (Arts)

Nothing is ever achieved without hard work, preserverance, commitment and enthusiasm. Remember that what appears to be an overnight success takes so many long years. We strive for success, an undefined term, but it means a long journey of life with the stoppages of achievements. Self- confidence help us to take big studies.

In school we learnt a small poem by Heaut:

Row row row your boat,
Gently down the stream.
Merrily, merrily merrily,
Life is but a dream.

But we understand the moral of this poem only when we step in this competitive world. We have to row the boat of our life in the right direction to cross the stream of struggles and reach the final destination to achieve the desired goals. We have to overcome all the ups and downs of life to emerge a winner. In kindergarten we are taught the ABC..........of English language as we grow up we experience ABC of success, hence forth of life. Ability, Boldness and Courage are the ABC of success. These are the core qualities required to be an achiever. Any successful person on this earth will emphatically have these qualities in him/her.

Life is like a game. Play the game with sportsmanship

not on the ground but in life too. One of the aims in his life is ability. Abilitya human quality of being able to perform : Nobody is perfect is all the activities. Nobody is perfect is an activity he/she is interested in.

Boldness comes from with when he have confidence in our ability to accomplish a goal, when we are honest to our soul and when we are ready to take challenges in our stride. Having confidence in oneself is the most important ingredient to achieve success.

There are two types of winners in this world. First type of winners do ordinary things in extra ordinary manner and second type of winners do what losers don't do. Winners seek opportunities even during adversities whereas a normal man spends time finding solutions to problems. These winners have developed practicality of mind to interpret problems faced by them. Collecting pearl from the sea is not an easy task. These do not float on water surface. Standing at the beach and desiring for the pearls is of no use. To obtain them, we have to dive into deep sea putting our life to danger. To take a step in a different direction than others in right manner art right time and at right place is the first step towards success. Risk & success always go paralled. It is a simple theory of economics that 'No risk, no gain and higher the risk, higher the gain'. Again courage is a quality which can be developed by having thorough knowledge of subjects, undertaking the problem properly thinking laterally and believing in ourselves.

When the ABC of success are found as quality in any person bright fortune is near by, waiting for grand achievement. Achieving these qualities, Heralds a new beginning in ones life towards the path of glory. It will bring feelings of pride to ones colleagues, relation and ultimately one's country.

So, from now onwards, let us try to have confidence that we also became successful in the journey of our life in this competitivs world without looking back.

❖❖❖

# N.C.C. AND THE PERSONALITY

— Mamu Gogoi
11 Assam Girls NCC (I) Coy NCC

It is said thst "Today's youth is tomorrow's promising citizen." Youth strength is the nation's strength. It is in the youth force that we foresee the future of any country, but then, how will this youth force. get the required inspiration to emerge as a worth while force to face the challenge of the changing and fast moving facets of society or a nationalas a society, in a nutsheel who and where can the youth get hc capsure that has all qualitative and quantitative mourishment so that the youth faces the challenges of the world with needed strength and courage and confidence so that his/her country is proud of him/her? with ease I will say that is the "National Cadet Crops" that is the one and the only, one organisation which can contribute to overall grooming and development of life skills of the youth.

The main task of the NCC is to build a strong youth force that aims at "Nation Building". A cadet, apart from his/her academic achievements achieves much more at the district, state, national and international level, in various types of challenging competitions both as individuals and in groups. The communication skill of the cadet is also developed so that he/she can strive and live in any nook and corner of the world.

Disciplined officers and instructors (JOCs and NCOs) of our Defence Force along with the Asociate NCC Officers impart the necessary training to the cadets. It may be in the highly urban cities, or in the remotest villages, but the quality of training remains the same, thus bringing city and village together.

A human being without discipline and good character is worse than a beast. To guide even the disciplined populace with good character, we need able leaders. Then, to have a powerful country, we need a force of discliplined and trained manpower. It is also needed to protect the country in any national emergency. To imbibe high qualities we have to provide a worthy training which can impare high values of national importance. This training is very effectively provided by NCC.

The aims of NCC which are based on the above mentioned points form the perfect general to channelise the potentials of youth at a yery youngh age. No law can be effective unless it is obeyed without punctuality discipline cannot be maintained. Harel Work without fees,

only can see progress. Lies and excuses can never build a strong nation. NCC enables the cadets to learn obedience with a swele and to work hard by being punctual. Excuses and lies are never entertained. It is only the NCC that co-ordinates and imparts these practical training to the selected youth. The summary of this wonderful organisation is very best known in its aims only.

Training in drill imbibes in the cadets a sense of discipline, better bearing smart appearance, self confidence and immediate obedience to orders. Weapon training teaches the cadets precision, accuracy, co-ordination of body movements, patience and confidence, all combine to make the cadet a better individual in public life. Leadership training develops a sense of duty, high integricty, good knowledge of profession and consideration of people under him/her. Training in Civil Defence imparts to the cadets a sense of protective responsibility, especially in times of war. They learn methods of saving life, reducing destruction and keeping up the morale of the people in disaster. Training in first aid and home nursing, enables a cadet to give imme-diate medical attention with the available material to a person who is in need. Hence, this instills a spirits of responsibility and conficence. Training in hygiene and sanitation gives us a knowledge based on scientific requirements for better health of self and others. Training in unarmed conbat enables cadet to defend himself/herself when unarmed against attacks made by armed as well as unarmed opponents. This increases self condidence posture training helps the cadets to have a better body structure and a good personality. This also contributes to a healthy body.

In addition, the NCC also involves itself in activities like outdoor camps - adventure, training camps like mountaineering, trekking, cycle and motor expeditions, water sports, besides social service like tree plantation, blood and eye donation, anti-dowry pledges, literacy services etc.

The NCC also offers incentives for national and international exposure to the cadets in order to give them an opportunity to bring out their hidden potentials through the "Youth Echange Programmes" in UK, Canada, Singapore, Bangladesh and Sri Lanka; "Duke of Edin burgh's Awards Scheme; National Integration Camp, Foreign Cruises or Naval Cadets, Para Sailing and of Course the Republic Day Camp at the national level.

The people or cadets who attends NIC Camps can be proud that he/she has a friend in every corner of this nation.

We should be proud of such an organisation. But not only feeling proud, we have to exercise all that we learnt in NCC to improve the national scenario. We have to pledge to make our force the strongest missile force that can bring the people of our country together to feel that we are all one and the all belong to one another that is "INDIA".

Only NCC can make us hope for a united and strong India through its commitment to integrated, innovative training programme.

So, let us say "Long Live N.C.C."

"JAI HINDI"

❖❖❖

# BEHAVIOUR OF TECH-USERS

Miss Riya Dey
TDC 2nd Year

The word 'science', itself is a very demanding word in our daily life. Science has great significance for today's generation. Now a days, people are more dependent upon science, especially the urban people rather than rural people. The discoveries of science have tought us to save time and energy. It helps us to do work in shorter time with less physical strain. Now, let us move towards the invention of science and technology.

Technology have made a huge difference to our lives and it has almost changed a lot of things in our lives. But, it doesn't mean that everything it has thouched have turned into precious stones. One of the obvious things that the tech-haters love to do is simply complain about how to criticize the advent of better technology, especially in the field of communication which has great influence in today's atmosphere. On the other hand, the tech-lovers consider these complains to be the fevered complains of the older generation whose time has passed and who doesnot want to get intimate with the terms like 'New Techno Age' and its various functions as well as its culture.

This is the truth that the technology has allowed us to keep in touch with each other for more easily and efficiently. But there are times when the people using gadgets start misusing them and doesnot end up indulging in this type of behaviour. Thus, this causes offence to all those around them. There are some of the misbehavior of using gadgets users.

Firstly, using gadgets unnecessarily in the meetings or in the events, makes others sitting around irritated and uncomfortable, specially in the case of using cell phones and any loud music systems like ipod, F.M. Radio etc.

Secondly, putting the gizmos in loud, the phone and other gadgets which are on loud makes the atmosphere polluted and cause noise pollution.

Thirdly, the mania of clicking photographs, a lot of people seems to think that posessing a camera gives them right to click pictures of just about anybody at any place. This happens to those people who holds for the first time. The click-aholics never realise that this is a part of crime and for this act he/her can be charged, fined or can be dragged to the court.

Fourthly, the use of worse grammar or the English language, the people whoever send messages through phones or email often creats miscommunication. The grammar or language, sometims shock the recipients.

So, in the end, I like to suggest that people should undertake gadgets, if he/she knows how to use and handle it. If this happens, only then the embarassing blunders in the world of technology can be avoided or can be removed. Then, it can be said that-

"Inventions of science is the greatest boon in our lives."

❖❖❖

# শব্দ শিল্প

"চুটিগল্প এচকল জীৱন।"



"উপন্যাস যদি এটা অজগৰ;
চুটিগল্প এটি পাখিলাহী পখিলা।"

# আশ্ৰয়

— শ্ৰীমতী ৰিজু বৰগোহাঁই
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ

বিজুলী ঢেৰেকণিয়ে গোটেই পৃথিৱী উন্মাদ কৰি তুলিছিল। গুৰুম; গুৰুম মেঘৰ গাজনিয়ে চঞ্চল কৰি তুলিছিল আকাশ-পাতাল। চাৰিওফালে বিজুলী ঢেৰেকণিয়ে পোহৰাই তুলিছি চকা-মকাকৈ। প্ৰকৃতি সেই উন্মাদিনা ৰূপত সঁচাকৈয়ে ভয় খাইছিল বহুতে। কিহবাৰ আনন্দৰ আতিশয্যত নে........বিষাদৰ বন্যাত বেছিকৈ প্ৰকৃতিৰ চঞ্চলতা দেখা গৈছিল নেকি বাৰু............। এনে এটা সময়তে আটোম-টোকাৰিকৈ বন্ধা ঘৰৰ পৰা পৃথিৱীৰ চঞ্চল উজ্জলতা ফালি ভাঁহি উঠিছিল এষাৰ মাত। কোনে মাতিছিল বাৰু সেই ৰাতিৰ নিস্তব্ধতা ভাঙি............ কোনে............?

ঃ পোনাকণ, অ' পোনাকণ শুনিছনে........পৌ.........না..........বোৱাৰীৰ গাটো বৰ বেয়া হৈছে অ' বেছিকৈয়ে বেয়া হৈছে সোনকালে হস্পিতেললৈ..........। ...........পৃথিৱীৰ চঞ্চলতা ভেদ কৰা সেই মাতষাৰ মোৰ আইতাৰ আছিল। মনত সংশয় আৰু সাহস মিশ্ৰিত মন একোটালৈ সেই কালিকা লগা, মায়াবিনী ৰাতিয়েই দেউতাৰ সৈতে আমি হস্পিতেল অভিমুখে গাড়ীত বহিলোহি। আমি........আমি মানে মা, দেউতা, আইতা......আৰু.........আৰু কোনেও নেদেখা স্থানত লুকাই গাড়ীত উঠিছিলো আৰু নিৰ্দিষ্ট ঠাই পাইছিলোগৈ। তেতিয়াই মই লুকাই চুৰকৈয়ে মায়া-মোহৰ বান্ধোনত বান্ধ খাইছিলো।......... বিচাৰিছিলো সংসাৰৰ পোহৰ.......য'ত মই আজীৱন কটাবলৈ ইচ্ছুক আছিলো। মোৰ ইচ্ছানুসৰিয়ে মই সংসাৰ বান্ধোনত সোমাবলৈ পোহৰ পাইছিলো........মাত্ৰ কেইটামান ক্ষণৰ পাচতেই।

পৃথিৱীত প্ৰথম আগমণৰ দিন আছিল............. মোৰ আগমণ ঘটিছিল পৃথিৱীলৈ.........মোৰ আগমণ..............তেতিয়ালৈ চঞ্চল পৃথিৱী শান্ত হৈ পৰিছিল, উন্মাদিনী ধৰাই সৌম ৰূপ ধাৰণ কৰিছিল। মোৰ প্ৰতীক্ষাতেই আছিল নেকি চঞ্চল ৰূপ লৈ? ..........প্ৰথম কান্দিছিলো চিঞৰি চিঞৰি সুখতেইনে দুখতেই.........ওহো এতিয়া একো ক'ব নোৱাৰিম। তেতিয়ায়ে দেউতাৰ মুখত আনন্দত হাঁহি থুপ খাইছিল। সেই কথাত কোনো সন্দেহ নাই। কিন্তু............... আইতাৰ সৰল সহজ মুখমণ্ডলত বিৰিঙিছিল নে অনাকাংক্ষিত আলহি আগমণৰ এমোকোৰা হাঁহি......... নাই নাছিল সেই দেউতাৰ দৰে আনন্দৰ হাঁহি মোৰ আইতাৰ মুখত, সেইয়া মই জানো কাৰণ মোৰ আগমণতে তেওঁৰ হৃদয়ত বিষাদে খোপনি পুতিলে। আৰু মোৰ চেনেহী মাৰ মুখত সেই একেই সলাজ তৃপ্তিৰ হাঁহি........ঠিক বাইদেউ পৃথিৱীত প্ৰথম আগমণৰ দিনৰ দৰে। তথাপিও মই নজনা নহয় সেই হাঁহিতো বিষাদ মিহলি হৈ আছিল। ...........এনেদৰে মই মায়া-মোহৰ বান্ধোনত সোমাই পৰিছিলো। .........এয়া মোৰ জনমৰ আদিম পুৱাৰ সময় আছিল...........পোহৰৰ সৈতে প্ৰথম চিনাকী হোৱাৰ সময়............।

তা তা........আইমণি চাও উঠা উঠা তা তা কৰা আকৌ....... ইচ ৰাম পৰি দিছা কেলেই ঃ...........। কেৱল কোচতে থাকিব খোজা মইজনীক মায়ে এনেদৰে খোজকঢ়াৰ আদি পাঠ শিকায়............ শিকাবলৈ লয়। কিন্তু দেউতাই মাটিৰ পৰা মোক কোঁচত তুলি মাৰ ফালে ঘোপাকৈ চায় উচ্চ স্বৰে কয়...........

ঃ তুমিও যে আৰু এই খোজ কাঢ়িব নোখোজা, বয়স নোহোৱা ছোৱালীজনী কিয় জোৰকৈ তা তা কৰাইছা। আইমণি মোৰ লগতে কোচতে থাকিব...... চাওঁ চাওঁ অকণমানি ভৰি দুখন তেনেই লেতেৰা কৰিলা দেখোন; যোৱাচোন কাপোৰ এডোখৰ আনি মচি দিয়া......... নহ'লে ময়ে মোহাৰি দিওঁ লৈ আনা। এনেদৰে মাক আদেশ দি থেলথেনাই থকা

মইজনীক ফুচুলাই ৰং বিৰংৰ পুতলা দি কয় ঃ তৰা লাগিব নেকি....? বাহিৰলৈ আনি জোনবাই দেখুৱাই..........ওহো তেতিয়াতো মই নাজানোৱে জোনবাই কি তৰা কি............. মাথো মূৰ জোকাৰিছিলো। তাতেই দেউতা মায়ে হাঁহিছিল............. কিন্তু মায়ে অন্তৰৰ পৰা হাঁহিছিল নে............. আইতাৰ দৰে তেওঁৰো হয়তো মোৰ আগমণতে অন্তৰত বিষাদে খোপনি পুতিছিল। ............. সেইয়া মোৰ থুপুক-থাপাকৈ খোজ পেলোৱাৰ সময়, চকু পতা বহলকৈ মেলি অচিনাকী চৌপাশক চোৱাৰ সময়।

ঃঃঃঃঃ

ঢপলিয়াই ঢপলিয়াই ধূলি মাকতি লৈ খেলি ঘূৰি ফুৰাৰ সময়, ধেমেলিয়া খন্তেকীয়া সোণালী শৈশৱৰ দিন আছিল তেতিয়া..........

আইতা, মাৰ নিৰ্দেশকো, আদেশকো আওকান কৰি খেল-ধেমালি কৰিয়েই বহু সময় সমনীয়াৰ সৈতে কটাইছিলো। কাণত যে বহুতো কথাই উফৰি পৰিছিল............ এইটো নকৰিবি সেইটো নকৰিবি। এনেকৈ নাপায় তেনেকৈ নাপায়, কেইদিনমানৰ পাছত গাভৰুৱে হ'বি.....। অকল হকা-বাধা.....। চাৰিওফালে অদৃশ্য লক্ষ্মণ ৰেখা আঁকি মোক বান্ধোনে বান্ধি ছোৱালী হোৱাৰ কথা প্ৰতি মুহূৰ্ততে সোঁৱৰাই দিছিল। মাৰ, আইতাৰ কথা নুশুনি ল'ৰা সমনীয়াৰ সৈতে এদিন গছত বগোৱাৰ অপৰাধত জোখত কৈ কমেই শাস্ত পাইছিলো, তথাপিও ওলাইছিল শোকৰ চকুলো। চকুলো মচি দি অভিমানত থকা মইজনীক দেউতাই এটেপা-দুটেপাকৈ খুৱাইছিল ভোকৰ ভাত গৰাহ। দেউতাৰ মৰমতে মাৰ ফালে পিঠি দি উচুপিছিলো দেউতাৰ বহল বুকুৰ মাজত সোমাই। য'ত আছিল নিৰাপত্তা মৰমৰ আৱেষ্টনী, য'ত হয়তো ক্ষমা আছিল ছোৱালী হৈ জন্ম লোৱাৰ দোষৰ।

এদিন ধৰা পৰিছিলো বৰ দুখলগাকৈ। মই হেনো গাভৰু হ'লো............ সূৰ্য্যৰ পোহৰ নপৰা, পুৰুষ মুখ নেদেখা, কোঠাৰ চুক এটাত আন্ধাৰে-মুন্ধাৰে খেপিয়ালো কৈশোৰৰ এৰি অহা বাট..........কিন্তু তাৰ পৰিবৰ্ত্তে যৌৱনৰ জোনাকী বাটেহে ৰিঙিয়াই মাতিলে। সেই আলি দোমোজাত দেউতাৰ চিনাকী মুখখনো সাত দিন মানলৈকে নেদেখিলো। বহুদিনৰলৈকে খংত নে অভিমানত দেউতাৰ লগত সহজ হ'ব নোৱাৰিলো।

......... কাৰণ এটাই, দেউতাই নো কিয় বাৰু মোক অকলশৰে আওঁহতীয়া চুকত বন্দী কৰিবলৈ দিলে। তেওঁ জানো মৰমৰ আইমণিক কাষত নোলোৱাকৈ শুব পাৰিছে। ......... ওহো উত্তৰবোৰ বহু দিনলৈকে নাপালোৱেই। বুজিলো জোনাকী যৌৱনৰ, দুৱাৰডলিত ভৰি দিলোহি আন্ধাৰ বাটেৰে, কিছু ভয়, সংকোচ আৰু অনামী লাজ লৈ............। আয়তীৰ ওৰুলীয়ে মনটোত হাহাকাৰ লগালে। কিবা হেৰুৱাৰ আশংকাত। সাজ ভাঙিছিল, নানা ধৰণৰ বাধা নিষেধেৰে মোক গাভৰু হোৱা অলিখিত চিনাকী পত্ৰ দিছিল। ............ কিমান দিনৰনো কথা ৰূপালী কৈশোৰ শেষৰ কথা........... যৌৱনৰ আগমণৰ কথা।

ঃঃঃঃঃঃ

চিনাকী সমনীয়াবোৰ, যিবোৰৰ সৈতে ৰজা, দৌল, ৰাণী দৌল বনাইছিলো; যাৰ সৈতে ওমলি জামলি দৰা-কইনা সাজিছিলো........., মাষ্টৰণী বাইদেউ, মাষ্টৰণী বাইদেউ খেলিছিলো সেই সমনীয়াবোৰ প্ৰায়ভাগেই হেৰাই গৈছিল........ খেলিবলৈ এৰাৰ অজুহাতত। মনটোৱে হাহাকাৰ কৰিছিল ৰিকু, মাইনা, ধন, অকণি, জীমনৰ সৈতে আকৌ খেলাৰ দিনবোৰ ওভতাই পাবলৈ............। তেতিয়াটো ল'ৰা সমনীয়াৰ সৈতে কথা পাতি ৰং ৰহইছ কৰাটো অপৰাধ হিচাপে স্বীকৃতি দিলেই। কাৰণ............... কাৰণ মই গাভৰু হ'লো........। কেনেকৈনো মই ভৰি দিলো যৌৱনৰ বাটত, য'ত মোৰ প্ৰিয়বোৰ হেৰুৱাই পেলালো........। পাহৰিয়েই গ'লো টাং গুটি, হেতালি, খো খো কাবাডি আদি খেলা মোৰ প্ৰিয় সমনীয়াবোৰও যে বহু আঁতৰি গৈছেগৈ লাহে লাহে....। একমাত্ৰ এটা অপৰাধেই মোক সকলোৰে পৰা নিলগাই ৰাখিলে সেয়া হ'ল মোৰ জন্ম.......... ছোৱালী হৈ জন্ম হোৱাৰ অপৰাধৰ শাস্তি পাইছো। জন্মও যে কাৰোবাৰ বাবে দুখৰ কাৰণ হ'ব পাৰে সেইয়া প্ৰথম বুজিলো। মা-আইতা বাইদেউৰ দৰে একে বাটেৰে মই যাব খোজা নাছিলো........... ব্যতিক্ৰম হ'ব খুজিছিলো তেতিয়াৰ পৰাই এটা প্ৰকাণ্ড জেদ ভাৱ আহিছিল মনলৈ, কিমান যে বাধা-নিষেধ........ তথাপিও স্কুলত ল'ৰাৰ সৈতে সমানে প্ৰতিযোগিতাবোৰ অংশ গ্ৰহণ কৰিছিলো। বহুতো কৃতিত্ব লুকাই চুৰকৈ লাভ কৰিলেও ছোৱালী হোৱা দুখটো সোঁৱৰাই দিছিল.......... চাৰিওফালৰ

পৰিৱেশে। কিয় ?......... কিয় প্ৰভেদ ল'ৰা-ছোৱালীৰ মাজত আনি দিলা বুলি চিঞৰি চিঞৰি সুধিবৰ মন যায় ভগৱান বোলা সেই অদৃশ্যময় ৰহস্যময় শক্তিক। ওহো নোসোধো কাৰণ উত্তৰ যে কোনো দিনেই তেওঁৰ পৰা নাপাওঁ। অৱশ্যে উত্তৰ পাইছিযলা। তথাপিও মনে নামানে, এনে প্ৰভেদক..........।

আইতাই দেউতাকে শুনাইছিল ঃ তয়েটো ছোৱালীজনীক মূৰত তুলিলি........, গোটেই জনী ল'ৰামতীয়া হ'ল। এদিন দেখিবি কলংক সানি ক'ৰবালৈ গুছি যাব। দেখা নাই এতিয়াই গুৰু গোসাঁই নমনা হ'ল...........।

.......... এনেকৈনো মৰমসনা আইতাই গালি বৰষিব পাৰে বুলি মই ভবা নাছিলো। মইতো আৰু ইমান উত্তগালি কৰা নাছিলো। কিয় মোক লৈ ইমান দুচিন্তা.........? মইতো ভাল ছোৱালী হ'বলৈ যত্ন নকৰা নহয়। ভাল ছোৱালীৰ, ঠিক মা, আইতা বাইদেউৰ দৰে গাত লম্বা ৰোগটোৱে মোৰ অন্তৰতো বিয়পিছিল। সেয়ে নিজৰ বিবেকৰ বিৰুদ্ধে যুঁজ কৰো, বিবেকৰ বিপৰীতে কাম কৰিবলৈ লওঁ তথাপিতো কিয় হাৰি যাওঁ কিয়........? এই প্ৰশ্নবোৰ লৈয়ে লুকাই চুৰকৈ কিবা কৰিলেও তাতো যে শান্তি নাই, কিয় মানসিক শান্তিত ব্যাঘাত জন্মাব বিচাৰে। এই কিয় বোৰৰ উত্তৰ বিচাৰি পঢ়াৰ টেবুলত বহী বোৰৰ আখৰবোৰ বিয়পি পৰে। জানো.......বুজো সেয়া ছোৱালীহোৱা দোষৰ শাস্তিৰ প্ৰতীক বিয়পে। মনটোৱে দেউতাৰ বহল বুকুত মূৰ গুজি কান্দিবলৈ হাহাকাৰ কৰি উঠে হেপাহ পলোৱাই এবাৰ উচুপিবলৈ......... সোধাৰ হেপাঁহ জন্মিছিল ঃ দেউতা আছেনে এতিয়াও তোমাৰ ওচৰত মোৰ ছোৱালী হৈ জন্ম লোৱা দোষৰ ক্ষমা? একোৱেই ক'ব নোৱাৰো দেউতা কাষত আহি ৰ'লহি, দেউতা আহে মোৰ কাষলৈ, একো যেন নাই হোৱা এনে ভাব লৈ। তথাপিও মই জানো ডাঠ চছমাৰ সিপাৰৰ দুচকুত দুখৰ চকুপানী দেখা নগ'লেও তাৰ যে অলপ হ'লেও ৰেখ থাকে এটি মিঠা হাঁহিৰ মাজতো। মূৰত সেই পুৰণি সাহস দি থকা হাতখন বুলাই কৈ যায় ভালদৰে পঢ়......... ভালদৰে............।

ছোৱালী হোৱাৰ দুখে আৱৰি থাকিলেও দেউতাৰ বুলনিতেই সাহস পাওঁ। নকৈ সপোন দেখো যাতে দেউতাই মোক লৈ আইতা আৰু মাৰ দৰে কেতিয়াও হীনমত্যতাত নুভোগে। জীৱনৰ প্ৰয়োজনীয় সকলো বিলাক দিশতে ক্ৰমে ক্ৰমে কৃতকাৰ্য্যতা লাভ কৰিছিলো........ কৰিবলৈ আৰম্ভ কৰিছিলো। বহুখিনি দুখ পাহৰিছিলো আঁতৰি গৈছিল শোকৰ চকুলোবোৰ। মোৰ দুহাতৰ কৰ্মৰ দ্বাৰা কৃতিত্বৰে উজলি উঠা মইজনী হতাশাত ভুগিব লগা নহৈছিল লাহে লাহে........।

ঃঃঃঃঃঃঃঃ

মেট্ৰিকৰ দেওনাত ভৰি দি কৃতকাৰ্য হ'বলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিলো। সুফলাফল আশা কৰাতকৈ বহুত ভাল হৈছিল। আইতাৰ মুখত এই প্ৰথম বিষাদৰ আৱিৰ নথকা হাঁতিহ দেখা পাইছিলো......... সৌভাগ্য ঘটিছিল বুলিলেয়েই ক'ব পাৰি। তথাপিও অলপ দুখ কৰি নিজৰ সহজ স্বীকাৰোক্তি দাঙি ধৰিছিল। ঃ ছোৱালী মানুহ যিমান পঢ়া শুনা কৰিলেও লোকৰ ঘৰত গৈ গেৰাৰি খাটিব লাগিব। ......... বুজিলো অইতাৰ মুখত অত' দিনৰ থকা বিষাদৰ আৱিৰৰ কাৰণ। হয়তো তেওঁৰো আছিল মোৰ দৰে এটা...........।

আকৌ পুৰণি ভাল ছোৱালী নাম পোৱাৰ ৰোগটোৱে হেঁচা মাৰিলেহি.......... মায়ে মোৰ সফলতাত চকুলো টুকিছিলনে নাই নাজানো কিন্তু তাত আনন্দ যে আছিল, .......... কোনো সন্দেহ নাই। হয়তো তেওঁ ভবাই নাছিল ছাগে তেওঁৰ সৃষ্টিৰেও যে পোহৰাব পাৰে বহুতৰ বিষাদ সনা মন.......।

মোৰ চেনেহৰ দেউতাই সেই পুৰণি মৰমেৰে বুকুত আকোঁৱালি লৈছিল, এনে লাগিছিল যেন দেউতাৰ বুকুখন গৰ্বত ফুলি উঠিছিল। তেওঁৰ বিশাল বুকুত মূৰ গুজি শুনিছিলো তেওঁ কোৱা অস্পষ্ট কথাকেইষাৰ ঃ আইমণি তই পাৰিবি আৰু আগুৱাই যা আই .......। ঠিকেই দেউতাৰ ওচৰত ছোৱালী হৈ জন্ম হৈ লোৱাৰ ক্ষমা থকাৰ বাবেই মই আগুৱাই যোৱাৰ সাহস পাইছো। ............. এয়া বকুলপুৰ নামৰ শুৱনি গাওঁখন এৰি অহাৰ সময়ৰ কথা আছিল, আঁতৰি অহাৰ সময় আছিল নাৰী হোৱা সুখ-দুখত চকুলো টোকা ঘৰখনক.......... মৰমৰ ঘৰখনক। এৰি অহা সময় আছিল............।

ঃঃঃঃঃঃঃঃঃঃ

দেউতাৰ কথা মতে বহু উচ্চাকাংক্ষা, সপোন লৈ প্ৰথমবাৰৰ বাবে ঘৰখনৰ বহু দূৰৈত পঢ়িবলৈ

আহিছিলো। মোক চিনি পাবলৈ আইতা মাৰ বহুতো সময় লাগিল। কিন্তু মোৰ দেউতাই..........। সেয়ে গাঁৱত এৰাৰ পৰত দেউতাই বিদায় দিবলৈ নিজৰ মনতে সাহস গোটাইছিল, সেই কথা মই জানো। মূৰত হাত বুলাই আগৰ দৰে সাহস দিছিল, সপোনবোৰৰ কথা কৈছিল কেৰিয়াৰ জখলাত বগাই গৈ আকাশৰ গভীৰতা চোৱাৰ কথা কৈছিল। বৰষুণ পৰিছিল এটুপি দুটুপিকৈ.......... নাজানো আকাশে কান্দিছিল নেকি মোৰ বিদায় বেলাত ঠিক মা আইতা, বাইদেউৰ দৰে লুকাই চুৰকৈ। তথাপি ধৰা পৰিছিল নে উপহাৰ যাচিছিল আকাশে প্ৰিয় বান্ধৱীৰ বিদায় বেলাত এজাক বৰষুণ.......... হেঁপাহৰ প্ৰিয় বৰষুণ। এনেদৰে আহিলো সকলোৰে পৰা বিদায় লৈ অচিনাকী এক পৰিৱেশলৈ; য'ত মোৰ বাবে বৈ আছিল বহু বিস্ময়, য'ত বোকা কেঁচা মাটিৰ গোন্ধ নাছিল; আছিল ব্যস্ততাৰ অবুজ ভাষাৰ গোন্ধবোৰ অপেক্ষাৰ ক্ষণ গতি গণি। তেতিয়ালৈকে.............. তেতিয়ালৈকে.............. অজান দুখবোৰ বিদায় মাগিছিল। ........ সেইয়া প্ৰথম কলেজত প্ৰৱেশ কৰাৰ সময়। তেতিয়াটো পুৰণি সাহসকণ বৈছিকৈহে বাঢ়িছিল। এনেদৰে দেউতাৰ সাহসত যোগ হৈছিল বহুতো সপোন। যিয়ে মোক আগুৱাবলৈ উৎসাহ যোগাইছিও। সমাজৰ ব্যতিক্ৰম হৈ নিদৰ্শন হোৱাৰ সাহস আৰু সমাজক পৰিপূৰ্ণকৈ সজাব পৰাকৈ পদক্ষেপ লোৱাৰ সাহস প্ৰদান কৰিছিল। এনেদৰে আগবাঢ়ি গৈ আছো মই........ এয়া আগবাঢ়ি লক্ষ্য স্থানত উপনীত হোৱাৰ সময়..........।

ঃঃঃঃঃঃঃঃ

মোৰ দৰে নিসংগতাৰে একাকীত্ব ভুগি থকা ৰোগীক যি সংগ নামৰ মহৌষধ বিধ দিয়ে। সি ভালপাই মই ভালপোৱাৰ দৰে বৰষুণ, আকাশ, বিশাল সাগৰৰ ৰূপ; জোনাকে ধোৱা গধূলি আৰু মিঠা সুবাস, মিঠা সুৰবোৰ আৰু........... আৰু বহুতো..........। সি কেন্টিনৰ টেবিলত ছিংৰাৰ সোৱাদ এৰি আৱতৰীয়া বৰষুণ জাকত তিতে; ছাদৰ ওপৰত বহি বিশাল নীল আকাশখন চায় কোমল, মিঠা সুৰবোৰ সৃষ্টি কৰি শুনাই, কবিতা কবিতা লগা কথাবোৰ কয় তথাপি ৰবিং নহওঁ। কাৰোবাৰ দুখত সমভাগী হৈ কান্দিব জানে সি, সুখত ধুঁহিৰে খলকনি তোলে। ফুটপাথৰ অনাথ শিশুক নিজৰ ভাগৰে আহাৰ যাচে আৰু কি কি যে নকৰে সি..........। সি কৈ যায় মই শুনি যাওঁ তাৰ কথা.......... সিও ব্যতিক্ৰম হ'ব খোজে উচ্ছৃংখল যুৱক-যুৱতীতকৈ নিদৰ্শন হ'ব খোজে........ সমাজৰ এক জলন্ত নিদৰ্শন...........। সস্তীয়া জনপ্ৰিয়তা তাৰ কাম্য নহয়, সি মাথো সমাজখন নিকা হোৱাটো বিচাৰে, সুন্দৰ ভাৱমূৰ্তি গঢ়ি উঠাতো বিচাৰে। সেয়ে সি সাধ্যনুযায়ী মানুহবোৰ হকে কাম কৰে; শিকাবলৈ বিচাৰে উচ্ছংখল মানুহবোৰক শান্তিৰ পৃথিৱীত কিদৰে সুৰ আৰু কবিতা হৈ নিজকে বিলীন কৰিব পাৰি। য'ত পক্ষীৰ কাকলিত সাৰ পায় প্ৰতিটো পুৱাই, য'ত গছে বনে কথা পাতে কাণে কাণে। নিৰ্ভয়ে জীৱ জন্তুৱে যাতে সপোন ৰচিব পাৰে অৰণ্যত, সি এনেকুৱাই..........। বহুতো অমিলৰ পিছতো বহুতো মিলে আমাৰ। কিন্তু তাৰ সেই সহজ মনোভাৱবোৰে ব্যক্ত কৰি দুখ প্ৰকাশ কৰে সাৰি যোৱাৰ ভয়ত..........। যিজনী ময়ে অষ্টমতে লিখি সামৰি থৈ দিয়া কবিতা, লেখা, গীতবোৰ আজিলৈকে এবাৰো মেলি চোৱা নাই সপোন হেৰুৱাৰ ভয়ত...... পাহৰিয়েই গৈছিলো। জোনাকত তিতা আমেজকণ, মিঠা সুবাসবোৰ হেপাঁহ পলুৱাই ল'বলৈ। এটা ভয় লাগি আছিল, হয়তো ভাল ছোৱালী নামটো মোৰ পৰা খহি পৰা ভয়। এতিয়া মোৰ পৰাই বেলেগ এজনী "মই" সৃষ্টি হ'ল য'ত বিবেকবোৰ দংশন নহয় কেতিয়াও হীনমন্যতাও নাই.......। সিয়েইটো অনি দিলে বহুতো নোপোৱা আনন্দ, সুখ আৰু বহুতো কিবাকিবি; যিবোৰ প্ৰকাশৰ বাট বিচাৰিয়েই আছিল অতদিনৰে পৰা। চকুপানীবোৰ শুকাই গৈছিল তাক লগ পোৱাৰ পিছৰে পৰা। সি টো আন অচিনাকী কোনো নহয়, মোৰ শৈশৱ, কৈশোৰৰ আদি ভাগৰ সমনীয়া.... বন্ধু জীমন, আকাশ। ........ সেই বিশাল আকাশৰ বিশালতাৰে মন বহলাই চাবলৈ শিকালে চৌপাশৰ জগতখন......... এতিয়া বিশালতা মোৰ প্ৰতিটো পদক্ষেপতে প্ৰেৰণা............ দেউতাৰ পাছতেই য'ত মোৰ নিৰাপত্তাৰ আশ্ৰয় স্থল আছে, য'ৰ পৰা সাহস পাওঁ ছোৱালী হৈ জন্ম লোৱাৰ..............।

এনেদৰেই সপোন বোৰ শিপাব ধৰে ক্ৰমে
যন্ত্ৰণাবোৰে বিদায় মাগে..........
........দুখবোৰ পাহৰিবলৈ যেতিয়াই দুচকু মুদো
তেতিয়া তোমাকে দেখো..........

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ

# তুমি মোৰ প্ৰেৰণা

— শ্ৰীমতী পম্পী গগৈ
বুৰঞ্জী বিভাগ
স্নাতক তৃতীয় বৰ্ষ

SMS টো পঢ়ি চাই মোৰ হৃদযন্ত্ৰ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। গুৱাহাটী, কোকৰাঝাৰ, বৰপেটা আদি তিনিঠাইত ধাৰাবাহিক বোমা বিস্ফোৰণ। সবিশেষ জানিবৰ কাৰণে লগে লগে সমীৰণলৈ ডাইল কৰিলো। এক্সেঞ্জৰ পৰা উত্তৰ আহিল "আপুনি যোগাযোগ কৰিব বিচৰা নম্বৰটো বৰ্তমান বন্ধ কৰি ৰখা হৈছে। ক্ষন্তেক পাছত কৰক। মই মবাইলটো জোৰেৰে খামুচি ধৰি পুনৰ কৰিলো। পুনৰ একেই উত্তৰ। খং, অভিমান আৰু অজান আশংকাই মোক বোমা কৰি পেলালে। মূৰটো চক্ৰাকাৰে ঘূৰা যেন লাগিল। বুকুৰ মাজত চেপা উৰ্ত্তেজনা হেঁচি ৰাখিও সহজ হবলৈ চেষ্টা কৰিও বাৰে বাৰে বিফল হ'লো মই। বাৰে বাৰে সমীৰণৰ মুখখনে মোক আমনি কৰিবলৈ ধৰিলে। সহজ সৰল অথচ বুদ্ধিদীপ্ত চকুযোৰে মোৰ মানসপটত বাৰে বাৰে ভুমুকি মাৰিবলৈ ধৰিলে। পাৰ হৈ যোৱা দিনবোৰৰ প্ৰতিটো মুহূৰ্ত্ত, প্ৰতিটো ক্ষণ, বোলছবিৰ ফ্লেছবেকত ভাহি অহাৰ দৰে ভাহি আহিবলৈ ধৰিলে। ছাত্ৰী জিৰণি কোঠাৰ প্লাষ্টিকৰ চকীখনত বহি একেস্থিৰে বৈ থকা দেখি গীতামণিয়ে গাত হেঁচুকী ক'লে যে, ১২.২০ বজাৰ মেজৰ ক্লাছ নকৰ নেকি? মই স্বস্তি ঘূৰাই পাই টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে হুঁ বুলি শলাগ ল'লো। তাৰ পাছত গাটো ভাল নাই বুলি কৈ হুৰ-মুৰকৈ কমন ৰুমৰ পৰা ওলাই চিধায়ে কলেজৰ গেটৰ মুখ পালোহি আৰু আগৰে পৰা বৈ থকা ৰিক্সাখনত উঠি নিৰ্দ্দেশ দিলো বাছ ষ্টেণ্ড। ৰিক্সাত উঠিয়ে পুনৰ সমীৰণলৈ ফোন কৰিলো। পুনৰ একেই উত্তৰ। ইমান ইমাজেঞ্চি সময়ত সমীৰে কিয় মবাইল অফ্ কৰি থৈছে? হে ভগৱান সমীৰক যেন কুশলে ৰাখা।

ৰিক্সা ভাড়া দি জাপমাৰি ৰিক্সাৰ পৰা নামিয়ে ঘৰমোৱাকৈ ৰখাই থোৱা বাছখনত উঠি খালি চিঠ এটাত বহি পুনৰ ফোন কৰিলো পুনৰ একেই উত্তৰ। বিৰক্তিৰে ম'বাইলটো বেগত ভৰাই বাছখন চলাবলৈ অপেক্ষা কৰিলো। ইতিমধ্যে বাছখনৰ প্ৰতিখন আসনতে যাত্ৰী বহি সম্পূৰ্ণ হৈছে। কিন্তু হাতৰ ঘড়ীটোলৈ চালো এতিয়াও বাছখন চলিবলৈ ১০ মিনিট বাকী। এই দহ মিনিট সময়েই মোৰ বাবে দহ বছৰ যেন অনুমান হৈছে। যাত্ৰীৰ আশাত হেন্দিমেনে আহক আহক চিত পাব বাটত খশলি হ'ব ইত্যাদি ইত্যাদি চিঞৰ মাৰি থিয়হৈ থকা যাত্ৰীসকলক পাছলৈ চলি দিয়ক, পাছলৈ চলি দিয়ক বুলি বিকট চিঞৰ একোটা মাৰিছে। চুড়ান্ত বিৰক্তিৰে কাকো একো ক'ব নোৱাৰি ভাগৰুৱা সৈনিকৰ দৰে দেহৰ সমস্ত ভৰ আসনৰ ওপৰত দি আউজি বহি চকু দুটা মুদি দিলো। অজান আশংকাই মোৰ সৰ্বশৰীৰ কঁপাই তুলিলে। যদি কেনেবাকৈ........। নাই, নাই এনে অমঙ্গলীয়া কথা নাভাবো। কিন্তু যিটো কথা বলেৰে নাভাবো বুলি ভাবো সেইটো কথাহে বাৰে বাৰে মনলৈ আহে। হে প্ৰভু মোৰ সমীৰক যেন তুমি কুশলে ৰাখা।

: তুমি নিশ্চয় কলেজলৈ যোৱা?

: হয়। আপুনি......?

: মই অফিচলৈ যাওঁ।

: তুমি কোন ইয়েৰত পঢ়া?

: ডিগ্ৰী ফাষ্ট ইয়াৰ।

ঃ মেজৰ আছে?

ঃ হয়। পলিটিকেল.........।

ঃ বাঃ ইন্টাৰেষ্টিং মইও পলিটিকেল চাইঞ্চৰে মানুহ। মোৰ বৰ প্ৰিয় চাবজেক্ট আছিল।

ঃ পিছে ইমানবোৰ কথা পতাৰ পাছত তোমাৰ নামটো নুসুধিলো অভদ্ৰামী নহ'বনে?

ঃ মোৰ নামটো শুনি আপুনি কিন্তু আনন্দ নাপাব।

ঃ বেয়া হলেওটো কিবা এটা নিশ্চয় আছে?

ঃ ক'লে, কিন্তু ভয় নাখাব।

ঃ নিশ্চয়।

ঃ বহ্নি শিখা।

ঃ আগত আৰু পাছত।

ঃ শ্ৰীমতী............. বৰুৱা।

ঃ মানে শ্ৰীমতী বহ্নিশিখা বৰুৱা। তুমি কিন্তু বেছ বুদ্ধিমতী দেই। পিছে কলেজত ৰেগিং খাইচা নাই।

ঃ এই প্ৰথম আপুনিয়ে আৰম্ভ কৰিছে। মানে আজিৰ পৰা ক্লাছলৈ আহিছোহে।

ঃ মোৰ নাম সমীৰণ গগৈ। মই তোমাৰ কলেজৰ কাষৰ অফিচতে চাকৰি কৰো।

এইয়ে মোৰ সমীৰণৰ সৈতে প্ৰথম চিনাকি। প্ৰতিদিনে সমীৰণৰ সৈতে দেখা দেখি কথা-বতৰা একেখন বাছতে অহা যোৱা। কিয় জানো মোৰ মানুহজনৰ প্ৰতি ভাল লগা হ'ল। এই ভাল লগাই এটা সময়ত ভাল পোৱালৈ ৰূপান্তৰ হব ধৰিলে। এই কথা ইকাণ-সিকাণ কৈ গৈ এটা সময়ত দুয়োখন ঘৰৰ কাণত পৰিলগৈ। ইফালে ঘৰৰ অজ্ঞাতে আমি দুয়ো বহুখিনিয়ে আগবাঢ়িলো। তিনিখন এল.আই.চিৰ পলিচিত মোৰ নামটো সমীৰে নমিনী হিচাপে দিছে আৰু সম্বন্ধত লিখিছে পত্নী হিচাপে। মই সমীক কৈছিলো মোৰ সৈতে বিয়া হোৱাৰ আগতে যদি আপুনি............। নাই নাই মুখখনত মই নিজেই তিনিবাৰ চৰিয়াই থকা দেখি সমীৰে স্বভাৱসুলভ হাঁহিটিয়ে মোক অভয় দি কৈছিল। "মানুহৰ জন্ম মৃত্যু বিবাহ এই তিনিটা কাৰ কেতিয়া হয় তাক কোনেও নাজানে। তুমি মোক মৰিবলৈ শাওপাত দিলেও মই নমৰো আৰু দিনে নিশাই ভগবানক কাকুতি-মিনতি কৰিও মোক মৃত্যুৰ মুখৰ পৰা ৰচাব নোৱাৰা। গতিকে আমি সদায় অহা কালিলৈটোৰ বাবে সাজু হৈ থাকিব লাগে। কাৰণ ভবিষ্যতে টো আমাৰ মাজলৈ কোনো দিন নাহে আহে মাত্ৰ বৰ্তমান ৰূপত।

ভৱিষ্যতটো এটা মাত্ৰ ধাৰণাহে। বৰ্তমানহে সত্য। ভৱিষ্যতটো তুমি মই যিটো ৰূপত আহিব বুলি ভাবি আছো তাৰ সম্পূৰ্ণ বিপৰীতটো হব পাৰে।

সমীৰক অধিক নিবিড় ভাৱে কাষত পোৱা বাসনাই মোক ব্যাকুল কৰি পেলাই এনেবোৰ প্ৰত্যয়জনক ব্যৱহাৰে। সেয়ে ঘৰত কৈ থাৰ্ড য়েৰৰ ক্লাছবোৰ কৰি বেচি দেৰী হ'লে মাহীৰ ঘৰত থাকি যোৱা হ'লো আৰু সমীৰেও কামৰ অজুহাত দেখুৱাই নগৰতে এটা ঘৰ ভাড়ালৈ ল'লে। এনে এক কোনোবা দুৰ্বল মুহূৰ্ত্তত আমি দুয়ো ঘৰৰ অজ্ঞাতে গন্দৰ্ব বিবাহ পদ্ধতিৰে বিবাহ পাশত আবদ্ধ হ'লো। কিন্তু লোক চক্ষুৰ সন্মুখত আমি এতিয়াও ডেকা-গাভৰু। অহা মাহত আমাৰ সামাজিক ভাৱে বিবাহৰ দিন ধাৰ্য্য কৰা হৈছে।

"বাইদেউ আজি নানামে নেকি?" হেন্দিমেনৰ কৰ্কশ মাতত বাস্তৱলৈ ঘূৰি আহিলো। বাছৰ পৰা নামি খৰ খোজেৰে ঘৰলৈ গৈ টি.ভি. অন কৰিলো। টি.ভিৰ স্ক্রিনত স্পষ্ট দেখা পালো গণেশগুৰি ফ্লাই অভাৰৰ তলত সমীৰণৰ.............।

হয় সমীৰে কোৱাৰ দৰে ভৱিষ্যৎবোৰ আমাৰ মাজলৈ বৰ্তমান ৰূপতে আহে। কিন্তু সমীৰ আৰু মোৰ মিলনৰ স্বাক্ষৰ মই এতিয়াও বহন কৰি আছো। আৰু ন মাহৰ পাছত ইয়ো বৰ্তমান ৰূপতে আহিব কথাবোৰ যেতিয়া ঘৰৰ সকলোৱে গম পাব তেতিয়া মোক এই স্বাক্ষৰ নিচিহ্ন কৰিবৰ বাবে নিশ্চয় জোৰ দিব। মই কিন্তু তেনে হবলৈ নিদিওঁ। আমাৰ দুয়ো পবিত্ৰ প্ৰেমৰ প্ৰথম আৰু অন্তিম পাহি ফুল কলিতে মোহাৰিবলৈ মই কাকো নিদিওঁ। আমাৰ সন্তানটি লৰাই হওক বা ছোৱালীয়ে হওক তাক মই পিতৃ হন্তাৰ প্ৰতিশোধ লবলৈ শিকাম। অসমৰ পৰা সন্ত্ৰাসবাদ সমুলঞ্চে নিৰ্মূল কৰাবলৈ শিকাম। জন্ম দিম তাক এক অমোঘ অস্ত্ৰ হিচাপে।

*বিঃদ্ৰঃ- ৩০ অক্টোবৰ ০৮ তাৰিখৰ গুৱাহাটী, বৰপেটা, কোকৰাঝাৰৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ নিহত ব্যক্তি সকলৰ সোঁৱৰণত এই গল্পটি উৰ্চগা কৰিলো।*

ঃঃঃঃঃঃঃঃঃ

# সামাজিক অৱক্ষয়

— শ্ৰী সুপ্ৰিয়া গগৈ
অৰ্থনীতি বিভাগ, স্নাতক তৃতীয় বৰ্ষ

এইখন সমাজ আমাৰ সমাজ

"বেলতলাত যুৱতীক বিবস্ত্ৰা কৰি ৰং চালে অসমীয়া যুৱকে।" পুৰাই পুৰাই বাতৰি কাকতখন মেলিলৈ নিজৰ ওপৰতে ধিক্কাৰ জন্মিলে মোৰ। কাকতখন মেলিয়েই এনে এটা শিৰোনাম দেখি অনুভৱ হ'ল আজি গোটেই দিনটো মোৰ মনটো গধুৰ গধুৰ লাগি থাকিব। তথাপি বাতৰিটো পঢ়ি চালো। হায় অসমীয়া যুৱক! নিজৰ কু-মনোবৃত্তি পূৰণৰো কি এক আৰ্হি। এগৰাকী যুৱতী হিচাপে সেই নিৰ্যাতিতা যুৱতীগৰাকীৰ মৰ্মবেদনা বুজি পালো। মই নিজেও যে দৈনিক কত কি ৰকমৰ ঘটনাৰ সন্মুখীন হওঁ আৰু ক'ব নোৱাৰাকৈয়ে নিৰ্যাতনৰ বলি হওঁ অনুভৱ কৰিলো। লগেলগে মোৰ মনলৈ ভাঁহি আহিল সিদিনাৰ ঘটনাটো স্পষ্টভাৱে.............

"মানসী বা, কলেজলৈ ওলালে?" কলেজলৈ বুলি ওলাই ঘৰৰ গেট পাৰ হওঁতেই ঘৰৰ কাষত মেচ কৰি থকা ল'ৰা কেইটাৰ মাজৰে দীপজ্যোতিয়ে মাত লগালে। পুৱা ঘৰৰ পৰা ওলায়েই ধুনীয়া হাঁহিৰে সম্ভাষণ জনোৱা দীপজ্যোতিক "অঁ" বুলি কৈ ফৰকাল মন এটি লৈ বাটত খোজ পেলালো। মেচটোত থকা বাকীকেইটা ল'ৰাতকৈ দীপজ্যোতি কিছু পৃথক আৰু ব্যৱহাৰ পাতি বহুত বেলেগ। তাৰ কথাকে ভাবি ভাবি বাচত উঠিলোগৈ। অলপদূৰ যোৱাৰ পাছতে বাছ ষ্টপ এটাত বাছখন ৰখোৱাৰ লগে লগে হুলস্থুল শুনা গ'ল। কিনো হৈছে বুলি ডিঙি মেলি চাই দেখিলো প্ৰায় ২০-২১ বছৰীয়া ল'ৰা এটাক মানুহবোৰে নিৰ্মমভাৱে পিটিবলৈ ধৰিছে। টুকুৰা-টুকুৰকৈ শুনিবলৈ পালো— "চাল্লা, লাজ-চৰম নাই, লোকৰ পকেট মাৰিব আহ। খাবলৈ নাই যদি মৰি নাযাৰ কিয়? আজি তোক....." ..........."নাই দাদা, নামাৰিব দাদা, ফৰ্ম ফিলাপ কৰিবলৈ পইছা নাই কাৰণেহে........ দাদা মাফ কৰি দিয়ক...... আজিৰ পৰা নকৰো দাদা........."

............."ফৰ্ম ফিলাপ কৰিবলৈ পইছা নাই, কথা কবলৈ আহিছ। তই ভাল মানুহ হোৱা যিকোনো মানুহেই তোক খুজিলেই পইছা দিলেহেঁতেন........... কথা কয় সি........" বুজিব পাৰিলো ল'ৰাজনে কিয় এনে এটা কাম কৰিবলগীয়া হ'ল। ভালদৰে মন কৰিলো সেইজনো অসমীয়া ল'ৰাই। উপাৰ্জন কৰি খাব নোখোজা সোৰোপা অসমীয়া যুৱকৰ গতি দেখি হুমুনিয়াহ এটা বাগৰি গ'ল।

কলেজ শেষ কৰি পুনৰ যেতিয়া ঘূৰি আহিলো বাটত আমাৰ ঘৰৰ সন্মুখৰ মেচত থকা ল'ৰাকেইটাক গুমটি এখনতে চিগাৰেট টানি টানি জুৱা খেলি থকা দেখিলো। নিজৰ ভাইটিৰ সমান বয়সৰ ল'ৰা কেইটাই তেনেদৰে মাক-দেউতাকৰ টকাৰ শৰাধ পাতি উগ্ৰগালি কৰি থকাৰ বাবে বিৰাট খং উঠিল। এনে লাগিল যেন নিজৰ ভাইটি হোৱা হ'লে কাণতলীয়া চৰ এটা শোধাই থৈ আহিলোহেঁতেন। তেনেতে গম পালো সিহঁতে মোক জোকাইছেও অভদ্ৰ ভাষাৰে..........

........... "আৱে, বঢ়িয়া মাল বেহু মেৰে চামনে ৱালি খিড়কী মে এক চান্দ কা টুকৰা............, আজি যাম নেকি......" কিবা এষাৰ ক'ব খুজিও ৰৈ গ'লো। এনেদৰে অধঃপতনে যোৱা অভদ্ৰ ল'ৰাৰ লগত লাগি ল'লে নিজৰ বিপদ নিজেই চপাই লোৱা হ'ব। সহি সামৰি এখোজ দুখোজকৈ আহি থাকোতেই দেখিলো বয়সস্থ মানুহ এজনে সিহঁতক খং কৰাত সিহঁতে মানুহজনক অপদস্থ কৰিব ধৰিছে। মই বৈ নাথাকি সিহঁতৰ কাষলৈ যোৱাত সিহঁতে মোৰ লগতো উগ্ৰগালি কৰিব ধৰিলে। তেনেতে দীপজ্যোতি ক'ৰবাৰ পৰা আহি পোৱাত কথাতো সিমানতে অন্ত পৰিল।

হাতৰ পৰা কাকতখন হঠাতে খহি পৰাত চক্ খাই পুনৰ দিঠকলৈ ঘূৰি আহিলো। বেলতলা কাণ্ডৰ কথা পঢ়ি বিষাদেৰে ভৰি পৰা মনটোৰে পুনৰ ভাবিবলৈ বাধ্য হ'ল সামাজিক অৱক্ষয়েৰে ক্ষয়িষ্ণু অসমীয়া যুৱ সমাজৰ কথা, সংস্কাৰ সীমা নমনা, পাশ্চাত্য সংস্কৃতিৰে বলীয়ান অসমীয়া যুৱ সমাজৰ কথা। কিন্তু দুখৰ মাজতো এচমকা আশাৰ ৰেঙণি দেখা পালো দীপজ্যোতিহঁতৰ দৰে যুৱকৰ কথা ভাবি। পুনৰ কাকতখন চাই দেখিলো, কিদৰে অন্য এজন অসমীয়া যুৱকে বস্ত্ৰদান কৰি লজ্জা নিবাৰণ কৰিলে বিবস্ত্ৰা যুৱতীৰ।

৪৪৪৪৪৪৪

# অনুভৱ

— শ্ৰীমতী ৰিতুমণি দুৱৰী
অৰ্থনীতি বিভাগ,
স্নাতক তৃতীয় বৰ্ষ

ৰাতিপুৱাৰ বাতৰি কাকত খন চায়েই বিৰক্তিত মন ভৰি পৰিল নিভাৰ। আজিকালি বাতৰি কাকত মেলিবই নোৱাৰি। কেৱল হত্যা, লুণ্ঠন, ধৰ্ষণ ইত্যাদি কথাৰে পৃষ্ঠা ভৰি থাকে। তাৰ ওপৰতে আজি এটা সংস্থাৰ, কাইলৈ আন এটা সংস্থাৰ অসম বন্ধৰ আহ্বান। প্ৰতিটো কথাৰ প্ৰতিবাদ যেন বন্ধৰ জৰিয়তেই কৰিব। এদিন ৰাজ্য বন্ধ কৰি দিলেই যেন দুনীৰ্তিও বন্ধ হৈ যাব। বন্ধ দিয়াসকলে এবাৰো ভাবি নাচায় তেওঁলোকে দিন হাজিৰা কৰি খোৱা লোকসকলৰ যে কিমান অনিষ্ট কৰে। তেওঁলোকে বন্ধ দিব আৰু জনসাধাৰণে মানিবই লাগিব আৰু ইয়াৰ বিপৰীতটো হ'লেই দুনীৰ্তিৰ প্ৰতিবাদত বন্ধ দিয়াসকলেই জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰিব। ভাবিলে কিবা বিক্‌চিনা লাগি যায়।

ঃ নিভা অ' নিভা — মাকৰ মাতত উচপ খাই উঠিল নিভা।

ঃ কি হ'ল মা?

ঃ প্ৰাৰ্থনা ঘৰলৈ আহিছে, তই খবৰ এটা কৰি নাহ জানো। মাকে কথাষাৰ কৈ কৈ ধোৱা কাপোৰবোৰ চোতালত থকা ৰছীডালত মেলিবলৈ ধৰিলে।

প্ৰাৰ্থনা ঘৰলৈ অহা কথাটো শুনি মনটো ভাল লাগি গ'ল নিভাৰ। কিন্তু তাৰ লগে লগে এক দুখ মিশ্ৰিত আবেগেও ক্ৰিয়া কৰি গ'ল তইৰ মনত। এই দুখ তই নিজৰ অক্ষমতাৰ। তই যে প্ৰাৰ্থনাৰ বাবে একোৱে কৰিব নোৱাৰিলে। যোৱা নমাহৰ আগেয়ে প্ৰাৰ্থনাৰ বিয়া হৈ গৈছে। কিন্তু এয়া জানো বিয়া? বিয়া বুলিলে এজনী ছোৱালীৰ হৃদয়ত কিমান যে ৰঙীন সপোনে ভুমুকি মাৰে। বিয়াই এজনী ছোৱালীক দায়িত্বশীল নাৰীলৈ ৰূপান্তৰিত কৰে। বিয়াৰ পাছত কিমান যে দিশত গুৰুত্ব দিবলগীয়া হয়। কিন্তু প্ৰাৰ্থনা! তই যে বিবাহৰ প্ৰকৃত অৰ্থ হৃদয়ংগম কৰাৰ আগতেই মাল্যদান কৰিবলগা হ'ল। বয়সেই বা কিমান হৈছে তইৰ, মাত্ৰ যোল্ল বছৰ। বিয়াৰ আগেয়ে তই যে নিভাৰ ওচৰত ইমান কান্দিছিল। বহুত সপোন দেখিছিল তই নিজৰ জীৱনক লৈ। কিন্তু প্ৰতিটো সপোন তই নিজৰ ভিতৰতে কবৰ দিবলগীয়া হ'ল। কাৰণ তইক বুজিবলৈ নিজৰ জন্মদাত্ৰী মাতৃয়েও চেষ্টা নকৰিলে। তেওঁ মাত্ৰ চাকৰিয়াল দৰালৈ নিজৰ কন্যাক বিয়া দি দায়িত্বৰ পৰা হাত

সাৰিব বিচাৰিলে। কিন্তু তাইৰ মনটোক বুজিবলৈ অকনোৰে চেষ্টা নকৰিলে।

ঃ যদি বিয়াৰ সোমোৱাৰ ইচ্ছাই নাই তেন্তে বিয়াৰ প্ৰতিবাদ নকৰা কিয়? এদিন নিভাই প্ৰাৰ্থনাক সুধিছিল।

ঃ তেতিয়া যে মা-দেউতাই গালি দিব।

ঃ কিয় গালি দিব? বিয়াতো এটা সাধাৰণ কথা নহয়। সমগ্ৰ জীৱন তুমি............।

ঃ তেওঁলোকে একো নুবুজে নিভা বা। তেওঁলোকে মাত্ৰ বিয়া দি নিজৰ দায়িত্ব পালন কৰিবলৈ বিচাৰে। তেওঁলোকে মোৰ ইচ্ছা-অনিচ্ছাক তিলমানো গুৰুত্ব নিদিয়ে। মই যদি নিজেই কিবা এটা কৰিলোহেঁতেন তেন্তে কেতিয়াও এনেদৰে......। বাক্যষাৰ সম্পূৰ্ণ নকৰাকৈ ৰৈ গৈছিল প্ৰাৰ্থনা। ধীৰে ধীৰে তাই আকৌ কৈছিল,– কি কৰিবা, নিভা বা, তুমি, মই আমিবোৰ যে আৰ্থিকভাৱে সম্পূৰ্ণ ৰূপে মা-দেউতাৰ ওপৰত নিৰ্ভৰশীল। গতিকে মা-দেউতাৰ ৰায় মানি লোৱাৰ বাহিৰে আন একো উপায় নাথাকে। অৱশ্যে তোমাৰ মা-দেউতা বহুত ভাল। তেওঁলোকে তোমাৰ ইচ্ছা অনিচ্ছাৰ খবৰ ৰাখে। কিন্তু মোৰ। এক হুমুনিয়াহ হৈ ওলাই আহিছিল প্ৰাৰ্থনাৰ কথাবোৰ।

ঃ জানা নিভা বা, সেইদিনা মানুহবোৰে মোক এনেকৈ খুটিয়াই খুটিয়াই চাইছিল যেন মই বজাৰত সজাই থোৱা এটা সামগ্ৰীহে। মোৰ মা-দেউতাই বাৰু মোৰ ক্ষেত্ৰত এনেকুৱা কিয় কৰিছে। মইতো তেওঁলোকৰ নিজৰ ছোৱালী। নে ছোৱালী হোৱাটোৱেই মোৰ অপৰাধ নেকি? কৈ কৈ কান্দোনত ভাগি পৰিছিল প্ৰাৰ্থনা।

নিভাৰো দুচকু সেমেকি উঠিছিল। প্ৰাৰ্থনাক সান্তনা দিবলৈ নিভাৰ ওচৰত একো ভাষা নাছিল। প্ৰাৰ্থনাৰ মাক-দেউতাকলৈও ভীষণ খং উঠিছিও নিভাৰ। ছোৱালী এজনীক বিয়া দিয়াটোৱেই যে মাক-দেউতাৰ একমাত্ৰ কৰ্তব্য নহয় এইকথা কোনে বুজাব তেওঁলোকক। বিশ বছৰৰ ডাঙৰ এজন ল'ৰাৰ লগত ষোল্ল বছৰীয়া ছোৱালীজনীয়ে কেনেকৈ এড়জাষ্ট কৰিব সেই বিষয়েও তেওঁলোকে এবাৰো ভবা নাই। গাঁৱৰে শৈলেন খুৰাই এইবিষয়ে ক'বলৈ যাওঁতে ক'লে বোলে– "আমাৰ ছোৱালীক আমি দিবলৈ লৈছো তাত আনৰ মাত মাতিবলৈ কি হ'ল? অ' আমাৰ ছোৱালীক ধনী মানুহলৈ দিবলৈ লোৱাৰ বাবে মানুহবোৰৰ হ'বলা গা জ্বলিছে। সেয়েহে এনেবোৰ কথা উলিয়াইছে।" এইষাৰ কথা শুনাৰ পাছত সকলোৰে তাপ মাৰিলে। কাৰণ নিজৰ সন্তানৰ ওপৰত মাক-দেউতাকতকৈ বেছি অধিকাৰ কাৰোৱেই নাথাকে। তথাপি প্ৰাৰ্থনাৰ চকুপানী সহিব নোৱাৰি নিভাৰ মাকে প্ৰাৰ্থনাৰ মাক-দেউতাকক আকৌ এবাৰ ভাবি চাবলৈ কৈছিল। কিন্তু তেওঁলোক নিজৰ সিদ্ধান্তত অটল থাকিল।

প্ৰাৰ্থনাৰ বিয়ালৈ নিভা গৈছিল। ইমানদিনে নিভাই ভাবি আহিছিল এজনী ছোৱালীয়ে বহুতো ৰঙীন সপোন বুকুত লৈ নিজৰ জীৱনটোৰ পাতনি মেলে। কিন্তু সেইদিনা প্ৰাৰ্থনাক দেখি নতুনকৈ উপলব্ধি কৰিছিল নিভাই, প্ৰাৰ্থনাৰ দৰেই বহুতেই হয়তো নিজৰ জীৱনক লৈ দেখা সুন্দৰ সপোনবোৰক কবৰ দিহে বিয়াত বহে। আৰু তাই এনে এখন ঘৰলৈ বিয়া হবলৈ ওলাইছে য'ত নাৰীৰ অস্তিত্ব পাকঘৰতেই সীমাবদ্ধ।

ঃ এনে এখন ঘৰৰ পৰা আমাৰ ঘৰৰ বোৱাৰী হ'বলৈ ওলাইছে, ছোৱালীৰ ভাগ্যহে বুলিছো। প্ৰাৰ্থনাহঁতৰ মাটিৰে লিপা বাঁহৰ বেৰখনলৈ চাই কোনোবা এগৰাকীয়ে কৈছিল।

নিভাই তেওঁলোকলৈ চাই ভাবিছিল কেৱল ধন-সম্পত্তিকে অধিক গুৰুত্ব দিয়া এই মানুহখিনিৰ লগত সংবেদনশীল প্ৰাৰ্থনাই কেনেদৰে যে দিন কটাব। নিভাই সেইদিনা ঘৰত আহিও ছটফটাই আছিলহি: দুখ লাগিছিল নিভাৰ, ভনীসম জ্ঞান কৰা প্ৰাৰ্থনাৰ বাবে যে তাই একোৰে কৰিব নোৱাৰিলে। প্ৰাৰ্থনাৰ দৰেই তাই

ভাবিছিল যদি তাই স্বাৱলম্বী হ'লহেঁতেন কেতিয়াও এনে অন্যায় চাই নাথাকিলহেঁতেন। প্ৰাৰ্থনাৰ মাক-দেউতাকক যোগ্য প্ৰত্যুত্তৰ দিলেহেঁতন। কিন্তু কি কৰিব! তাই যে কেৱল শিক্ষাৰ্থী আৰু.........

নিভা বা', কি কৰি আছা? — কাৰোবাৰ চিঞৰত ঘূৰি চালে নিভাই। তাইৰ পাছফালে হাঁহি হাঁহি ৰৈ আছে প্ৰাৰ্থনা।

ঃ প্ৰাৰ্থনা তুমি? কেতিয়া আহিলা আমাৰ ঘৰলৈ– আশ্চৰ্যত চিঞৰি দিলে নিভাই।

ঃ তুমি যেতিয়া বাতৰি কাকতখনলৈ ভাবত নিমগ্ন হৈ আছিলা। কি ভাবিছিলা ইমানকৈ হাঁ!

তোমাৰ কথাই ভাবিছিলো প্ৰাৰ্থনা– মনতে ক'লে নিভাই। কিন্তু মুখফুটাই সেই কথা নক'লে। তাৰ পৰিৱৰ্তে হাতত ধৰি নিজৰ ৰুমলৈ লৈ গ'ল প্ৰাৰ্থনাক।

ঃ এতিয়া কোৱা কেনে আছা তুমি। বিছনাখনত মুখামুখিকৈ বহি লৈ প্ৰাৰ্থনাক সুধিলে নিভাই।

ঃ কেনেদৰে থাকিব পাৰোঁ বুলি ভাবা নিভা বা'।

প্ৰাৰ্থনাৰ কথাত ভীষণ অসহায়বোধ কৰিলে নিভাই। কিন্তু নিভাৰ মুখলৈ লক্ষ্য নকৰি প্ৰাৰ্থনাই আপোনমনেৰে কৈ গ'ল –

ঃ নিভা বা' মই এতিয়া বুজি উঠিছো জীৱন মানেই যে সংঘাত আৰু এই সংঘাতক জয় কৰিবই লাগিব। নোপোৱাবোৰক লৈ হা-হুতাশ কৰি থাকিলে জানো হ'ব।

ঃ বিয়াৰ পাছত মই ভাগি পৰিছিলো। মোৰ মা-দেউতাই মোক নুবুজাৰ বাবে, মোৰ সপোনবোৰ ভাগি যোৱাৰ বাবে। কেৱল টকা-পইচাকে সৰ্বস্ব বুলি ভৱা ঘৰখন আৰু নাৰীৰ শৰীৰৰ উৰ্দ্ধলৈ যাব নোৱাৰা মানুহজনৰ সৈতে থাকি ভাব হৈছিল মোৰ যেন একো অস্তিত্বই নাই। মই নিজকে পাহৰি গৈছিলো। যন্ত্ৰ মানৱৰ দৰেই দিন কটাইছিলো মোৰ জীয়াই থকা হেঁপাহো নিঃশেষ হবলৈ আৰম্ভ কৰিছিল। কিন্তু যেতিয়া মাহত গম পালো যে মই মা' হ'বলৈ ওলাইছো। প্ৰথমে একো ভবা নাছিলো যদিও লাহে লাহে উপলব্ধি কৰিলো যে মই মোৰ সন্তানৰ বাবেই নিজকে পাহৰিলে নহ'ব। কাৰণ মই মোৰ মাৰ দৰে মা' হ'ব নিবিচাৰো। মই মোৰ সন্তানৰ প্ৰতিটো প্ৰয়োজন, প্ৰতিটো সপোন, প্ৰতিটো আশা পূৰণ কৰিব বিচাৰো। আৰু তাৰবাবে মই নিজকে খোলাৰ ভিতৰৰ পৰা বাহিৰলৈ আনিব লাগিব। মই নিজেই সাহসী হ'ব লাগিব। সেয়ে মই এতিয়া পুনৰ পঢ়াৰ সিদ্ধান্ত লৈছো আৰু লিখা-মেলাৰ কামো পুনৰ আৰম্ভ কৰিছো।

জীৱনক নতুন দৃষ্টিভংগীৰে চাবলৈ লোৱা প্ৰাৰ্থনাৰ কথাবোৰ নীৰৱে শুনি গ'ল নিভাই।

ঃ মই মোৰ কোষত থিতাপি লোৱা ভ্ৰূণটোৰ বাবেই মৰি মৰি জী উঠিছো নিভা বা'। সাহস পাইছো জীয়াই থাকিবৰ বাবে। মোৰ সপোনবোৰ আকৌ আৰম্ভ হৈছে। এইবাৰ মই যুঁজিম নিভা বা'। যেনেকৈয়ে নহওক কিয়। প্ৰতিটো প্ৰতিকূলতাৰ বিৰুদ্ধে সাহসেৰে থিয় দিম। এইবাৰ আৰু কোনো অন্যায়ৰ ওচৰত শিৰ নত নকৰো।

গভীৰ প্ৰত্যয়েৰে কোৱা প্ৰাৰ্থনাৰ কথাবোৰ শুনি নিভাই প্ৰথমবাৰলৈ গভীৰভাৱে অনুভৱ কৰিলে সঁচাই মানুহক আশাই জীয়াই ৰাখে। মানুহক জীয়াই থাকিবলৈ এটা আশা, এটা সপোনৰ বৰ প্ৰয়োজন। আৰু ভৱিষ্যত সুন্দৰ হোৱাৰ আশাই মানুহৰ বৰ্তমানটোক সুন্দৰ কৰি তোলে।

আশা,
এটি মাথো সেউজীয়া শব্দ
জীৱনৰ প্ৰতিটো কোঁহে কোঁহে
গুঞ্জৰিত হৈ থকা এটি মাথো গুঞ্জন

ঃঃঃঃঃঃঃ

নিস্বাৰ্থ ভাৱনা আৰু মাদকতাৰ সৃষ্টিত
উদ্ভাসিত হোৱা প্ৰাঞ্জল শব্দ।

(– বিনীতা কুজুৰ)

ঃঃঃঃঃঃঃঃ

# আপোন কোন এই পৃথিৱীৰ

— শ্ৰীমতী কৃপাক্ষী চাৰুকীয়া
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক তৃতীয় বৰ্ষ

আগফালৰ দুৱৰিৰে আবৃত্ত হোৱা স্নিগ্ধ জোনাকত নিতাল মৰা চোতালখনত অৰবিন্দ কাকতি বহি আছে অকলশৰে। হেলান দিয়া আৰামীচকীখনত মূৰটো আওঁজাই দিছে। অশ্ৰুসিক্ত চকুযোৰ দেখিলেই গম পাব পাৰি যে চকুযুৰিয়ে বেদনাৰ ভাৰ কঢ়িয়াই লৈ ফুৰিছে। স্নিগ্ধ জোনাকৰ আকাশখনলৈ চায় বহু কিবা কিবি ভাবি আছে কাকতিয়ে। হয়তো অতীতৰ কথাবোৰ ৰোমন্থন কৰিছে, আচলতে নাভাবো বুলি ভাবিলেও মনটোৱেই দেখোন নামানিছে। তেওঁৰ ভাবিলে, পৃথিৱীত তেওঁৰেই জীৱনতেই ইমান বেছি দুখ আছেনে? মানুহৰ জীৱনত বিপদ একেলগে নাহে বুলি কোৱা কথাষাৰে বাৰুকৈয়ে ফলিয়াইছে তেওঁৰ জীৱনত।

এটা এটাকৈ সকলো মনত পৰি গ'ল অৰবিন্দ কাকতিৰ। নিজে কিমান কষ্ট কৰি স্কুলৰ চাকৰিটো যোগাৰ কৰি লৈছিল। যেতিয়া তেওঁ চফল ডেকা হৈ আছিল। সেই সময়ত নাছিল এটা চাউল ভাত ৰান্ধি খাবলৈ, কেৰাচিন তেলটুপিৰ অভাৱৰ বাবে ৰাতি পঢ়িব নোৱাৰে, ইফালে দিনত পঢ়িবও লাগে, আকৌ আনফালে শাক পাচলি বিক্ৰী কৰিবও লাগে। নহ'লেনো চলে কেনেকৈ? মাক-দেউতাকে জন্ম দিলে সঁচা কিন্তু পাছৰ দায়িত্বখিনি সম্পূৰ্ণৰূপে এৰি দিয়াৰ নিচিনাই হ'ল। ৬ টাকৈ ককাই-ভাই কেনেকৈ খুৱাব-পিন্ধাব, তাতে দেউতাক আছিল মদাহী। দিনটো লোকৰ ঘৰত হাজিৰা কৰি যি পাইছিল নিজৰ পেটলৈ হৈছিলহে। বেচেৰী মাকজনীয়ে খুজি-মাগি যায়। কেতিয়াবা পালেও খালে, নেপালেও নাই। কাকতিয়ে সৰুৰে পৰা অভাৱৰ লগত যুঁজি আহিছে। কেনেকৈ ঘৰত চাউল নোহোৱা কেইদিন কেঁচা ভীমকল কাটি কাটি জুইত পুৰি কোমল কৰি খাইছিল। মাক-দেউতাকৰ ওপৰতে ভীষণ খং উঠিছিল কাকতিৰ। কিয় জন্ম দিছিল যদি খুৱাব-পিন্ধাবই নোৱাৰে। বহুত জেদী হৈ পৰিছিল তেখেত। বাকী ককাই-ভাই কেইজনো কোনোবা গেৰেজত, কোনোবা মিলত আৰু কেইজনমানে হাজিৰা কৰিয়েই চলিছিল। কিন্তু অৰবিন্দ কাকতি জেদী আছিল বাবেই নেকি মনত দৃঢ় প্ৰতিজ্ঞ হ'ল যে সি নিজৰ ভৱিত নিজে থিয় দিবই।

সেয়েহে মাহীয়েক সম্বন্ধীয় এঘৰত কাম-বন কৰাৰ উপৰিও পঢ়িবলৈ লৈছিল। পঢ়াতো আগবাঢ়ি গৈছিল সফলভাৱে। আৰু এনেকৈয়ে এদিন যোগাৰ কৰি লৈছিল প্ৰাথমিক স্কুলত সহকাৰী শিক্ষকৰ পদটো। তেতিয়া নিজকে সুখী যেন অনুভৱ কৰিছিল কাকতিয়ে। মাহীয়েক গৰাকী সাৰটি ধৰি সেইদিনা তেখেতে খুউব কান্দিছিল। হয়তো সেই চকুপানীত সুখ তথা দুখ মিহলি হৈ আছিল। আৰু তেতিয়াৰ পৰা অৰবিন্দ কাকতিয়ে ভাড়াঘৰ কৰি থাকিছিল স্কুলৰ ওচৰতে। এবছৰমান চাকৰি কৰাৰ পাছত সেই মাহীয়েকহঁতে পছন্দ কৰা অনিমা বিয়া কৰাইছিল। যদিও হ'ব পাৰে অনিমা অলপ অৰবিন্দ কাকতিতকৈ ধনী, তথাপি তেওঁ সকলো সুখ-সুখৰ সমভাগী হ'বলৈ আগবাঢ়ি আহিছিল। সৰু অথচ সুখী আছিল তেওঁলোক। ইজনে সিজনক সঁচাই বহুত ভাল পাইছিল। কিন্তু নিয়তিৰ কি পৰিহাস! বিয়াৰ ডেৰ বছৰ পিছত একমাত্ৰ পুত্ৰ অৰ্ণিবানক জন্ম দিয়েই অনিমাই মৃত্যুক সাৱতি ল'লে। কাকতিয়ে ভুলক্ৰমেও ভবা নাছিল এনে কিবা হ'ব বুলি। চাৰিওফালে অন্ধকাৰ দেখিলে তেখেতে। কনমাণি পানী কেঁচুৱাটো লৈ যাব খুজিছিল নিদিলে, অৰবিন্দ কাকতিয়ে কিয় দিব, অনিমা আৰু কাকতীৰ যুগ্ম জীৱনৰ একমাত্ৰ সাক্ষী অৰ্ণিবানক কিয় আনৰ হাতত গটাই দিব। কষ্ট হ'লেও তেওঁৱেই ডাঙৰ কৰিব।

এইদৰে তিনি-চাৰিমাহ যোৱাৰ পাছত কেচুঁৱাটো চাবলৈ কাকতিয়ে ল'ৰা এটাকে যোগাৰ কৰাৰ কথা ভাবিলে। তেওঁনো স্কুলৰ পৰা কিমান ছুটি ল'ব। সেয়ে এদিন বিশ্বাসত ল'ব পৰা ল'ৰা মদনক তেওঁলোকৰ ঘৰলৈ লৈ আহিল। মদনৰ মাক-দেউতাক নাছিল, বয়স ১০ বছৰমান হ'ব। হকাৰ কাম কৰি পাঞ্জাৱী হোটেলত পিছফালে শুই থাকে। সেই মদনকে লৈ আহিল অৰ্ণিবানক চাবলৈ। বহুত আশা কৰিছে কাকতিয়ে নিজৰ পুতেকক লৈ। ডাঙৰ হ'লে কেনেকৈ পঢ়াব, ভাল-ভাল বস্তু খুৱাব, অভাৱ কি বস্তু চিনি পাবলৈ নিদিব। অৰ্থাৎ তেওঁ কেতিয়াও নাভাবে তেওঁ পাই অহা কষ্টখিনি তেওঁ পুত্ৰই পাওক। তাক সুখত ডাঙৰ দীঘল কৰাব। ভাল কলেজত পঢ়াব। সি চহৰত চাকৰি কৰিব ইত্যাদি ৰঙীন তথা কিছুমান সপোন দেখি অৰবিন্দ কাকতিয়ে নিজেই সুখত বিভোৰ হয়।

এনেকৈ ডাঙৰ হ'ল অৰ্ণিবান। পঢ়াতো ভালেই, মদনে স্কুললৈ অনা-নিয়া কৰে। তেওঁ ভবাৰ দৰে পুতেকে সুখ দিব পাৰিছিল। কিন্তু সেই সুখ বেছিদিন স্থায়ী নহ'ল। উৰি গ'ল অৰবিন্দ কাকতিৰ একমাত্ৰ পুত্ৰ অৰ্ণিবান কাকতি। কলেজৰ এচাম উদণ্ড ল'ৰাৰ সঙ্গত পৰি বহুত অপৰাধ কাম কৰিলে। যাৰ পৰা উভতি অহাৰ সময়ো নাছিল। ড্ৰাগছ সেৱন আদিৰ পৰা আৰম্ভ কৰি হাতত ক্ষেপণাস্ত্ৰও তুলি ল'বলৈ ভয় কৰা নাছিল। কিয় এনে হ'ল তেওঁৰ ল'ৰাটো, কাকতিয়ে দিনে ৰাতিয়ে তাকে ভাবিবলৈ ধৰিলে। কি পোৱা নাছিল সি? সকলোৱেইতো দিছিল তেখেতে তথাপি.........

শেষত, কাকতিয়ে উপলব্ধি কৰিলে তেওঁ নিশ্চয় অতিমাত্ৰা মৰম কৰি দেখুৱালে। মদনৰ দাবীকটো সি কাণেই নিদিয়ে। সঁচায় বহুত ভুল কৰিলে কাকতিয়ে। যাব পৰা উদ্ধাৰ পাবলৈ এতিয়া হাতত সময় কম। ইফালে অৰ্ণিবানে ড্ৰাগছৰ অবিহনে অৰ্থাৎ তেনেধৰণৰ নিচাযুক্ত দ্ৰব্যৰ অবিহনে তিলগানো থাকিব নোৱাৰা হ'ল। দেউতাকে যদি গালি পাৰি পাৰি তাক সেইবোৰ নাখাবলৈ কয় সি তেতিয়া ভাবুকি দিয়ে সি ঘৰৰ পৰা পলাই যাব। সি হাতত তুলি ল'ব চিৰদিনৰ সেই বিপ্লৱী ক্ষেপণাস্ত্ৰ।

দুনাও দুভৰি অৱস্থা হ'ল অৰবিন্দ কাকতিৰ। হাজাৰ হওক নিজৰ পুতেকক ঘৰৰ পৰা কোন সতে

পলাই যাবলৈ দিব। আকৌ পুতেকক নাখাবলৈ ক'লেও সেই ধৰণৰ ভাবুকি। কাকতিৰ মুখতে যেন সৰগ ভাগি পৰিল। মদনকে সাৱটি তেওঁ হুকহুকাই কান্দি উঠে, এই মদনকেই কাকতিৰ নিজৰ ল'ৰা যেন লাগিল। কেনেকৈ মদনে বুজি পায় মানুহক কোনটো কামে সুখ দিয়ে আৰু কোনটো কামে দুখ দিয়ে। কিন্তু তেওঁৰ পুতেক পঢ়া শুনা হৈয়ো পাৰিছেনে তেওঁক তিলমান সুখ দিব। অৰবিন্দ কাকতি ভাগি পৰিল। তেওঁৰ অভিমানে খুউব মনত পৰিল। তেওঁ থকা হ'লে নিশ্চয় এনে হ'বলৈ নাপালেহেঁতেন।

এইদৰে দুমাহমান যোৱাৰ পাছত কাকতি পুতেকে এদিন হঠাৎ ঘৰৰ পৰা টালি-টোপোলা বান্ধি ওলাই গ'ল। কলৈ গৈছে মদনে সুধিলতো নক'লে। মাথো এটাই ক'লে, "দেউতাক ক'বি, মই নিজৰ সুখ বিচাৰি গৈছো। হয়তো ভৱিষ্যতে উভতি নাহিবও পাৰো। স্কুলৰ পৰা পোৱা পেঞ্চন তথা দৰমহা যিখিনে মোৰ নামত থৈছিল সেই খিনি মই উলিয়াই ল'লো। মোক মোৰ পথত যাব দে। আমনি নিদিবি। হয়তো এদিন এনেদৰেই ক'ববাত হেৰাই যাম।" যদিহে পাৰো কেতিয়াবা................।"

মদনৰ মুখৰ পৰা এইখিনি শুনাৰ পাছত কাকতি কঁপিছিল, হয়তো তেওঁ খুউব জোৰকৈ চিঞৰিব খুজিছে, কিন্তু পৰা নাই, তেওঁ নিজৰ চুলিখিনিতে খামোচ মাৰি ধৰি পৰি গ'ল। একো নাই মনত পাছত তেওঁ ক'ত আছে। আৰু মদনেই তেওঁক শুশ্ৰূষা কৰিলে। ক'ৰ মদন অৰ্থাৎ ল'ৰাই আহি আজি তেওঁক চাব লগা হৈছে। বহুপৰৰ পাছত তেওঁৰ জ্ঞান আহিল। তেওঁ মদনক নিজৰ ল'ৰা যেন দেখিলে। সঁচায় তেজ-মঙহৰ সম্বন্ধ নহ'লেও কিমান আপোন হ'ব পাৰে মানুহ। আৰু ইফালে তেওঁ দেখোন নিজৰ কোষেই, নিজৰ তেজেই আজি বিশ্বাসঘাটকতা কৰিলে। কোন আপোন এই পৃথিৱীত। তেওঁ সঁচাই দুৰ্ভগীয়া যেন অনুভৱ কৰিলে।

অৰবিন্দ কাকতি যথেষ্ট বুঢ়া হ'ল। সেই মদনেই নিজৰ ল'ৰাৰ দৰে তেওঁৰ সকলো কাম কৰি দিয়ে। ভাত ৰান্ধে, খুৱাই, তেওঁৰ মাহেকৰ পেঞ্চন এতিয়া সকলো মদনৰ হাতত। দিনতো মদনে কাম বন কৰি ৰাতি অকনমান সময় হ'লেও কাকতিক সঙ্গ দিয়ে। সি কোনোপধ্যেই এৰি দিব নোখোজে। পিতৃ সমান অকলশৰীয়া নকৰে কেতিয়াও।

তথাপি কাকতি কেতিয়াবা চোতালত অকলশৰে বহে, ভাবি থাকে নিশ্চয় উভতি আহিব পদূলি মুখলৈ চায় বাৰে বাৰে......। কিন্তু সদায়টো বৃথা পদূলি ওকায়েই হৈ থাকে।

তেওঁ প্ৰতীক্ষা অন্ত পেলায় আহিবনে কোনোবা (সি) দূৰ দিগন্তৰ পৰা.......... তেওঁৰ চৰম প্ৰতীক্ষা আধৰুৱা হৈ যায় নেকি..........? তেওঁ চকুত অশ্ৰু জিলিকি উঠে। আহিব....... নিশ্চয় আহিব............। তেওঁ সপোনবোৰ ৰঙীন হৈ যোৱা নাছিল আহিছিল ক্ৰমান্বয়ে ধূসৰিত ছাই বৰণ লৈ। ভাগি গ'ল লাহে লাহে স্বপ্নৰ কাৰেং। .......... তেওঁ তেনেকৈ ভাবি ভাবিয়েই বহি থাকে অকলশৰে............ দেখে নেকি ক'ববাত আশাৰ বেঙনি..............।

ঃঃঃঃঃঃঃঃঃ

# এটি মাথো ভুলৰ বাবে

— শ্ৰীমতী ৰিমঝিম দাস
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক তৃতীয় বৰ্ষ

"Love is a misunderstanding between two idiots" বুলি প্ৰায়ে কৈ ৰসিকতা কৰি ভালপোৱা দীপশিখা যে হঠাতে প্ৰেমত পৰিব এই কথা তাইৰ বন্ধুবৰ্গ কোনেও বিশ্বাস কৰিব পৰা নাছিল। প্ৰেম ভালপোৱা আদিৰ পৰা আঁতৰি থাকি তাই ভাল পাইছিল। কিন্তু, হঠাতে তাইৰ জীৱনলৈ আনন্দৰ জোৱাৰ লৈ আনি তাইক প্ৰেমৰ চাকনৈয়াত পেলাই দিছিল অভিযন্তা দেবাংগৰাজ দত্তই। বিন্দুৰ বুকুত সিন্ধুয়ে আশ্ৰয় লোৱাদি দুয়োৰে আকৃষ্টতাৰ বুকুত জন্ম ল'লে প্ৰেমে, 'দেবাংগবাজ আৰু দীপশিখাৰ প্ৰেমে।'

ঃ জানা শিখা, তোমাৰ সেইদিনাৰ খঙটোৰ কথা মনত পৰিলে মোৰ এতিয়াও বুকুখন কঁপি উঠে। বাপৰে! কি ৰঙা পৰি যোৱা চকু।– শিখাক জোকোৱাৰ চলেৰে ক'লে- দেবাংগই।

ঃ ইস! দেউতাই নতুনকৈ জন্মদিনত প্ৰেজেণ্ট দিয়া গাড়ীখন এসপ্তাহো নহওঁতেই তেনেকৈ ধাক্কা দিলে কাৰনো বাৰু খং নুঠিব?

জাঙুৰ খাই উঠিল শিখা। শিখাৰ এই মোহনীয় ৰূপ উপভোগ কৰে দেবুৱে। ৰঙা ৰঙা হৈ পৰে গালদুখনি। চকুযুৰিও ৰঙা হৈ পৰে। আউলি-বাউলি হৈ পৰে চুলিটাৰি। তাইৰ এই ৰূপ উপভোগ কৰি দেবুৱে বহুত ভাল পায়। তাই সৰু ছোৱালীৰ দৰে যেতিয়া ফেঁকুৰি কান্দিবলৈ ধৰে তেতিয়া আকৌ সি ত্ৰানকৰ্তা হৈ তাইক সাৱটি ধৰি সান্ত্বনা দিয়ে। সি মিচিকিয়াই হাঁহে। তাৰ পিছত? দুয়ো উটি যায় কল্পনাৰ ভৱিষ্যতলৈ।

সিহঁত দুয়োৰে হলিগলিৰ কথা ইতিমধ্যে শিখাৰ ঘৰৰ মানুহে গম পাইছে। তাইৰ ঘৰত কেৱল দেউতাক, নোমল কই আৰু তাইৰ বাবে ওৰে জীৱন বিবাহ নোহোৱাকৈ থাকি যোৱা পেহীয়েক। একমাত্ৰ সন্তান শিখাৰ সুখ সুবিধাৰ প্ৰতি চহৰখনৰ প্ৰখ্যাত ব্যৱসায়ী কিশোৰ ফুকন যথেষ্ট সচেতন। তাই সৰু হৈ থাকোতে মাক ঢুকাল। পেহীয়েকে তাইক মাকৰ দৰে মৰম দি ডাঙৰ দীঘল কৰিছে। মাকৰ অভাৱ তাইক অনুভৱ কৰিবলৈ দিয়া নাই। মাক আৰু পেহীয়েকৰ কলিজাৰ এফাল

তাই। তাইক কোনো কথাতে দুখ পাবলৈ নিদিয়ে। দেবুক তাইৰ 'ভাল লাগে' বুলি জানিয়েই তেওঁলোকে ঘৰলৈ তাক আহ যাহ কৰিবলৈ দিছে। চেহেৰাই পাতিয়ে দেবুক শিখাৰ বাবে উপযুক্ত বুলিয়েই তেওঁলোকে ধাৰণা কৰিছে। পেহীয়েকে দুয়োৰে সম্বন্ধৰ কথা জানি বহুত আনন্দ পাইছে। দেউতাকেও দেবুক বেয়া পোৱা নাই।

দেবু প্ৰায়ে আবেলি শিখাহঁতৰ ঘৰলৈ আহে। এই সময়খিনিৰ বাবে শিখাই অতি আকুলতাৰে অপেক্ষা কৰি থাকে। দেবুৰ উপস্থিতিৰ সময়খিনিত শিখাই সিহঁতৰ ঘৰখনৰ প্ৰতিটো চুকে কোনে দেখা পায় সুখৰ সঁফুৰা। প্ৰাণত অনুভৱ কৰে অনাবিল উচ্ছাস। প্ৰেমত শতদল ফুলাৰ কথা তাই এতিয়া মনে প্ৰাণে বিশ্বাস কৰে। কেতিয়াবা তাই দেবুৰ লগত সি থকা কোৱাৰ্টাৰলৈ যায়। গেটৰ 'নেমপ্লেট'ৰ পৰা আৰম্ভ কৰি তাৰ প্ৰতিটো বস্তুতে তাই অনুভৱ কৰে এক অচিন কৰ্তৃত্ব।

যোৱা দুদিন ধৰি দেবুৰ দেখা দেখি নাই। না-সি আহিছে না- এটা খবৰ দিছে। তৃতীয় দিনাও কোনো খা-খবৰ নাপাই তাই ওলাই গ'ল তাইৰ 'স্কুটী' খন লৈ দেবুৰ কোৱাৰ্টাৰ অভিমুখে।

তিনি আলিটোত টাৰ্নিং লব খোজোতেই তাইৰ সন্মুখেৰে ফোঁ-ফোঁৱাই এখন জীপ গাড়ী পাৰ হৈ গ'ল। চিনাত অসুবিধা নহ'ল দেবুৰ গাড়ীখন। কিন্তু সন্মুখৰ চিটত বহি যোৱা ছোৱালীজনী কোন? কঁপি উঠিল তাই। আশংকাই আচ্ছন্ন কৰিলে তাইক। এইজনীৰ বাবেই তাইৰ কথা সি পাহৰি আছে যোৱা দুদিনে। গাড়ীখন তিনিআলিটোতে ঘূৰাই অহা বাটেৰেই তাই ঘূৰি আহিল।

এদিন দুদিনকৈ পাঁচদিন পাৰ হ'ল। নাই, কোনো খবৰ নাই দেবুৰ। ইতিমধ্যে মানসিকভাৱে ভাগি পৰিছে শিখা। কাকো জনাবও পৰা নাই। পেহীয়েকৰো এই কেইদিন গাৰ অসুখ। দেউতাক সময়ৰ অভাৱ। দেউতাক পেহীয়েকৰ মৰমৰ ছাঁত ডাঙৰ হোৱা ছোৱালীজনীয়ে হঠাতে এক ভয়ংকৰ সিদ্ধান্ত লৈ পেলালে মনৰ মানুহজনৰ কেইদিনমানৰ অৱহেলাত।

নোমলকাইৰ হতুৱাই এটা জুইশলাৰ বাকচ অনালে। জুইশলাৰ বাকীবোৰ কাঠি লগে লগে পেলাই দি মাত্ৰ তিনিটা কাঠি বাহটোত ৰাখিলে। তাৰ পিছত কাগজ কলম লৈ চিঠি এখন লিখিলে দেবুলৈ। চিঠিখনত লিখিলে- দুটা জুইশলা কাঠি দিছো, প্ৰথমটো মোৰ নামত জ্বলাবা, দ্বিতীয়টো জ্বলাবা সেই সম্পৰ্কৰ নামত সি সম্পৰ্ক আমাৰ মাজত গঢ়ি উঠিছিল। তৃতীয় কাঠিটো তাই সযতনে বাকচটোত ভৰাই পাৰ্চটোত সুমুৱালে। চিঠিখন এটা খামত ভৰালে। লগত কাঠি দুটাও। তাৰ পিছত সেইখন 'এড্ৰেচ' কৰিলে। সেইখনো পাৰ্চটোত ভৰাই লৈ কমটোৰ পৰা ওলাই গ'ল শিখা। গাড়ীত পেট্ৰলৰ গিলানটো আছেনে নাই পৰীক্ষা কৰি তাই গেৰেজৰ পৰা গাড়ীখন উলিয়াই লৈ আগবাঢ়িল দেবুৰ কোৱাৰ্টাৰ অভিমুখে। মনত অপৰিসীম বেদনাৰ বোজা। দেবুৰ লগত কটোৱা মুহূৰ্তবোৰে তাইক আমনি দি গ'ল ওৰেটো বাট। তাই ভাবিলে ক'ত ভুল হ'ল- তাইৰ? তাইৰ মৰমত কি খুঁত বৈ গ'ল? যাৰ বাবে সি বেলেগক আঁকোৱালি ল'বলৈ কুণ্ঠবোধ নকৰিলে। দেবুৰ পদূলিত গাড়ীখন ৰখাই লাহে লাহে নামি গৈ 'লেটাৰ বক্স'ত চিঠিখন ভৰালে। এনেয়ে তাৰ ঘৰটোৰ ফালে উকা দৃষ্টিৰে চাই পুনৰ গাড়ীত বহিলহি। এইবাৰ গাড়ী 'পেট্ৰল ডিপো' অভিমুখে আগবাঢ়িল। পেট্ৰল পাম্পৰ পৰা পাঁচ লিটাৰ পেট্ৰল ল'লে তাই। তাৰপৰা ওলাই এইবাৰ ঘৰলৈ উভটিল মনত দেবুৰ প্ৰতি প্ৰচণ্ড ঘৃণাৰ মনোভাৱ লৈ। তাই তাক প্ৰাণ উজাৰি ভাল পাইছিল, কিন্তু তাৰ বিনিময়ত সি তাইক প্ৰতাৰণাহে কৰিলে। তাইতো জানি শুনি কোনো পাপ কৰা নাছিল, তেন্তে এয়া তাই কিহৰ ফল ভোগ কৰিব লগা হ'ল?

শিখাই বিগত দিনবোৰত অনুভৱ কৰিছিল যে- দেবুক যেন বিধাতাই তাইৰ বাবে সৃষ্টি কৰিছে। তাৰ বাহিৰে আনৰ লগত তাইৰ ভবিষ্যত জীৱনৰ কথা সপোনৰো অগোচৰ। কিন্তু সি তাইক লৈ খেলহে খেলিলে আৰু কোনো পুৰুষক বিশ্বাস কৰিব নোৱাৰে তাই। সেয়ে শিখাই...........। সেয়ে তাই দেউতাক আৰু পেহীয়েকৰ কথাও ভাবিব পৰা নাই। তাইৰ অবিহনে তেওঁলোকৰ কি হ'ব? কিন্তু, দেবাংগৰ বাবে, তাৰ প্ৰতাৰণাৰ বাবে তাই মানসিকভাৱে ভাগি পৰিছে। সেয়েহে তাই পাৰ্চটোত অৱশিষ্ট কাঠিটো আছেনে নাই, গাড়ীখনৰ স্পীড্‌টো কমাই চাই ল'লে। আজিয়েই হ'ব তাইৰ জীৱনৰ শেষ ৰাতি, ভাবি ভাবি শিখা ঘৰ পালেহি। গেটখন খোলাৰ লগে লগে তাই দেখা পালে ভিতৰত দেবাংগৰ জীপখন। তাইৰ মনটো ঘৃণাৰে উপচি পৰিল। গাড়ীখন গেৰেজত সুমুৱাই গপগপাই ভিতৰলৈ সোমাই গ'ল তাই ঘৰৰ ভিতৰত তাই দেখিলে পেহীয়েক আৰু দেউতাকৰ সৈতে দেবু আৰু সেইদিনা তাৰ গাড়ীৰ আগ চিটত বহাই লৈ ঘূৰি ফুৰা ছোৱালীজনীয়ে কথা পাতি আছে। পেহীয়েকৰ অসুখৰ বিষয়ে, ভাল বেয়া আদি কথাপাতি সকলো ব্যস্ত হৈ আছে। মূৰটো আৰু গৰম হৈ গ'ল তাইৰ। কাকো নমতাকৈ নিজৰ ৰুমৰ ফালে যাবলৈ লওঁতেই দেউতাকে পিছফালৰ পৰা মাত লগালে- শিখা, চোৱাচোন, এয়া দেবাংগৰৰ ভনীয়েক স্মিতা। কি? কি? কি? দেউতাকলৈ তাই বিস্ময়েৰে চালে।

ঃ ভনীয়েকৰ বাবে এইকেইদিন সি আমাৰ ঘৰলৈ আহিব পৰা নাছিল, পেহীয়েকে এইবাৰ লাহেকৈ ক'লে।

এইবাৰ হঠাতে তাই দেবুক টানি লৈ গৈ তাৰ জীপত বহিলগৈ আৰু তাইৰ গাড়ীখনলৈ দৃষ্টি নিক্ষেপ কৰি তাৰ ঘৰলৈ বুলি গাড়ী চলাবলৈ ক'লে। হতবাক দেবুৱে তাই কোৱামতেই কৰিলে। তাই পুনৰ জুই বাহটোত থকা কাঠিটো পৰীক্ষা কৰিলে। গাড়ীখনত থকা পেট্ৰলপূৰ্ণ গেলেনটোলৈ তাইৰ মনত পৰিল, যিটোৱে আজি নিশা তাইক......... হঠাতে গাড়ীখন ৰৈ গ'ল গন্তব্যস্থানত। তাই খৰখেদাকৈ গাড়ীৰ পৰা নামিল আৰু তাক 'লেটাৰ বক্সটো' খুলিবলৈ ক'লে। একান্ত আজ্ঞাবাহী ভৃত্যৰদৰে সি তাকে কৰিলে। তাৰ 'লেটাৰ বক্সত' থকা চিঠিবোৰ উলিয়াই শিখাই এখন নিজৰ হাতত ৰাখিলে আৰু বাকী কেইখন তাৰ হাতত গুজি দি পাৰ্চটো খুলি এটা জুইশলা বাহ উলিয়ালে আৰু কাঠিডালত অগ্নি সংযোগ কৰি জ্বলাই দিলে সেই চিঠিখন। হে ভগৱান, কাৰ চিঠি এইখন? উত্তৰ বিচাৰি সি তাইলৈ কৌতুহলেৰে চালে। যেন বহু প্ৰশ্ন জাগি উঠিছে তাৰ হৃদয়ত।

ঃ পিছত জানিবা সকলো কথা মোৰ মইনা, বুলি কৈ তাই লাজকুৰীয়া হাঁহিৰে তাৰ বুকুৰ মাজত মূৰ গুজি দিলে। সিও 'হে দেৱী' তুমি মহান, বুলি কৈ তাইক সাৱটি ধৰিলে। তাই। মনত পৰিল সেই মুহূৰ্তত সেই কথাষাৰলৈ—

"Love is a misunderstanding between two idiots"

ঃঃঃঃঃঃঃ

# অপেক্ষা

— শ্ৰীমতী অদ্বিতীয়া সন্দিকৈ
শিক্ষা বিভাগ
স্নাতক তৃতীয় বৰ্ষ

বিহুসুৰীয়া গীতেৰে অৰ্ণৱৰ মোবাইলটো বাজি উঠিল। অৰ্ণৱে মোবাইলটো হাতলৈ আনি ফোনটো ৰিচিভ কৰিলে-

ঃ হেল্লো

ঃ হাই, অৰ্ণৱ

ঃ হাই, পাহি বান্ধৱী।

ঃ অই জোকাই নাথাকিবি দেই। তুমি এতিয়া ক'ত আছা?

ঃ কিয় ঘৰত আছো।

ঃ অৰ্ণৱ শুনানা মই জু ৰোডত আছো। তুমি প্লিজ চান্দমাৰী লৈ ওলাই আহানা। মই আজি গাড়ী নিজেই ড্ৰাইভ কৰিছো জানা।

ঃ পাহি........পাহি প্লিজ ফোনটো ৰাখা। তুমিচোন্ ভালকৈ গাড়ী চলাবকে নাজানা। তাতে ফোনত কথা পাতি আছা?

ঃ ধেইত! তুমি বেছি ভয় কৰা। হ'ব দিয়া তুমি সোনকালে আহা। মই........

ধাম্ হঠাৎ এটা বিকট শব্দ অৰ্ণৱৰ কাণলৈ আহিল।

পাহি........। খক্ মক্কৈ অৰ্ণৱ সাৰ পাই উঠিল। তাৰ মানে সি ইমান দেৰি এটা সপোনহে দেখি আছিল। কিন্তু জীৱনৰ বাস্তৱ ঘটনা এটাক এইদৰে সপোনত দেখাটো কেনেদৰে সম্ভৱ। চিন্তি মনেৰে অৰ্ণৱ বাৰাণ্ডালৈ ওলাই আহিল।

অৰ্ণৱে হিচাপ কৰি চালে, ঠিকেই আজিৰ পৰা দুবছৰৰ আগতে এনেকুৱা এটা দিনতেই অৰ্ণৱে পাহি আৰু দেউতাকক হেৰুৱাইছিল।

অৰ্ণৱ, মাক দেউতাকৰ একমাত্ৰ সন্তান। সৰুৰে পৰাই নিৰ্জু আৰু অমায়িক অৰ্ণৱক মাক-দেউতাকে সকলো ক্ষেত্ৰতেই সহায়ৰ হাত আগবঢ়াইছিল। ইঞ্জিনিয়াৰিং পঢ়ি থাকোতেই কটনৰ ছাত্ৰী পাহিক সি ভাল পাইছিল। মাক দেউতাকেও এই কথাত আপত্তি কৰা নাছিল। চাকৰি পালেই পাহিক সি বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিছিল।

সেইদিনা আছিল পাহিৰ বাৰ্থডে। অৰ্ণৱক লগ কৰাৰ উদ্দেশ্যেৰেই তাইৰ দেউতাকে নতুনকৈ কিনা গাড়ীখন লৈ ওলাই আহিছিল। সেইদিনা পাহিৰ লগত দুপৰীয়াৰ সাজটো ঘৰতে খোৱাৰ কথা অৰ্ণৱে ভাবিছিল। তাৰ দেউতাকে পাহিৰ বাবে সাজ আনিবলৈ বজাৰলৈ ওলাই গৈছিল। কিন্তু বজাৰ কৰিবলৈ যোৱা তাৰ দেউতাক আৰু ঘূৰি নাহিল। চান্দমাৰীৰ ব্ৰিজৰ ওপৰত পাহিৰ গাড়ীৰ খুন্দাত দেউতাকৰ জীৱন যাত্ৰা চিৰদিনৰ বাবেই স্তব্ধ হৈ গৈছিল।

সেইদিনা তাৰ সৈতে কথা পতাত পাহি ইমানেই মচগুল হৈ আছিল যে ৰাস্তা পাৰ হব খোজা অৰ্ণৱৰ দেউতাকক দেখি তাই ব্ৰেক মৰাৰ সুযোগ নাপালে। খবৰটো পাই মাক আৰু সি উধাতু খাই হস্পিতেল পাইছিলগৈ। পাহিয়ে মূৰত আৰু ভৰিত যথেষ্ট আঘাত পাইছিল। এফালে পাহিৰ মুমুৰ্ষ অৱস্থা আৰু আনফালে দেউতাকৰ মৃতদেহটো দেখি অৰ্ণৱ ঠাইতে মূৰ্চ্ছা গৈছিল।

দুদিনৰ পিছত অৰ্ণৱে জ্ঞান ঘূৰাই পাইছিল। দেউতাকৰ মুখাগ্নিও সি কৰিবলৈ পোৱা নাছিল। দেউতাকৰ মৃত্যুত মাক সম্পূৰ্ণ ভাগি পৰিছিল। মাকক নোকোৱাকৈ সি পাহিহঁতৰ ঘৰলৈ গৈছিল। পাহিহঁতৰ ঘৰত কাম কৰা ল'ৰাটোৰ মুখেৰে সি গম পাইছিল যে পাহিৰ চিকিৎসাৰ বাবে সকলোবিলাক গৈ দিল্লীত আছেগৈ। কাম কৰা ল'ৰাটোৱে তালৈ এখন চিঠি আগবঢ়াই দিছিল। সেইখন আছিল পাহিৰ চিঠি। চিঠিৰ পৰাই সি গম পাইছিল পাহি কেতিয়াও অসমলৈ ঘূৰি নাহে। তাই কৰা ভুলৰ বাবে অৰ্ণৱে কেতিয়াও যেন তাইক ক্ষমা নকৰে।

পাহিক বিচাৰি সি দিল্লীলৈ যাব ওলাইছিল। কিন্তু মাকৰ পাহিৰ প্ৰতি থকা ঘৃণাই আৰু বেদনাভৰা

মুখখনে এই ক্ষেত্ৰত তাক বাধা জন্মাইছিল।

কলেজত থাকোতে অৰ্ণৱে খুউব ভাল গান গাইছিল। সৰু সুৰা ফাংচন বিলাকতটো অংশ গ্ৰহণ কৰিছিল। অৰ্ণৱ প্ৰতিষ্ঠিত গায়ক হৈ উঠাটোকেই পাহিয়ে বিচাৰিছিল। ইঞ্জিনিয়াৰিং সমাপ্ত কৰিয়েই সি দেউতাকৰ সঞ্চয়ৰ এটা ক্ষুদ্ৰ অংশ লৈ তাৰ জীৱনৰ প্ৰথমখন কেছেট 'প্ৰথম প্ৰেম' বজাৰত মুক্তি দিয়ে। এই কেছেটটিয়ে বজাৰত বিপুল সমাদৰ লাভ কৰে। লাহে লাহে অৰ্ণৱ জনসমাজত জনপ্ৰিয় হৈ পৰে।

আৰু আজি অৰ্ণৱ এজন অসমৰ আগশাৰীৰ প্ৰতিষ্ঠিত গায়ক। এই দুবছৰত সি পাহিৰ কোনো খবৰ নাজানিলে। পাহিৰ নতুন ফোন নম্বৰটো বহুত কষ্ট কৰিও সি সংগ্ৰহ কৰিব নোৱাৰিলে। পাহিৰ প্ৰতি তাৰ খুউব অভিমান হয়। ইমান সোনকালে পাহিয়ে তাক পাহৰাটো কেতিয়াও সম্ভৱ নহয়।

সি জানে সেইদিনাৰ এক্সিডেণ্টটো আকস্মিক আছিল। ইয়াত পাহিৰ কোনো ভুল নাই।

ৰেকডিং অৰ কামত সি প্ৰায়ে দিল্লীলৈ যাব লগা হয়। কিন্তু পাহিৰ প্ৰতি থকা অভিমানৰ বাবেই দিল্লীত গৈ সি পাহিক বিচৰাৰ চেষ্টা নকৰে।

হঠাৎ বাৰাণ্ডাৰ লাইটটো জ্বলি উঠাত সি বাস্তৱলৈ উভতি আহিল।

ঃ অণু, ভাত খাই সোনকালে শুই থাকিবি ব'ল। কাইলৈটো তোৰ ফাংচন আছে।

ঃ হ'ব মা, মই গৈ আছো।

এই দুবছৰত মাকে তাৰ কোনো কামতে হকা-বাধা কৰা নাই। প্ৰথম অৱস্থাত পাহিৰ প্ৰতি মাকৰ বেয়া মনোভাৱ আছিল যদিও লাহে লাহে সেয়া নোহোৱা হৈ আহিছে। অনবৰতে মন মাৰি থকা অৰ্ণৱৰ মুখখন দেখি মাকো হয়তো, পাহিক বিচাৰি উলিয়াবলৈ বদ্ধ পৰিকৰ হৈছে।

অৰুণাচলৰ এই অঞ্চলটোত অলপ আগতে প্ৰগ্ৰেম শেষ কৰি সি গ্ৰীণ ৰুমত বহিছেহি। অকস্মাত তাৰ গ্ৰীণ ৰুমত বহি থকা ছোৱালী এজনীলৈ দৃষ্টি গ'ল। সি চোৱাৰ লগে লগেই ছোৱালীজনী উঠি বাহিৰলৈ গুচি গ'ল। কিন্তু ছোৱালীজনী সাইলাখ পাহিৰ দৰে কিয় লাগিল সি বুজি নাপালে। বাহিৰলৈ ওলাই গৈয়ো সি ছোৱালীজনীক বিচাৰি নাপালে।

ঃ অৰ্ণৱ, আমাৰ যাবৰ হ'ল নহয়। তই সোনকালে সাজু হ'। তাৰ বেষ্ট ফ্ৰেণ্ড পাৰ্থই আহি মাত লগালে।

ঃ তহঁত যা নহ'লে, কাইলৈ দিনটো মই ইয়াতে থাকিম। অৰুণাচলখন ভালকৈ এবাৰ চাম। আৰু শুন, মাক চিন্তা কৰিবলৈ মানা কৰিবি।

ঃ হ'ব দে, মই যাওঁ। কিবা প্ৰব্লেম হ'লে জনাবি।

আজি সি গাড়ীখন লৈ উদ্দেশ্যবিহীনভাৱেই ওলাই আহিছে। অৰুণাচলৰ ৰাজপথ অচিনাকী যদিও তাৰ ঘূৰি বেয়া নালাগিল। হঠাৎ ৰাস্তা অতিক্ৰম কৰিব খোজা ছোৱালীজনীক দেখি অৰ্ণৱৰ চকু ডাঙৰ হৈ গ'ল। সেয়া......... সেয়াচোন....... তাৰ পাহি। গাড়ীখন ৰখাবলৈও সি পাহৰি গ'ল। ছোৱালীজনীক অতিক্ৰম কৰিয়েই সি ৰাস্তাৰ কাষৰ গছজোপাত খুন্দা মাৰিলেগৈ।

কাৰোবাৰ হাতৰ স্পৰ্শত অৰ্ণৱে চকু মেলি চালে। পৰিবেশটো দেখিয়েই সি বুজি পালে, সি হস্পিতেলত আছে। মূৰৰ ফালে চাই সি মাক আৰু সেই ছোৱালীজনীক বৈ থকা দেখিলে।

ঃ অণু, মাকৰ মাতত সি ঘূৰি চালে।

ঃ অণু, এয়া তোৰ পাহিয়েই হয়। যাক তই ইমানদিনে বিচাৰি ফুৰিলি। তাইক ময়েই তোৰ ওচৰলৈ লৈ আনিছো। সুদূৰ দিল্লীৰ পৰা। তাই ইমানদিনে বহুত কষ্ট পাই আছে সোণ। ইমানদিনে মোৰ কাৰণেই তাই দূৰত আছিল। তাইক আৰু কষ্ট নিদিবি সোণ। দুচকু মোহাৰি মাক ওলাই গ'ল।

ঃ পাহি.......

সেই ছোৱালীজনী অৰ্থাৎ পাহি তাৰ ওচৰ চাপি আহিল। অণুৱে প্ৰাণ ভৰি পাহিক চালে। তাৰ দুই ওঠ কঁপি উঠিল, দুচকু পানীৰে ভৰি পৰিল।

ঃ পাহি......... আৰু একো কবলৈ সি সুযোগ নাপালে। পাহিয়ে আঙুলি এটা তাৰ ওঠত থ'লে।

ঃ মই সকলো জানো, মায়ে মোক সকলো কৈছে। M.B.A. ৰ পৰীক্ষাটো শেষ হলেই মই একেবাৰে তোমাৰ ওচৰলৈ গুচি আহিম।

ঃ সঁচা।

ঃ ও, সঁচা, পাহিয়ে লাহেকৈ হাঁহিলে।

অৰ্ণৱে পাহিক বুকুৰ মাজত সুমুৱাই ল'লে।

ঃঃঃঃঃঃঃঃঃঃঃ

# জীৱনৰ প্ৰাপ্তি অপ্ৰাপ্তি

— শ্ৰীমতী যুতিকা বড়া
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ

শৰৎ কালৰ এটি আমেজভৰা সন্ধ্যা। চোতালত জিৎ আৰু মই। ভিতৰৰ কামবোৰ সোনকালে শেষ কৰি আমি দুয়ো বহি ৰওঁ আকাশৰ তলত।

নিলীম আকাশৰ ৰংবোৰ
সযতনে তুলি আনি
সানি দিম তোমাৰ দুচকুত
বুকুৰ মৰমবোৰ তোমাকেই যাচি
ৰচিম সপোন অযুত।।

সেইদিনা মই মনৰ কোঠালিত পঞ্জীভূত কৰি ৰখা দুখ-বেদনা, পোৱা-নেপোৱাৰ হিচাপবোৰ মুকলি কৰি দিলো। মনৰ দুৱাৰেদি ওলাই আহিল আনন্দ-বিষাদ মিশ্ৰিত মোৰ অতীতটো। সংকোচ বিহীন ভাৱেই মই জিতৰ আগত ব্যক্ত কৰিলো মোৰ পাৰ কৰি অহা জীৱন যৌৱনৰ প্ৰতিটো সৰু বৰ ঘটনাৰ ইতিহাস।

ঃঃঃঃঃঃঃঃঃ

মই আছিলো এজনী মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। মোৰ দেউতাৰ শিক্ষকতাৰ দৰমহাৰ টকা কেইটিৰে কোনো আউল নলগাকৈ পাঁচজন সদস্যৰে পৰিপূৰ্ণ পৰিয়ালটো চলি গৈছিল সুন্দৰভাৱে। দেউতা আছিল সকলোৰে শ্ৰদ্ধাভাজন আৰু সমাজৰ এজন আগৰণুৱা ব্যক্তি। মা আছিল একেবাৰে সহজ সৰল মনৰ মানুহ। যিয়ে যিহকে কয় তাকে মানি লয়। কোনোবাই সহায়ৰ হাত পাতিলে বিমুখ কৰিব নিবিচাৰে। সমাজৰ অৱহেলিত জনৰ দুৰ্দশা দেখি হৃদয়ে কান্দি উঠা এইগৰাকী মহীয়সীক আৰু মোক নিজতকৈও বেছি মৰম কৰা দেউতাক ফাঁকি দি, মৰমৰ দাদা আৰু ভাইটিৰ কথা এক মুহূৰ্তৰ বাবে পাহৰি পাতনি মেলিছিলো যৌৱনৰ 'কুঁহিপাত'খনৰ।

মোৰ দেউতা আৰু পলৰ দেউতাক সৰুকালৰ বন্ধু হোৱাৰ বাবে দোয়োখন ঘৰৰ মাজত গঢ়ি উঠিছিল আত্মীয়তা। পলৰ দেউতাক আছিল ওচৰৰে এখন কলেজৰ প্ৰৱক্তা। পল আছিল মাক দেউতাকৰ একমাত্ৰ ল'ৰা।

দুজনী বায়েক আৰু মাক দেউতাকৰ সৈতে পলহঁতৰ পাঁচজনীয়া পৰিয়ালটো সুন্দৰভাৱে অতিবাহিত হৈছিল। কোনোদিনে মৰমৰ অভাৱ নোপোৱা পলে কিয় নাজানে, এদিন তাৰ মৰম আকলুৱা হৃদয়খনৰ যন্ত্ৰণাবোৰৰ কথা ব্যক্ত কৰিছিল। সি হেনো এগৰাকী প্ৰেয়সীৰ অভাৱ অনুভৱ কৰিছে। তাৰ হৃদয়ৰ সিংহাসনৰ স্বপ্নৰ ৰাণীজনীৰ বাবেই খালী কৰি ৰাখিছে। তেতিয়া আছিলো মই একাদশ শ্ৰেণীত। ঘৰৰ সকলোৰে মৰমত ডাঙৰ হোৱা মইজনীয়ে মানুহৰ লগত তেতিয়াও ভালকৈ কথা পাতিব নাজানে। ঘৰলৈ কোনোবা আহিলেও মই ভাল-বেয়া খবৰ সোধাৰ পাছত ভিতৰলৈ সোমাই যাওঁ। সেইদিনা দেউতা স্কুলৰ পৰা অহা নাই। মা গৈছিল ওচৰৰে বৰমা হঁতৰ ঘৰলৈ, দাদা কোনোবা লগৰ ল'ৰা এটাৰ ঘৰলৈ গ'ল আৰু ভাইটিও স্কুলৰ পৰা অহাই নাই। এনে সময়তে আহি ওলাইছিলহি পল। মই তাক বহিবলৈ কৈ ভিতৰলৈ যাবলৈ লওঁতেই পাচফালৰ পৰা ৰবাচোন বুলি কোৱাত মই ৰৈ গ'লো। তাৰ মুখলৈ নোচোৱাকৈয়ে মই ক'লো- 'কোৱা' যৌৱনৰ নদীত সাতুৰি নাদুৰি ফুৰা মোৰ বুকুত তেতিয়া পূৰ্ণ নাৰীত্বৰ গৌৰৱেৰে গৰীয়সী হোৱাৰ অহংকাৰ। সি মোৰ মুখলৈ চাই ক'লে- "তোমাৰ লগত মোৰ অলপ কথা আছে।"

ঃ কি কথা?

ঃ তুমি বেয়া পাবা নেকি?

ঃ নাপাওঁ কোৱা।

ঃ মানে, মা-দেউতা, দাদা আৰু ভাইটিৰ বাহিৰেও তুমি আন কাৰোবাৰ মৰমো নিবিচাৰানে?

ঃ কিয় সুধিলো? মই বুজা নাই।

ঃ কিয় সুধিছো তুমি বুজা নাই? মই সকলোৰে মাজত থাকিও আৰু সকলোৰে মৰম পাইও কিয় জানো নিজকে অকলশৰীয়া যেন লাগে। প্ৰেমহীন, যন্ত্ৰণাময় আবেলিবোৰত হিয়াৰ ভাৱ বিনিময় কৰিবলৈ মোকো এগৰাকী সংগী লাগে। মোৰ হৃদয়তো যেন মৰমবোৰ উপচি পৰিছে কাৰোবাৰ বাবে। আজিকালি কাৰোবাৰ প্ৰতিচ্ছবিয়ে, মোৰ দুচকুৰ আগত অগা-দেৱা কৰি থাকে।"

মই নিমাত হৈ থাকিলো। তাৰ প্ৰত্যুত্তৰ হিচাপে মোৰ মুখৰ পৰা এটা শব্দও বাহিৰ হ'ব নুখুজিলে। সি ছাগে মই তাৰ কথাবোৰ বুজি নাইপোৱা বুলিয়েই ভাবিলে। বাহিৰলৈ চালো, আকাশত ডাৱৰ গোট খাইছে। বৰষুণ আহিব পাৰে। তাক চাহ একাপ খুৱাই সোনকালে মই বিদায় দিলো। সি যোৱাৰ পাচতো মোৰ মনৰ মাজতো একেটা কথাকে ঘূৰি থাকিল। কেইদিন মানৰ পাচত সি আকৌ আমাৰ ঘৰলৈ আহিল। মোৰ বাবে ভালপোৱাৰ প্ৰস্তাৱ লৈ। মোৰ বিবেকে বিচাৰ কৰিব নোৱাৰিলে কোনটো ভাল, কোনটো বেয়া, কোনটো কৰণীয় আৰু কোনটো অকৰণীয়।

অৱশেষত মই তাৰ ভালপোৱাৰ প্ৰস্তাৱ স-সন্মানেৰে গ্ৰহণ কৰিলো। যৌৱনৰ উত্তাল নদীৰ চাকনৈয়াত ঘূৰি মই পাহৰি গ'লো নিজৰ অস্তিত্বৰ কথা। সকলো সময়তে এইবোৰ কথা ভাবি নিজৰ পঢ়া শুনাবোৰ আওকান কৰিবলৈ ধৰিলো। কোনোমতেহে মই দ্বাদশ শ্ৰেণীলৈ উত্তীৰ্ণ হ'লো। মেট্ৰিকত এটা ভাল ৰিজাল্ট কৰাৰ পাচত সেই ধৰণৰ ৰিজাল্ট দেখি সকলোৰে মুখৰ পৰা গালিবৰ্ষণ আৰম্ভ হ'ল। এদিন কাৰোবাৰ মুখেৰে দাদাই কথাটো গম পাই মোক আমাৰ সম্পৰ্কটোৰ কথা সুধিলে। মই একো উত্তৰ দিব পৰা নাছিলো।

লাহে লাহে আমাৰ সুখৰ ঘৰখনলৈ আহিছিল দুখৰ বাৰিষাৰ ঢল। সকলোৱে মোক ভালদৰে বুজাইছিল– "পলৰো এতিয়া বয়স বহুত কম। তহঁতৰ উদ্দেশ্য পঢ়াটোহে। এইবোৰ পাচতো ভাবিব পাৰিবি।" মোৰ জেদী স্বভাৱটোৱে এইবোৰ কথা মানি নললে। বহুত বিশ্বাস ৰাখি আমাৰ ভালপোৱাক আগবঢ়াই নিলো। মৰমৰ তাগিদাত তাৰ প্ৰতিটো ভুলকে ক্ষমা কৰি গ'লো। কিন্তু মই নাজানিছিলো যে ইমান এটা মধুৰ সম্পৰ্কৰ মাজতেই লুকাই আছে কৃত্ৰিমতাৰ বীজ।

কোনে জানে আজি ফুলা ফুলৰ সুবাস কিমান দিনলৈ থাকিব।ময়ো নাজানিলো আমাৰ মাজত থকা মৰমৰ এনাজৰীডাল কিমানদিনলৈ কটকটীয়া হৈ থাকিব। মই মোৰ বান্ধৱী বিছাৰ মুখেৰে এদিন গম

পালো তাইৰ লগতহে বোলে পলৰ সম্পৰ্ক আছে। গতিকে মই তাক পাহৰি পেলাব লাগে। মই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলো। চিঞৰি চিঞৰি পলক গালি পাৰিবলৈ মন গ'ল। মিছলীয়া, ঠগ, প্ৰবঞ্চক আদি বিশেষণেৰে। ৰিছালৈও খং উঠিছিল আমাৰ বন্ধুত্বৰ প্ৰতিদান হিচাপে দুখখিনি মনৰ মাজত জাপি দিয়াৰ বাবে। কি দিয়া নাচিলো মই সিহঁতক? কিহৰ প্ৰতিশোধ ল'লে সিহঁতে মোক? কাকো একো নকলো। মাথো গা বেয়াৰ অভিনয় কৰি ভাত পানী নোখোৱাকৈ বিচনাত শুই শুই কান্দিলো। ৰাতিপুৱা মনটো বহুত পাতল লাগিল হয়তো আগনিশা কান্দি দুখখিনি ওজাৰি দিয়াৰ বাবে। গা-মূৰ ধুই গোঁসাই ঘৰত এগছি চাকি জ্বলাই প্ৰাৰ্থনা কৰিলো যাতে পল আৰু ৰিছাৰ মৰমবোৰ বৰ্তমানৰ দৰেই সজীৱ হৈ থাকে চিৰদিন। সিহঁত সুখী হওক মনে বিচৰা ধৰণে।

মই আতৰি আহিলো পলৰ জীৱনৰ পৰা কেৱল তাৰ সুখৰ কথা ভাবি। তথাপি মই মচিব নোৱাৰিলো মোৰ হৃদয়ত খোদিত হৈ থকা তাৰ ছবিখন। মাজে মাজে খবৰ কৰি থাকিলো মোৰ হায়াৰ চেকেণ্ডাৰী ফাইনেল পৰীক্ষাৰ ৰিজাল্ট দিলে। মনে বিচৰা ধৰণে ৰিজাল্ট পাইও মই সুখী হব পৰা নাই। মোৰ ৰিজাল্টৰ খবৰ লবলৈ শুভাকাংক্ষীবোৰৰ আহ-যাহ চলিছে। কিন্তু পলে এবাৰো খবৰ কৰা নাই। তথাপি মনটোক ৰিছাৰ কথা ভাবিয়েই সান্তনা দিছো। সিতো এতিয়া মোৰ নহয়। মোৰ মনৰ মাজত জানো আনক জোৰ কৰি ৰাখিলে হব। মই লাহে লাহে তাক পাহৰি যাবলৈ চেষ্টা কৰিলো। নতুন কলেজত নাম ভৰ্ত্তি কৰিলো। কলেজীয়া জীৱনৰ এই সময়ছোৱাত বহুত লৰাই মোৰ জীৱনত প্ৰবেশ কৰিব বিচাৰিছিল। কিন্তু মই কাকো সন্মতি নিদিলো। এবাৰ প্ৰবঞ্চিত হৈয়েই জীৱনক মই ভালদৰে চিনিছো। পুনৰ সেই একেটা ভুলকে মই কৰিব বিচৰা নাই।

গ্ৰেজুৱেচন লোৱাৰ পাচত মোৰ বাবে বিয়াৰ কেইবাটাও প্ৰস্তাৱ আহিল। তাৰ ভিতৰত সহজ সৰল মনৰ জিতক পাই মই সপোন ৰচি পেলালো ভৱিষ্যতৰ আৰু প্ৰতিশ্ৰুতি দিলো আজীৱন লগৰী হোৱাৰ। এতিয়া জিৎ, মই আৰু আমাৰ কণমানি সাক্ষীজনীক লৈ এটি সুখী পৰিয়াল। জিৎৰ চাকৰিসূত্ৰে আমি ঘৰৰ পৰা আতৰি শিৱসাগৰৰ এখন গাঁৱত ভাড়াঘৰত থাকো। এনেতে সাক্ষীৰ "মা-মা" থেনথেননিত মই ঘূৰি আহিলো বাস্তৱলৈ। তাই পুনৰ শুই পৰিল। জিতলৈ চালো। দিনটোৰ ব্যস্ততাৰ অন্তত এতিয়াৰ গভীৰ টোপনি। সন্ধ্যা জিৎ ৰ আগত সকলো কথা খুলি কলো। তাৰ অনুভৱ কেনেকুৱা হৈছে মই নাজানিলো। কিন্তু মই বহুত সুখী হৈছো কথাবোৰ তেওঁক জনাই দিবলৈ পাই। ইমান সহজ সৰল তেওঁ। কথাবোৰ শুনাৰ পাছত বহুপৰ নিৰৱে থাকি মোক কৈছিল- "পাহৰি যোৱা সেইবোৰ। তুমি বিচৰাখিনিতো মই দিছো।"

হঠাৎ এটা নিশাচৰ চৰাইৰ বিকট চিঞৰত মই চক্ খাই উঠিলো। ঘড়ীলৈ চালো, নিশা দুই বাজি পোন্ধৰ মিনিট। দিঠক নোহোৱা সপোনবোৰ সুঁৱৰি সুঁৱৰি মই চেষ্টা কৰিলো টোপনি যাবলৈ। বাৰে বাৰে ব্যৰ্থ হৈছে, টোপনি অহা নাই। তথাপি অকণমান প্ৰয়াস মাথো বাস্তৱত বিলীন হোৱাৰ..........।

ঃঃঃঃঃঃঃঃঃ

# মানৱীয়তাৰ স্খলন

— শ্ৰীমতী সীমাশ্ৰী শইকীয়া
ইংৰাজী বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ

আসঃ..............! মূৰটো জোৰেৰে হেঁচি ধৰি চিৎকাৰ কৰি উঠিল মানুহগৰাকী। উঠিব খুজিও পুনৰ থকা ঠাইতে বাগৰি পৰিল। মূৰটো হাতেৰে হেঁচি মুখেৰে এক অস্ফুট গেঙনিৰ দৰে শব্দ কৰি আছে মানুহগৰাকীয়ে।

"পাগলী.......... পাগলী। তাই পাগলী।" মোৰ কাণৰ ওচৰতে কোনোবাই কথা কেইষাৰ কোৱা যেন শুনি ঘূৰি চাই দেখো যে মোৰ পৰা এহাতমান আঁতৰত কেইজনমান মানুহে ফুটপাথত পৰি বিষত আৰ্তনাদ কৰি থকা মানুহগৰাকীৰ কথাই পাতি পাতি আঁতৰি গৈছে।

মানুহকেইজনৰ কথা কেইষাৰ মোৰ কাণত ঠহৰ ঠহৰকৈ বাজিবলৈ ধৰিলে। পাগলী হ'লেও তাই মানুহ। আমাৰ দৰেই তেজ মঙহৰ এজনী জীয়া মানুহ। তাইৰ মলিয়ন, ফটা কাপোৰৰ সৈতে আঘাতপ্ৰাপ্ত দেহটো, বিষত কাতৰ তাইৰ অৱস্থা দেখি মই চাই থাকিব নোৱাৰি অন্যফালে মুখ ঘুৰালো। এটা হুমুনিয়াহ মোৰ মুখৰ পৰা সৰি পৰিল। বেচেৰী.........।

হয়......... তাই পাগলী। বৰ্তমান এই ঠাইৰ সকলোৰে চকুত তাই এজনী পাগলী। কোনেও নাজানে তাইৰ পৰিচয়। তাইৰ নাম, ঘৰ। একো নাজানে। অৱশ্যে জনাৰ প্ৰয়োজন নাই। কাৰো সময়ো নাই অবাবতে খৰচ কৰিবলৈ। তাইৰ



মাত্ৰ চিৰ পৰিচিত নাম পাগলী। ব্যস্ততাপূৰ্ণ চাৰিআলিটোৰ ফুটপাথৰ ওপৰতে তাই কটাই গৈছে দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি। খোৱা-বোৱাৰো হিচাপ নাই। পালে খায় নাপালেও নাই। কাকো একো আমনি নকৰি নিজৰ ভাৱতেই মগ্ন হৈ থাকে।

আজি সোমবাৰ। স্কুল-কলেজ, অফিচ-কাছাৰীলৈ অহা মানুহৰ সংখ্যাই অধিক। যান-বাহনৰ যি জঁট। অমনোযোগী হৈ ক'তো এখোজো ইফাল-সিফাল্ কৰিব নোৱাৰি। ৰাস্তা পাৰ হোৱাই কঠিন। ইফালে সোনকালে অফিচ পাবগৈ লাগে। তাতে লানি নিছিগা গাড়ী। গাড়ীৰ তীব্ৰ শব্দ, ক'লা-ধোঁৱা, মানুহৰ চিঞৰ-বাখৰ আদিৰে কোলাহলপূৰ্ণ ৰাস্তাটো পাৰ হৈ ইপাৰলৈ যাবলৈ উদ্যত হওঁতেই তীব্ৰ চিৎকাৰত মোৰ আগৰ ফালৰ যাব খোজা ভৰিটো কোচাই আনিলো। শব্দৰ উৎস অনুসন্ধান কৰি দেখিলো যে ৰাস্তাৰ ওপৰতে ঠিক আলিটোৰ মাজভাগতে তললৈ মুখ কৰি পাগলীজনী চিৎ হৈ পৰি আছে। মুখৰ পৰা এক অস্ফুট গেঙনি বাহিৰ হৈছে। ঘটনাৰ আগ-গুৰি নাপাই অলপ সময় তাতে জলকা মাৰি ৰ'লো। ৰাস্তাৰ গাড়ীবোৰ অলপ সময়ৰ বাবে স্তব্ধ হৈ ৰ'ল। সকলোৰে দৃষ্টি নিবদ্ধ হ'ল ৰাস্তাৰ মাজত পৰি থকা পাগলীজনীৰ ওপৰত। মানুহৰ মাজত গুণগুণনিৰ আৰম্ভ হৈ গ'ল পাগলীজনীক লৈ। কিন্তু মাত্ৰ অলপ সময়ৰ বাবেহে। মুহূৰ্ততে কেইজনমান মানুহে পাগলীজনীক দাঙি নি ৰাস্তাৰ কাষৰ ফুটপাথত পেলাই থৈ আহিল। তাত উপস্থিত থকা সকলো লোকে এক স্বস্তিৰ নিশ্বাস পেলাই পুনৰ নিজৰ নিজৰ মাজত ব্যস্ত হৈ পৰিল যেন একোৱেই ঘটা নাই তেনে ভাৱত।

মই কেইমুহূৰ্তমান স্থানুৰ দৰে একে ঠাইতে ৰৈ গ'লো। নিজক চম্ভালিবলৈ অলপ সময়ৰ প্ৰয়োজন হ'ল। আচলতে পাগলীজনীয়ে ৰাস্তাটো পাৰ হৈ ইপাৰলৈ যাব খোজোতেই ঘটনাটো সংঘটিত হ'ল। তাই ৰাস্তাৰ সোঁমাজ পাওঁতেই হঠাতে বিপৰীত দিশৰ পৰা অহা এখন গাড়ীৰ খুন্দাত তাই ৰাস্তাৰ ওপৰতে পৰিল। নাকে-মুখে ধাৰাসাৰে তেজৰ সোঁত বৈছে ধৰিছিল। এতিয়া তাই সৌ ফুটপাথৰ ওপৰতে পৰি বিষ, যন্ত্ৰণাত কেঁকাই আছে। তাইক খুন্দা মৰা গাড়ীখনে সেই কথা সিমানতে এৰি ইতিমধ্যে বহুদূৰ পালেগৈ। কাৰণ, তাই এজনী পাগলী। আৰু পাগলীৰ জানো দুখ-সুখ বোলা কিবা কথা আছে? তাইৰ হৈ টো অভিযোগ কৰিবলৈ কোনো নাই। নাই কোনো, তাইৰ নেপথ্যে থিয় দিবলৈ, এই অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ। গতিকে, একো চিন্তাও নাই।

ইমানপৰে ঘটনাটো চাই জুম বান্ধি থকা মানুহবোৰ নিজ নিজ দিশত ধাৱমান হৈছে। হায়! আজিৰ মানুহ। পৃথিৱীৰ জীৱশ্ৰেষ্ঠ মানুহ এয়ে। চকুৰ আগতে সংঘঠিত হোৱা এটা ঘটনাৰ অন্যায়ৰ প্ৰতিবাদ কোনেও নকৰিলে। কোনোয়ে নাইনে? সকলোৱে কেৱল চাই ৰ'ল। যেন এটি চিনেমাৰ দৃশ্যহে। চালে আৰু তাতে শেষ। কেৱল দুই এজনে পাগলীজনীৰ ফালে চাই মুখেৰে ইচ্ আচ্ কৰি গ'ল। আচলতে কোনেও বাটৰ কচু গাত ঘঁহি ল'ব নিবিচাৰে। জানি-শুনি নলগা জেঙত লাগিবলৈ কোনেও নিবিচাৰে। এইবোৰ লোকেই আকৌ নতুন আদৰ্শবান সমাজ গঢ়াৰ কথা কয়।

মানুহবোৰৰ ওপৰত মোৰ কিবা খং উঠি আহিল। কিন্তু, ওপৰলৈ পানী চটিয়ালে যে নিজৰ গাতে পৰে। ময়োটো এই সকলৰ বাহিৰত নহয়। ময়োটো প্ৰতিবাদ কৰিব পাৰিলোহেঁতেন। কিন্তু নকৰিলো। কাৰণ, মোৰো যে এতিয়া এক্কেবাৰেই সময় নাই। সময়ৰ বৰ অভাৱ। হাতৰ ঘড়ী লৈ চাই জাপ মাৰি উঠিলো। ঘড়ীৰ কাটাই ১০ৰ ঘৰ চুবলৈ মাত ৫ মিনিট বাকী। চেহু দেখিয়ে হৈছে। মিছাকে সময়বোৰ পাৰ কৰিলো। মানুহবোৰৰ ওপৰত উঠা খংটো এইবাৰ নিজৰ ওপৰত উঠিল। মুখৰ ভিতৰতে ভোৰভোৰাই কোৰাকুৰিকৈ অফিচলৈ বুলি খোজ ল'লো।

ºººººººººº

(গল্প ঃ মহাভাৰতৰ পৰা)

# সাৰঙ্গ পক্ষীৰ কাহিনী

— শ্ৰীমতী চিত্ৰলেখা গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

পুৰাণৰ কাহিনী বিলাকত পশু-পক্ষীবিলাকেও মানুহৰ দৰে কথা কয়। কেতিয়াবা কেতিয়াবা সিহঁতে জ্ঞানযুক্ত উপদেশ আৰু আধ্যাত্মিক তত্ত্বও প্ৰকাশ কৰে। কিন্তু কথা বতৰা, জ্ঞান চিন্তা যিমানেই মানুহৰ দৰে নহওক কিয়, সিহঁতৰ ধৰণ-কৰণ পশু-পক্ষীৰ দৰে থাকে। তেনেকুৱা এটা পক্ষীৰ কাহিনী মহাভাৰতত পোৱা যায়।

খাণ্ডৱপ্ৰস্থ আছিল এখন হাবিয়নি। ঠাইখন ওখ-চাপৰ, ওখোৰা, কাঁইটীয়া জোপা-জোপোহাৰে ভৰা। সেই হাবিৰ মাজতে আছিল এখন প্ৰাচীন নগৰৰ ধ্বংসাৱশেষ। অ'ত-ত'ত সেই পুৰণি নগৰৰ চিন মোকাম অপৰ্য্যাপ্তভাৱে পৰি আছে। ঠাইখন দেখিলেই ভয় লগা। নানা ধৰণৰ পশু-পক্ষী, চোৰ ডকাইত আদিৰ বাসস্থান। পাণ্ডৱৰ ভাগত পৰিল সেই ঠাইখনতে নগৰ পাতিবলৈ। চাই চিতি কৃষ্ণ অৰ্জুনে দুয়ো স্থিৰ কৰিলে যে প্ৰথমে জুই লগাই দি এই বনভূমি পৰিষ্কাৰ কৰা যাওক। তাৰ পিছত মুকলি হ'লে ভালদৰে আঁচনি কৰি এখন নগৰ নিৰ্মাণ কৰা হ'ব। সেয়েহে তেওঁলোকে হাবিখনত জুই লগাই দিলে।

এজনী সাৰঙ্গ পক্ষী চাৰিটা অকণ অকণ পোৱালী লৈ সেই হাবিতে এজোপা গছত বাহ পাতিছিল। মতা সাৰঙ্গটোৱে তাই আৰু পোৱালি কেইটাৰ ফালে পিঠি দি অন্য এজনী মাইকী সাৰঙ্গ পক্ষীৰ লগত মহা সুখে বিচৰণ কৰিছিল। মাইকী সাৰঙ্গজনীয়ে অকলে পোৱালিকেইটাৰ প্ৰতিপালন কৰিব লগাত পৰিছিল। যেতিয়া কৃষ্ণ আৰু অৰ্জুনৰ আদেশত খাণ্ডৱ প্ৰস্থৰ জুই লগাই দিয়া হ'ল। জুই দশোদিশে বিয়পি গ'ল। লেলিহান অগ্নিশিখাই খাণ্ডৱ দাহ পূৰ্ণ গতিৰে চলাই নিবলৈ ধৰিলে। মাতৃ সাৰঙ্গই ভয়ত অস্থিৰ হৈ বিলাপ কৰিবলৈ ধৰিলে। এই ভয়ঙ্কৰ জুইৰ শিখা কৰাল মূৰ্ত্তি ধৰি ওচৰ চাপি আহিছে। গছ-গছনিবোৰ পুৰি ছাই কৰি আনিছে। ডাঙৰ ডাঙৰ গছবোৰ হুৰমুৰকৈ ভাগি পৰিছে। এই বননিৰ সকলো জীৱ জন্তুৰ প্ৰাণত ত্ৰাস। তহঁতৰো অকণ অকণ পোৱালি তহঁতৰ পাখি গজা নাই। এতিয়াই তহঁতক জুয়ে পাবহিয়েই। জুয়ে পুৰি ছাই কৰিব। কি কৰোঁ মই এতিয়া? তহঁতৰ পিতৃয়ে আমাক পৰিত্যাগ কৰিছে। মোৰো তহঁতক লৈ উৰি যাবলৈ গাত শক্তি নাই।"

চিঞৰি চিঞৰি কান্দি থকা মাকক সাৰঙ্গ পোৱালি কেইটাই সান্তনা দি ক'লে, "আমাৰ বাবে চিন্তা কৰি তুমি ইমান বিতত নহ'বা। আমাক আমাৰ ভাগ্যৰ

হাতত এৰি দিয়া। এতিয়া এই জুইত আমাৰ যদি মৃত্যু হয়, পিছৰ জন্মত আমি নিশ্চয় পক্ষীতকৈ উত্তম কুলত জন্ম লভিবলৈ পাম। কিন্তু তুমি যদি আমাৰ বাবে নিজৰ প্ৰাণো উৰ্চগা কৰা তেন্তে আমাৰ বংশ লোপ পাব। তাতকৈ তুমি উৰি নিৰাপদ স্থানলৈ যোৱাগৈ। পুনৰ এটা লগ বিচাৰি লৈ সুখেৰে জীৱন কটাব পাৰিবা। পিছত তোমাৰ আকৌ অন্য পোৱালি হব। আমাক পাহৰি যাব পাৰিবা। সেই দেখি আই, তুমি চিন্তা কৰি আমাৰ কুল ৰক্ষা কৰাৰ বাবে যত্নপৰ হব লাগে।"

কিন্তু পোৱালিবোৰে সেইদৰে কোৱাতো মাক সাৰঙ্গজনীয়ে তাইৰ পোৱালি এৰি গুচি যোৱাৰ কথা ভাবিব নোৱাৰিলে," নালাগে মই ইয়াতে থাকিম। তহঁতৰ লগত একেলগে অগ্নিত জাহ যাম। সেয়ে ভাল।"

সাৰঙ্গ পক্ষীৰ এই কাহিনীৰ এক পূৰ্বকথা আছিল। সেইটো এনেধৰণৰ- মন্দপাল নামে এজনা ঋষি আছিল। তেওঁ আজীৱন ব্ৰহ্মচৰ্যৰ সংকল্প গ্ৰহণ কৰি চিৰ কুমাৰ হৈয়ে যেতিয়া মৰিল, তেওঁ স্বৰ্গলৈ যাবলৈ ওপৰলৈ উঠোতে স্বৰ্গৰ দুৱৰীহঁতে সোমাবলৈ নিদি আতঁৰাই পঠাই ক'লে, "নিঃসন্তান কোনো লোকৰে ইয়াত প্ৰৱেশ নিষেধ।" ঋষি মন্দপান পুনৰ পৃথিৱীলৈ ঘূৰি আহি সাৰঙ্গ পক্ষী হৈ জনম ললেহি আৰু জৰিতা নামে এজনী সাৰঙ্গৰে যোৰ পাতিলে। তাৰ ফলত জৰিতাৰ চাৰিটা কণীৰ পৰা চাৰিটা পোৱালি হ'ল। মতা সাৰঙ্গটোৱে লপিতা নামে অন্য এজনী সাৰঙ্গৰ লগত অৰণ্যত বিহাৰ কৰি ফুৰিবলৈ ধৰিলে। জৰিতাৰ চাৰিটা পোৱালি দৰাচলতে ঋষিৰ সন্তান হোৱাৰ বাবেই সিহঁতে মাকক বিপদৰ সহায়ত সান্তনা আৰু উছাহ দিব পাৰিছিল।

মাক সাৰঙ্গ জনীয়ে পোৱালী কেইটাক ক'লে, "এই গছজোপাৰ গুৰিতে এটা এন্দুৰৰ গাঁত আছে। মই গাঁতৰ মুখখন মাটিৰে বন্ধ কৰি দিম যাতে জুয়ে গাঁতৰ ভিতৰলৈ প্ৰৱেশ কৰিব নোৱাৰে। জুয়ে তহঁতক চুবই নোৱাৰিব-- জুই পাৰ হৈ গ'লে মই আহি গাঁতটো খান্দি তহঁতক আৰু উলিয়াই আনিম।"

পোৱালি কেইটা কিন্তু সেই কথাত মান্তি নহ'ল, "নাই নাই সেইটো নকৰিবা আই। গাঁতত থকা এন্দুৰটোৱে আমাক খাই পেলাব। এন্দুৰৰ ভোজ হৈ নীচ মৃত্যুবৰণ কৰাতকৈ জুইত পুৰি ছাই হোৱা বহুগুণে ভাল।"

মাক সাৰঙ্গই সিহঁতৰ ভয় গুচাবলৈ ক'লে- "একো নহয়। মই নিজে এই গাঁতৰ এন্দুৰটো শেন চৰায়ে খাই পেলোৱা দেখিছো। সেইবাবে গাঁতৰ ভিতৰত এতিয়া এন্দুৰলৈ ভয় নাই।"

কিন্তু পোৱালিবোৰ তেতিয়াও সন্মত নহ'ল, "আই, গাঁতত অন্য এন্দুৰবোৰ থাকিব পাৰে। শেন চৰায়ে এটা এন্দুৰ ধৰি খালেই এন্দুৰ নোহোৱা হৈ নেযায়। সেইবোৰ কথা এৰা। তুমি দয়া কৰি ইয়াৰ পৰা উৰি গৈ প্ৰাণ ৰক্ষা কৰা। জুই আহি এই গছজোপা পোৱাৰ আগতে তুমি পলোৱা। আমি এন্দুৰৰ গাঁতত নোসোমাওঁ। তুমি মিছামিছি তোমাৰ জীৱন অবাবতে আমাৰ বাবে কিয় নষ্ট কৰিব লাগিছে। আমিনো তোমাৰ কি উপকাৰ কৰিব পাৰিছো। এতিয়ালৈকে তোমাৰ সেৱা কৰিবলৈ সক্ষম হোৱাই নাই। আমি জনম লভিবৰ পৰা তোমালৈ সুখৰ সলনি দুখহে আনিছো। যোৱা অন্য এটা লগ বিচাৰি লৈ সুখী হোৱাগৈ। আমি এই জুইতে পুৰি মৰিলে নিশ্চয় উচ্চতৰ জীৱন অধিকাৰী হ'ম। দৈৱক্ৰমে আমি যদি ৰক্ষা পৰো তুমি জুই নুমোৱাৰ পিছত আহি আমাক বিচাৰিবা আৰু পলম নকৰিবা। এতিয়াই যোৱা।" পোৱালিহঁতৰ কাতৰ উক্তিত মাক সাৰঙ্গ জনী তাৰপৰা উৰি আঁতৰি গ'ল।

জুই শিখাই আহি গছজোপা আগুৰি ধৰোঁতেও পোৱালি কেইটাই কোনো ভয় নাখালে। সিহঁতে চি-চিয়াঁনি তুলি কেউটা ৰং মনে থাকিল। ডাঙৰ পোৱালিটোৱে ক'লে, "জ্ঞানী লোকে বিপদৰ জাননী আগতেই পায়। যেতিয়া সঁচা সঁচিকৈ বিপদ আহে তেতিয়া আৰু ভয় নকৰে। কপালত যি থাকে তাকে গ্ৰহণ কৰে।" সৰু পোৱালি কেইটাই ক'লে- "তুমি বয়সতো ডাঙৰ আৰু জ্ঞানীও। সেইবাবেই এনে দৃঢ় মনেৰে থাকিব পাৰিছা।"

জুই আহি কাষ চাপিলত আটাই কেইটা পোৱালিয়ে প্ৰফুল্ল মনেৰে অগ্নিক সম্ভাষণ জনাই স্তুতি কৰিলে-- "হে অগ্নি দেৱতা, আমাৰ মাতৃয়ে আমাক এৰি গৈছে। আমাৰ পিতৃক আমি আজিলৈকে দেখাই নাই। কাৰণ আমি কণীৰ পৰা ওলোৱাৰ আগতেই তেওঁ নিৰুদ্দেশ হৈছিল। হে অগ্নি দেৱতা ধূম্ৰ হ'ল তোমাৰ ধ্বজা। আমাৰ পাখিয়েই গজা নাই। আমি অতিকৈ

অসহায়। তুমিয়েই আমাৰ আশ্ৰয়। আমাৰ যত্ন লওঁতাও কোনো নাই। গতিকে আমি তোমাৰ শৰণাপন্ন হৈছো। ব্ৰাহ্মণ ব্ৰহ্মচাৰীসকলে বেদমন্ত্ৰ জ্ঞান কৰাদি কেউটা পোৱালিয়ে সেইদৰে অগ্নিদেৱতাক স্তুতি কৰিবলৈ ধৰিলে।

খাণ্ডৱ দহনকাৰী প্ৰচণ্ড অগ্নিয়ে সকলো পুৰি ছাৰখাৰ কৰিলে কিন্তু পোৱালি কেইটাক অকনো অনিষ্ট নকৰাকৈ এৰি গুচি গ'ল। জুই যেতিয়া পাৰ হৈ গ'ল মাক সাৰঙ্গ জনী আহি নিজৰ পোৱালিকেইটাক ৰং মনেৰে চি-চিয়াঁই থকা দেখি আনন্দত আত্মহাৰা হৈ সিহঁতক সাৱটি ধৰিলেহি।

অৰণ্যত জুই লগা দেখি পিতৃ সাৰঙ্গটোৱেও নিজৰ পোৱালি কেইটাৰ জীৱননাশৰ আশংকা কৰি নিজৰ নতুন প্ৰেমিকা লগৰী লপিতা নামৰ সাৰঙ্গজনীক নিজৰ দুচিন্তাৰ কথা ক'লে। লপিতাই তাক টান টান কথাহে শুনালে। বাৰে বাৰে মতা সাৰঙ্গটোৱে একে কথাকে কৈ থকা দেখি তাইৰ খং উঠি ক'লে, "হয়নে তোমাৰ মনৰ ভাব কেনে মই বুজিছো নহয়। মই ঠিক বুজিছো। তোমাৰ আচলতে মোক ভাল নলগা হৈ আহিছে। তুমি কিবা এটা অচিনা হৈ পুনৰ জৰিতাৰ ওচৰলৈ যাব খুজিছা। মিছা-মিছি কিয় জুইত পোৱালি মৰিব বুলি ভয় খাই দেখুৱাইছা? তুমিতো মোক নিজেই কৈছিলা যে তোমাৰ পোৱালি জুইত পুৰি নমৰে। কাৰণ অগ্নি দেৱতাই তোমাক সেই বৰ আগতেই দি থৈছে। তুমি যাব খুজিছা যোৱা তোমাৰ প্ৰেমিকা জৰিতাৰ ওচৰলৈ। সঁচা কথা কৈয়ে যোৱা। মিছামিছি শংকা কৰি মোক আভুৱা ভাৰিছা কেলেই? তুমি যোৱা। মই প্ৰবঞ্চিত হ'লে– সেইটো একো নতুন কথা নহয়। মোৰ দৰে তিৰোতা অযোগ্য মুনিৰ দ্বাৰা এনেদৰে প্ৰতাৰিতা হয়েই।"

পক্ষী মন্দপালে ক'লে, "তুমি এনেয়ে সেইবোৰ ভাবিছা। মই পুত্ৰ সন্তান লাভৰ বাবেই পুনৰ জন্ম লবলগীয়া হৈছিল। গতিকে মোৰ সন্তানহঁতৰ বিষয়ে মোৰ উদ্বিগ্নতা হ'বই। মই মাত্ৰ এবাৰ গৈ চাই আহিম সিহঁত কেনে আছে। তাৰ পিছত আকৌ তোমাৰ ওচৰলৈ ঘূৰি আহিম।" এই বুলি লপিতাক বুজনি দি সি উৰা মাৰি জৰিতা য'ত পোৱালি কেইটাক লৈ বাস কৰিছিল সেই গছজোপা পালেগৈ।

জৰিতাই তাৰ ফালে কাণেই নকৰিলে। তাই নিজৰ পোৱালিকেইটাৰ লগতে উমলি থাকিল পৰম আনন্দেৰে। সিহঁত যে জীয়াই থাকিল তাতকৈ তাইৰ বাবে আনন্দৰ কথা কি হ'ব পাৰে। এবাৰ মাত্ৰ তাইৰ স্বামীৰ ফালে চাই তাই সুধিলে কি মন কৰিনো সি তালৈ আহিল। মন্দপাল সাৰঙ্গই বৰ স্নেহেৰে উত্তৰ দিলে। "মোৰ পোৱালি কেইটি নিৰাপদে সুখেৰে আছেনে? সিহঁতৰ ভিতৰত ডাঙৰ কোনটো?"

জৰিতাই কঠুৱা শীতল কণ্ঠেৰে সুধিলে, "তোমাকনো কেলেই সেইবোৰ কথা? তুমি যিজনীৰ বাবে মোক ত্যাগ কৰিলা সেইজনীৰ ওচৰলৈকে যোৱাগৈ। তাইৰ লগতে সুখে সন্তোষে বাস কৰাগৈ।"

মন্দপালে দাৰ্শনিকৰ দৰে ক'লে, "তিৰোতাই মাক হোৱাৰ পিছত নিজৰ সন্তানকহে মৰম কৰে। নিজৰ স্বামীৰ প্ৰতি একেবাৰে পিঠি দিয়ে। সেইটোৱেই সংসাৰৰ নিয়ম। আন কথানো কি কবা! স্বয়ং মহা পুণ্যবান বশিষ্ঠ মুনিকো সন্তানৱতী হোৱাৰ পিছত অৰুন্ধতীয়ে এনেদৰেই অৱহেলা কৰিছিল।"

ঃঃঃঃঃঃঃঃঃ

# কাব্যশিল্প



"কাব্যশিল্পৰ এক বিশেষ কৃতিত্ব আৰু আকৰ্ষণ আছে বাবেই মানুহৰ অতি প্ৰিয় সাহিত্য। কবিতাৰ পৰিপূৰ্ণ অখণ্ডতা আৰু তাৰ বিভিন্ন অংশৰ অবিচ্ছেদ্যতাৰ বাবেই কবিতা মনত ৰাখিবলৈও সহজ। এক সংবেদনশীল কলা হিচাপে কবিতাৰ অন্তৰ্নিহিত ভাৱ উপলব্ধি কৰিবলৈ প্ৰয়োজন হয় একোটি সংবেদনশীল মনৰ। শান্ত-সমাহিত সাগৰ তলিত অসংখ্য ঢৌ থকাৰ দৰেই প্ৰতিজন মানুহৰ হৃদয়ভূমিত সঞ্চিত হৈ থাকে কবিতাৰ বীজ।"

# সীমাৰ সীপাৰে- মনশিখা

- শ্ৰী কাকলি সোণোৱাল
প্ৰবক্তা, অসমীয়া বিভাগ
শিৱসাগৰ ছোৱালী কলেজ

(ভীমাজুলিৰ ঘটনাত নিহত সকলৰ
আত্মীয়লৈ উছৰ্গা কৰিলো।)

“নিজান গধূলিত কাউৰী কান্দিছে।”
অভিশপ্ত অভিমানে —
বিচাৰি ফুৰে- অলিয়ে গলিয়ে
কত যে- নিষ্পাপ;
নিমাও-মাও জোনাক ৰাতিত
হেৰাই গ'ল মনশিখা,
অভিমান ভাঙি তাই গ'লগৈ
তাই যোৱাৰ পৰত
উচুপিলে তলসৰা শেৱালিও।
নিজান গধূলিত কাউৰী কান্দিছে-
অভিশপ্ত বেদনাত নিৰলে পৰি ৰ'ল
এজাক অসহায় আত্মীয়।
ভগ্ন হৃদয়ে-
বুকুজুৰি কান্দে মাথো
কিমান যে অমানিশা.......!!!

❖❖❖



# জীৱন

- শ্ৰী বৰ্ণালী দাস
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

শব্দবোৰ শেষ হয়
ক্ৰমশঃ এটা কবিতা মৰি আহে,
সময়ৰ বিষাক্ত চুমা
দুদিনতে হেৰাই যায় অৰ্থবোৰ।।

হাতত লগা তেজেৰে পুনৰ
ইতিহাস ৰচিব পৰা নাযায়
মাথো এখন ছবি,
এটি ঘৰ.........এখন নদী
এনেকৈ জানো পূৰ্ণ হয় সেউজীয়া?

হৃদয়ৰ ফাটমেলা আন এখন উপত্যকাতো
কবিতা নগজে
আচলতে..........অনুভৱৰ অভাৱ
দুভৰিত নুপূৰ পিন্ধি পৃথিৱীয়ে
ঝংকাৰ তোলা মইওতো দেখা নাই
কিমান দিন জীয়াই থাকিব আকাশ??
বৰষুণৰ গাত জুই লাগিলেই
আকৌ এটা কবিতা মৰিব
ক্ৰমশঃ মৰি আহিব
য'ত ছবিখন দেখা পোৱা নাযায়........।।

ooooooooo

# তৃষা নদীৰ ওপৰেৰে দৌৰে তৃষ্ণাতুৰ সময়

- কিশোৰ কুমাৰ দেউৰী

তৃষা নদীৰ ওপৰেৰে দৌৰে
তৃষ্ণাতুৰ বলিয়া সময়!
এতিয়া ভাষা শিলাময়
নদী বিষময়
একা বেকা আন্ধাৰ আন্ধাৰ বাট।
গিল'টিনত গণতন্ত্ৰ
জয়জয় ময়ময় ভাষণতন্ত্ৰ!
(ভাষণ দিছানে বন্ধু! টাইডাল ধিলা কৰি লোৱা!)

সময় যে এতিয় অসময়
অমাৱস্যাৰ অন্ধনিশা নিদ্ৰিত ফেঁচাৰ অট্টহাস্য
অজান্তি নিচাত দৌৰে ৰহমৰীয়া, কোকৰাঝাৰ
আৰু হাফলঙৰ দেওবৰীয়া বজাৰ!
কোনেও নাজানে কাৰ বাবে,
কিয় আৰু কলৈ দৌৰিছে সময়ে!
কেৱল দৌৰে
তৃষ্ণাত দৌৰে সময়,
তৃষা নদীৰ বুকুৰ ওপৰেৰে দৌৰে
তৃষাতুৰ বলিয়া সময়!



❖❖❖

# শিল্পী

- পামী গগৈ
স্নাতক প্ৰথম বৰ্ষ



শিল্পী তুমি, দুৰন্ত তোমাৰ কলাৰ সাধনাত
সৃষ্টি হয় প্ৰাণৰ সুধা
আঙুলিৰ পৰশ শৈলীত জাগে
সেউজ সপোন........
প্ৰস্তৰৰ দেহৰ ভাঁজে ভাঁজে!
কল্লোলিত তোমাৰ কল্পনাৰ লহৰত
কঁপি উঠে নিথৰ ধৰণী,
তুলিকাৰ আলফুল পৰশত জন্ম হয়
একোটি নৱজাতক সপোন।
উষাৰ নিৰ্মল হাঁহি, আকাশ-কুসুমৰ সুগন্ধি
সাগৰা ঢৌৰ উত্তাল তৰংগ দেখি,
ৰচা তুমি হৃদয়ৰ ভাষাৰে
তোমাৰ মানস কবিতা........।
তোমাৰ পৰশত আকাশে বতাহে বিয়পি পৰে
মাথোন সেউজীয়াবোৰ.......
বতাহত ভাঁহে তোমাৰ সৃষ্টিৰ সুবাস,
শীতৰ মৰহা পৰশতো তোমাৰ দুওঁঠত
বসন্তৰ হাঁহি!
নীলিম আৰু নীলিমাৰ মিলন ক্ষণত
উত্তাল তৰংগই পূৰ্ণ কৰে
তোমাৰ সপোনৰ কেনভাচ।
তুমি ৰচা গীতবোৰ কি সুৰে সজোৱা
আন্ধাৰৰ নে প্ৰভাতৰ?
তুমি অঁকা ছবিবোৰ কি ৰঙে বুলোৱা
সপোনৰ নে জীৱনৰ?
সময়ৰ দুৰ্ভেদ্য প্ৰাচীৰ ভাঙি
জীৱন যৌৱনৰ ৰঙচুৰা পথেৰে,
অনিৰুদ্ধ গতিৰে চুটি মেলি যায়
তোমাৰ কল্পনাৰ বগা ঘোঁৰা......।

তুমি যে সৃষ্টি উন্মাদ.........!
কি সাহস তোমাৰ!
যুগে যুগে গঢ়া তুমি,
ন-ন 'মানুহৰ' ইতিহাস।

ক্ৰুৰ, কলংকিত ইতিহাসৰ
পাষাণ বুকুত হেৰাব খোজা 'জীৱনৰ'
চানেকিৰ
তুমি যেন..............অনন্ত সাক্ষী।

৪৪৪৪৪৪

# মা'লৈ এটা প্ৰশ্ন



- শ্ৰীমতী ৰিতুমণি দুৱৰী
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

মা, তোৰ হেনো অসুখ
কিন্তু ক'তা
দেউতাৰ চকুতটো দেখা নাই
বেদনাৰ প্ৰচ্ছায়া
তোৰ দুখবোৰৰ সৈতে উমলিবলৈ
দেউতাৰ যে সময়ে নাই
ব্যস্ত (?) মানুহ যে
মই কিন্তু পাহৰা নাই মা
দেউতাৰ অসুখত যে তই
ছাটি-ফুটি কৰি মৰিছিলি
পাৰ কৰিছিলি বহুতো বিনিদ্ৰ ৰজনী
দেউতাৰ আৰোগ্য কামনা কৰি..........
এতিয়া?
তোৰ কান্দোনত এযাৰ মাতো নাপাৰ' তই
তোতকৈ হেনো
টোপনি তেওঁৰ বেছি প্ৰিয়
পুৰুষবোৰ হয়তো এনেকুৱাই
বিচাৰে কেৱল নাৰীৰ শৰীৰ
তোৰ অসুখত
তোক এবাৰ চাবলৈও
তেওঁৰ সময় নাই
একেই প্ৰতিদিনৰ ব্যস্ততা
পুৰুষবোৰ হয়তো এনেকুৱাই
দুখৰ সমভাগীটো বিচাৰে

কিন্তু,
দুখৰ সমভাগী হ'বলৈ নিবিচাৰে
তথাপি তই দুখ নকৰিবি মা
বেলতলাত আদিবাসী ছোৱালীজনীৰ
ওপৰত হোৱা অত্যাচাৰ,
ওদালগুৰিৰ গোষ্ঠীগত সংঘৰ্ষ,
অথবা,
গণেশগুৰিৰ বোমা বিস্ফোৰণ
এইবোৰৰ সন্মুখত
তোৰ, মোৰ, দুখবোৰ যে তেনেই নগণ্য
অৱশ্যে মই জানো মা
নাৰীৰ সহজাত কোমলতাৰে
তই ক্ষমা কৰি দিবি দেউতাক
কাৰণ,
মা তই যে মমতাৰ প্ৰতীক
কিন্তু মই?
পুনশ্চঃ মা তয়ে ক'চোন
মোৰ বুকুত সেউজীয়া সিঁচিবলৈ
আৰম্ভ কৰা
তেওঁ ও নুবুজিব নেকি মোক
কাৰণ,
তেওঁতো এজন পুৰুষ।

ঃঃঃঃঃ

# এটি মাথো প্ৰচেষ্টা....

- চিমী আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

দেখিছানে ?
কেতিয়াবা দেখিছানে পুৱাৰ আকাশ,
পোহৰে মুক্তিৰ বাট বিচাৰে ডাবৰৰ জলঙাৰে
ধৰাই যে তাক মাতি থাকে পৰম আকুলতাৰে!

দেখিছানে ?
কেতিয়াবা দেখিছানে জীৱনৰ তেজাল ৰং,
যি ৰঙেৰে ৰঙীন হ'ব খোজে মন চিৰন্তন
বেৰং ক্ষণবোৰে তাৰ সৈতে গঢ়ি তোলে মিলন-তোৰণ,
নিশ্চয় দেখা নাই!

তুমিনো ক'ত আহৰি পোৱা
জীৱনৰ ৰঙেৰে ৰাঙলী হোৱা আকাশৰ ৰাতুল ৰূপ চাবলে,
মায়া-মৃগ বিচাৰি ক্লান্ত দুচকুত ক'ত সেই ৰং লিপ্সা!
মইতো দেখা নাই, দেখা নাই
তোমাৰ দৃষ্টিত সেই আকুলতা যি,
বিচাৰি ফুৰে এমুঠি জেতুকাবুলীয়া সপোনেৰে
বুকু ভৰাবলে'।

সেয়ে ভাবিছো,
তোমাকো শিকাম বহুৰঙী জীৱনক প্ৰাণভৰি চাবলে'
টোপাটোপে সৰা সুখবোৰেৰে গা তিয়াবলে'।

পাৰিমনে?
পাৰিমনে মই,
তুমি সন্মতি দিলে নিশ্চয় পাৰিম!

৪৪৪৪

# বিষণ্ণ আবেলি

- শ্ৰীমতী ঝৰ্ণা গগৈ
স্নাতক তৃতীয় বৰ্ষ
ভূগোল বিভাগ

বাৰিষাৰ প্ৰথম জাক
বৰষুণ হৈয়ে নামিছিলা
এই কণমানি সেউজ ধৰালৈ
বন্যাৰে থান বান কৰিলা
হৃদয়ৰ জীপাল পথাৰ.........

তুমি নহা হলেই ভাল আছিল
ক্ষন্তেক সময়ৰ বাবে
চঞ্চল মন আকাশত
বিষাদৰ কলীয়া ডাৱৰ ওপচাই
তুমি আঁতৰি গ'লাগৈ.............
হৃদয় আহত হোৱা
শিলাবৰ্ষণেই আছিল নেকি
তুমি অহাৰ উদ্দেশ্য.........?

তোমাক হেৰুৱাই আজিও
মোৰ অন্তৰে কান্দি উঠে..........
দুচকুৱে পাৰ কৰে
উজাগৰী নিশা..........
হৃদয়ত সিঁচি থোৱা
যৌৱনৰ-কঠীয়া ডৰা
লহ পহকৈ বাঢ়োতেই বলীয়া বানে
উটুৱাই লৈ গ'ল..........
মনৰ ফুলনিত ৰুই যোৱা ফুলপাহত
কলিতেই অচিনাকি ভোমোৰা পৰিল...........

আজি প্ৰত্যেকটো মুহূৰ্ত্তই
মোৰ বাবে হৈ উঠিছে নিৰস........
চঞ্চল জোনাকতো
তমসাই আগুৰি ধৰিছে
হয়তু তুমি নাই বাবেই..............

৪৪৪৪৪৪

# ওৰে নিশা তিতি ৰম জোনাকৰ বৰষুণত

- শ্ৰীমতী মিতালী শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

অন্যদিনাৰ দৰেই আৰম্ভ হৈছিল আজিৰ পুৱাও
পোৱা-নোপোৱাৰ তালিকাত বাঢ়িছিল সংখ্যা
বেলিৰ সেন্দুৰ, পাতৰ সেউজীয়া একে আছিল।
হেৰুৱা নাছিল নিজস্বতা।
একে আছিল পশ্চিমৰ আবেলি, আৰু
প্ৰাৰ্থনাৰ গধূলি
মোৰ সৈতে বাঢ়িছিল নিসংগতাৰ ধেমালি
মই হেৰুৱাইছিলো মোক আৰু........!
জোনাকৰ বৰষুণে জুনুকা বজাইছিল
ৰুণজুন চোতালত।
নিৰ্লিপ্ত ওঁঠত ওলমি ৰৈছিল
মৌনতাৰ ভাষা।
ওৰে নিশা জোনাক সৰিছিল
লাহে লাহে ঘন হৈছিল বৰষুণৰ চুমা।
মই কাষ চাপি গৈছিলো ক্ৰমাৎ..............।
মোক সাৱটি লৈ শুইপৰিছিল নিশাটো
গভীৰৰ পৰা গভীৰতৰ হৈ.............।।

ঃঃঃঃঃঃঃ

# বিচ্ছিন্ন নিশাটি

- শ্ৰীমতী কাকলি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

অৰ্পিত হৃদয়ৰ মৰহা ফুলত
দিবা নেকি (?) তুমি মধুজল সখি........
হিয়াৰ কোনতে আজি নাই কোনো ঝংকাৰ
নাই ঝুনুকাৰ ঝুনুক ঝুনুক শব্দ সখি.........
মাথো............মাথো..........
জীৱনৰ জিজ্ঞাসা বিচাৰি
ফুৰিছো মই অনাই-বনাই
বুকুৰে বুকৰে............

আজি জগাব পৰা নাই মই চকুৰ দুপতা,
পৰি আছো শূণ্য আকাশৰ তলত বিচাৰি আকুলতা,

এই বিচ্ছিন্ন নিশাটিৰ নিৰৱতাৰ সুৰ বিচাৰি
নিতাল জগত, নিমাত পৰিবেশ........
..........আৰু ..........মৃদু মলয়া (!)

এয়াই নেকি বিচ্ছিন্ন নিশাৰ আকুলতা..........

উহ্........, কিযে মধুৰ এই ক্ষণ।
সেই বিচ্ছিন্ন নিশাটি
তোমাৰ বুকুতে আজি মোৰ কাতি..........

❖❖❖

# দিচাঙ্ চাপৰিৰ উতলা সুঁহুৰিবোৰ........

- মুনমী চেতিয়া
স্নাতক তৃতীয় বৰ্ষ

দিচাঙৰ চাপৰিত
যৌৱনৰ সুঁহুৰিবোৰৰ্ পম্ খেদি
হালি-জালি নচা কুঁচি ফুলবোৰে কয়
'আহিবিচোন সদায় মৰমী নদী লৈ........'
মেঘালী আকাশৰ লৰালি
স'তে অহা কুঁৰলীৰ ৰাগীত
গুচি যায় যেতিয়া নৈপৰীয়া ছোৱালীবোৰ
শাৰী শাৰীকৈ কেচেৰু পাতৰ কোমল ধেমালিয়ে
টানি নিয়ে তাইক
'সেয়া ককাইটিৰ মুগা-চোমনি'
যাৰ বাবে আনে পৰিয়লী চেলেং কাটি।
সুৰীয়া সুঁহুৰিৰে ডেকাটিয়ে সাজে
আকাশী ৰঙৰ হেঁপাহৰ দলংখনি
একাঠী ওৰণি লৈ কলহেৰে পানী তোলা বোৱাৰীজনী
অথবা ফৰিংতলীৰ খেতিয়কজনক
ৰিণি ৰিণি কৈ, দেখা দিচাঙৰ চাপৰি
এনেকৈয়ে শুৱনি
দিচাঙৰ চাপৰিয়ে যৌৱনৰ গান গায়,
আৱেগত উঁকি মাৰে
মাতে নৈ পৰীয়া ছোৱালীক,..........।

ঃঃঃঃঃঃঃ

# দুখৰ কঠীয়া

- শ্ৰী মৌচুমী দেৱী
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

বিষাদৰ বোজা বুকুত লৈ
উদাস দুচকুৰে চাই ৰৈছো
পদুলি মূৰলৈ,
কিজানি কোনোবাই আনি দিয়ে
তোমাৰ বতৰা।
বতাহক প্ৰশ্ন কৰো
জানা নেকি?
মোৰ প্ৰিয়তমৰ বতৰা
বতাহেও দেখোন মূৰ জোকাৰে
ওহোঁ..........নাজানো।
পিয়নজনো দেখোন পাৰ হৈ গ'ল
হাত জোকাৰি...........!
নাই, কোনে দিব আনি মোক
মোৰ প্ৰিয়তমৰ বতৰা।
শূণ্যতেই বিলীন হৈ গৈছে
বিষাদৰ বহুতো প্ৰশ্ন
বুকুৰে সহিব পৰাকৈ চপাইছো
দুখৰ কঠীয়া।।।

ঃঃঃঃঃ

# সন্ত্ৰাস

- শ্ৰী ৰশ্মিৰেখা মিলি
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
শিৱসাগৰ ছোৱালী কলেজ

(২০০৮ চনত গুৱাহাটীত হোৱা
বোমা বিস্ফোৰণৰ আধাৰত লিখা)

সেই যে ৩০ অক্টোবৰ দিনটো
সঁচাকৈ কলংকিত দিননে?
নহয়!
সেই দিনটো কলংকিত
জেহাদীয়ে বাৰুদেৰে ভূমিকম্প
নঘটালেহেঁতেন।
কি প্ৰতিবাদ কৰিলা জেহাদী সকল
নিৰীহ লোকৰ তেজেৰে ৰাঙলী কৰিলা
গুৱাহাটীৰ বুকু।
তোমালোকৰ কি অভাৱ? স্বাধীনতাৰ অভাৱ?
স্বাধীনতাৰ বাবে প্ৰতিবাদ কৰি
দেশত বিশৃংখল সৃষ্টি কৰিলা।
এনেকৈয়ে কৰে জানো প্ৰতিবাদ
আমি এই প্ৰতিবাদক ক্ষমা নকৰো
এই প্ৰতিবাদক আমি গৰিহণা নিদিওঁ
এই প্ৰতিবাদক আমি অভিশাপ দিওঁ
হঁ অভিশাপ দিওঁ.......
সপোন সপোনে হৈ ৰ'ল
আশাৰ সপোনটি যেন
নিমিযতে বাস্তৱত নিৰাশাৰে
চুৰমাৰ হ'ল
আৰ্তজনৰ চিৎকাৰ আৰু
আত্মীয়ক হেৰুৱাৰ ফলত আৰ্তনাদ।
তহঁতৰ শিলাময় হৃদয়ত



কি নিষ্ঠুৰ প্ৰতিবাদ
প্ৰতি খোজতেই শুনো নিৰীহ লোকৰ
এতিয়া মৃত্যুৰ শব্দ
দুখবোৰ নধৰা হৈছে বিষাদৰ বুকুখনত
সন্ত্ৰাসবাদী নামধাৰী দানৱবোৰৰ
স্বাধীনতাৰ প্ৰতিবাদত ফুটোৱা
বাৰুদৰ শব্দত।।
গণেশগুৰি, কোকৰাঝাৰ আৰু গুৱাহাটী
তহঁতৰ চকুত লগা হ'ল
(আৰু) নিৰীহ লোকৰ ওপৰত
আৰ্তনাদৰ কাণ্ড চাবলৈ
তহঁতে ফুটালা বোমা।

ঃঃঃঃঃঃ

# বিমৃশা

- প্ৰীতিৰেখা বড়া
স্নাতক দ্বিতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

জোৱাৰ আহে নামি
মোৰ হৃদয় সমুদ্ৰলৈ
মোৰ হৃদয়ৰ পৰা তোমাৰ হৃদয়লৈ
বৈ যায় এখনি ৰক্তৰ নৈ।
কঢ়িয়াই নিয়ে দুঃস্বপ্নৰে ভৰা
মোৰ তমশা নিশা।
অন্ধকাৰ হাবিখনৰ কোলাত
লোভাৰ্ত জন্তুৰ সন্মুখত
কোন সেই অসহায় দেৱশিত
স্বপ্নলোকত ভিৰ কৰে অহৰহ;
ক্ৰমশঃ বিলীন হয় অসীমত
যন্ত্ৰণাসিক্ত এটি গধূৰ ক্ৰন্দন।
ক্ৰমে গভীৰ হয় নিশা
উত্তাল হৈ উঠে মোৰ স্বপ্নলোক।
অশ্ৰুসিক্ত হুমুনিয়াহে
তৰাং গায়িত কৰি তোলে
মোৰ হৃদয় সমুদ্ৰ।
প্ৰতাৰণাৰ মায়াজালত বন্দীত্ব
ক্ষয়িষ্ণু হৃদয়ৰ সৌজাক গাভৰু
কোন আছে শুনিবলৈ
সিহঁতৰ কাতৰ কণ্ঠ?
প্ৰেমহীন শিলা স্পৰ্শত
হৈ পৰে মাথো
ঘৃণে ধৰা সমাজৰ
ঘৃণীত, অৱহেলিত একো একোজনী বেশ্যা।
এনেদৰে আহে
আৰু বহু দুৰ্ভগীয়া
বুকুত বান্ধি
জীৱন নদীব গড়া খহনীয়া।

মনুষ্যত্বহীন মানৱে ক্ৰমে ধৰেহি আৱৰি
এই হিৰণময় পৃথিৱী,
মাথো নাই কোনো প্ৰতিৰোধ শক্তি।
প্ৰিয় মোৰ
আহাঁ আজি যাওঁ আগবাঢ়ি
বিচাৰি অলপ বিমৃশা শক্তি।
আৰু যাওঁ আশা কৰি—
দুঃ স্বপ্ন আঁতৰি
শান্ত হ'ব এদিন
মোৰ হৃদয় সমুদ্ৰৰ উত্তাল ঢৌটি।

০০০০০০০০০।

# নিবাসৰ সেমেকা গধূলি

- স্ৰিধাস্মিতা বৰা
স্নাতক তৃতীয় বৰ্ষ
ইংৰাজী বিভাগ

নিবাসৰ সেমেকা গধূলি
মাথো এটি ক্ষণ
আহা দিয়াহি দেখা
চেনেহৰ ফুলেৰে তোমাৰ বাবেই গাঁঠিছো
এধাৰি মৰমৰ মালা
মোৰ লগত তোমাৰ অপেক্ষাত
কোন আছে জানা......??
স্নিগ্ধ শীতল প্ৰকৃতি
চাৰিওফালৰ বৃক্ষৰাজি
ওখ ওখ পাহাৰবিলাক
ওপৰত নীল আকাশ
আস...............!!
তুমি এতিয়াও অহা নাই
কেইবাটাও বহাগে ৰঙীন সাজ পিন্ধি
অতিক্ৰম কৰিলে
লাজুকী শেৱালি জোপাইও
কেইবাটাও শৰতক আদৰণি জনালে
তথাপি তুমি, নাই দিয়াহি দেখা
মই তোমাৰ বাবে বৈ আছো
আহিবানে বাৰু তুমি..........???

ঃঃঃঃঃঃ

# নাগৰিকত্ব

- শ্ৰীমতী কৃপাক্ষী চাৰুকীয়া
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

আজি আকাশত উৰিছে
তেজ বৰণীয়া ধোঁৱা
কিহৰ বাবে?
'মৃত্যুৰ বিভীসিকা'
ক'তজন মৰি গ'ল।
হত্যা কৰিলে তেওঁলোকক সিহঁতে
কি পালে সিহঁতে?
নিঃকিন, নিস্পাপ লোকক মাৰি
পালেনে তেওঁলোকে সুখৰ বন্যা।
নে পালে তেওঁলোকে
আলাউদ্দিনৰ চাকিটো হাততে।
চকুৰ আগতে যেতিয়া
কুকুৰে কাউৰীয়ে টানিছে,
নৰ মনিচৰ মাংসপিণ্ড
তেতিয়া হয়তো তেওঁলোকে
দাঁত নিকটাই হাঁহিছে।
পৰম সন্তুষ্টিত দুচকু মুদিছে
কেনেকৈ আগলৈ কৰিব পাৰি
এনে দুষ্কাৰ্য্য।
এয়ে আজি সমাজ,
কিহৰ সমাজ, কিমান সুৰক্ষিত
কাক কোনে আগবঢ়াব সহায়ৰ হাত
সকলোৰে হয়তো থিয় হ'ব
ৰাজবাটত, হাতত থালি লৈ,
তেজৰ ধোঁৱাৰ মাজত, তেজৰ মাজত
লুটুৰি-পুটুৰি হৈ,
সমাজত জীয়াই থকাৰ বাসনা
তেওঁলোক 'নাগৰিক'।
এয়ে আজি পৃথিৱীৰ অনন্য ৰূপ।

ঃঃঃঃঃঃঃঃঃ

# সেউজ বুলীয়া স্পৰ্শ

- ঝৰ্ণা গগৈ
স্নাতক তৃতীয় বৰ্ষ
ভূগোল বিভাগ

তোমাৰ আগমণত
আই ধৰিত্ৰী সেউজ হৈ পৰিছে
ফুলবোৰেও ৰবকৈ
হালি জালি নাচিছে,
মনৰ ফুলনিত ফুলি উঠিছে
নাহৰ, তগৰ, খৰিকাজাঁই..........

তোমাৰ আগমণত
প্ৰতিটো পুৱা মোৰ বাবে
হৈ উঠে চিৰ সেউজ ..........

প্ৰতিটো ঋতুৱে
মোলৈ সিঁচি যায়
যৌবনৰ মাদকতা..........
সেয়ে,
প্ৰতিটো বসন্তৰ অপেক্ষাত ৰওঁ
কপৌ পাহৰ দৰেই ফুলিবলৈ.......
আৰু
কুলিৰ দৰেই জুৰিবলৈ
আৰম্ভ কৰো
স্বাগত বসন্তৰ গান।
সেউজীয়াৰ বৰষুণত তিতি পাৰ কৰো
প্ৰতিটো বৰ্ষা
শৰৎৰ শেৱালিৰ সুবাসেও দি যায়
তুমি অহাৰ বতৰা.........
হেমন্তৰ আবতৰীয়া বৰষুণজাকেও
মোলৈ কঢ়িয়াই
প্ৰেমৰ সঠিক ঠিকনা.............

পলাশ, মদাৰ, শিমলু ফুলা ফাগুণক
বুকুত বান্ধি
শীতেও কৰে বসন্তৰে কামনা...........।

ঃঃঃঃঃঃঃঃঃঃ

# অৰুন্ধতী

- প্ৰান্তিকা বড়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

অসীমৰ সেউজ কক্ষত
তুমি অপৰূপা
অৰুন্ধতী.........

তোমাৰ দুচকুত সেউজীয়া, হৃদয়ত সেউজীয়া
চৌপাশৰ পৃথিৱীখনেইচোন সেউজীয়া।

যাৰ সুৰত নাচি উঠে
শাওনৰ পথাৰত ওপঙি ফুৰা
ৰঙিলী হাঁহি,
মৰমে ধুৱাই নিয়া জোনাক কোমল গধূলি।

যাৰ চুলিৰ আবেলিৰ গোন্ধত মাতাল হয়
বাৰিযাৰ ৰাতিৰ কবি,
প্ৰেমৰ তীব্ৰ ৰাগিত তেজ বিৰিঙি উঠে
কৃষ্ণ চুড়াৰ কলিজাৰ কেঁচা ঘাত।
যাক চুমিবলৈ ব্যাকুল হৈ নামে
নীলাৰ বুকুৰ কলীয়া মেঘ
অপৰূপ তুমি
অৰুন্ধতী..............।

ঃঃঃঃঃঃঃঃঃঃ



# কবিতাৰ দুটি স্তৱক

- শ্ৰীমতী ইন্দ্ৰানী সন্দিকৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

(১)

এতিয়া সপোনবোৰ থৰ মৰুভূমিৰ মৰিচিকা।
দুখবোৰ হিমালয় এভাৰেষ্ট।।
সাগৰৰ বক্ষত বিচাৰিবা তাতেই চকুলো
কাৰণ..........
তুমিটো এতিয়া অগ্নিগড়ৰ উষা।।

(২)

হিয়া ধুৰৰ মৰমবোৰ কবৰ নিদিবা
কাৰণ.............
তুমিয়েই মোৰ চিৰ লগৰী
দুখ অথবা সুখৰ।।

ঃঃঃঃঃ

# জোনাকত
# জোৰণ পিন্ধাবি চেনাই

- শ্ৰী ৰিমঝিম দাস
স্নাতক চূড়ান্ত বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

জোনাকতে পঠাবি চেনাই মোলৈ জোনবিৰি
উলাহতে ৰিহাৰ আঁচলত লুকুৱাই ৰাখিম জোনাক কৰি
পাৰ যদি আমডালিৰ তলেৰে হৃদয়খনো পঠাবি
আয়তীৰ উৰুলিত শুনিম বৈ মংগল ধ্বনি
খুঁচৰি চাম ক'তনো উমলি আছে ভাটিবেলাৰ সুৰ
মোৰ চুলিত গাঁঠি দিবি সেউজীয়া মালা এধাৰ
ওঁঠৰ ফাঁকত যঁহি দিবি আমৰলীয়া ৰং এটা
খোপাত পিন্ধাই দিবি কপৌফুলৰ পাহি এধাৰ
সৰজিলে তোক বিহুৱা কৰি দুখৰ ৰাতিৰ এমোকোৰা হাঁহি
পাৰিলে চাই যাবি জিৰাব খোজো বুকুৰ বাঁহী
ইফালে এন্ধাৰত সিফালে পোহৰত
জীয়া ৰাতিটো দুছেও কৰি
সখীহঁতে গাব
ৰভা খুটা হেলেকা।

ঃঃঃঃঃঃঃঃঃঃ



# বিষন্নতাৰ পৃথিৱী

- শ্ৰী বৰ্ণালী দাস
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

আজি ৰাতি দুখৰ বৰষুণ হ'ব
বেদনাৰ জোঁৱাৰ উঠিব
সুখী হ'ব পৰাকৈ দুখবোৰে দি যাব
এখিনি আন্ধাৰ
প্ৰণয়ৰ শেষ সীমা আজি বুৰ যাব হৃদয়ৰ নদীত
এখন সাগৰ একাকাৰ হ'ব দুটা ক্ষণত
বুকুৰ পৰা জানো ভালপোৱাৰ সাগৰ সৃষ্টি হয়
এৰা.......;
যদি হয় অস্তিত্ব বৈ গৈছে অতীতবোৰৰ
একো নাই,
জীৱনৰ সেওঁতা ফালি বোৱাই আনিম
অপৰিতৃপ্তিৰ সপোন
জীৱন শূণ্য আকাশত আজি বেলি নোলায়
দিন-ৰাতিৰ দোমোজাতে এখন হৃদয় মৰে
দোমোজাৰ সময়ত একো নাথাকে
সন্ধ্যাৰ বাটত দিশহাৰা পথিকে বিচাৰে মাথোন
মৃত্যুৰ শিতান..........।
কিয়...........?
দুখবোৰে এনেকৈয়ে দিয়ে নেকি
বাট হেৰুওৱাৰ লক্ষ্য??
সেয়ে হ'লে মইও সেই বৰষুণত
নেদেখা হ'ব খোজো
য'ৰ সুখত তেজ ৰঙা হ'ব মোৰ সিক্ত হৃদয়......।

ঃঃঃঃঃঃ

# অনুভৱ

- সেৰিকা দাস
স্নাতক তৃতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

বেলিৰ লহিয়নিত আশাবোৰ উচুপিছে
এটুপ দুটুপকৈ সৰিছে মাথো তমসা,
পৰিচয়বিহীন অনুভৱ কিছুমান বৈ গৈছে
জীৱনৰ মাজেৰে,
আকাংক্ষাবোৰো যেন স্পৰ্শকাতৰ হৈ পৰিছে
লাহে লাহে, পলে পলে............
মাথো বাকৰুদ্ধ হোৱা নাই
কল্পনাৰ খুটিটো।।
ভাৱনাৰ এটা অংশ বিষন্নতাই কাঢ়ি নিছে
যিদৰে শেৱালি সুবাস সমীৰণে কাঢ়ে,
এতিয়া প্ৰতিটো ক্ষণে নীৰৱ মেলা পাতে
অমানিশাত পতিত হয় দিগন্তবোৰ,
তুমি আছা যদিও মানৱীয়তাৰ অনুপস্থিতি......
"ক্ষীণকায় মৰমবোৰ
নিস্বাৰ্থতাৰ অভাৱ"
হঠাৎ, ভায়েলিনৰ তাঁৰত এটা কৰুণ সুৰ বাজে
মৃদুপৱনৰ আৱেষ্টনীত।
তুমিটো পান কৰা নাই মদিৰা
তথাপি কিয়
মোৰ ব্যাকুলতাক সমৰ্থন কৰা............।।

ঃঃঃঃঃঃঃ



# আঘাত

- শ্ৰীমতী বিতুমনি নাওহলীয়া
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

ৰাতিৰ বুকুত বোধিৱ খোজো
হেজাৰ আশা ভৰা সপোন
আশাবাদী মনৰ গৰ্ভত নষ্ট হৈছিল যি সপোন...........
অনুশীলন কৰো আধুনিকতাৰ
চেতনা হেৰাই আৰু জীৱনটো ক্ৰমশঃ.............
আশাপ্ৰদ ভাৱে সৃষ্টি হয় এন্ধাৰৰ মাজত
বহুতো নুবুজা নুবুজা কবিতা
উপলব্ধি কৰো খুচৰি তাৰ প্ৰকাশ!
জোনৰ বুকুত বহি ব্ৰহ্মপুত্ৰৰ গতি চাব খোজো
কিজানি তাতে উটি যোৱা মোৰ সপোনবোৰ
বুটলি আনিব পাৰো নেকি..........
স্মৃতিৰ দৰে শব্দবোৰক যোৱা দি
অতৃপ্তিৰ পৰা তৃপ্তিৰ সন্ধিক্ষণত বান্ধ খোৱাই
সন্ধান কৰো এজাক মেঘহীন বৰষুণৰ
অনুভৱৰ সমাহাৰেৰে তীব্ৰতৰ কৰি তোলে
আকাশ বতাহৰ বৰণ.........
শৰীৰৰ ক'ৰবাত ভালপোৱা
আৰু ভালপোৱাত অস্থিৰতাৰ আঘাত..........।

ঃঃঃঃঃঃঃ

# সপোন নেদেখিবি মোক লৈ

- শ্ৰী পল্লৱী গগৈ
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

মোক লৈ সপোন দেখিব নোৱাৰাজনৰ
সৈতে মই নিতে আলাপ কৰো।
তিৰে তিৰে বিচাৰো কৰিব আকৌ
এখন হৃদয়ৰ উন্মোচন।
সঁচাই ইয়াত আকৌ এখন হৃদয়ৰ
উন্মোচন হ'ব।
টোপনিৰ ৰাগিত ওলমি থকা সপোনবোৰ
দুচকুত জুবুৰিয়াই ল।
চৰকাৰী বাজেট বোৰৰ দৰেই
ক্ৰমশঃ কাট খাই যাব ধৰা
মৰমবোৰ দেখোন তোৰেই।
অদৃশ্য সাঁকো বগাব খোজা
অনিশ্চয়তা পথৰ পথিক কোন?
নিসংগতাৰ নৈ বোৱাই আজি
মই মোৰ মৃত্যুত কান্দো।
তোৰ উশাহৰ বাবেই
গোট মৰা বতাহখিনিকো বলাই দিম্।
তই কিন্তু মোক লৈ সপোন নেদেখিবি,
তই দেখিব নোৱাৰিবি।
কাৰণ, সপোনৰ মোহনাত শূণ্যতা.........
ক্ৰমশঃ বেলিটো সৰি পৰিছে
তন্দ্ৰা লগা এক অলসতা বিৰাজমান।
মই মোৰ পৰা আঁতৰি গৈছো।
কল্পনাৰ ছাঁইবোৰ সামৰি সামৰি
বুকুত এক অনুষ্টুপীয়া ইতিহাস ৰচি
মই হেৰাই গৈছো..........
সেমেকা গধূলিৰ অবয়বত
ক্ৰমশঃ ক্ৰমশঃ ক্ৰমশঃ ।

৪৪৪৪৪৪৪



# এক নতুন যাত্ৰাৰ সন্ধানত

- শ্ৰী স্মৃতিৰেখা বড়া
স্নাতক দ্বিতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

চকুৰ পতাত মিচিকিয়া হাঁহি সানি
তুমি এদিন আহিছিলা,
নতুন এক আশাৰ ৰেঙনি লৈ
বুকুত আছিল তোমাৰ অলেখ আশা।
মোৰ অন্তৰত সিঁচি দিছিলা —
প্ৰেম-ভালপোৱাৰ বীজ।
তোমাৰ প্ৰেমৰ হিৰ্ হিৰ্
বৰষুণত তিতি বুৰি মই
জুৰুলি জুপুৰি হ'লো।
দুখৰ নাঙঠ হাঁহি মোৰ কলিজাৰ
আঁহে আঁহে যৌবনৰ কোঁহে কোঁহে
সৰি-পৰিল।
ধূসৰ কোবাল সোঁতে হিল্লোল
তুলিলে হেপাহৰ দুবৰি আলিত।
দিশহাৰা হ'ল মোৰ ৰিক্ত হৃদয়।
এতিয়া, মই এক নতুন যাত্ৰাৰ
সন্ধানত..........।।

৪৪৪৪৪৪৪৪৪

## মোৰ দুখ

- শ্ৰী প্ৰিয়ংকা ভূঞা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

দুখত শুষ্ক হোৱা মোৰ জীৱন।
চাৰিওফালৰ পৰা ছুনামিৰ দৰে
আগবাঢ়ি অহা মোৰ দুখ।
এই ছুনামি সদৃশ দুখে।
মোক যেন জঁকা কৰি তুলিছে ক্ৰমশঃ
দুখত ঠাৱনি নোপোৱা।
মই এজন 'মাজুলীৰ কৃষক'।
তথাপিও অন্তৰত পাৰ ভাঙি যোৱা আশা।
দুখবোৰ নিশ্চয়হু শেষ হ'ব এদিন।
অভাৱেই যেনেদৰে আৱিষ্কাৰৰ মূল,
ঠিক একেদৰে দুখো সুখৰেই প্ৰতিচ্ছবি।
আগবাঢ়িছো মই এই কথাকে ধিয়াই।
মোৰ জীৱনটো এদিন
সুখৰ পুৱা হ'ব।
সুখে মোৰ চোতাল চুবহি।
এই আশাতে দুখবোৰ সহ্য কৰিছো ক্ৰমাৎ......।

ঃঃঃঃঃঃঃ



## এমুঠি হেৰুওৱাৰ অনুভৱ

- শ্ৰী প্ৰিয়ংকা ভূঞা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

শীতৰ এই সন্ধিয়াত,
মোৰ হৃদয়ৰ মজিয়াত,
এয়া এক হেৰুওৱাৰ অনুভৱ
মাথো ক্ষন্তেক আগতে যেন!
মই হেৰুৱাই পেলালো সকলো
ক'ৰবাত জোনাকীয়েও,
হেৰুৱালে তাইৰ সংগীক।
মোৰ দৰে নিশ্চয়!
তাইৰ হৃদয়তো হেৰুওৱাৰ অনুভৱ।
হৃদয়ক কোঙা কৰি তোলা,
বা-মাৰলিৰ অনুভৱ..........।

ঃঃঃঃঃঃঃঃঃঃ

## এজাক বৰষুণৰ অপেক্ষাত

- বন্দিতা চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া ৱিভাগ

ৰৈ আছো বাট চাই
চ'তমহীয়া ৰ'দৰ তাপত
মৃতপ্ৰায় হোৱা বাৰীৰ শস্য ডৰা
জীপাল হৈ উঠা এজাক বৰষুণৰ অপেক্ষাত
বহুদিন হ'ল বৰষুণ অহা নাই
ধৰিত্ৰীৰ বুকু শুষ্ক হৈ গ'ল
বিৰিখৰ পাতো শুকাই
বেদনাত মৰ্মাহত হ'ল
শুকাই খৰাং হ'ল নৈ, জান, জুৰি
কৰিছো ইন্দ্ৰ দেৱতাক
এমুঠি জল ছটিয়াই দিয়া ধৰিত্ৰীৰ বুকুত
ৰৈ আছো অপেক্ষাত এজাক বৰষুণৰ।।

ঃঃঃঃঃঃঃ

# নৈশব্দত মুখৰ প্ৰতিপল

- শ্ৰীমতী প্ৰিয়ংকা কাকতী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

গছজোপাৰ তললৈ বৈ পৰা পাতবোৰৰ আগটোত
বেলিটো ওলমি থাকে,
হেঙুলীয়া বিষন্নতাত ডুব গৈ থাকে আবেলিটো
গৰুবোৰে অচিনাকী বাটটোৰে ধূলি উৰুৱাই যায়
পিছে-পিছে এজাক বন্ধনমুক্ত উল্লাস।
সিহঁত অহা একাঁ-বেকাঁ বাটটো লাহে-লাহে অস্পষ্ট হৈ
আহে
আবেলিৰ দীঘলীয়া ছাঁবোৰ
দিখৌ নৈৰ পানীৰ জুঁৰলিত বতাহৰ লহৰত কঁপি থাকে
আকাশ মুখৰিত কৰি বাহলৈ উভতি যায় চৰাইজাক
নিশা ফুলা ফুলবোৰে পাহ মেলে এপাহ-দুপাহকৈ
ভাগৰুৱা বতাহজাকে ছটিয়াই দিয়ে সুবাস
অচিনাকী ফুলৰ, বিলাই দিয়ে কাৰুণ্য
এসোপা নিসংগ তমসাৰ।............
নিশাৰ এন্ধাৰবোৰ ইয়াত কোনে কুটি খায়?
চাদৰ নিসংগ চৰাইজনীয়ে,
পানীৰ ডোঙাটোত কোনে মুখ চায়?
আকাশৰ এসাগৰ নীলাই।
একাকীত্বৰে ভৰা হোষ্টেলৰ কোঠাটোৰ তমসাখিনি কোনে
কুটি খায়?......
এটি-দুটিকৈ সাৰ পায় আকাশৰ তৰাবোৰে
গভীৰ হয় জোনাক বিধৌত নিশাটো
বুকুত গজালি মেলে এজাক ইস্পিত সপোনে।.............
..........নিয়ৰৰ টোপাল যেন বৰষুণৰ কণাবোৰ
বতাহৰ উশাহৰ ভৰত কঁপি উঠিব,
চকুলোৰে সেমেকা দুগালেৰে পুৱাটোৱে পুনৰ সাৰ পাব
নীলকণ্ঠৰ পুৱতি আৰতিৰ মাজেৰে।

ঃঃঃঃঃঃঃঃ

# এমুঠি জোনাকৰ সন্ধানত...

- শ্ৰীমতী সীমাশ্ৰী শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ
ইংৰাজী বিভাগ

এমুঠি জোনাকৰ সন্ধানত
আগুৱাই যাব খোঁজো
পাৰিবনে দিব
কোনোবাই
জোনাকৰ ঠিকনা।

যাৰ
সুৰৰ মূৰ্চ্ছনাত
অশান্ত সমুদ্ৰও
নিবিড় স্নিগ্ধতাত টোপনি যাব
সেই জোনাক............।

যাৰ
উমাল স্পৰ্শই
হৃদয়ত সিঁচি দিয়ে
কোমলতাৰ মিঠা আৱেশ
সেই জোনাক............।

তাৰেই
সন্ধানত
মই যাওঁ আগুৱাই,
দিয়া মোক তাৰ
সঠিক ঠিকনা।

ঃঃঃঃঃঃঃঃ

# জীৱন জানো এনেকুৱাই.......!!?

- শ্ৰী ঋতুস্মিতা বৰা
স্নাতক দ্বিতীয় বৰ্ষ

এনেকৈয়ে............
সকলো আহে সকলো যায়
কিন্তু কিয়?
হেৰাই যোৱা আটডাল বিচাৰি লওঁতেই
আকৌ আজুৰি নিয়ে!
ঃঃঃঃঃঃঃঃঃ
এই দুপৰতো ব্ৰহ্মপুত্ৰৰ বুকুত
ওলমি আছে এখন শুকুলা চাদৰ।
গঙাচিলনী দুটাই ডেউকা মেলি
সেই শুভ্ৰতাৰ উমান লৈছে।
সঁচাই!! (মইও মইও পাইছোনে উমান এই বিচিত্ৰ মনৰ!)
অদূৰত্ত কাগজৰ নাৱৰ দৰে
মাছমৰীয়া নাওঁ।
যেন মহাসমুদ্ৰৰ বুকুত সিহঁতে
জীৱনৰ বাবে মহা সংগ্ৰামত লিপ্ত হৈছে।
সংগ্ৰাম..........! (মোৰহে মোৰহে কিয় নহয় সন্মুখীন হ'বৰ সাহস জীৱন সংগ্ৰামৰ?)
ঃঃঃঃঃঃঃঃ
এনেকৈয়ে আহেনে জীৱনলৈ
ভালপোৱাৰ ধুমুহা আৰু বৰষুণ।
প্ৰবল শিলাবৃষ্টিত জুপুকা লগা
সংগীহীন কপৌটোৰ দৰে
জুৰুলা কৰিবলৈ!
পিয়ানুৰ ছন্দেৰে ভগ্ন হৃদয়ত লহৰ তুলি
করুণ কৰি তোলে যাৰ প্ৰতিনিশাৰ পৃথিৱী।

ঃঃঃঃঃঃঃঃ

# সময়

- ৰিম্পী ফুকন
স্নাতক ২য় বৰ্ষ, বুৰঞ্জী বিভাগ

সেউজীয়াখিনি
হালধীয়া জানো হ'ব পাৰে
পাহৰিব পাৰি জানো
জীৱনৰ সেই মধুৰ সেউজীয়াখিনি
গোলাপৰ কলিটিৰ দৰেই
পাহ মেলা
আৰু এদিন.........
মৰহি যোৱা
কিয় নিষ্ঠুৰ সময়
সলনি হয় সকলো
পাহ মেলা এই অন্তৰখন
মৰহে জানো??
স্মৃতিৰ মণিকোঠাত
সাঁচি ৰখা মুকুতাখিনি
শুকাই জানো যাব??
তথাপিও
বাস্তৱৰ নিষ্ঠুৰতা
উৰি যায় সকলো আশা!!!
এবাৰলৈ যদি,
ঘূৰি আহিলেহেঁতেন
চ'তৰ পিছত বহাগ অহা দি।
নতুনকৈ ফুলিব গোলাপ
পাহ মেলিব.......
এয়ে যে জীৱন
আহিব আৰু যাব
আকৌ হ'ব সকলো সেউজীয়া
পুৰঠ যে হ'ব সকলো আশা!!!

❖❖❖

# সন্ধ্যা আহিনৰ আলাপ

- শ্ৰী ঋতুস্মিতা বৰা
স্নাতক দ্বিতীয় বৰ্ষ

আহিনৰ সেমেকা সন্ধ্যা
কুঁৱলীৰ পাতল চাদৰ
মহাজনৰ ঘৰত বনকৰি
লখিমীৰ ওভটনি খোজ

"সাজ লাগিবৰে হ'ল
কানাইৰ বা হৈছে কি!"

মেখেলাৰ পাতলিৰে
জোতোক-পোতোক খোজ
কানাইৰ কেইবা দিনৰ পৰা জ্বৰ

"এনেহেন জ্বৰীয়া ল'ৰাটো
অকলে ঘৰত আছে
বন কৰি চাউল এদোণ নানিলে
খামনো কি!"

দুখুনী বিধৱা
চিকাৰৰ মঙহ
পুতেৰৰ বেমাৰ টকা লাগে নেকি?
কালিলৈ আইদেউ নাথাকে
সোনকালে আহিবিচোন
টকা কেইটামানো নিবি

"আজি মণিৰাম থকা হ'লে
মহাজনৰ এনে সাহ নহ'লহেতেন
কানাইৰ জন্মলৈও সি বাৰু
ৰ'ব নোৱাৰিলে নে।
........সেইবাৰ ব'হাগত দিম বোলা
জোনবিৰিটো...........

কালিলৈৰ পৰা আৰু
তাৰ ঘৰলৈ নাযাওঁ
নাখাই মৰিলেও মৰিম!"
গৰ্ভাৱতী বিধবাৰ বিলৈ
চৰিত্ৰহীনা
সা-সম্পত্তি নাপায়

"পুৰুষ বিধবাবোৰক
কি শাস্তি দিছে
মই বিধবা
মোৰ বৰজনাও বিধবা!"

কানিমুনি বাট
ওজুটিত নখ এটা চিগিল
লখিমীৰ এসোতা তেজ

"আহ......
কানাইটোৰ কিবা এটা হ'লনে কি
উস্........... ভগৱান!"

নঙলা- জপনাহীন
এটা চুটি পদুলি
সোমাই গ'ল লখিমী
পিৰালিৰ কাষৰ ৰঙা মৰিছা কেইজোপা
ফাগুণীহঁতৰ ৰাঙলীজনীয়ে খায় আছে
—— ঘুৰ...........ঘুৰি আহ।
জুইশালৰ জুইৰ পোহৰত পোহৰি উঠিল
একোঠলীয়া ঘৰ।
চেনেহৰ পোনাটিক মাত দিলে
—— কানাই
সাৰ-সুৰ নাই
হাত দি চালে গাত
চেঁচা— যেন বৰফ।
জুইৰ অস্পষ্ট পোহৰত
জুমি চাই দেখে
স্থিৰ চাৱনিৰ
দুটা টব্ টব্ চকু।

ঃঃঃঃঃ

# মাটিৰ পৃথিৱীত আই-বোপাই আৰু মই

- শ্ৰীমতী মধুস্মিতা শইকীয়া
স্নাতক ৩য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ



তোমাৰ বুকুতেই মোৰ সিদিনা জন্ম,
যিদিনা মোৰ আই আৰু বোপায়ে
সপোন দেখিছিল,
এটি সুকোমল গঁজালিৰ।

লাহে লাহে গঁজালিতো ডাঙৰ হ'ল,
আই আৰু বোপাইৰ সপোনৰ মাটিত
আশাৰ কঠিয়া গজিল,
লহপহকৈ বাঢ়ি আহিল, হাঁহিলে, কথা ক'লে,
আৰু এদিন মই জানিলো,
গঁজালিটোৰ ৰূপান্তৰ ময়েই।

পখিলা খেদাৰ বয়স মোৰ।
খেদি খেদি ভাগৰোতে
চৌপাশে পাওঁ মাটিৰ চিনাকি গোন্ধ।
ডাঙৰ হৈ বুজিছিলো,
দেউতাৰ পথৰুৱা ঘৰ্মাক্ত দেহৰ গোন্ধ আছিল সেয়া।

আজি আৰু নাকান্দো মই
তোমাৰ বুকুত ধুপুচ ধুপুচ পৰি
মায়েও তুলি নধৰে দৌৰ মাৰি
জানে, মই ডাঙৰ হ'লো।

সেই যে মাৰ আঙুলিত ধৰি
নামিছিলো,
তোমাৰ বোকাময় দেহত!
সেই যে শৈশৱৰ দুভৰিত পিন্ধিছিলো
ধূলিৰ নিঃশব্দ নূপুৰ!
তেতিয়াৰে পৰাই তুমি মোৰ
আজন্ম প্ৰেমিক।

সপোনৰ দুচকুত আশাৰ ৰেঙনি তুলি
আজি মই ঘৰ সাজো
তোমাৰ বুকুত।
এদিন যেনেকৈ মোৰ আই-বোপায়ে
সপোনত সাজিছিল
মোৰ অংকুৰণৰ পৃথিৱী!!!

❖❖❖

# অনুভৱৰ পৃথিৱী (মাটি আৰু মানুহ)

- শ্ৰীমতী কৃপাক্ষী চাৰুকীয়া
স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

সোণগুটি দেশলৈ গৈ
সোণ বুটলিব খোজা নেকি সোণ?
তুমি যে কৈছিলা,
সোণালী কেনভাছত জিলিকিব খোজা।
ক'ত আছে বাৰু সোণৰ দেশ?
চাবা নেকি? বিশাল আকাশৰ তলত।
ধৰিত্ৰী বুকুত, মুখ গুজিবা নেকি;
অনুভৱ কৰিবা মাটিৰ মানুহ।
মাটি, তোমাৰ লগতে জানো
উমলি জামলি শৈশৱ পাৰ কৰা নাই।
তোমাৰ কোলাত বহি জানো
জোনবাইৰ দেশৰ কথা পতা নাছিলো,
আৰু তোমাৰ সুঘ্ৰাণ লৈয়ে জানো
টোপনিত লালকাল মৰা নাছিলো
মাটি, সঁচাই তুমি মোক চাবলৈ শিকালা
তোমাৰ বুকুত গজা সোণৰ গছ।
বুটলিব শিকালা সোণৰ ফুলগুটি
আৰু ক'ত যে তুমি মোক
অনুভৱ কৰাবলৈ শিকালা,
কেনেকৈ হাড়ক মাটি কৰি,
তেজক পানী কৰি
পথাৰৰ বুকুত কৃষকে
সোণালী ধানৰ খেতি কৰে,
মাটি, সঁচাই তুমি অনন্য



তোমাৰ অবিহনে মানুহ
জীয়াই থাকিব নোৱাৰে।
তোমাৰ বুকুত গজা,
সোণৰ গুটি, সোণৰ দেশক
মই প্ৰাণ ভৰি চাব খোজো।
কাৰণ মইও মানুহ.........
আৰু মোৰ সোণ ও ঠিক মোৰ দৰে........।
তোমাৰ সোণালী কেনভাছত সি
থিয় হ'ব খোজে।
তোমাক অনুভৱ কৰিব খোজো
তোমাৰ মৰমক আকোঁৱালি
মৰম উপলব্ধি কৰিব খোজে।
সোণ, চোৱা তোমাৰ সোণদেশক
যিমান পাৰা প্ৰাণভৰি..........।

❖❖❖

# মই এটি মৃন্ময় মূৰ্ত্তি

- শ্ৰী ইন্দ্ৰানী শৰ্ম্মা
স্নাতক ৩য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ



ৰবাব টেঙাৰে বসাল এটি গাভৰু দুপৰীয়া
মই মাটিৰ প্ৰেমত পৰিলো,
হৃদয়ত আঁকিলো মাটিৰ আঁক্ বিক্
মোৰ চৌপাশ সেউজীয়া হৈ উঠিল
মই যেন আকৌ যৌৱন পালো।

সত্তৰটা বসন্ত গৰকা মোৰ জৰাগ্ৰস্ত দেহ,
মোৰ আশে-পাশে এক বিৰাট শূণ্যতা
কিন্তু হঠাতে এদিন মই বুজি পালো
মই অন্যায় কৰিছো..........
মোৰ আজন্মৰ সহচৰ মাটিখিনি
সিহঁতিওটো অকলশৰীয়া.........
মইতো সংগ দিব পাৰো সিহঁতক।

জাননে ভদীয়া ককাই,
মাটিৰ কাৰণে তহঁত ভাই-ককায়ে
যেতিয়া কাজিয়া কৰ
মাটিৰ দুগালেও চকুলো সৰে
মই জানো...........মই বুজো
কাৰণ মই মাটিৰ মানুহ
কেতিয়াবা সময় পালে চুই চাবিচোন
এমুঠি মাটি
জীপাল হৈ থাকে চকুপানীৰে
মাটিক আৰু তহঁতে কিমান কন্দুৱাবি?

সীমাতো বোলে মাটিৰ বাবেই কাজিয়া
তেজবোৰ বৈ গৈ নদী হয় হেনো
জানো পায়, তহঁতৰ কি ইচ্ছা.........?

কেতিয়াবা ভাবি চাইছনে,
মাটি যদি মানুহৰ দৰে হয়
আমাক এৰি যদি গুচি যায়
ক'ত থিয় দি তহঁতে তাণ্ডৱ নাচিবি.......?

আচলতে কি জান..........?
মাটি সদায় 'মাটি' হৈয়েই থাকিল
আমি মানুহবোৰ কিন্তু
'মানুহ' হৈ নাথাকিলো।

# মাটি আৰু মানুহ

- শ্ৰী সুপ্ৰিয়া গগৈ
স্নাতক ৩য় বৰ্ষ, অৰ্থনীতি বিভাগ

(১)
মোৰ পিতাইৰ ঘামৰ গোন্ধ
বুকু ভৰি ল'ব পৰা বোকা মাটিৰ গোন্ধ
দুয়ো সঞ্জীৱনীৰ আধাৰ
দুয়ো সৃষ্টিৰ হেঁপাহ।

(২)
বাৰিষাৰ প্ৰথমজাক বৰষুণে
সুবাসিত কৰিলে ধৰাৰ বুকু
প্ৰেমিক কৃষক উন্মাদিত হয়
সৃষ্টি হয় জীৱনৰ।

(৩)
নাঙলৰ সতে মাটিয়ে মিতিৰালি পাতে
সোণগুটিৰে ভৰি পৰে উদং বাকৰি
সোণকণ, মালতীৰ মুঠি মুঠি লেছেৰি
লখিমী হৈ ঘৰখন সজোৱাৰ সাপোন।

(৪)
একঠা, দুকঠা কৰি
ৰংমনৰ মাটি-ভেটি বাঢ়িছে
এইবেলি বহাগতে....
সোণপাহী জনীক যে নিজৰ কৰি লোৱাৰ কথা।

(৫)
লখিমীৰ আধাৰ, হে পথাৰ
সৰ্বস্বান্ত, নিঃস্ব কৃষকৰ মৰ্মবেদনা
আনফালে মহাজনৰ দেনা-পাওনাৰ হিচাপ
তুমি হৃদয়ংগম কৰিছা যুগে যুগে!

(৬)
ককা-আইতাৰ প্ৰাচীন ৰূপকথা
জুশালৰ কাষত সেমেকা স্বৰ্গতোক্তি
"মাটিৰ মানুহ মাটিতেই মিলি যামহঁ"
সেলেঙি লগা ওঁঠৰ একোটি হাঁহি।

(৭)
ধৰাৰ সতে জেতুকাবুলীয়া হেঁপাহবোৰ
ন-উছাহেৰে জীপাল হৈ উঠে
বহাগে যেতিয়া ভুমুকি মাৰে
দৰদী সপোনে যেতিয়া দোলা দিয়ে।

(৮)
আজীৱন মাটি আৰু মানুহ
এবাৰ নোৱাৰা সম্পৰ্কৰ ডোলেৰে বন্ধা
আজীৱন নিবিড় দুয়ো
প্ৰাচীন খোদিত ভাস্কৰ্য দুয়ো।

❖❖❖

# দ্বিতীয় সংস্কৰণ

- শ্ৰীমতী ৰিজু বৰগোহাঁই
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

মই এই পাৰে, তুমি সিপাৰে
মাজত এখনি নৈ
ফেনে ফুটুকাৰে ভৰা
সোৱণশিৰি নৈ..........।
গৰা খহিছে, খহিছে ঘৰ
খহিছে মানুহ আৰু বহুতৰে
মাজত তুমি আৰু মই..........।
সোৱণশিৰিয়েতো আছিল আমাৰ
প্ৰথম পৰিচয় তেন্তে
আজি কিয় কৰিছে এইখন বলিয়ালি?
তাই নিঃশেষ কৰিব বিচাৰিছে নেকি
আমাৰ অস্তিত্বৰ সোণালী স্মৃতি?
যাক নাম দিছিলো
পানৈ জংকী........
নাই নাই সেই সুঁতিয়ে
আমাক
দিব নোৱাৰে মৰণ, কাৰণ.........
কাৰণ........
আমিয়েতো পানৈ-জংকীৰ
দ্বিতীয় সংস্কৰণ।

❖❖❖

# ব্যস্ত ইমান কাৰ বাবে?

- ৰিতামণি যেইন
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

ব্যস্ত,
ময়ো বুজি পাওঁ,
তথাপিও
কাৰ বাবে?
সকলোৰে জীৱন সুখ-দুখেৰে ভৰা
তুমিয়ো জানা আৰু ময়ো জানো।

কিন্তু!!
তুমি কেতিয়াবা ভাবানে
এই ব্যস্ততাৰ মাজতে আছে.........

কেতিয়াবা অনুভৱ কৰানে?
হয়তু, তুমি ভাবনাৰ নাওঁখনত উঠিব নিবিচাৰা
ময়ো নিবিচাৰো,
তথাপিও এবাৰ অনুভৱ কৰাচোন!
য'ত আছে এক আনন্দৰ উন্মেষ।

জীৱনটো এনেদৰে ব্যস্ততাৰে
কটাম বুলি ভাবিছা নেকি?
ব্যস্ততাৰ মাজতে প্ৰশ্ৰয় দিয়া তুমি!!!
যাৰ আগমণত তোমাৰ জীৱনলৈ আহিব ৰঙীন আশা

বুজি পোৱানে, ৰঙীন আশাবোৰ
পোহৰাই তুলিব কোনে?
সেয়া হ'ল এজনে আনজনৰ প্ৰতি থকা
"প্ৰেমে"।

❖❖❖

# আইতাৰ সাধু

- শ্ৰী তুসমিতা দিহিঙ্গীয়া
স্নাতক তৃতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

লবালিৰ আইতাৰ সাধু কথা,
বগা পাখি লগা পৰীৰ কথা
শুনি শুনি ডাঙৰ হ'লো।
আৰু অপেক্ষা কৰি ৰ'লো ৰাজকোঁৱৰলৈ
এতিয়া যৌৱনত ভৰি দিলো।
কিন্তু এতিয়া ব্যস্ত
পোৱা নোপোৱাক লৈ।
কেতিয়াবা অলপ ব্যস্ততাৰ মাজত
থমকি ৰৈ চাওঁ আইতাৰ পৃথিৱীক,
আগৰ দৰেই
জোন ওলাইছে
তৰা ওলাইছে
কিন্তু কিবা এটা যেন হেৰাই গৈছে।
আজি ক'ত বাৰু
আইতাই কোৱা পৃথিৱীখন
আৰু আইতাই কোৱা মানুহবোৰ
এয়া দেখোন আইতাই কোৱা
শেৱালি ফুলৰ সুৱাস নহয়
(আৰু) আইতাই কোৱা বনৰীয়া পখীৰ
গীতৰ সুৰো নহয়।
এমুঠি হাঁহিৰ কাৰণে কান্দিছে
আজিৰ পৃথিৱীৰ মানুহে,
সেউজীয়া, যুদ্ধহীন পৃথিৱীখনক
ক'লা ভূতে আৱৰি ধৰিলে আইতা।
এটা সপোন
সপোন হৈয়ে ৰ'ল আইতা,
অপেক্ষা নকৰো আৰু
তুমি কোৱা ৰাজকোঁৱৰলৈ
কাৰণ এতিয়া এনে পৃথিৱীত
ৰাজকোঁৱৰক নেপাওঁ আইতা।

❖❖❖

# অনুভৱ
# এক নষ্টালজিয়াৰ নাম

- শ্ৰী মাধুৰীমা বৰা
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

মই কওঁ কওঁ বুলিলেও কব নোৱাৰো
মোৰ অস্তিত্ববিহীন দুখৰ কথা,

তুমি জানো জানা, বা বুজি পোৱা
মোৰ এই মনৰ কথা

তুমি, যেতিয়া বুজি পাবা, তেতিয়া!
হয়তু মই তোমাৰ পৰা বহুত দূৰত

তুমি উপলব্ধি কৰা বা কৰিব নোৱাৰা
মোৰ এই দুখবোৰক

সেইবাবেই হয়তো মই তোমাৰেই অপেক্ষাত
যিদিনা তুমি মোৰ হ'বা আৰু
মই তোমাৰ হ'ম

তেতিয়াই খুলি কম
মই মোৰ মনৰ কথা,

আৰু তেতিয়াই তুমি উপলব্ধি কৰিব পাৰিবা
এই ভালপোৱাৰ নষ্টালজিয়াক।।

❖❖❖

# হৃদয় মাথোঁ নাৰীৰ

- শ্ৰী মাধুৰীমা বৰা
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

নাৰী মাত্ৰেই প্ৰেম আৰু বিষাদৰ জীৱন
নাৰীৰ হৃদয় বৰ কোমল মাথো বিশাল।
নাৰীৰ হৃদয়ত সোমাই থাকে অযুত সপোন
নাৰী মাত্ৰেই এগৰাকী জন্মদাত্ৰী মাতৃ
নাৰীৰ.........কিন্তু কেতিয়াবা হৈ পৰে
কাৰোবাৰ কামনাৰ বলি আৰু কেতিয়াবা হয়তো
বহুত.........
কিন্তু, অথচ যে নাৰী হয়, সেইবাবেই হয়তো,
নাৰী পোহৰৰ দৰে সঁচা, কিন্তু,
সময়ত অন্ধকাৰৰ দৰে কঠিন
নাৰী মাত্ৰেই মাতৃ, ভগ্নী, প্ৰেয়সী, ভাৰ্য্যা আৰু
বহু কিবা-কিবি স্পৰ্শকাতৰ
নাৰী হয়তো কাৰোবাৰ সেউজীয়া উপত্যকা।
কেতিয়াবা হয়তো নাৰী হৈ পৰে স্মৃতি- বিষাদৰ।
হেজাৰ শূণ্যতাৰ মাজতো জীয়াই থাকে নাৰী।

নাৰীয়ে ঘূৰাই আনিব পাৰে নতুন ইতিহাস
নাৰীৰ হৃদয়ত থাকে শইচয় ময় জীৱনৰ গান।
নাৰীয়ে ভৰপূৰ কৰি ৰাখে হৃদয়ৰ সৰোবৰ,
নাৰী আকাশৰ দৰেই বিশাল আৰু ৰহণীয়া।
নাৰী হৈ পৰে কেতিয়াবা চঞ্চলা অভিসাৰিকা।
নাৰী ছন্দায়িত এক ধুসৰ প্ৰতিচ্ছবি কিন্তু,
নাৰীৰ হৃদয় সঁচাই বৰ ৰসাল মধুৰ মন্দিৰ।

❖❖❖

## ON A MEMORY LANE

-Miss Bonti Phukon
TDC 3rd Year
Deptt. of English

In my tranquil moment
My mind returns to the past days
The days we spent together.
It is as if yesterday,
Have now ended forever.
Loneliness is a great time
For one to ruminate,
The oaths and promises
We have intended to take.
Time takes away precious things
It's difficult to hold on;
It can desert us only with
Earth tought and reminiscence.
Dove and Sacrifice
Two facts of life,
Have to pass alone
Without any contrast.
May you live long
May you live wise,
With a strong hold
Without any strife.....

❖❖❖

## TODAY ALONE IS OURS

- Sylvia Sultana
TDC 3rd Year
Deptt. of English

Don't wait until tomorrow
For good deeds to be done.
Today alone is ours,
Tomorrow may not come.

Do you know of a burden too light,
Some encouraging words to say?
Don't wait until tomorrow
Say it now-today.

Do your deeds of kindness
And speak good thoughts today.
Glad eyes will see the flowers you send
And hearts will rejoice at the words you say.

❖❖❖

# HUNGER

*-Miss Mamu Gogoi*
TDC 3rd Year
Deptt. English

Hunger burn
Hunger burn cornfilds.
Hunger burn our country
And at the end of the night
Sun burn in the sky

Hunger is people's ancient temperature
Hunger is people's ancient invention
Hunger leads a man to evil
And Hunger too burn one's dream
In hunger one's green hopes burn into ask

Hunger is world's citizen
So entry to century
East to West
north to South
Hunger rights.

And at last
Hunger wins.

# HAFLONG

*- Kamal Kumar Medhi*

Thick forest and high hills Crawl.
We are finding burning villages.
Burning dreams.
Can here be a crematory
In the green areas.
Is it strong???
In he clam and cool face
Finding selfishness.
How can one can kill anyone
With those hands???
Then who will kill whom???
How can villages burn???
Who gives these types of order
To hang till death???
I feel tried by thinking & thinking
And at this time a bell rings in a church
May be it will close
Which was unseen by us
Any temples door.
In one side babies cry
Dangerous memories makes a night more dangerous.
By path of music less & wordless
We too return back
Our heart hurts.
What can we do???
What can we do???

❖❖❖

# সোঁৱৰণীৰ ছোঁ খেদি.....................

মানুহৰ প্ৰিয়তম শব্দ **'জীৱন'**
শাশ্বত কালৰ ই এক স্ৰোতস্বিনী নদী
যাৰ পাৰে পাৰে চেতনাৰ বিদীৰ্ণ ইতিহাস
মানুহ তাৰ সমতলৰ নাচি থকা গছ।

মানুহৰ প্ৰিয়তম শব্দ **'জীৱন'**।
স্বাভাৱিকতেই এই জীৱনৰ নেপথ্যত থাকে
অনুভৱ-অভিজ্ঞতাত অনেক সোঁৱৰণী।



# অনুভৱৰ চোতালত "ৰংপুৰ ছাত্ৰী নিবাস"

- শ্ৰীমতী প্ৰিয়ংকা ৰাজকুমাৰী
অৰ্থনীতি বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ

"Without hostel life, college life is incomplete." সঁচাকৈয়ে উপলব্ধি কৰো কথাষাৰ। যিয়ে হোষ্টেলীয়া জীৱনৰ সোৱাদ পোৱা নাই, তেওঁৰ জীৱনৰ এক পৃষ্ঠা উকা হৈ ৰৈছে। হোষ্টেলীয়া জীৱনটো এটা চোলাৰ দৰে। নতুনকৈ কিনা চোলা এটা পিন্ধাৰ পাছত মনত যিদৰে অসজা অসজা ভাৱ এটাই আমনি কৰি থাকে, মোক বাৰু বেয়া দেখাইছেনি; সেইদৰে হোষ্টেল এখনত থাকিবলৈ আহোঁতেও প্ৰথমে মনত তেনে কিছুমান ভাবে দোলা দিয়েহি। কাৰণ হোষ্টেলীয়া জীৱনটো সকলোৰে পৰা পৃথক এক জীৱন। বিভিন্ন কাৰণত চোলাটো পুৰণা হৈ অহাৰ লগে লগে তাৰ প্ৰতি আকৰ্ষণ বাঢ়ি আহে, কিন্তু সেই সময়ত চোলাটো পিন্ধিব নোৱাৰা হৈ পৰে, ৰং যোৱাৰ বাবেই হওক বা ফিচিকি পৰাৰ বাবেই হওক। হোষ্টেলীয়া জীৱনটোও সময়ৰ লগে লগে শেষৰ ফালে ক্ৰমাৎ ভাল লগা হৈ আহে, অতি আপোন হৈ পৰে, সেই সময়তে চোলাটোৰ দৰে আমিও তাক এৰিবলৈ বাধ্য হওঁ সময়ৰ তাড়নাত।

সৌভাগ্যক্ৰমে মইও তেনে এটি জীৱনৰ সোৱাদ ল'বলৈ সমৰ্থ হৈছিলো। অধ্যয়নসূত্ৰে ঘৰৰ পৰা আঁতৰি থাকিবলগীয়া হোৱাত শিৱসাগৰ ছোৱালী কলেজ হোষ্টেল 'ৰংপুৰ ছাত্ৰী নিবাস'ৰ আবাসী হৈছিলো। 'ৰংপুৰ ছাত্ৰী নিবাস'– নামটো উচ্চাৰণ কৰিলেই মনলৈ ভাহি আহে অশান্ত অথচ এটা শান্ত পৰিবেশ, নিৰিবিলি এটা সুন্দৰ শৈক্ষিক পৰিবেশৰ ধোৱাবৰণীয়া এটি দুতলাৰ ঘৰ, ৰাতিপুৱাৰে পৰা গধূলিলৈ আধালৈ দাঙি থোৱা বগা আৰু ডাঠ সেউজীয়া আঁচ টনা পৰ্দাৰে খোলা খিৰিকী, অচিনাকী কোনোবা সোমাই অহাৰ লগে লগে খিৰিকীৰ কাষত থকা উৎসুকতাৰে ভৰা মুখবোৰ অতিক্ৰমী মইও এদিন এই হোষ্টেলৰ আৱাসী হৈছিলোহি, তিনিটা বছৰৰ বাবে। প্ৰথমে অসুবিধা হৈছিল এই পৰিবেশৰ লগত মিলিবলৈ। সকলোবোৰ অচিনাকী অথচ মুখত বহুত দিনৰ চিনাকী, আপোন যেন ভাৱ। ইয়াতে প্ৰথম চিনাকী হৈছিলো ৰুমমেট, ৱালমেট, পাৰ্টমেট, ডাইনিংহল আদি শব্দৰ সৈতে। লাহে লাহে অভ্যস্ত হৈ পৰিছিলো চাহৰ বেল, প্ৰে বেল, ষ্টাডি আৱাৰ, কাট আদি শব্দৰ লগত; লগতে ২ বজাৰ পাছত বাজি উঠা ফোনৰ সেই কৰ্কশ চিঞৰটোৰ লগত।

কোনে কাক ভাল পাব পাৰে বেয়া পাব নোৱাৰাকৈ? আজিৰ দিনত.........., ক'ত পাব- — ক'ত পাব এনে সুহৃদয়তা, পাৰিবনে— পাৰিবনে পাহৰিব ৰংপুৰৰ মৰমবোৰ। জানো সঠিক, নোৱাৰে— কেতিয়াও নোৱাৰে পাহৰিব এই মৰমবোৰ, সদায়ে সজীৱ হৈ ৰ'ব হৃদয় একোনত, এটি মধুৰ স্মৃতি হৈ।

বিভিন্ন পৰিবেশৰ পৰা অহা বিভিন্ন মনৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পাইছিলো। ৰাতিপুৱা চাহৰ বেলত সাৰ পোৱা, মুখ ধুই গা ধোৱাৰ ছিটৰ বাবে লাইন পতা, কলেজ যোৱা, কলেজৰ পৰা আহি খাই মেলি কিবা-কিবি কৰা, প্ৰে কৰা, ষ্টাডি আৱাৰ মেনণ্টেইন কৰা, আকৌ ন বজাত ভাত খাই কিবা কিবি এটা কৰি শুই পৰা— এইহেন ব্যস্ত, যান্ত্ৰিকতাৰে ভৰপুৰ জীৱনটোৰো ব্যতিক্ৰম আছিল কিছুমান সেউজীয়া মন। দেৱদাৰু কেইজোপাত পৰি ৰোৱা চৰাইবোৰৰ কিচিৰ-মিচিৰ শব্দত সাৰ পাই উপভোগ কৰিছিল প্ৰকৃতিৰ সৌন্দৰ্য। নিয়ম ভংগ কেতিয়াবা ষ্টাডি আৱাৰত খোলা খিৰিকীৰে উপভোগ কৰিছিল আকাশৰ নীলা, শৰৎৰ জোনাক নিশা, ভাহি ফুৰা ডাৱৰবোৰে জোনটোৰ সৈতে খেলা খেল বোৰ, গধূলি বাহলৈ ঢাপলি মেলা চৰাই জাক চাবলৈ, বেলি মাৰ যোৱাৰ পাছত সূৰ্যৰ আভাবোৰ পৰি জিলিকি উঠা আকাশখন চাবলৈ ঘণ্টাজুৰি বৈ পৰিছিল ছাদত। থাকিবনে— থাকিবনে এই মন বিলাক চিৰসেউজ হৈ চিৰকাললৈ..........।

সময়ৰ লগে লগে আমাৰ চাৰিজনীয়া সংসাৰখনৰ লগতে ভাললগা হৈ উঠিছিল হোষ্টেলৰ প্ৰতিগৰাকী আবাসী। ঠন ধৰি উঠিছিল এনে এটি মধুৰ সম্পৰ্ক, য'ত নাছিল কোনো তেজ মঙহৰ সমন্ধ অথচ কিমান আপোন সকলোবোৰ। সুখ-দুখৰ সমভাগী হৈ পৰিছিল ইজনী-সিজনীৰ, কাৰোবাৰ দুখত চকুপানীৰে ভৰি উঠিছিল দুচকু, কাৰোবাৰ সুখত ফৰকাল হৈ পৰিছিল দুখী মনবোৰ। কেতিয়াবা সন্মুখীন হৈছিলো এনে কিছুমান সমস্যাৰ, যাৰ কোনো সমাধানেই নাছিল হাতত, কাৰোবাৰ আগত প্ৰকাশ কৰাৰ লগে লগে সমাধান কৰাৰ যি বৃথা প্ৰচেষ্টা। অসুখ-বিসুখ হলেতো কথাই নাই, সকলোৰে কাষ চাপি আহে, কিবা কৰিব পাৰোৱেই বা..... ডাঙৰ বা সকলৰ চেনেহী হাতৰ পৰশত, মাৰ কাষত নোহোৱাৰ দুখ প্ৰায়েই নাইকিয়া কৰি পেলায়।

হোষ্টেলীয়া জীৱনৰ আন এটা উল্লেখনীয় ব্যতিক্ৰমী দিন, যিটোত অপেক্ষাৰ অন্ত নপৰে। যান্ত্ৰিকতা হীনতাৰ উপৰিও আন এটা বিশেষ কাৰণত সকলোৰে প্ৰিয় এই দিনটো। সাৰ পায়েই আৰম্ভ হব দিনটোৰ ব্যস্ততা, বাথৰুমৰ ছিটৰ বাবে শাৰী পতা, ছ'চিয়েল চাৰ্ভিছ কৰা, লাইব্ৰেৰীৰ কিতাপৰ বাবে শাৰী পতা, লগতে অধীৰ আগ্ৰহেৰে বাট চাই থাকোঁ 'ৰসৰাজ'ৰ চিংৰা আৰু লালমোহনলৈ, তাৰ পাছত আহি পৰে ফোনৰ অপেক্ষা, কিজানিবা শুনিবলৈ পাওঁয়েই আপোনজনৰ এষাৰ মাত, খিৰিকীৰ কাষত বহি পৰো ভিজিটৰৰ অপেক্ষাত। মাজে মাজে শুনা পাওঁ Monitress ৰ চিএৰ— ছোৱালীবোৰ ডাক্তৰ আহিছে, কাৰোবাৰ কিবা হৈছে যদি দেখুৱাই লোৱাহি।' 'ছোৱালীবোৰ মুছি আহিছে, আৰু কত যে কি.............।

লগৰবোৰৰ কাৰোবাৰ ভিজিটৰ অহাৰ লগে লগে নিমন্ত্ৰিত হওঁ, সিহঁতবোৰৰ ৰূমলৈ। ভিজিটৰ আহিব বুলি আগতীয়াকৈ খবৰ পালে মাথোঁ বাট চাই থাকো— মূল আকৰ্ষণ লগত অহা টোপোলাটো। আহিছেই নেকি – শুকানকৈ ভজা হাঁহৰ মাংস, বৰা ভাতৰ সৈতে গাহৰিৰ মাংস, কলডিলৰ সৈতে পাৰৰ মাংসৰ আঞ্জা, পাতত দিয়া সৰু মাছ। হোষ্টেলত প্ৰায়বোৰ দেও বাৰতেই জুতি লবলৈ পাইছিলো এনে সুস্বাদু খাদ্য। টিংখাংৰ পৰা অহা জহা চাউলৰ ভাতৰ লগতে কুকুৰা মাংস ভাজি, গাহৰি মাংস, পোৰা মাছ, বকতা আৰু খনামুখৰ পৰা অহা মালভোগ, হাঁহৰ মাংস, বৰহাটৰ পৰা অহা হাঁহৰ মাংস আৰু কুকুৰা মাংসৰ ভাজি, লগতে নাঙল ধোৱা পিঠা, গৌৰীসাগৰৰ সৰু আলুৰ ভাজিৰ সতে শুকান ৰুটি, পাকঘৰৰ লাৱণ্য বাইদেউৰ ঘৰৰ পকা মিঠৈ, ডিমৌৰ দাইলৰ পিতিকা আদিৰ সোৱাদ এতিয়াও মোৰ জিভাত লাগি আছে। লগতে ঘৰৰ পৰা অহা বৰাভাতৰ আৰু গাহৰি মাংসৰ ভাজি বৰ তৃপ্তিৰে খাইছিলো। অতি হেঁপাহেৰে বান্ধি পঠোৱা টোপোলাবোৰত লাগি থকা মৰমবোৰৰ বাবেই কিজানি এইবিলাক অধিক সুস্বাদু হৈ পৰে। সেয়েহে ছাগৈ দেওবাৰৰ দিনটো অধিক প্ৰিয় আছিল। এনেদৰেই পাৰ কৰিছিলো দিন বিলাক।

প্ৰত্যেক মাহৰ শেষত অসময়ত বজা বেলটোৰ শব্দই বুকু কঁপাই তুলিছিল- কিবা ভুল কৰিলো নেকি?

ডাইনিং হ'লত গম পাওঁ সেয়া মেচ মিটিং নাইবা বিশেষ কাৰণত দিয়া মিটিং। হাজাৰটা আপত্তি- দাইলত পানী বেছি হৈছে, পাছবেলাৰ চাহ ভাল হোৱা নাই, চাউলত শিল বেছিকৈ ওলাইছে, বাথৰুমবোৰ লেতেৰাকৈ থৈছে ইত্যাদি ইত্যাদি। মিটিং ভঙাৰ পাছত ছাদত আকৌ এখন মিটিং তাত হোষ্টেলৰ চুপাৰ উৎপলা বাইদেউ নাথাকে, থাকে আন কোনোবা। খিলখিল হাঁহিৰে মুখৰিত হৈ যায় ৰংপুৰৰ আবেলি। ক্ৰমাৎ সলনি হৈ যায় বিষয়বোৰ, হোষ্টেলৰ পৰা কলেজৰ ক্লাছৰুম। প্ৰায়ে শ্ৰেণী শিক্ষকসকলৰ ভাও দেখুওৱা হয়। ক্লাছত চকলেটৰ আশাত প্ৰশ্নোত্তৰ কৰি চকলেট নোপোৱাৰ বেদনা প্ৰকাশৰ ঠায়ো এয়াই, ইয়াতে প্ৰকাশ পায় সকলোৰে দুখ-বেদনা, আনন্দ। ছাদৰ আড্ডাত প্ৰায়ে স্থান পায় গীতে, বিশেষকৈ সন্ধিয়া সময়ত অঙ্গৰাগ মহন্তৰ জনপ্ৰিয় গীতটিয়ে প্ৰাণ পায় উঠে—

"সন্ধ্যা যেতিয়া নামে  
জিল মিলাই কাঁচি জোনে  
আইলৈ মনত পৰে......."

গীতটিৰ মাজত উটি ভাহি ফুৰি অশ্ৰুসিক্ত হৈ পৰে সকলোৰে দুনয়ন। সকলোৰে মনত ছাগে ভাঁহি আহে সাদৰী আইৰ মুখখনি। সঁচাই ভগৱানৰ যে কি সৃষ্টি এই 'মা' জনী। আছে নেকি এনে কোনো দুৰ্ভগীয়া যি পোৱা নাই মাতৃত্বৰ সহানুভূতিৰে উথলি পৰে মনবোৰ এই দুৰ্ভগীয়া জনৰ বাবে।

হোষ্টেলত উদ্‌যাপন কৰা উৎসবসমূহৰ বাবে উৎসাহিত হৈ থাকে ছোৱালীবোৰ। প্ৰথমতেই উদ্‌যাপিত হয় নৱাগতা আদৰণি সভা, জন্মাষ্টমী, ফেয়াৰৱেল, নবৰ্ষৰ আদৰণি, সৰস্বতী পূজা ইত্যাদিবোৰ। হোষ্টেলৰ চুপাৰ বাইদেউৰ নিৰ্দেশনাত সকলোবোৰ শৃংখলাবদ্ধভাৱে উদ্‌যাপিত হয়। হোষ্টেললৈ এনে এটা সময় আহে যিটো সময়ত প্ৰত্যেকৰেই প্ৰতিভাবোৰৰ বিষয়ে উমান পোৱা যায়। এই সময়ছোৱাই 'কলেজ উইক'। এই সময়ত আবাসীসকলৰ মাজত একতাৰ ভাৱ আহি পৰে, আপোন হৈ পৰে ইজনী-সিজনীৰ। শত্ৰুৰ মাজতো মিত্ৰতা গঢ়ি উঠে। সকলোতে উচ্চাৰিত হয় এটাই শব্দ– বন্ধুত্ব। কলেজ উইকৰ সময়ত মাথোঁ ব্যস্ততা; দিন ৰাতি পাহৰি, খোৱা বোৱা বাদ দি কেৱল কাম আৰু কাম। ইয়াৰ লগে লগে সমানকৈ চলাই নিয়ে নিজৰ প্ৰধান কাম পঢ়া। ইমান ব্যস্ততাৰে আন কামত লাগি থকাৰ পাছতো, এটি সুন্দৰ ৰিজাল্টে সদায় অপেক্ষা কৰি থাকে।

মোৰ হোষ্টেলীয়া জীৱনে দুটা বছৰত ভৰি দিছেহি। বহুতো পালো, বহুতো হেৰুৱালো। হয়তো হেৰুৱাতকৈ পোৱাৰ সংখ্যাই বেছি। পাৰ কৰা বছৰটোত বিদায় জনাইছিলো এই ৰংপুৰৰ পৰা অন্য এটা জীৱনলৈ ঢাপলি মেলা "বা"ইঁতক। খুবেই আমনি কৰেহি 'বা'ইঁতৰ সৈতে কৰা ধেমালিবোৰে, তেওঁলোকৰ মৰমভৰা গালিবোৰ, শাসনভৰা কথাবোৰে। বৰ মধুৰ আছিল ৮ নং ৰুমত কটোৱা সময়বোৰ, কেতিয়াও পাহৰিব নোৱাৰো, বিদায়ী বা সকলৰ ছবিবোৰ, স্মৃতিবোৰ এতিয়াও সজীৱ হৈ আছে।

'কোনে কাক বিদায় জনাব পাৰে  
বুকুত খোদিত হ'ল যাৰ সঠিক ঠিকনা......।'

পাহৰি যাব পৰাকৈ ৰংপুৰৰ মৰমৰ এনাজৰীডাল ইমান শিথিল নহয়। ইয়াৰ প্ৰতিজনী আবাসীৰে মনত চিৰকাললৈ বন্দী হৈ ৰ'ব ইয়াৰ স্মৃতিবোৰ। মিলন- বিদায়ৰ খেলত বন্দী মানৱ জীৱনৰ অন্যতম সাক্ষী এই "ৰংপুৰ ছাত্ৰী নিবাস"। ইয়াত জিৰাইহি তিনিটা বা পাঁচটা বছৰৰ বাবে পৰিভ্ৰমী আলোক সন্ধানী স্বপ্নাতুৰ সকলে। প্ৰতি বছৰে এজাকে বিদায় লয়, আগমন ঘটে আন এজাকৰ। বিদায়ী সকলে বুকুত বান্ধি লৈ যায় অনেক স্মৃতি, অনেক অভিজ্ঞতা, আগমন ঘটা সকলৰ লগত আনে মাথো আশা। "ৰংপুৰে" কাকো প্ৰতাৰণা নকৰে, সকলো সহি যায় নীৰৱে। সাক্ষী হৈ ৰয় মাথো ইয়াৰ চুকে কোণে সিঁচৰিত হৈ থকা অলেখ স্মৃতি, হাঁহি কান্দোনৰ...............।

ঃঃঃঃঃঃঃ

# হোষ্টেলৰ জীৱনৰ অভিজ্ঞতাৰে.......

— শ্ৰী চিত্ৰাময়ী হাজৰীকা
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ

"হোষ্টেলীয়া জীৱনৰ অবিহনে কলেজীয়া জীৱন অসম্পূৰ্ণ হৈ ৰয়"। সঁচাকৈয়ে হোষ্টেলীয়া জীৱনৰ বিনন্দীয়া অনুভৱ যিজন ছাত্ৰ বা যিগৰাকী ছাত্ৰীয়ে নাপাই সেইজন বা সেইগৰাকীৰ জীৱন যেন ক'ৰবাত আধৰুৱা হৈ ৰৈ যায়। বহুতো তিতা-মিঠা ভিন্ন স্বাদৰ অভিজ্ঞতাৰে এটা হোষ্টেলীয়া জীৱন আৱেষ্টনীত হৈ থাকে। সেইবাবে হয়তো ময়ো এই অভিজ্ঞতাখিনিৰ সোৱাদ ল'বলৈ এদিন হৈ পৰিছিলো "ৰংপুৰ ছাত্ৰী নিবাস"ৰ আবাসী। কিন্তু আজি চাৰিটা বছৰ কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালো। অথচ ইয়াৰ মাজতেই পাৰ হৈ গ'ল বহুতো ৰঙীন মুহূৰ্ত, পোৰ-নোপোৱা, আশা-নিৰাশা আৰু সুখ-দুখৰ অনুভৱ, যিবোৰ স্মৃতিৰ মণিকোঠাত সদায়েই সজীৱ হৈ থাকিব।

এই ছাত্ৰী নিবাসত মই প্ৰথমবাৰৰ বাবে ভৰি দিছিলো ২০০৬ চনৰ জুলাই মাহৰ কোনোবা এটা দিনত। মনত এক অনাবিল আনন্দ, বুকুত অজান শিহৰণ লগতে এটা নতুন আচহুৱা পৰিবেশ নিজকে খাপ খুৱাব পৰা- নোৱাৰাব দুমোজাই ভাবাক্ৰান্ত কৰি তুলিছিল।

প্ৰথমতে, মই একেবাৰে মিলিব পৰা নাছিলো এই পৰিবেশটোৰ লগত। ডাঙৰ বাইদেউহঁতৰ মৰমৰ কাৰ্ট, খণ্ডতে পৰা গালি শুনি ভয়ো খাইছিলো। কিন্তু লাহে লাহে সপোনবোৰ ভাল লাগিবলৈ ধৰিলে। বহুতো অভিজ্ঞতা লাভ কৰিলো— যিবোৰ কেতিয়াও পাহৰিব নোৱাৰিম। বিশেষকৈ 'ডাইনিং হলৰ কাৰ্ট আমাৰ হোষ্টেলত অতীতৰ পৰা চলি অহা পৰম্পৰা। সদায় ৰাতি ডাইনিং হলত 3rd year ৰ বা'হঁতে মৰা কাৰ্টত ভাত খাব নোৱাৰি হাঁহি হাঁহি আধাতে উঠি যাব লগা হয়। হোষ্টেলত পতা বিভিন্ন অনুষ্ঠানবোৰত আমি বহুত ফূৰ্তি কৰো। নৱাগতা আদৰণি সভাত নৱাগতাসকলে হাঁহি-ধেমালিৰে নিজৰ পৰিচয় দাঙি ধৰিব লাগে। আমাৰ এই হোষ্টেলখনিত নৱাগতা আদৰণিৰ পৰা আৰম্ভ কৰি জন্মাষ্টমী, শিক্ষক দিৱস, 31st ডিচেম্বৰ, অন্তিম বৰ্ষৰ বা'হঁতৰ বিদায় অনুষ্ঠান এই সকলোবোৰ নিয়াৰিকৈ পালন কৰা হয়। কিন্তু এই অনুষ্ঠান, হাঁহি তামাচাবোৰৰ পৰা বিদায় লোৱাৰ সময় আহি নিচেই কাষ চাপিলেহি। আমি ছোৱালীবোৰে ৰাতি ভাত খোৱাৰ পিছত মাজ নিশালৈকে দিয়া আড্ডা, বৃহস্পতিবাৰে মাৰ্কেট যোৱা, চুপাৰ বাইদেউৰ উপদেশমূলক গালি, কলেজ সপ্তাহৰ সময়ৰ উৎসৱমুখৰ পৰিবেশ, হোষ্টেলৰ হুঁচৰি দল, এই অভিজ্ঞতাবোৰ কেতিয়াও পাহৰি যোৱাৰ কল্পনা কৰিব নোৱাৰি।

এই চাৰিটা বছৰ আশ-আকাংক্ষা, হাঁহি কান্দোনৰ মাজতেই হেৰাই গ'ল। মাথো আজীৱন জীৱন্ত হৈ ৰ'ব স্মৃতিৰ কুঁকি আৰু যেতিয়াই অতীতৰ দুৱাৰ খুলিম সেই পাহৰিব নোৱাৰা স্মৃতিবোৰ মনৰ চৌদিশে উকমুকাই উঠিব। এই ছাত্ৰী নিবাসৰ প্ৰতিটো কথাই মনত পেলাই ভাল লাগে, কিন্তু কাৰোবাৰ আগত ব্যক্ত কৰিবলৈ ভয় লাগে জানোচা অতীত হৈ যায়। এই ছাত্ৰী নিবাসে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সকলো সুবিধা দিছে। কিন্তু মোৰ হাতত মাথোঁ এটা বছৰ নাজানো এই বছৰটোত মই মোৰ গৃহসদ্ হোষ্টেলখনিলৈ কিবা গৌৰৱ কঢ়িয়াই আনিব পাৰি নে নোৱাৰিম। কিন্তু মোৰ প্ৰচেষ্টা সদায় অব্যাহত থাকিব।

৪৪৪৪৪৪৪

# কথোপকথন ঃ এক অনুভৱৰ......

— শ্ৰী বৰ্ণালী দাস
অসমীয়া বিভাগ
স্নাতক তৃতীয় বৰ্ষ

"জীৱন মানেইতো কেৱল সপোন নহয়
হাতৰ মুঠিত মোমাই ৰোৱা
সময়েও দিব নোৱাৰে
তাৰ সঠিক ঠিকনা...........।।"

মোৰ মনত থকাৰ পৰা জীৱনটো জীয়াই আহিছো। সপোন-দিঠকে সংমিশ্ৰিত অনুভৱ; যেন ছাঁ-পোহৰৰ সংমিশ্ৰিত আকাশ..........। দিন-ৰাতি, ৰ'দ-বৰষুণ, সকলোৱেইতু জীৱনৰ বুকুত খেলি আহিছে। কেতিয়াবা সপোনবোৰ সময়ৰ থেকেচনিত ভাগিছে; আকৌ ফুলিছে। নতুবা কেতিয়াবা দিঠকতে গম নোপোৱাকৈ দি থৈ গৈছে "মইজনীক" কিছু সুখৰ বন্যা অথচ এক দুখৰ হাঁহি। হাঁহি- কান্দোনৰ দুদুল্যমান অৱস্থাতে ফুলিছিল হৃদয়ৰ অজানিতে কৃষ্ণচূড়াজোপা। ফুল ফুলে; সময়ৰ সকিয়নিত আকৌ সৰি যায়। দুখৰ যন্ত্ৰণা সহিব নোৱাৰি মনে চিঞৰি মাতে ওচৰৰ অথচ সেই দূৰৈৰ আপোনজনক......(এখন হৃদয় নিসংগ)

ঃ এই..........., কি ভাবিছা? বহুদিনৰ শিলালিপিৰ পুৰণি পৃষ্ঠাবোৰ বিচাৰিব ক'লা যে, সেয়ে দেৰি হৈছে।

ঃ আচলতে স্মৃতিয়ে কেৱল কেইটিমান মুহূৰ্ত্তহে লৈ নানে; লগত আনে সেউজীয়া প্ৰতিচ্ছবি, হালধীয়া অনুভৱ আৰু ৰঙা শিহৰণ। মোৰো মনত আছে ২০০৮ চনৰ ২২ মে'ৰ দিনটো..................।। তাৰ পিছৰ পৰাই যে জীৱনেই সলনি হৈ গ'ল। মোৰ দুচকুত এতিয়াও সেই একেই উজ্জ্বলভাৱ চলাচল। কিয়............? তোমাৰ মনত পৰা নাই............??

"তুমি আছা বাবেইতু মই আছো
আৰু আছে বহুতো সপোন..........জীয়াই থকাৰ।।"

ঃ এটি দুটিকৈ দিনবোৰ সৰিছিল। আগতকৈ কৃষ্ণচূড়া জোপা বেচ ৰঙা হৈ ফুলিছিল। ঠিকেইতু..........., ভালপোৱাৰ পোছাকে হৃদয়ক ন-কৈ সজায়। তাৰ পিছত............?? তাৰ পিছত ক্ৰমে চমু হৈ পৰিছিল দূৰৰ বাটটো— এখন হৃদয়ৰ পৰা আন এখন হৃদয়লৈ পাৰ হ'ব পৰা বাটটো।। তোমাৰ প্ৰত্যেকটো শব্দই মোৰ জীৱনৰ উশাহেই সলনি কৰি পেলাইছিল। তোমাৰ দুচকুত জিলিকি থকা সেউজীয়াখিনিতে মোৰো সপোনে বাট পোনাই লৈছিল। তেতিয়ায়ে মোৰ বুকুত দীঘলকৈ এলানি কবিতা গজিছিল। জানা!! আৰু................!

............সেউজীয়া নৈ পাৰ হৈ স্পৰ্শ কৰিছিল তৃপ্তিৰ মাদকতা। (মই তোমাৰ আজন্ম প্ৰেমিকা) নিশাৰ নিয়ৰবোৰ তেতিয়াও সাৰে আছিল। হীৰু দা.........., তুমি কোৱা সেই কথাষাৰে আজি বৰ আমনি দিছে।

"প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি। নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে শব্দ; বৰ্ণ আৰু পোহৰৰ উৎস।"

("সুগন্ধি পখিলা'— হীৰেণ ভট্টাচাৰ্য্য)

ঃ অ'..........; তাৰ পিছত শুনা। বুকুত শীতল অনুভৱবোৰে তোমাৰ পথাৰত শিৰিৰ পাতিবলৈ দৌৰ দিছিল। মোৰ সময়বোৰে তোমাৰ অধীন হোৱাৰ কথা কৈছিল এদিন মোৰ আগত। সিহঁতে হেনো কাঞ্চনজংঘাৰ বুকুয়েদি ভালপোৱাৰ বাট বিচাৰি যাব। আৰু কত কিমান যে কথা।। কি হ'ল! হাঁহি দিলা যে......................!!

"আজি তোমাৰ ওচৰত মেলি দিছো
নতুন অনুভৱ

কিবা এটা পোৱাৰ;

.................

এয়া পোৱাখিনি একেলগে গোটাই লোৱাৰ পাৰ বাগৰা আনন্দ।।"

ঃ মনত পৰিছে নহয় অতীতবোৰ!!

বহুত শিপালে ন' ভালপোৱাই আমাৰ হৃদয়ত? আৰু কি মনত পৰে জানা; শীৰ্ণ আঙুলিৰ বাটে বাটে যে সুমুৱাই দিছিলা সেউজ হেপাঁহ।।

(আচলতে তোমাতে বিলীন আকাশৰ নীলাবোৰ।)

ঃ কেতিয়াবা ক'লাবোৰে আহি জোকায়। যন্ত্ৰণাত সপোন হেৰায়। মনৰ মাজত সংঘৰ্ষ। কোনোবাই আন্দোলন কৰে– "আমাক স্বাধীনতা লাগে।" অ', পাহৰিছিলোৱেই; দুখবোৰ যাব পৰাকৈ যে বাট বন্ধোৱা নাছিল ওখ মথাউৰিত। পিছে সিহঁতবোৰ এতিয়া স্বাধীন। হৃদয় ভৰিলে দুখে বসতি কৰাৰ সুবিধা নাপায় সহজতে।

"আজি এক নীৰৱ নিশাই চায় তোমালৈ
সপোনক খেদি ফুৰা অৱসাদবোৰ
ক'তা নাইচোন!!
দুচকুত অযুত হেপাঁহৰ ৰেখা
সেইদিনৰ /আজিৰ দিনৰ............।।"

ঃ বিশ্বাস, সহাঁৰি, প্ৰেৰণা, ধৈৰ্য্য, সাহস, সহনশীলতা– এইবোৰ অস্ত্ৰ মোক দি দিছিলা। কিন্তু তুমি হয়তু নাজানিছিলা জীৱন যুদ্ধত যুঁজিব পৰাকৈ পাকৈত নহয় মই। (তোমাৰ অবিহনে দিশহাৰা মই) এতিয়া সময়ো হ'ল বহুত। সন্ধ্যাৰ পৰত সাধাৰণতে দিনটোৰ কথা সুঁৱৰি ভাল লাগে। কিয়..........., তুমিয়েই কোৱা দেখোন! অৱশ্যে ভয় নলগাও নহয়। নিশাবোৰে জোনাকবোৰ কাঢ়ি নিয়াৰ ভয়; সাগৰবোৰে নীৰৱতাবোৰ কাঢ়ি নিয়াৰ ভয়।। কেতিয়াবা হৃদয়ে কি ভাৱে জানা.............? (অ'............, তোমাক কোৱা নাই)

"তোমাক লগ নোপোৱাই ভাল আছিল
তেতিয়া কিজানি জপাব নালাগিলহেঁতেন দুহাত
তোমাক হেৰুওৱাৰ আশংকাত...........।।"

ঃ কি হ'ল? ভয় খাইছা? একো নাই, যন্ত্ৰণাৰ সময়বোৰ এতিয়া কাৰাগাৰত বন্দী। নাজানো, কেতিয়া মুকলি হ'ব। হ'ব দিয়া; উভতি যাওঁ সেউজীয়া পৃথিৱীলৈ...........। ইতিমধ্যে কৃষ্ণচূড়া জোপাত বহুত ফুল ফুলিছিল। সেইজোপা চালেই দেখোন মন চঞ্চল হৈ পৰে। অনুভৱৰ নীৰৱতাত কিবা এটা বগায়। গোপনে তোমাক এখন ধুনীয়া স্কেচ কৰি পেলায় সিহঁতে।

............আৰু কাঞ্চন জংঘাৰ সেই দীঘল বাটটো; সপোনবোৰ, বৰযুণজাক, হালধীয়া অনুভৱবোৰ, ৰঙা শিহৰণবোৰ, সেই নিস্তব্ধ সন্ধ্যাটো (সেই যে বেলি পৰো পৰো দৃশ্য?) সকলোবোৰ কাষত আছে আজি..........এতিয়াও।।

ঃ আৰু কি মনত পৰিছে জানা? হাঁহি উঠিছে। (মাজে মাজে নুঠা নহয়) অভিমান ভৰা কথাবোৰ, আচৰিত টান টান দাবীবোৰ।

——— মই এটা কথা ভাবিছো, সূৰ্য্যই সাৰ পালেই যাত্ৰা কৰিম পশ্চিমৰ দেশলৈ..............শুনিছো, পশ্চিমৰ দেশবোৰ হেনো বৰ ধুনীয়া) আৰু.............................. এৰা, মানুহে এনেই নকয়– "ভাল পাওঁ বুলিলে শেষ নহয় কথা, আৰু থাকে বহুতো বাকী।।"

(আজি সন্ধ্যাৰ বেলিটো বেছ ৰঙা হৈ জিলিকিছে ছোৱানা। তুমি আৰু মই বহি থকাৰ বাবে তাৰ বাৰু খং উঠিছে নেকি? মই শুনিছিলো লাজ পালেহে ৰং গাঢ় হয়............।।)

"ভাল পোৱাৰ বাটত কিহৰ খট্ খটনি?
আজি যেন কোনো নাই
আছো মাথো তুমি আৰু মই
মই তোমাক কবিতা শুনাম ওৰে ৰাতি
তুমি তাত সুৰ দিবা অনুভৱত মাতাল হৈ
মাতাল হ'ব দুখন হৃদয়
মগ্ন হ'ব এখন পৃথিৱী
ব্যগ্ৰ হৈ পৰিব বুকুৰ
নিস্তব্ধতাবোৰ...........।।"

ঃঃঃঃঃঃঃঃ

# মা-লৈ চিঠি

— ইন্দ্ৰানী শৰ্মা
স্নাতক তৃতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ
ৰংপুৰ ছাত্ৰী নিবাস, শিৱসাগৰ

পূজনীয়া মা,

পত্ৰে মোৰ মৰম ও শ্ৰদ্ধা গ্ৰহণ কৰিবা। মই ভালেই আছো। আশাকৰো তোমাৰ লগতে দেউতাৰো ভালেই।

মা, হোষ্টেললৈ অহা আজি এমাহ হ'ল যদিও মই ইয়াত একেবাৰে মন বহুৱাব পৰা নাই। কেতিয়াবা ঘৰলৈ গুচি যাবৰ মন যায়। তোমালৈ অনবৰতে মনত পৰে অ'। ৰাতিপুৱা কলেজ ওলোৱা সময়ত এনেকুৱা লাগে তুমি যেন আঁচলত হাত মচি মচি আহিবা আৰু ক'বা, 'সাৱধানে যাবি দেই মাজনী।' অ' মা, সিদিনা হোষ্টেলৰ নৱাগতা আদৰণী সভাত মই গান গাইছিলো। সকলোৱে খুব প্ৰশংসা কৰিছিল। মোৰ তেতিয়া তোমালৈ বৰকৈ মনত পৰিছিল জানা। মই মনে মনে ৰুমত আহি কান্দি আছিলো।

অ' মা, মই ঘৰত নাথাকিলে তুমি আকৌ সৰু দাদাক বেছি মৰম নকৰিবা। নহ'লে সি মোক পিছত জোকাই থাকিব। ডাঙৰ দাদাৰ খবৰ পোৱানে? মা, দেউতাই মোলৈ নতুন কিতাপ কিনিছে নেকি? দেউতাক ক'বা মই তেওঁৰ কাৰণে কিৰণ বেদীৰ 'I dare' কিতাপখন কিনি ৰাখিছো। অহা মাহত ঘৰলৈ যাওঁতে লৈ যাম। আৰু শুনা, ঘৰলৈ যাওঁতে মই কিন্তু নপঢ়ো। সেই কেইদিন তোমাৰ লগত কথা পাতিম। অ' মা, আমাৰ কলেজৰ চাৰ-বাইদেউসকল বহুত ভাল। মোক বহুত মৰম কৰে। লিখিবলৈ মন নাই যদিও তুমি গালি দিবা কাৰণেই পঢ়াৰ কথা লিখিছো। মই অলপো ভালকৈ পঢ়া নাই। অলপ পঢ়িছো, কিন্তু পঢ়ি থাকোতে তোমালে মনত পৰিলে সব খেলি-মেলি হৈ যায়। অ' মা ঘৰৰ পৰা আহি পঢ়িম দেই। সঁচা কৈছো, তেতিয়া মই মন দি পঢ়িম।

বহুত কিবা-কিবি লিখিলো। মই জানো তুমি চিঠিখন পঢ়ি অলপ হ'লেও কান্দিবা। অ' তোমাৰ দৰৱবোৰ সময়মতে খাবা দেই।

শেষত দেউতা আৰু তোমালৈ শ্ৰদ্ধা আৰু দাদালৈ মৰম যাচিলোঁ। চিঠিৰ উত্তৰ দিবা।

তোমালোকৰ মৰমৰ —

*ইন্দ্ৰাণী*

বিঃদ্ৰঃ- মই ঘৰলৈ যাওঁতে তোমাৰ হাতৰ মাছৰ টেঙা জোল খাম।
এইটো কথা বহুত জৰুৰী আছিল।

ঃঃঃঃঃ

# কুইজকুইজকুইজকুইজ

সংগ্ৰাহক ঃ ৰশ্মিৰেখা মিলি, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

১। কি মাছে গছত বাহ সাজে?
ঃ স্পিডল।

২। কি চৰায়ে শূণ্যত কণী পাৰে?
ঃ হোমা চৰায়ে। কণী মাটিত পৰাৰ আগতেই পোৱালী জগি উৰা মাৰে।

৩। মহাকাশচাৰীয়ে পিন্ধা পোছাক যোৰক কি বোলে?
ঃ স্পেচ ছ্যুট।

৪। পৃথিৱীৰ উচ্চতম স্থানত থকা যুদ্ধক্ষেত্ৰ খনৰ নাম কি?
ঃ চিয়াচেন (জম্মু-কাশ্মীৰ)

৫। কোন দেশক গুলী-বাৰুদৰ দেশ বোলা হয়?
ঃ পেলেষ্টাইন।

৬। "কদম তলে কৃষ্ণ নাচে" নামৰ ছবিখনে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবি শিতানত কি বঁটা লাভ কৰিছিল?
ঃ ৰজত কমল বঁটা।

৭। সুনীতা উইলিয়ামছে কি বিখ্যাত ক্ৰীয়া প্ৰতিযোগিতাত খালি ভৰিৰে অংশ লৈছিল?
ঃ বেষ্টন মাৰাথনত।

৮। আধুনিক অলিম্পিকৰ পিতৃ আখ্যা পোৱা ব্যক্তি জনৰ নাম কি?
ঃ বেৰন পিয়েৰ দি কুবাৰটিন।

৯। ন'বেল বঁটা লাভ কৰা প্ৰবাসী ভাৰতীয় বিজ্ঞানীজনৰ নাম কি?
ঃ পদাৰ্থ বিজ্ঞানী ড° হৰগোবিন্দ খুৰানা।

১০। পৃথিৱীৰ বৃহত্তম দ্বীপটোৰ নাম কি ?
ঃ গ্ৰীণলেণ্ড।

১১। ভাৰতৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনৰ নাম কি?
ঃ ডুৰাণ্ড কাপ।

১২। অসমৰ কোনখন জিলাত পোনতে ছপাশাল স্থাপন কৰা হৈছিল।
ঃ ১৯৪০ চনত শিৱসাগৰ জিলাত।

১৩। বাৰ্চিলোনা অলিম্পিকত কোনে অসমৰ পৰা যোগদান কৰিছিল?
ঃ দীপাংকৰ ভট্টাচাৰ্য।

১৪। 'সাগৰ দেখিছানে' নামৰ পুথিখন কোনে লিখিছে?
ঃ দেৱকান্ত বৰুৱা

# সাধাৰণ সম্পাদিকাৰ (General Secretary) প্ৰতিবেদন



"সাৰ পাম মই পূৱতী নিশাতে নিয়ৰ যেতিয়া সৰে
বাটৰ শুকান ধূলিক সেমেকা যিটো এহৰে কৰে
আই মোক জগাবি
আই মোক জগাবি।
পল পল দণ্ড কৰি সময় গৈছে উৰি
পাখি লগা কাঁড়ৰ নিচিনা অবিৰাম,
বহুদূৰ আছে গতি সময় তাকৰ অতি
কৰিবলগীয়া আমি আছে বহু কাম।

(জীৱন সংগীত ঃ কবি - আনন্দ চন্দ্ৰ আগৰৱালা)

সপোন সকলোৱে দেখে। মইও সপোন দেখিছিলো সৰুৰে পৰাই শিৰসাগৰ ছোৱালী কলেজলৈ কিবা এটা কৰাৰ। কিন্তু সেই সু-ক্ষণ অতি ক্ষিপ্ৰতাৰে কেতিয়া আহি মোৰ সন্মুখত থিয় হ'ল কল্পনাই কৰিব নোৱাৰিলো। ইংৰাজীত এযাৰ বাক্য আছে– "When the heart is heavy words are few." ২০05 বৰ্ষত যেতিয়া পোনপ্ৰথমবাৰৰ বাবে বহু আশা স্বপ্ন সীমাহীন কল্পনাৰে অসমৰ এখন আগশাৰীৰ মহিলাৰ শিক্ষানুষ্ঠান, ঐতিহ্যমণ্ডিত শিৱদ'লৰ কাষতে অৱস্থিত আধ্যাত্মিকতাৰ সঞ্চাৰ হোৱা "শিৰসাগৰ ছোৱালী কলেজত" ভৰি দিছোলোহি। নিজেকে তেতিয়া বৰ সৌভাগ্যৱতী যেন অনুভৱ হৈছিল। আৰু তেতিয়াই কিবা এটা কৰাৰ বাসনা পুহি ৰাখিছিলো মনত। ২০০৭ বৰ্ষত অনুষ্ঠিত হোৱা নিৰ্বাচনত মোক "সংগীত বিভাগৰ সম্পাদিকা"ৰ পদত উপযুক্ত বুলি ভাবি বিপুল ভোটত জয়লাভ কৰালে তাৰ বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও দ্বিতীয় বাৰৰ বাবেও যেতিয়া মোক কলেজৰ আন এটি গুৰুত্বপূৰ্ণ পদ সাধাৰণ সম্পাদিকাৰ বাবে যি উৎসাহেৰে মোৰ প্ৰতি বিশ্বাস ৰাখি সৰ্বোচ্চ ভোটত জয়যুক্ত কৰিলে তাৰ বাবে মই মোৰ অনুজ, অগ্ৰজ তথা সতীৰ্থ সকলৰ ওচৰত চিৰ কৃতাৰ্থ। সেই দিনটো মোৰ জীৱনৰ বাবে এটি চিৰস্মৰণীয় দিন।

সাধাৰণ সম্পাদিকা ৰূপে কাৰ্য্যনিৰ্বাহ কৰা সময়ছোৱাত কি ধৰণেৰে দায়িত্ব পালন কৰিব পাৰিলো, কৰ্মক্ষেত্ৰত মই কিমান সফলতাৰে আগুৱাব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়? দায়িত্ব গ্ৰহণ কৰাৰ সময়ত কলেজখনত বিৰাজমান পৰিবেশৰ পৰা কলেজখনক এক সন্মানীয় অৱস্থালৈ নিয়াটোক এক প্ৰত্যাহ্বান ৰূপে লৈ কলেজৰ সৰ্বাংগীন উন্নয়ন সাধন কৰিবলৈ সংকল্পবদ্ধ হৈছিলো। কলেজখনৰ সুনামৰ অৰ্থে মনোনিবেশ কৰিছিলো নিজস্ব কিছু চিন্তা-চৰ্চা আৰু কলেজ পৰিয়ালৰ সমূহ সদস্যৰ সমন্বিত চিন্তা ধাৰণাৰ সংযোজন ঘটাই কলেজৰ উন্নতি সাধনৰ প্ৰচেষ্টাত। এইক্ষেত্ৰত সকলোৰে ইতিবাচক সঁহাৰিৰ জৰিয়তে মই সফল হৈছিলো যাৰ বাবে মই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**কাৰ্যকালৰ খতিয়ান ঃ**

৩১।১০।০৮ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ ৪৩তম নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

২৬।১১।০৮ তাৰিখে কলেজৰ নীতি অনুসাৰে অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনদেৱে আমাক দায়িত্বভাৰ অৰ্পন কৰে আৰু আনুষ্ঠানিকভাৱে আমি গ্ৰহণ কৰো। ইয়াতেই আগন্তুক 'কলেজ সপ্তাহ'ৰ ওপৰত আলোচনা কৰা হয়।

সকলোৱে আগ্ৰহেৰে বাট চাই থকা বাৰ্ষিক কলেজ সভাখনি ১৮।১২।০৮ তাৰিখৰ পৰা ২৪।১২।০৮ তাৰিখলৈকে পাতিবলৈ ধাৰ্য্য কৰা হয়। সময়ৰ লগে লগে পৰিৱৰ্তনৰ প্ৰয়োজন তেতিয়াহে সময়ৰ লগত খোজ মিলাব পৰা যাব। এই কথালৈ লক্ষ্য ৰাখি ছাত্ৰী একতা সভাৰ প্ৰচেষ্টাত ৭ দিন কলেজ সপ্তাহ আৰু এদিন সুকীয়াকৈ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। এনে হোৱাৰ বাবে অধিক সংখ্যক প্ৰতিভাবান ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাৰ সুবিধা পায়। এইবাৰ বাৰ্ষিক কলেজ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠান সমূহ অংশগ্ৰহণকাৰী সকলৰ সংখ্যা অধিক হোৱাৰ লগতে অতি সুন্দৰ হৈছিল। কিন্তু আনহাতে অতি দুখৰ বিষয় যে, সাহিত্যৰ বিষয়ে সমূহত প্ৰতিযোগীসকলৰ সংখ্যা নিচেই কম। এই ক্ষেত্ৰত ছাত্ৰী সকলৰ উৎসাহ অতি প্ৰয়োজনীয়।

২৪ তাৰিখে অনুষ্ঠিত হোৱা "শীতৰ কোলাত উমাল ৰ'দালি" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত উপস্থিত সমূহ দৰ্শকক প্ৰায়ভাগ Cultureৰ সম্বন্ধে আনন্দৰ সোৱাদ দিবলৈ চেষ্টা কৰিছিলো।

বিগত বছৰ কেইটিৰ দৰেই এইবাৰো অতি আনন্দ উল্লাহেৰে বিভাগীয় উপদেষ্টা সকল তথা সম্পাদিকাৰ প্ৰচেষ্টাত সৰস্বতী পূজা ৩১।১।০৯ তাৰিখে উদ্‌যাপন কৰা হয়। মোৰ আমন্ত্ৰণ ক্ৰমে কেৱল শিৱসাগৰেই নহয় অসমৰ বিভিন্ন স্থানৰ পৰা যিসকল সদাশয় ব্যক্তিয়ে আহি শিৱসাগৰ ছোৱালী কলেজৰ চৌহদৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেওঁলোকলৈও মোৰ ধন্যবাদ থাকিল।

সুদীৰ্ঘ কাল শিৱসাগৰ ছোৱালী কলেজলৈ অৱদান আগবঢ়োৱা উপাধ্যক্ষা মহোদয়া শ্ৰীযুত কিৰণ বৰুৱা বাইদেউৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান সুকলমে অনুষ্ঠিত কৰা হৈছিল। সকলোৰে সহযোগত এই একেই বছৰতে অফিচৰ উচ্চবৰ্গৰ সহায়ক ৰোহিত চন্দ্ৰ বৰা চাৰৰো বিদায় সম্বৰ্ধনা অনুষ্ঠান মোৰ কাৰ্যকালতে অনুষ্ঠিত কৰা হয়।

২০০৯-১০ বৰ্ষৰ নৱাগতা ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ ১৩ আগষ্ট তাৰিখটোকে এটা উত্তম দিন হিচাপে লৈছিলো। নতুনক আদৰাৰ সকলোৰে নিয়ম, প্ৰকৃতিও এই নিয়মৰ ব্যতিক্ৰম নহয়। সেইবাবে নৱাগতা ছাত্ৰীসকলক একেটা শৈক্ষিক পৰিয়ালৰ সদস্যৰূপে আদৰি লৈছিলো এখনি আটকধুনীয়া সভা আৰু বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানেৰে।

উচ্চ শিক্ষাৰ দৰে মহান উদ্দেশ্য আগত লৈ নিজকে যুগৰ লগত খাপ খুৱাই ভৱিষ্যতে জীৱনৰ সপোনক বাস্তৱত ৰূপ দিয়াৰ এক উচ্চাকাংক্ষা মনত লৈ বিভিন্ন ঠাইৰ পৰা যিসকল এই কলেজলৈ আহিছে। ভৱিষ্যতৰ সপোনক বাস্তৱত সু প্ৰতিষ্ঠিত কৰাৰ এক মহান উদ্দেশ্য তেওঁলোকৰ আছে আৰু লক্ষ্যত সকলোৱে যাতে উপনীত হব পাৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিম।

বিশেষকৈ এই অনুষ্ঠানলৈ অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান কটক কলেজৰ মিনতি বৰঠাকুৰ বাইদেউৱে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি তেখেতৰ বহুমূলীয়া বক্তৃতাই আমাৰ কলেজৰ ছাত্ৰীসকলক উপকৃত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে পুৰণি আৰু নতুন যিসকল ছাত্ৰীৰ সহযোগত সাংস্কৃতিক অনুষ্ঠানটি সুন্দৰভাৱে পৰিচালনা কৰাৰ বাবে কৃতজ্ঞতাৰ গুৱাপান আগবঢ়াইছো।

২০০৯ চনৰ জুলাই মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা 'General Secretary

Meet'ত অংশগ্ৰহণ কৰি কলেজৰ সমস্যা ৰাজি সমূহৰ ওপৰত আলোচনা কৰা হয়। লগতে সমজুৱাৰ অনুৰোধ ক্ৰমে মোৰ দ্বাৰা গজল পৰিবেশন কৰা হয়। যাৰ জৰিয়তে কলেজৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ হাতত লওঁ।

ছাত্ৰী একতা সভাৰ সহযোগত বহুকেইখন "আলোচনা চক্ৰ" (Seminar) অনুষ্ঠিত হয় নতুন প্ৰেক্ষাগৃহত।

এই এবছৰীয়া কাৰ্যকালত আমাৰ কলেজলৈ কেইবাখনিও "গ্ৰন্থমেলা" আমাৰ আমন্ত্ৰণক্ৰমে আহি ছাত্ৰীসকলক উপকৃত কৰালে।

"মৃত্যুঞ্জয় (১০৮)" আহি আমাৰ ছাত্ৰীসকলক মৃত্যুঞ্জয়ৰ বিষয়ে ছাত্ৰীসকলক অৱগত কৰালে।

এইদৰে বহুতো অনুষ্ঠান আমাৰ কাৰ্যকালত শিৱসাগৰ ছোৱালী কলেজত অনুষ্ঠিত হয়।

২০০৮ চনত যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰি কেইবাটিও পদ লাভ কৰিবলৈ সক্ষম হ'ল। যিসকলে মোক এই কাৰ্য্যত অনুপ্ৰেৰণা যোগালে তেওঁলোকলৈ মোৰ ধন্যবাদ জনালো।

**আমাৰ কাৰ্য্যকালত ঃ**

১। কলেজৰ আভ্যন্তৰীণ উন্নয়ন যেনে- প্ৰেক্ষাগৃহ, শ্ৰেণী কোঠাসমূহ, কলেজৰ Sound System।
২। গ্ৰন্থাগাৰৰ উন্নতি।
৩। প্ৰয়োজন অনুসাৰে শ্ৰেণী কোঠা সমূহত প্ৰয়োজনীয় আচবাব প্ৰদানৰ ব্যৱস্থা কৰা হয়।
৪। ছাত্ৰী জিৰণি কোঠাৰ লগতে ওপৰত বাথৰুমৰ ব্যৱস্থা।
৫। কলেজৰ পৰা ৰেগিং সম্পূৰ্ণৰূপে আঁতৰাই পঠোৱাত সফল হোৱাটো কাৰ্য্যকালৰ এক বিশেষ সাফল্য।
৬। College Uniformৰ ওপৰত সতৰ্কতা।
৭। বিশেষ বিশেষ স্থানত V.D.Oৰ ব্যৱস্থা কৰিবলৈ অধ্যক্ষ মহোদয়ক আহ্বান।
৮। Computer Internetৰ উন্নত ব্যৱস্থা কৰা হয়।
৯। ছহীদ বেদীৰ বাবে উপযুক্ত ব্যৱস্থা ল'বলৈ পদক্ষেপ।
১০। অসমীয়া সাহিত্য চ'ৰাৰ উদ্যোগত নন অনুষ্ঠান অনুষ্ঠিত।
১১। ম'বাইল ব্যৱহাৰৰ ওপৰত বাধা আৰোপ।

শিক্ষামূলক ভ্ৰমণ টোৱেই আছিল মোৰ কাৰ্য্যকালৰ শেষ কাৰ্য্যসূচী। মোৰ লগৰীয়া সকলৰ উৎসাহ আৰু সহায়ৰ ফলত বিশেষকৈ অধ্যক্ষ মহোদয় আৰু সান্ত্বনা দুৱৰা সন্দিকৈ বাইদেউৰ সহযোগতহে মই এই গধুৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ সক্ষম হৈছিলো। ২৯ অক্টোবৰত গৈ ৮ তাৰিখে নিজৰ মাতৃভূমিলৈ গেংটক, দাৰ্জিলিং, য়মঠেং, চিকিম, মিৰিক ৰ পৰা সকলো আহি শিৱসাগৰ পাইছিলোহি। ৰুবুল দা, চিবু দা আৰু অনুপ দাই এইক্ষেত্ৰত বহুখিনি সহায় কৰাৰ লগতে কনচেং চাৰ, প্ৰমোদ গগৈ চাৰ, কৃতাঞ্জলী বাইদেউ আৰু চিত্ৰলেখা বাইদেউকো কেতিয়াও পাহৰিব নোৱাৰিম।

**কাৰ্য্যকালৰ উপলব্ধি ঃ**

আমাৰ কাৰ্য্যকালত শিক্ষক আৰু ছাত্ৰীসকলৰ মাজত এক মধুৰ সম্পৰ্ক গঢ়ি তোলাত সক্ষম হৈছিলো যাৰ জৰিয়তে বিভিন্ন সময়ত ছাত্ৰীসকলৰ লগতে বিভিন্ন ক্ষেত্ৰত আমি তেখেতসকলৰ পৰা

নানা ধৰণৰ সহযোগিতা লাভ কৰিছিলো। ছাত্ৰীসকলৰ সুবিধা অসুবিধাৰ প্ৰতি সতত দৃষ্টি ৰাখিছিলো, তেওঁলোকক অসুবিধাত পৰিবলৈ নিদিয়াকৈ তেওঁলোকৰ সমস্যাসমূহ দূৰ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিলো। এই ক্ষেত্ৰত ছাত্ৰীসকলৰ সহযোগ আছিল শলাগিবলগীয়া। কলেজত ৰেগিং মুক্ত পৰিবেশ গঢ়ি তোলাৰ বাবে আমি জনোৱা আহবানে লাভ কৰা সঁহাৰিৰ জৰিয়তে কলেজখন ৰেগিংমুক্ত হৈছিল যাৰ বাবে ছাত্ৰীসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ। কলেজৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন চাৰৰ সৈতে আমাৰ এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠিছিল যাৰ ফলত তেখেতৰ পৰা পোৱা সহায় সহযোগিতাৰ জৰিয়তে কাৰ্য্যকালৰ সময়খিনি বিশেষ অসুবিধা নোহোৱাকৈ অতিক্ৰম কৰিব পাৰিছিলো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ কলেজৰ শিক্ষাগুৰু সকল আমাৰ সতে বন্ধুভাৱাপন্ন যাক আমি সকলোৰ সময়তে কাষত পাওঁ। ৰঞ্জিত তামুলী চাৰে প্ৰত্যেকটো কামতে জনা নজনা কথা শিকাই দিয়ে। সেইবাবে চাৰৰ ওচৰত মই ধন্যবাদ জনাইছো। লগতে সকলো চাৰ বাইদেউৰ ওচৰত আশীষ বিচাৰিছো যাতে আগুৱাই যাব পাৰো। লগতে গ্ৰন্থাগাৰৰ সকলো চাৰ বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে কৈলাশ দা, শ্ৰীকান্ত দা, বিমল দা, পৰমা দা, বুবু দা, কবুল দা, সকলে প্ৰত্যেকটো কামতে যি সহায়ৰ হাত আগবঢ়ালে তাৰ বাবে তেওঁলোকক মই ধন্যবাদ জনাইছো।

মোক আৰম্ভণিৰ পৰা শেষলৈকে সকলো কামতে সহায় ও সহযোগিতাৰ হাত আগবঢ়োৱা মোৰ বান্ধৱী, ভণ্টিসকললৈ আৰু বাইদেউ সকল মৃদুস্মিতা, পূৰবী, নিকিতা, সন্ধানী, এনামি, পাপৰি, পল্লবিকা, লখিমী, প্ৰয়াসী, নয়নমনি, বিনীতা, প্ৰণতি, বিতু, চাবিহা, চুমি, প্ৰভজিত, মামু, বিপাশা, বন্তি উষাৰাণী আদি সমূহ বান্ধৱীলৈ এই প্ৰতিবেদনৰ জৰিয়তেই কৃতজ্ঞতা স্বীকাৰ কৰিছো।

এই এবছৰীয়া কাৰ্যকালত মোৰ অজানিতে কেতিয়াবা যদি টান কথা কৈছিলো তেনেহলে যদি ক্ষমা যোগ্য বুলি ভাবিছে মোক ক্ষমা কৰি দিব বুলি আশা কৰিলো। দেখা গৈছিল যে ২০০৬ বৰ্ষত প্ৰকাশ পাবলগীয়া আলোচনীখনিয়ে ২০০৭-০৮ বৰ্ষত একেলগে প্ৰকাশ পাইছে। কিন্তু এইবাৰ ২০০৮-০৯ বৰ্ষ "প্ৰবাহিনী" আলোচনীখন এই বছৰতে উলিয়াই দি মোৰ কাৰ্য্যকালৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা বাবে আলোচনী বিভাগৰ সম্পাদিকাক ধন্যবাদ জনাইছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতিৰ লগতে উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভা"

ধন্যবাদেৰে—

শ্ৰী প্ৰাৰ্থনা ভূঞা
সাধাৰণ সম্পাদিকা
২০০৮-০৯
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



"স্বপ্ন স্বপ্ন কেৱল স্বপ্ন
স্বপ্নই আকাৰ লয় চিন্তাৰ
আৰু চিন্তাৰ ফল হ'ল কাৰ্য্য।"

ড° আব্দুল কালামৰ" এই তেজস্বী শব্দ কেইটাই সপোনক বাস্তৱত ৰূপ দিয়াৰ হাজাৰ জনক অনুপ্ৰাণিত কৰিব বুলি আশাৰে "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ" সৰ্বাংগীন উন্নতি কামনা কৰি ২০০৮ চনৰ ছাত্ৰী- একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন লিখিবলৈ মনস্থ কৰিছো। বহু আশা, স্বপ্ন, সীমাহীন কল্পনাৰে আপ্লুত অন্তৰ লৈ ভৰি দিছিলোহি এই ঐতিহ্যমণ্ডিত "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে কিবা এটা কৰাৰ; কিন্তু, মই সপোনতো ভবা নাছিলো এনে পদত নিজকে অধিষ্ঠিত কৰিব পাৰিম বুলি। আপোনালোকে যি উৎসাহেৰে মোৰ প্ৰতি বিশ্বাস ৰাখি এই পদৰ বাবে উপযুক্ত বুলি বিচাৰ কৰি জয়যুক্ত কৰিলে তাৰ বাবে মই মোৰ সমূহ মহাবিদ্যালয়ৰ ছাত্ৰী সকললৈ আৰু সমূহ অধ্যাপক-অধ্যাপিকা মণ্ডলীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সহকাৰী সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ লগে লগে মই ঐতিহ্যমণ্ডিত "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়"ৰ ছাত্ৰী একতা সভাৰ অংগ হৈ পৰিছিলো আৰু অভিনৱ নতুনত্ব প্ৰদানেৰে মহাবিদ্যালয় খনিক সকলো দিশতে আগবঢ়াই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ" ছাত্ৰী একতা সভাৰ সকলো ব্যস্ত হৈ পৰিছিলো। বছৰটোত আকৰ্ষণীয় "বাৰ্ষিক কলেজ সপ্তাহত।"

শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপন কৰা হয় ২০০৯ চনৰ ২১ জানুৱাৰী দিনা অধ্যক্ষ মহোদয় তথা পূজনীয় শিক্ষাগুৰু সকলোৰে সহযোগত পৰম্পৰা ভাবে অতি উৎসাহ আৰু আনন্দৰে সৰস্বতী পূজা পালন কৰা হয়। ইয়াৰ পিছতে উল্লেখ কৰিব লাগিব মহাবিদ্যালয়ৰ নৱাগতা আদৰণি সভা। প্ৰকৃতিৰো নিয়ম আছে নতুনক আদৰি লোৱাৰ। সেয়ে আমিও কলেজৰ নৱাগতা সকলক আদৰিবলৈ সাজু হৈছিলো। মোৰ কাৰ্যকালত মই কি কৰিব পাৰিলো- নোৱাৰিলো সেয়া মই নাজানো। মোৰ কাৰ্যকালত মোক সকলো দিশতে সহায় কৰা শিক্ষাগুৰু সকললৈ; মোৰ সহপাঠী সকললৈ তথা মোৰ মৰমৰ অগ্ৰজ আৰু অনুজ সকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

